# কাঠনিবাৰী ঘাট

মহিম বৰা

# কাঠনিবাৰী ঘাট

মহিম বৰা

# কাঠনিবাৰী ঘাট

পাৰত দ'ম হৈ পৰি থকা কয়লাৰ পাহাৰবোৰ, গৰাখহনীয়াত জুৰুলা হোৱা ব্ৰহ্মপুত্ৰৰ পাৰ, পানী শুকাওঁতে ওলাই পৰা ঝাঁওবন ভৰা বালি চাপৰিৰ সেউজীয়া ঢৌবোৰ চকুৰে নেদেখা হোৱালৈকে লৰিয়ে আছে। বাৰিষা ব্ৰহ্মপুত্ৰৰ পানী গৈ শিলগুটি দিয়া ৰাজআলিৰ কাষ পায়গৈ। এতিয়া শুকাই যোৱাৰ লগে লগে বাটলৈ ভালেখিনি নামি আহিব লাগে। বালিৰ ওপৰত বাঁহৰ চোঁচ, টাৰ্জা আদি পেলাই মানুহ অহা-যোৱা বাট কৰি দিছে। একমাত্ৰ চাহৰ দোকানখন, বালিত পোতা বাঁহৰ চাঙৰ ওপৰত খেৰৰ চালি এখনত আত্মপ্ৰকাশ কৰি আছে। কেৰাচিনৰ টিনৰ টাপলি দি সজা বহল জাপ দুৱাৰখন দাঙি থোৱা অৱস্থাত চালিখনেৰে আন এখন চালি হৈ গ'ল। তাৰ তলত, বাঁহৰ খুঁটা চাৰিটাৰ ওপৰত দুচলা ফলীয়া বাঁহ পেলাই দিয়াৰ লগে লগেই সেইখন এখন সুন্দৰ 'বেঞ্চ'। তাত বহি চাহ খাওক, বিড়ি কিনক, চিগাৰেট জ্বলাওক, কথা পাতক। মই সেইবিলাকৰ একোকে কৰা নাছিলো, মাত্ৰ প্ৰকাণ্ড সেন্দূৰ বাটি যেন হৈ পৰা বেলিটোলৈ চাই আছিলো। জাহাজ আহিব ৰাতি ৯ বজাতহে, অৰ্থাৎ সেইটোৱে নিয়ম। দিনে-পোহৰেই আহি মই ঘাট পালোহি। চাওঁতে চাওঁতে সৰু ঢৌবিলাকে সৰু সৰু আঙুলিৰে সেন্দূৰবিলাক টপাটপ সানি ক'ৰবাত 'মৌ-মেল' চাবলৈ লৰ ধৰিলে।

কোনোবাই খঙত যেন গোটেই সেন্দূৰখিনি থেকেচা মাৰি সিহঁতৰ গাতে পেলাই দিলে; —উকা কপালৰ তিৰোতা এগৰাকী যেনেই লাগিল! মনটো অকলশৰীয়া হৈ পৰিল। যাত্ৰী নায়েই দেখোন। দুজনমান নেপালী, সস্ত্ৰীক। কেইজনমান চাহ বাগিচাৰ বনুৱা। চাহ বাকচ অনা আৰু কয়লা নিয়া চাহ-বাগানৰ মটৰবিলাকেই ইমান সময় কাঠনিবাৰী ঘটক জীয়াই ৰাখিছিল। দূৰণিৰ চাহ বাগিচাৰ কলঘৰৰ স্পষ্ট ধোঁৱাবোৰ ইতিমধ্যে আন্ধাৰৰ লগত মিলি যাবলৈ ধৰিছে। ক'লা অসুৰ যেন বুটখন, তাত কাম কৰা খালাচী, বনুৱা শ্ৰেণীৰ মানুহকেইটা, চাহ-দোকানখনৰ সৰু পৰিয়ালটো আৰু আমি যাত্ৰী নামৰ প্ৰাণীকেইটাক

আন্ধাৰবোৰে অকলে পাই আগুৰি পেলালে।

হুৰ হুৰ শব্দ এটাৰ লগত জুনুকাৰ জুন্‌জুননিয়ে কৌতুহল বঢ়াই তুলিলে। দোকানৰ খেৰ ইকৰাৰ বেৰৰ ফাঁকেদি চকুত পৰিল এখন গৰুগাড়ী। গাড়োৱানটোৱে নামি লাহেকৈ যুঁৱলিখন মাটিত নমাই দিলে। গৰুহালে অ'ত-ত'ত দুই এডাল ঘাঁহ শুঙিবলৈ ধৰিলে। গাড়ীৰ সন্মুখৰ পৰ্দাখনৰ সেউজীয়া বৰণটো তেতিয়াহে চকুত পৰিল। লগে লগে মনটোও সেউজীয়া হৈ পৰ্দাখনৰ দৰেই কঁপিবলৈ ধৰিলে। চটফটীয়া পোন্ধৰ-ষোল্ল বছৰীয়া ল'ৰা এটা জাঁপ মাৰি নামি আহিল।

গাড়োৱানৰ সৈতে ধৰাধৰি কৰি টিঙৰ ট্ৰাঙ্ক এটা নমাই আনি মাটিত থ'লে। কেঁকো-জেঁকোকৈ বাকচটো গাড়োৱানৰ মূৰত উঠিল। আগে আগে ল'ৰাটোৱে বাট দেখুৱাই বুটলৈ লৈ গ'ল।

আকৌ এবাৰ মনটো কঁপিবলৈ ধৰিলে। গাড়ীৰ ভিতৰৰ পৰা ওলাই অহা মূৰ্তিটো স্পষ্ট হৈয়ে চকুত পৰিছে। কাৰণ পোহৰৰ ওপঙি থকা শেষ কণাবোৰ তেতিয়াহে অদৃশ্য হৈ পৰিছে। গাৰ কাপোৰ-কানি জাৰি-জোঁকাৰি নৈখনৰ ফালে চাই থিয় হ'ল। ল'ৰাটো আৰু গাড়োৱানটো আহি ওচৰ পালেহি। 'হল্ড্-অল্' আদি দুই-এপদ বস্তু গাড়ীৰ ভিতৰৰ পৰা উলিয়াই লৈ লাহে লাহে বুটলৈ খোজ দিলে। মোৰ চকুৱে তেওঁলোককে অনুসৰণ কৰিলে।

অলপ পিছত ল'ৰাটো আৰু গাড়োৱানটো ওলাই আহিল। তাক দোকানৰ ওচৰত চাহ খাবলৈ পইচা দি সোনকালে গৰু জুঁটিবলৈ নিৰ্দেশ দিলে - "ভালে ভালে পালোহি বুলি ক'বি বুজিছ !"

তাক বুজাই ল'ৰাটো বুটলৈ উভতি গ'ল। গাড়োৱানে চাহ 'এক চিঙ্গল' আৰু 'কলবিস্কুট' এটা নাকে-কাণে গিলিলে। দোকানৰ ওচৰত থকা তাৰ সগোত্ৰ যাত্ৰী বনুৱাটোৰ প্ৰশ্নৰ উত্তৰ দিলে। দহ মাইল যাব লাগিব।

গাড়ীৰ দহ মাইল যাত্ৰা আৰম্ভ হ'ল। বহুদূৰলৈ ঘাটত জ্বলাই নিয়া লেমটোৰ পোহৰ ঢিমিকি ঢিমিকি জ্বলিছিল। পাক এটাত হঠাতে লুকাই পৰিল।

বুটৰ এমূৰত মমবাতিৰ ক্ষীণ পোহৰ এটা জিলিকি উঠিল। বোধহয় তেওঁলোকেও সেইখিনি ঠাইকে বাছি লৈছে। মোৰ লাগোজটোও তাতে আছে। গোটেই বুটখনৰ ভিতৰত সেইখিনিয়েই মাত্ৰ আৰামৰ ঠাই। বুটখনৰ বাটৰ মুখতো এটা হাৰিকেন অলপ আগতে জ্বলি উঠিছিল। দোকানৰ মুখতো এটা। এই তিনিটা পোহৰৰ খুঁটিয়ে আন্ধাৰৰ তামীঘৰাটো মজবুতকৈ তৰি পেলালে। ক'ৰবাত; পাৰৰ এৰাই থকা চপৰা এটা লৰ মাৰি গৈ পানীত জাঁপ দিলেগৈ। টুপুং! নিচেই কাষতে, পানীৰ যুঁৰলিত, চেলেকণা মাছ কেইটামানে খিকখিক্কৈ হঁহাৰ শব্দ স্পষ্ট শুনা গ'ল। কয়লাৰ দমকিটালৈ চালো। সাধুকথাৰ ছদ্মবেশী ৰাক্ষসকিটাৰ দৰে মোলৈ হাওঁ-খাওঁকৈ খেদি আহিল।

বুটৰ মোৰ ঠাইকণলৈ যাবলৈ (নতুন যাত্ৰীৰ বিষয়ে জানিবলৈ ?) মনটোৱে কওঁ-বাওঁ লগাই দিলে। কাঠৰ মজবুত সাঁকোৰেদি আগবাঢ়িলো বুটৰ ভিতৰলৈ। বুটৰ খিট্মিটীয়া আন্ধাৰত চাহৰ বাকচ, ৰং, আলকতৰা, শুকান মাছ, পোৰা কয়লা— সকলোবিলাক গোন্ধে লাওপানী খাই লৈ কোৰাচ আৰম্ভ কৰি দিছে। বহুবছৰৰ মূৰত বৰপেড়া এটাহে যেন কোনোবাই নাকৰ আগত মেলি ধৰিলে। ফ্লেটবিলাকৰ এই গোন্ধটো মোৰ বৰ প্ৰিয়। খালাচী আদি শ্ৰেণীৰ মানুহকিটাই জাহাজ অহাৰ আগতে খোৱা-বোৱা শেষ কৰাত ব্যস্ত।

মোৰ 'লাগেজ' থোৱা ঠাইৰ পৰা অলপ আঁতৰত নেপালী পৰিয়ালটোৱে কম্বল পাৰি লৈ দীঘলীয়া সুৰৰ গান এটা আৰম্ভ কৰি দিছে। তাৰ পৰা অলপ আঁতৰলৈ ৰেলিঙৰ মাজত কম্বল এখনত চাওতালী কি উৰিয়া মানুহকেইটাই বৃত্তাকাৰে বহি লৈ হুৰমুৰকৈ কিবা চোবাব লাগিছে। বোধহয় চাউল ভজা। আৰু ঠিক মোৰ মালৰ ওচৰতে, মোৰ চুট্কেচ্ আৰু বিছনাৰ টোপোলাটো আৰু অলপ কাষৰীয়া কৰি 'হল্ড-অলটো' মেলি ল'ৰাজনে শুই-শুই মমবাতিৰ পোহৰত ইংৰাজী ফিল্ম আলোচনী এখন মেলি লৈ তন্ময় হৈ গৈছে। মূৰ শিতানত বহি আছে ছোৱালীজনী কাকতখনলৈ নিৰ্লিপ্তভাৱে চাই।

মই কি কৰিম একো ঠিক কৰিব নোৱাৰি চুট্কেচ্টোকে অলপ লৰচৰ

কৰিলো। ছোৱালীজনীয়ে মোলৈ চকু দাঙিলে। কিন্তু মমৰ পোহৰৰ মাজৰ পৰা মোক দেখিবলৈ অলপ সময় মোলৈ চাই থাকিবলগীয়া হ'ল। লাভৰ ভিতৰত মমৰ পোহৰে 'ফ্ৰেম' বান্ধি দিয়া তেওঁৰ মুখখন মইহে খন্তেকতে চাই ল'বলৈ সুবিধা পালো। ল'ৰাটোৱে আলোচনীখনত হাতটো থৈ সেই অৱস্থাৰে মোলৈ চাইছিল। মই অলপ হালি চুট্‌কেচ্‌টো লৰচৰ কৰোঁতে মোৰ মুখখনো মমৰ পোহৰে চেলেকি গ'ল।

ল'ৰাটো ধৰ্‌মৰ্‌কৈ উঠি বহিল। আৰু ছোৱালীজনীয়েও দেখোন-খোপালৈ ওৰণিখন তুলি ল'লে।

"আপোনাৰ চুট্‌কেচ্‌ ? আমি অলপ একাষৰীয়াকৈ থ'লো দেই। আমি কোঁচাই বহিম, আপুনি বিছনা পাতক।"

ল'ৰাটোৱে ইমান চিনাকি সুৰত কথাষাৰ ক'লে যে মই থত্‌মত্‌ খাই গ'লো। সোনকালে মানুহৰ চিন পাহৰাৰ কাৰণে কেবাঠাইতো লাজ পাই থৈছোঁ। কিন্তু মিছা হ'ল.ক'তো দেখা মনত নপৰে।

"নাই নাই, ঠিক আছে - তোমালোক (ওৰণি !) মানে তুমি...ভালকৈ বহা। মোৰ ব্যৱস্থা হ'ব।"

মোৰ কম্বলেৰে মেৰিওয়া বিছনাৰ টোপোলাটো (লেতেৰা হৈ গৈছে) আঙুলিৰ ট্ৰিকেৰে ইতিমধ্যে চুট্‌কেচ্‌ৰ আঁৰ কৰি দিলো। কিন্তু প্ৰহৰী কৰি দিয়া ৰং এৰোৱা চুট্‌কেচ্‌কে বা চম্ভালো কেনেকৈ! অৱশ্যে সি ভাল বংশৰে আছিল, গুৰিগোৰা ইংৰাজী ষ্টিলৰ, কিন্তু গুৰিগোৰা বিচাৰে কোনে ? বস্তু দুটা উঠাই লোৱা দেখি ল'ৰাটোৱে অভিমানতে চিঞৰি উঠিল, "আপুনি আন ঠাইলৈ যাব খুজিছেনেকি? আমি বেয়া পাম হ'লে—।"

"নহয়, তোমালোকে আৰাম কৰা। জাহাজ বা কোন ৰাতি আহে ! সময়ৰ ঠিক নাই। আৰু কেতিয়াবা নাহেও ।"

"সেই কাৰণেইতো আপুনি ইয়াতে থাওক। যাত্ৰীও নাই, তাতে অসমীয়া মানুহ নাই, বাইদেৱে ময়ে তাকেহে আলোচনা কৰি আছে। কোনোবা এজন লগ

পোৱা হ'লে--"

বুজিলো ল'ৰাটোৰো বায়েকৰ সমান ভয় লাগিছে। ময়ো মোৰ 'ভেগাবণ্ড মাৰ্কা' চুট্‌কেচ্‌ আৰু কাপোৰৰ টোপোলা আঁতৰ কৰিবলৈহে এইখিনি কৌশল কৰিছিলো। এতিয়া মোৰ কাপোৰৰ টোপোলাই ওৰণিৰ আঁৰৰ পৰা ভূমুকি মাৰিব পাৰে। টোপোলাটো মেলি লৈ তেওঁলোকৰ ভৰি ফাললৈ বহি পৰিলো।

"টিকট কাটিবৰ হ'বই যেন পাওঁ। মই খবৰ লৈ আহোঁ। ক'লৈ কাটিব লাগিব ?" টিকট কটালৈ তেতিয়াও সময় আছিল। কিন্তু সুধিবলৈ আৰু একো কথাই বিচাৰি নাপালো।

"আমি যোৰহাটলৈ যাব লাগে।" ল'ৰাজনে ইতিমধ্যে আস্ত-ব্যস্তকৈ বহি লৈ উত্তৰ দিলে।

"যোৰহাটলৈ ? আজি জাহাজ ডাউনহে।" চক খোৱাৰ দৰে মই উত্তৰ দিলো। কাৰণ জাহাজৰ ভু আদাৰ বেপাৰীয়েহে নাৰাখে। এওঁলোকৰ তো তেনে হোৱাৰ কোনো লক্ষণেই নাই।

ল'ৰাটোৱে মোৰ চিন্তাৰ ভাৰ লঘু কৰিবলৈ পাই বৰ পুলকিত হৈ উঠিল। পঞ্চম মানৰ ল'ৰাই ষষ্ঠ মানৰ ল'ৰাক কিবা এটা বুজাই দিব লগা হ'লে যি পুলক অনুভৱ কৰে, সেই উছাহেৰে মোক বুজাই দিলে যে তেওঁলোকে 'ডাউন' ষ্টিমাৰত গৈ শিলঘাটত নামিব, তাৰ পৰা ষ্টেট্‌ ট্ৰেন্সপ'ৰ্টত গৈ যোৰহাট পাবগৈ। "আমি কাইলৈৰ ভিতৰতে যেনেতেনে যোৰহাট পাবগৈ লাগে। বৰ জৰুৰী।" অৰ্থই নহয়, কথাবিলাকেহে মোক আকৰ্ষণ কৰিছিল বেছি। বোৱাৰীজনী স্বাভাৱিক লাজেৰে একাষৰীয়াকৈ বহি আছিল যদিও, একোবাৰ চকামকাকৈ মুখলৈ চাই এনেহে ধাৰণা হৈছিল যেন তেৰোঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছে - এই আলাপত। মুখেৰে 'টু' এষাৰ নকৰাকৈয়ে নিজক এনেভাৱে 'জীৱন্ত' কৰিব পৰা এই অদ্ভুত গুণটোৰ কথাকে মই গুণা-গঁথা কৰিছিলো। বিয়া হোৱা নিশ্চয় বেছি দিন হোৱা নাই, গাৰ মাহ-হালধিৰ বোল মমৰ ক্ষীণ পোহৰতে মই স্পষ্টকৈ দেখিছোঁ। গাৰ 'দোলাই'খনৰ পৰা, চুলিৰ মাজৰ পৰা অহা বিয়াৰ মাহ-হালধি তেলৰ মলমলীয়া গোন্ধৰ সোঁত

এটাই মোৰ নাকত মোহনা পাতিছেহি। এখন পৰিপূৰ্ণ মুখ, দীঘলীয়া বেলুন যেন গোল গোল হাত, গাৰ উজ্জ্বল হালধীয়া ৰং আৰু অসমীয়া পাটৰ সাজযোৰৰ ৰংটোৱে ছবিৰ দৰে তুলি ধৰিছে। এনেকুৱা গঠন আজিকালি বৰকৈ দেখিবলৈ পোৱা নাযায়। হঠাৎ মোৰ মনত পৰি গ'ল - ল'ৰাজনে মোক কিবা এটা সুধিছিল, উত্তৰ নাপাই অলপ সেমেনা সেমেনিও কৰিছে।

"ওঁ ওঁ, কি সুধিলা ? মোৰ কথা? ময়ো যাম শিলঘাটলৈ, শিলঘাটৰ ওচৰতেই মোৰ ঘৰ।"

"তেন্তে ভালেই হ'ব। জাহাজ ৰাতিয়ে শিলঘাট পায়গৈ। আপোনাক লগ পোৱাত বহুত সুবিধা হ'ব। নহয়নে বাইদেউ ?"

'বাইদেৱে' আলোচনীখনকে লিৰিকি-বিদাৰি আছিল। কাণ আছিল আমাৰ কথাত। সন্মতিসূচকভাৱে ভায়েকলৈ মূৰ তুলি চাই ৰ'ল।

হাঁহিটো কোনোবাই পকা ৰঙেৰে গোটেই মুখখনত চাব মাৰি থৈছিল। নহ'লে কপালখনে হাঁহিব কেনেকৈ? নাক, চকু, থুতৰিয়েও হাঁহেনে? এনেকুৱা ডাঠ ক'লা চেলাউৰিয়ে মিহিকৈ হাঁহিব পাৰেনে ?

আন দিনাৰ মতে জাহাজ অহাৰ সময় হ'ল। মই খা-খবৰ লৈ আহিবলৈ থিয় হ'লো। টিকট কাটিবলৈ পইচা উলিয়াব খুজিছিল ল'ৰাটোৱে। মই বাধা দি ক'লো যে তেতিয়াও টিকটৰ ঘণ্টা দিয়া নাই, আৰু টিকট দিলেও মোৰ পইচাৰে আনিব পাৰিম। পিছত দিলেও হ'ব।

"জাহাজ অহাৰ সময় থাকিলে নিশ্চয় চাহ খাব পাৰোঁ ?" যাবলৈ ধৰি মই সুধিলো।

ল'ৰাজনে বায়েকৰ মুখলৈ চালে। বায়েকে 'হল্ড-অল্'টো আঙুলিৰে দুই-এবাৰ খেপিয়াই নিজকে কোৱাদি ক'লে, "ফ্লাস্কটো ক'ত থাকিল !"

এই প্ৰথম মাতষাৰ শুনিলো। গভীৰ অথচ মাখনৰ দৰে কিবা এটা কোমলতা থকা - এনে ধৰণৰ বৰ্ণনা মানুহৰ মাতত খাপ খায়নে—ক'ব নোৱাৰোঁ।

ল'ৰাজনে ফ্লাস্কটো উলিয়াই দিলে। মই ফ্লাস্কটো লৈ ৰেলিঙৰ কাষলৈ

গ’লো। ওচৰতে শিহু এটাই মূৰ দাঙি ৰাতি কিমান হ’ল এবাৰ চাই ল’লে। ক’ৰবাত হৰ্‌হৰাই মাটি অলপ খহি পৰিল। নৈৰ বুকুত। দূৰৰ বাগিচাৰ পৰা মাদলৰ ক্লান্ত ছেও ভাহি আহিছে।

টিকট দিয়াৰ আশা নাই বোলে। “জাহাজ কিজানি ক’ৰবাৰ বালি চটত লাগি ৰ’ল।” বিৰক্তিৰে টিকট-মাষ্টৰে কৈ উঠিল। যোৱা ভূইকঁপেই বোলে টিকট-মাষ্টৰৰ টোপনিত বালিচৰ বহুৱাই গৈছে।

চাহ দোকানীৰ পৰিয়াল খাই-বৈ উঠিল। ল’ৰা-ছোৱালীকেইটাই বাঁহৰ চাং এখনৰ পৰা দোকানৰ বস্তু আদি নমাই শুবলৈ কাৰবাৰ কৰিছে। সন্মুখৰ চাংখনত গাদী পাতি আদহীয়া শকত দোকানীজনে আৰু তিনিজন মানুহৰ সৈতে ব্ৰীজ খেলত মগ্ন। মই গৈ পোৱাৰ লগে লগে এজনে কৈ উঠিল, “দহ বাজিল, যাব লাগিব।” “এই খেল” আন এজনে তাচটো ‘চাফল্‌’ কৰাৰ লগে লগে উত্তৰ দিলে। মোক কোনেও দেখা পোৱা নাই। মই ৰস-ভঙ্গ নকৰি খেল চাবলৈ ধৰিলো। ‘হাৰ্ট ওৱান’, ‘স্পেড্‌ ওৱান’, ‘ন’ট্ৰাম্প’, ‘টু ক্লাবচ,’ ‘থ্ৰি ডায়মণ্ড্চ,’ ‘ডবল’ আদি ফটকাৰ আৱাজ হ’বলৈ ধৰিলে। খেল আৰম্ভ আৰু শেষ হ’ল। শেষ খেলৰ কাৰণে জোৰ কৰা ফালটো অৰ্থাৎ দোকানীজনেও বহুত ‘ডাউন’ খালে। তাৰ পাছত তিনিওজন যাবলৈ ওলাল। বুজিলো, তিনিও চাহ-বাগানৰ চাকৰিয়াল - ৰাতি ইয়াত ব্ৰীজ খেলে।

দোকানীৰ ‘স্পেড্‌’ যেন হৈ পৰা মুখখনলৈ পুতৌৰে চাই আছিলো। এইবাৰহে মোক মন কৰিলে। “আপোনাক কিবা লাগিব জানো।” কোমল মাতেৰে সুধিলে।

“চাহ লাগিছিল, দিব পাৰিব জানো ?” শুবলৈ আয়োজন কৰা ল’ৰা-ছোৱালীকেইটিলৈ চকুদি মই সুধিলোঁ। “নিশ্চয়, আজি বোধহয় জাহাজ নাহিবই।” সৰু ল’ৰা এটা ইতিমধ্যে জাঁপ মাৰি আহি ওচৰত থিয় দিলেহি। “একাপ ?”

মই ফ্লাস্ক্‌টো ল’ৰাটোলৈ আগবঢ়াই দিলো – “ তিনি ।”

“আপোনাৰ পৰিয়াল আছে ?” চাহ দোকানীয়ে কৈ গ'ল, “কিবা অসুবিধা হ'লে জনাব। খোৱা-বোৱা কৰিব খুজিলেও সকলো সুবিধা কৰি দিম। ৰাতিও চাহ, গৰম পানী কিবা লাগিলে নিব।”

বৰ শকত ক'লা বৰণৰ আদহীয়া মানুহজন। মুখখনত কোমলতা এটা আছে । মাতত আন্তৰিকতাৰ সুৰ। দুই-এষাৰ কথাৰ পৰা বুজিলো ল'ৰা-ছোৱালীকিটাৰ মাক নাই, সিহঁতকে লৈ ব্ৰহ্মপুত্ৰৰ বালিতে সৰু সংসাৰখন পাতি আছে।

পৃথিৱীৰ মানুহবিলাক ইমান ভাল লাগি গৈছে। ইমান মৰম, চেনেহ, সহানুভূতি। মনটো ভাল লাগিল। ধন্যবাদসূচক কথা-বতৰা দুআষাৰমান কৈ চাহৰ দাম দি বুটলৈ উভতিলো, প্ৰায় এঘণ্টা মানৰ মূৰত। টিকট মাষ্টৰৰ পৰা বুজিলো, জাহাজ অহাৰ আশা নাই। আহিলেও পুৱা-ৰাতিত। দুশাৰী চাহ বাকচৰ মাজত লুংলুঙীয়া বাটেদি আমাৰ ঠাইলৈ আগবাঢ়িলো।

‘চাউল ভজা’ পাৰ্টিটোৱে নাকত মুড়ি ফুটাইছে। নেপালী পৰিয়ালৰ তেতিয়াৰ গানটোৱেই মাজতে সপ্তমত উঠা কাণত পৰিছিল। এতিয়া সেয়ে ‘অষ্টম’ পাই একোটা এঙামূৰি আৰু দীঘলীয়া হামিত পৰিছেগৈ। ‘ফিল্ম মেগেজিন’খনো আৰামেৰে শুই পৰিছে - ল'ৰাজনৰ বুকুত। বেচেৰাই ৰাতিৰ লগৰীয়া এজন পাই সম্পূৰ্ণ নিশ্চিন্ত হৈ পৰিল।

বাইদেৱেকে মূৰ শিতানতে বহি মোলৈ বাট চাই আছিল নিশ্চয়। মোক দেখা পাই, লাহে লাহে তাক জগালে, “বৰুণ, চাহ নাখাৱ ?” মাতত অনাৱশ্যক ব্যস্ততা নাই, কাৰ্যত একো অস্বাভাৱিকতা নাই। বুজিলো। আত্মবিশ্বাস তেওঁৰ আছে আৰু আনৰ ওপৰতো আস্থা ৰাখে। মোৰ সংকোচ ভালেখিনি কাটি গ'ল।

“বৰুণ” মই মাতিলো।

তিনিও চাহ খাবলৈ বহি গ'লো। মাটিৰ গিলাচ তিনিটা দোকানৰ পৰাই আনিছিলো। তেওঁলোকে ‘চুট্‌কেচ’ৰ পৰা নাৰিকলৰ লাডু আৰু দুই এবিধ খোৱা বস্তু উলিয়ালে। মই মোৰ ভাগটো লৈ অলপ আঁতৰলৈ যাবলৈ ধৰোঁতে আপত্তি

উঠিল। বাধ্য হৈ বহা ঠাইতে খালো। “তোমালোকৰ বিছনাখন ভালকৈ পাৰি লোৱা। বৰুণ, আঁঠুৱাখনো তৰি লোৱা। তোমালোক ভালকৈ শুব পাৰিবা।”

“জাহাজ নাহে ?” মোৰ ভাব হ’ল দুয়ো একেলগে কৈ উঠিছিল।

“কি হ’ব বৰুণ” বৰ চিন্তাগ্ৰস্তভাৱে বাইদেৱেকে সুধিলে। চিন্তাই যে মানুহক শুৱনি কৰিও তুলিব পাৰে আগতে বিশ্বাস নহ’লহেঁতেন। কিন্তু ইমান যে চিন্তা হ’ল ?

“বৰ জৰুৰী কাম আছে নেকি, বৰুণ ? যোৰহাটত ?” হঠাৎ মুখৰ পৰা ওলাই পৰিল কথাষাৰ।

“কাইলৈ যেনে তেনে যোৰহাট পাবগৈ লাগে।”—এইবাৰ পোনে পোনে বাইদেৱেকে মোক উত্তৰ দিলে, অৱশ্যে তলমূৰকৈ।

“কাইলৈৰ ব্যৱস্থা কাইলৈ ভাবিম, নহয় জানো বৰুণ ?” মোৰ কথাত বৰুণে ডাঙৰ সমৰ্থন এটা পালে।

“এৰা ! মিছামিছি বাইদেউজনীয়ে কি বিলাক ভাবে। ‘ন’ ৱৰি’ বুলি লেখিছেই। তয়োতো মাইনৰ পাছ, ‘ন’ ৱৰি’ মানে নাজাননেকি ?”

“কিন্তু ‘কাম চাৰ্প’ যে?” ভায়েকৰ মুখলৈ চাই অলপ লাজকুৰীয়াভাৱে হাঁহি ক’লে।

“ভিনিহিদেউ অলপ-ধতুৱা মানুহ। মূৰৰ কামোৰ এটা হ’লেও ‘মৰিমহে জীমহে’ কৰি তোক বিচাৰে। সেই কাৰণেই ‘কাম চাৰ্প’।”

মমবাতিৰ পোহৰত দেখিলো গোটেই মুখখন ধুনীয়াকৈ ৰঙা পৰিছে “ ‘ন’ ৱৰি’ ‘কাম চাৰ্প’ ” - কি ৰহস্য সোমাই আছে কথাকেইটাত!

“কিবা অসুখ নেকি?”

“ভিনিহিদেউৰ চাইকেল এক্সিডেন্ট। হস্পিটালত, টেলিগ্ৰাম পোৱা দুদিন হ’ল। মই নাছিলো, স্কুল বন্ধ হোৱাত কালি আহি পাইছোঁ। বাগানৰ পাতৰ সময়, ‘চীজন টাইম’, দেউতায়ো ছুটী ল’ব নোৱাৰে।”

মই বাৰে বাৰে অনুৰোধ কৰাত বৰুণে আহল-বহলকৈ বিছনাখন

পাৰিলে। বৰ যত্নেৰে আঁঠুৱাখনো তিনি কুণীয়াকৈ তৰা হ'ল। বাইদেৱেক বিনা বাক্য ব্যয়ে শুই পৰিল। দুই-চাৰি আষাৰ কথাৰ পৰা বৰুণহঁতৰ বিষয়ে আৰু অলপ জানিব পাৰিলো। মোৰ এড্ৰেছ্‌টোও লিখি ল'লে। অলপ পিছত বৰুণো শুই পৰিল।

কাঠনিবাৰী ঘাট টোপনিত লালকাল। বুটখনেও টোপনি জালত কলমটিয়াই এঙামূৰি দিবলৈ ধৰিলে। ক'ৰবাত টিকট-মাষ্টৰ কি খালাচীৰ অস্বস্তিকৰ খোজৰ শব্দ বুটৰ মূৰলৈকে স্পষ্ট শুনা গ'ল। কাষৰ গৰাৰ পৰা হুৰ্‌হুৰাই মাটি অলপ খহি পৰিল।

ব্ৰহ্মপুত্ৰৰ সিপাৰৰ কাজিৰঙাৰ এন্ধাৰৰ মাজত বাঘ এটাই চিকাৰৰ বাটত জোপ লৈ আছে (নিশ্চয় !) দূৰণীৰ বালিচাপৰিত, কঁহুৱা আৰু ঝাঁও বনৰ মাজত, ব্ৰহ্মপুত্ৰৰ বহল, ক'লা পানীধাৰত একোটা ৰহস্য শুই শুই চকু পিৰিকিয়াব লাগিছে। তৰা কেটমানে জুম বান্ধি ৰহস্যটোনো কি, ভুমুকিয়াই ফুৰিছে। বুটৰ নিচেই কাষতে থকা পাৰটোত বহি বহি 'জুটুলাজুটুলি' চুলিৰে ধুবুনী ছোৱালী কেইজনীমানে কাপোৰ থুকুচিব লাগিছে "ছপ্ -- ছপ্ - ছপাৎ!" ধেৎ! ঢৌবোৰহে !

ল'ৰাজন অৰ্থাৎ বৰুণে টাউনৰ হাইস্কুলৰ নৱমমান শ্ৰেণীত পঢ়ে। দেউতাকে, কি নাম ক'লে ? চাহবাগান এখনত টী হাউচত কাম কৰে। হেড টী হাউচ ? এৰা হ'বলা। দহ মাইল দূৰ ঘাটৰ পৰা। বাইদেৱেকৰ বিয়াৰ ডেৰ বছৰ হ'ল।

এসপ্তাহ হওঁতেই মাতি পঠিয়াইছে। সামান্য আঘাত। কিন্তু 'কাম চাৰ্প' যে ! নেদেখিলে থাকিবই নোৱাৰে। বৰমিল...আজিৰ ৰাতিটো ডেৰ বছৰৰ আগত হোৱা হ'লে। আৰু মোৰ তো এতিয়া চাইকেল এক্সিডেণ্ট্ হোৱা নাই.. ধেৎ !

মমডাল বতাহত নুমাই গ'ল। আন্ধাৰতে ভাল লাগিছিল, কিন্তু উচিত নহ'ব যেন লাগিল। দিয়াচলাইটো মাৰিলো। আধাখোৱা মিক্‌চাৰ এডোখৰ পাই তাকে জ্বলাই লৈ মম ডোখৰলৈ জ্বলা কাঠিটো আগবঢ়াই নিছিলো।

চকখাই গ'লো। বাইদেৱেকৰ মাত। "আন্ধাৰতহে টোপনি আহে যদি ।"

"শোৱা নাই?"

"চিলমিল। টোপনি নাহেই দেখোন।"

স্বাভাৱিক। মম নজ্বলালো। ৰেলিঙত ভৰ দি জাহাজ অহা দিশটোৰ ফাললৈকে তীব্ৰ দৃষ্টিৰে চাই থাকিলোগৈ। মমৰ পোহৰেৰে নহ'ব, জাহাজৰ পোহৰ আনিবই লাগিব।

কিমান সময় তেনেকৈ আছিলো ক'ব নোৱাৰোঁ। হঠাৎ এটা হুলস্থূল আৰম্ভ হৈ গ'ল। 'জাহাজ', 'জাহাজ', 'পোহৰ' আদি শব্দৰ লগে লগে টিকটৰ ঘণ্টা আৰু খোজ কঢ়াৰ দুপ্-দাপ্ শব্দ।

মই লৰালৰিকৈ মমডাল জ্বলাই দিলো। বাইদেৱেক উঠি বহিছিল। দুই হাতে হেঁচুকি বৰুণক জগালে। বৰুণো চক্‌মক্ খাই বহিল।

"জাহাজ আহিল। বৰুণ।" যেন বহুত হুলস্থূল আৰু অপেক্ষাৰ পিছত 'ল'ৰা এটা জন্ম পাইছে' - এনে এটা সংবাদহে দিলো। মই তেওঁক বিছনা বান্ধিবলৈ কৈ টিকট আনিবলৈ গ'লো।

টিকট মাষ্টৰৰ মুখখন দেখিয়ে বুজিলো কিবা এটা দুৰ্ঘটনা ঘটিছে। জাহাজৰ পৰা চিগ্‌নেল্ পাইছে মেৰামতি কৰিব লাগিব। গতিকে টিকট পলমকৈ দিব। খোৰাই খোৰাই জাহাজখন কাষ চাপি আহিছে। বৰুণে আহি অলপ পিছতে মোৰ ওচৰত থিয় হ'ল। খবৰটো দিয়াত, বায়েকক ক'বলৈ আকৌ উভতি গ'ল।

ৰাতি পুৱাই আহিছে।

পাৰলৈ নামি গ'লো। কিবা এটা ব্যৱস্থাৰ কথা ভাবিব লাগিব। এওঁলোক আজি যোৰহাট পাবই লাগিব। প্ৰাতঃকৃত্যাদিৰ পিছত 'কৰাকৈ' চাহ একাপ খাই টোপনিখিনি জাৰি পেলালো। গৰম লুচি ভজাই ভালকৈ চাহ তিনি কাপ কৰাইছোঁ। জাহাজ আহিল আৰু দুই-এজন যাত্ৰী নামিল। দেখিলো বৰুণে আৰু এজন ল'ৰালৈ পাৰলৈ নামি আহিছে।

"দাদা, দাদা, মামু আহিল। জাহাজত আহিছে যোৰহাটৰ পৰা। চাওক মই নকৈছিলো, চিন্তাৰ কাৰণ নাই বুলি ।"

মামু ৰাতিৰ টোপনি খতিত ক'লাম'লা হৈ আহিছে! বাইদেৰেকৰ সমন্ধীয়া দেওৰ, বৰুণৰ প্ৰায় সমনীয়া বা অলপ ডাঙৰ হ'ব। "যোৰহাটৰ খবৰ কি?" মামুলৈ চাই সুধিছিলো, বৰুণেই টপৰাই উত্তৰ দিলে, "ভাল, আমি যোৱা দেৰি হোৱাত, নিবলৈ পঠিয়াইছে ।"

"নিবলৈ কিয় ?"

"যায় যদি লৈ যাওঁ, নাইবা ময়ে ফুৰিচাকি যাওঁ, এই বুলি আহিলো।" এইবাৰ মামুৱে ক'লে।

"পিছে এতিয়া কি কৰা ?"

"নবৌ যাব খুজিছে, যেনে তেনে। গতিকে নাও ভাৰা কৰি যোৰহাটৰ প্ৰথম বাছ ধৰিম। জাহাজ বালিত লাগিছিল, কিবা এটা বেয়া হ'ল। মেৰামতি কৰিলেহে যাব। গতিকে জাহাজত গ'লে দেৰি হ'ব ।"

"তেনেহ'লে বৰুণ, বাইদেৱেৰাক গা-পা ধোৱাৰ ব্যৱস্থা কৰি দিয়া। দুয়ো যোৱা। মই চাহ নিয়াম।"

বৰুণে হাতৰ ফ্লাস্ক্‌টো মোক দি দুয়ো উভতি গ'ল। তেওঁলোকক এঘণ্টামান সময় দি দোকানী ল'ৰা এটাৰ হতুৱাই চাহ-জলপান লৈ বুটলৈ যেতিয়া যাওঁ, বৰুণৰ বাইদেৱেকে গা-পা ধুই 'মামু'ৰ লগত আনন্দ মনেৰে কথা পাতি আছে। ৰাতিৰ চিন্তাৰ চাপ মুখখনত নাই।

"তোমাক প্ৰথমে দেখি মোৰ বুকুখন কঁপি উঠিছিল।"

"কৈছোৱে নহয়, নাযায় যদি বাগানলৈ উভতি যাব পাৰে।"

"নাই, নাই, মোক থৈ দুয়ো আহিবা লাগে। তুমি আহিলা ভালেই হ'ল। কালি ৰাতি এজন মানুহে বৰ উপকাৰ...."

মই উপস্থিত হৈছিলো। লৰালৰিকৈ ওৰণিখন আৰু অকণমান টানি লৈ লাজত যেন ৰঙাহৈ গ'ল। দোকানী ল'ৰাটোৱে চাহৰ সৰঞ্জাম থৈ উভতি গ'ল।

"বৰুণ ক'লৈ গ'ল ?" মই মামুলৈ চালো।

"মুখ-হাত ধুবলৈ গৈ অহাই নাই ।" উত্তৰ দিলে মামুৰ ন-বৌৱেকে।

লগে লগে চাহ বকাত লাগি গ'ল। মামু আৰু মোক চাহ-জলপান আগবঢ়াই দিলে।

"মোৰ কাৰণে নহয়, মই এই মাত্ৰ খাই আহিছোঁ ।"

"আকৌ খাব লাগিব।"

বাঃ । চাহৰ গিলাচ লৈ অলপ আঁতৰলৈ আহিলো।

"নাও বন্দবস্ত কৰি আহিছোঁ। সোনকালে আজৰি হৈ লোৱাই ভাল। চাহ ঠাণ্ডা হ'ব, বৰুণলৈ ৰ'ব নালাগে। নহয় জানো মামু?"

"ওঁ এতিয়াই, যোৰহাটৰ মটৰ ন বজাত শিলঘাট পাবহি ।"

পশ্চিমীয়া নাৱৰীয়াই বৰুণ-মামুৰ গানৰ সুৰে সুৰে নাও মাৰিবলৈ ধৰিলে।

"ব্ৰহ্মপুত্ৰ গঙ্গা মাও,
বতাহে হালিছে গাঁৱ,
মথুৰা পুৰীলৈ যাওঁ
কাষে চপাই দিয়া নাও।"

ভটিয়নী পানীত নাও কাঁড়পাতৰ দৰে যাবলৈ ধৰিলে। বৰুণৰ বাইদেৱেক আৰু মামুৰ ন-বৌৱেকলৈ (মোৰ ? মোৰ কি?) চালো। একান্তমনে বৰুণহঁতৰ গান শুনিছে। গানৰ ছেৱে ছেৱে মুখত লাগি থকা হাঁহিটো নীৰৱে উঠা-নমা কৰিছে। আৰু সেন্দূৰৰ ফোঁটটো! কি দগম্‌গীয়া ৰঙা জুই সেইকুৰা! পুৱাৰ ৰ'দত মুখৰ বৰণ কেঁচা সোণৰ-নহয় কেঁচা হালধি গাঁঠি যেন হৈ পৰিছে। সোণৰ বৰণ প্ৰাণহীন!

এখন সুখী ঘৰৰ ছবি। শাহু, শহুৰ, দেওৰ, "তোক নেদেখিলে থাকিবই নোৱাৰে যে" - এজন স্বামী। সেই কাৰণেই 'কাম চাৰ্প' । 'তইতো মাইনৰ পাছ, 'ন' ৱৰি' মানে নাজাননেকি?' 'আকৌ খাব লাগিব'...

মোৰ বাগানে বাগানে চাকৰি বিচাৰি ফুৰা ভেগাবণ্ডৰ জীৱনত বহুত দিনৰ ভিতৰত এটা দিন, বহুত ৰাতিৰ ভিতৰত এটা ৰাতি আহিছিল — নাও যিমানেই শিলঘাটৰ ওচৰ চাপি আহিবলৈ ধৰিলে সিমানেই মনটো উৰুঙা লাগি আহিল।

হঠাৎ চকু পৰিল বৰুণৰ বাইদেৱেকৰ ফোঁটটো তেজৰ দৰে দগম্‌গাবলৈ

ধৰিছে। নাৱৰ পৰা মূৰটো অলপ হলাই দিয়াত ঢৌৰ প্ৰতিবিম্ববোৰ গোটেই মুখখনেদি চক্‌চকাই পাৰ হৈ গৈছে। ঢৌবোৰে যেন ফোঁটটো ভাগ বাটি লৈ যাব!

নাও ঘাট চাপিল। শিলঘাট।

চাহ পৰ্ব শেষ কৰাৰ লগে লগে মটৰ আহি পালে। চৰকাৰী 'বাছ' ঘড়ী মানি চলে। এইখিনিতে আমাৰ এৰাএৰি। বৰুণ আৰু বাইদেৱেক মটৰৰ 'ছেকেণ্ডচীট'ত বহিলগৈ। বৰুণৰ মুখত উচ্ছ্বসিত প্ৰশংসা।

"কেতিয়াবা যোৰহাটলৈ গ'লে বাইদেউৰ তালৈও যাব, ঠিকনা মনত আছে নহয় ?" বৰুণৰ বাইদেৱেকেও আন্তৰিকতাপূৰ্ণ দৃষ্টিৰেই বৰুণতকৈ বেছি কথা কৈ দিলে। "আৰু কাঠনিবাৰী ঘাটেদি যাব লগা হ'লে আমাৰ বাগানৰ ঘৰলৈ যাবই।"

মৌখিক ভদ্ৰতা মাথোন নহয়, অন্তৰৰ আহ্বান। মটৰে হৰ্ণ দিলে। বাইদেৱেকে লাহেকৈ নমস্কাৰ জনালে - হাত দুটা কপাললৈ তুলি। প্ৰতি নমস্কাৰ কৰিলো। কিন্তু মামু ?

মামু চাহৰ দোকানৰ পৰা উঠাই নাই। ড্ৰাইভাৰক কৈ ল'ৰালৰিকৈ চাহ-দোকানলৈ গ'লো, মামুক পঠাবলৈ। মামুৱে চিগাৰেটত চিলাই কল চলাইছে।

"মটৰ যায় যে মামু ।"

চিগাৰেটটো দলিয়াই মামু বহাৰ পৰা. থিয় হ'ল। "বৰ ভাল পালো আপোনাক লগ পাই" উত্তেজিত ব্যস্ততাৰে মামুৱে মোলৈ চাই ৰ'ল। "কেতিয়াবা লগ হ'ম, মটৰ যে যায়-যোৱা এতিয়া" এক প্ৰকাৰ ঠেলা মাৰিয়ে দিলো। আকৌ হৰ্ণৰ মাত। উত্তেজনাত ঘামি পৰিছে মামু। "যায়, যাম কেনেকৈ বাৰু? ককাইদেউৰ মটৰ এক্সিডেণ্ট হৈ পিছদিনাই সকলো শেষ! মই অভিনয় কৰি আহিছোঁ।"

মামু জাঁপ মাৰি মটৰত উঠিলগৈ। মটৰৰ চকাকিটা তীব্ৰভাৱে ঘূৰি ঘূৰি কামাখ্যা পাহাৰৰ ভাঁজত অদৃশ্য হৈ পৰিল।

১৯৫৫

# অপৰাজিত

একেবাৰে শেহত আহিল চিলাই কল। এইবাৰ দৰ্জী-কামত হাত দিলে ভূধৰ শইকীয়াই।

কিমান কাম যে নকৰিলে তেওঁ জীৱনটোত! তেওঁৰ ভাষাত, 'জোতা চিলাহৰ পৰা চণ্ডীপাঠলৈ।' প্ৰথম প্ৰথম চাহ-বাগানতে আৰম্ভ। লগ আছিল মনেশ্বৰ শৰ্মা। নলে-গলে লগা। চেঙেৰা বয়সৰ কথা। শৰ্মাৰ পৰাই নামমাত্ৰ কেৰেয়াত অনিলে এই চিলাই কল।

বহুত দিনৰ আগৰ কথা। কুৰি পঁচিশ 'বৎসৰ'। তেতিয়াৰ চাহ-বাগান, এতিয়াৰ চাহ-বাগান, স্বৰ্গমৰ্ত্য। চাহাবে যা বুলিলেই যাব লাগিব, থাক বুলিলেই থাকিব লাগে।

"অৰ্ ৰাইট বাবু। টুমাৰ কামত হামি খুচী আছে। হামি দচ টকা ইন্‌ক্ৰিমেন্ট দিব। হামি কুম্পানীকে লেখিব।"

এনেকুৱা চাহাবৰ লগত কাম কৰিব লাগিছিল তেওঁলোকে। ভূধৰ শইকীয়াৰ দৰ্মহা বাঢ়িছিল। মাহে ২৫ হৈছিল। বাহিৰা পাইছিল মাহে ২৫০। ভূধৰ আছিল মাইকী-মহৰী। তেতিয়াৰ বাগানৰ বাবুৰ মাজত 'চুক্লা-চুক্লি' বহুত চলিছিল। কেনেকৈ চাহাবৰ প্ৰিয়পাত্ৰ হয় এইটোৱে আছিল সকলোৰে লক্ষ্য।

চুক্লি লগালে ছোট কেৰাণীয়ে। মাইকী বাবুৱে টিঙৰ বঙলা উঠাইছে গাঁৱৰ ঘৰত। হাৰমনিয়াম কিনিছে, গ্ৰামোফোন কিনিছে। কোম্পানী দেৱলীয়া কৰিব। এদিন চাহাব গৈছিল মটৰত, টাউনলৈ। ছোট কেৰাণীকো লগত লৈ গ'ল, মাৰ্কেটিঙত সহায় কৰিবৰ কাৰণে। মটৰৰ পৰাই কেৰাণীয়ে দেখুৱালে গাঁৱৰ বাঁহৰ আঁৰত জিলিকি থকা ভূধৰ শইকীয়াৰ নতুন বঙলা ঘৰ।

এদিন পাত তোলা মাইকীৰ পাতৰ ওজন লৈ থাকোঁতে হঠাৎ গৈ চাহাব হাজিৰ। এজনী মাইকীৰ পাত ওজন কৰা হৈছে। ওজনত হ'ল সাত সেৰ। লিখিছে। দহ সেৰ। কিন্তু মহৰীয়েও তৎক্ষণাত ইংৰাজী দহ-সংখ্যাটোৰ ওপৰত

সাত সংখ্যাটো টপ কৰে বহুৱাই দিলে। চাহাবৰ সন্দেহ নগ'ল।

এদিন অফিচলৈ মতাই নি চাহাবে কথা প্ৰসঙ্গত সুধিলে, "মাইকীবাবু, হামি দেখিছে টুমি ঘৰ বনাইছে।"

"হয় চাব। বনাইছো।"

"টকা ক'ত মিলিছে ?"

"ফাদাৰৰ বহুত লেণ্ডেড প্ৰপাৰ্টি আছে, মনি আছে।"

"লেকিন টুমি বহুত পইচা খৰচ কৰিছে ।"

"চাৰ্টেনলি। ফাদাৰৰ মনি আছে।"

"লেকিন... লেকিন..." চাহাবে ওঁঠ চেলেকিলে। এইটোৱে গৰজি উঠাৰ সুযোগ ভূধৰ শইকীয়াৰ।

"চাহাব তুমি চুক্‌লি শুনিছা। ইউ থিংকচ্ আই এ ষ্টিল ? মই ষ্টল আছো নেকি?" সঁচাকৈয়ে গৰজি উঠিল ভূধৰ শইকীয়া।

"No, no কেনে চুৰ বলিবে। লেকিন "চাহাবৰ কথা লেকিনতে ৰ'ল। টেবুলৰ কলডাল দাঙি লৈ চাহাবলৈ চোঁচা ল'লে। "কিহৰ লেকিন ফেকিন মাৰিছা ? চাট্ আপ, অৰ আই চেল ডাই ইউ !" (Sut up, or I shall die you!) গৰ্জনি শুনি বৰ কেৰাণী লৰি আহিল। থাপ মাৰি ৰুলমাৰিডাল ধৰিলে। "শইকীয়া, নাপায় চাহাবক এনেকুৱা ব্যৱহাৰ ।"

"কোনোবাই ভৰি চেলেকক চাহাবৰ। আই ডি ভূধৰ শইকীয়া, মাইগুডেট। নেভাৰ। চাহাব, মোক এতিয়াই যাব দিয়া।"

গোঁ-গোঁ কৰে ওলাই গ'ল শইকীয়া।

সেই বাগানতে মটামহৰী কৰিছিল মনেশ্বৰ শৰ্মাই। এতিয়াও তেওঁ সেই কাম কৰি আছে। চাহাবে প্ৰাপ্য টকা আৰু ডিচ্‌মিচৰ নটিচ দিলে। কিন্তু ভাবিছিল ভূধৰে ক্ষমা খুজিব। স্বাধীন দেশৰ মানুহ। 'হেণ্ডচেক্' কৰিলেই শেষ। তাতে ভূধৰৰ দেখাত কোনো দোষ নাই আৰু কামতো ভাল। কিন্তু শইকীয়া নাহিল। এমাহৰ পিছত চাহাবে মতাই পঠিয়ালে। আহিল; কিন্তু চাকৰি নল'লে। শইকীয়াই মাজে

মাজে বাগানৰ ঠিকা লয়।

“তেতিয়াৰ পৰা তই আৰু চাকৰি কৰা নাই, নহয় দদাই ?” ভতিজাক কণটিলৌৱে ইমান সময় একাণপতীয়াকৈ শুনি থাকি ঠিক এইখিনিতেই এইদৰে সুধিব। কণটিলৌ হাইস্কুলৰ দুটামান শ্ৰেণী গৈছে। ককায়েকৰ একমাত্ৰ সন্তান। ককায়েক-নবৌয়েক দুয়ো ঢুকুৱাত নিঃসন্তান দদাই-খুড়ীৰ একমাত্ৰ সন্তান হৈ পৰিয়ালৰ সংখ্যা তিনিজন কৰিছে।

ভুধৰ শইকীয়াই আজিলৈকে এহেজাৰবাৰ এই ঘটনাটোৰ কথা কৈছে। কোনো মানুহ আহিলেই চাহ কাপ ধঁপাত চিলিম দি অতীতৰ কথা উলিয়াব। চাহৰ লগত তামোলৰ দৰেই এই ঘটনাটো আৰু অন্যান্য ঘটনা আহি যাব।

কেতিয়াবা কাকো নাপালে ভতিজাকেই ফান্দত পৰিব। সেই দিনা তাৰ বল খেলা গ’ল।

“চাকৰি ? কত চাকৰি চাইছিলো। স্কট চাহাবৰ চাৰ্টিফিকেট আছিল যেতিয়া ক্যা পৰোয়া ? কিন্তু চাকৰি নকৰিলো। গোলামী। স্বাধীন কাৰবাৰ, বেপাৰত লাগিলো। তামোল-পাণ লৈ গৰু গাড়ীৰে পোন্ধৰ মাইল দূৰৰ পালখাৱৈ হাটলৈ যাওঁ। এই অঞ্চলৰ বহুত বেপাৰী। সকলোৱে সন্ধ্যাৰ পৰা যাত্ৰা আৰম্ভ কৰোঁ। তেতিয়া আমাৰ ঘৰত চৰণ বোলা চাকৰটো আছিল। সিয়ে গৰু বাগাল কৰে।

“ওঁ, চৰণৰ কথা মোৰ অলপ মনত পৰে। বহুদিন আছিল নহয়?”

“চৰণে তোক কোলাত, বোকোচাত লৈ ফুৰাইছিল, পাহৰিলিয়েনে?”

খুড়ীয়েকে চিলিমত ধঁপাত লগাই দদায়েকৰ হোঁকাত দিবলৈ আহোঁতে ভতিজাকৰ কথা শুনি চিলিম ফুৱাই ফুৱাই উত্তৰ দিয়ে।

খুড়ীয়েকৰ মুখখন পূৰ্ঠ। বৰণ গোমা। মুখত আইৰ দাগ। অলপ শকত আৰু থাউকাল।

দদায়েকৰ কথাৰ মাজত প্ৰায়ে খুড়ীয়েক ওলাইহি আৰু মাজে মাজে টিকা, টিপ্পনি আৰু শুধৰণিও দিয়ে। যোৱা বিশ-বত্ৰিশ বছৰৰ ভিতৰত শুধৰাবও পৰা হৈ গ'ল।

"বাগানৰ বাবুৱনী হ'বলৈ আমাৰ ভাগ্যত বেছি দিন নাপালো। চাহাবক ৰুল মাৰি দেখুৱাই গুচি আহিল। তাৰ পিছত ঠিকা-ঠুকলি, অগ্ৰং-বগ্ৰং কত কি নকৰি খুড়ীয়েৰক চাঙত তুলি থৈছে নহয়।..."

খুড়ীয়েকৰ মাতত ক্ষোভ, অভিমান! ভূধৰ শইকীয়াই হোঁকাটো আঁঠুত ভেঁজদি লৈ তলমূৰ কৰি একান্ত মনে হোঁপাত লাগিব। গুৱালেহে যেন মেনী ম'হ এজনী খীৰাইছে। বহু সময় 'চৰৎ চৰৎ' শব্দ কৰাৰ পাছত এবাৰ প্ৰাণৰ কাতৰে এনে এটা দীঘলীয়া টান দিব যে এবাৰ হোঁকাৰ নলীডাল ফাৰ্চ মেলি গ'ল। অন্ততঃ খুড়ীয়েকৰ সেইটোৱে বিশ্বাস।

তাৰ পাছত নাকে-মুখে ধোঁৱাবোৰ কলঘৰৰ চিমনিৰ দৰে ওলাবলৈ আৰম্ভ কৰে। কণাটিলৌৱে জানে, কলঘৰ চলিবলৈ আৰম্ভ কৰিছে, পানী নাপালে ঠাণ্ডা নহ'ব।

পুলুকা মাৰি চাহৰ কেটলি বহাই দিয়েগৈ। চাহ পালেই দদায়েকে আকৌ চিলাইত লাগেগৈ।

সদায় শুনি থকা কথা, সদায় ঘটি থকা ঘটনা। সেই ভূধৰ শইকীয়াই চিলাই কল লৈ এইবাৰ চিলাইত ধৰিছে। জীৱনত তেওঁ নকৰিলে কি ? প্ৰত্যেকবাৰতে একোটা বিশেষ ঘটনা থাকেই।

চিলাই কৰিবলৈ সাধাৰণতে একো নাথাকে। ঘৰৰ ফটা কাপোৰবিলাকো ফাটিবলৈ ঠাই নোহোৱা অৱস্থা। কাপে কাপে চাহ, লগতে ধঁপাত হুঁপি চিলাই কলটোৰ ওচৰত বহি থাকে ভুধৰ শইকীয়া। ওচৰত টাকুৰী লৈ বহি থাকে ঘৈণীয়েক। কিতাপ লৈ বহি থাকে ভতিজাক। নিজৰ নিজৰ কামত কাৰো যেতিয়া মন নাথাকে, তেতিয়াই আহি পৰে পালখাৱৈ হাটৰ কথা।

"দদাই, পালখাৱৈ হাটলৈ ৰাতি যাওঁতে খুব ভাল লাগে নহয়নে? কেঁৰাকৃষ্ণ ককাইদেৱে কয় কেতিয়াবা।" সুবিধা বুজি কণটিলৌৱে আৰম্ভ কৰি দিয়ে।

"ফুঃ ! কেঁৰাকৃষ্ণ ! সি জানে কি? সেইদিনা যে তাৰ অৱস্থা থৰ্ থৰ্ দপ্ দপ্, কম্পমান।"

সদায় কণটিলৌৱে এইখিনিতে যি প্ৰশ্নটো সুধি আহিছে সেই গতানুগতিক প্ৰশ্নটোকে আকৌ সুধিব, "কি দদাই? বাঘ ?"

খুড়ীয়েকেও ঠিক এই প্ৰশ্নটোলৈকে চোপ লৈ থাকিব। দদায়েকে উত্তৰ দিয়াৰ আগতেই খুড়ীয়েকৰ প্ৰশ্নটোৱে পাত-বেংটোৰ দৰে জঁপিয়াই উঠিব, "বাঘ ? ক'ৰ বাঘ ? চা-হা-ব। হেঃ দদায়েৰক কম ভকত পাইছ? চাহাবক একেবাৰেই..."

"হাঃ। ৰ'বাচোন, মাজতে জাঁপ মাৰি নুঠিবা। মই কিবা এটা কৈ নিছোঁ, মানুহজনীলৈ চোৱা !"

খুড়ীয়েকে মেলা মুখখন লাহে লাহে জপাই দিয়াৰ পাছত বহুত সময় ধপাত হুঁপি লৈ দদায়েকে আৰম্ভ কৰিব।

"আচল হাটখোলালৈ আৰু এমাইলমান আছে। এনেতে ৰাতি পুৱাই আহিল। আমি সেইখিনিতে জিৰাই, হাত-মুখ ধুই চাহ-ভাত আদিৰ যোগাৰ কৰোঁ।

কাৰণ ওচৰতে জুৰি এটাও আছে। গাড়ীবিলাক ৰাস্তাৰ একিনাৰ কৰি চিপুৰা দি গৰুবিলাক মেলি দিছোঁ। কেঁৰাকৃষ্ণয়ে আমাৰ দুয়োৰে চাহৰ ব্যৱস্থা কৰে। চৰণে খৰিখেৰ গোটাই দিয়ে।

সকলোৱে চাহ-জলপান লৈ খাবলৈ বহিছোঁ। এনেতে এখন মটৰৰ আৱাজ শুনা গ'ল।

তেতিয়া বৰ কম মটৰ চলিছিল চৰকাৰী ৰাস্তাত। ভচ্ কৰে আহি ওলাল এখন ফাৰ্ষ্ট ক্লাছ, কোনোবা চাহাবৰ। ৰাস্তাটোৰ সেইখিনিতে মেচ আছিল। কোনোবা এখন গাড়ীৰ যুঁৱলিত মটৰখন সামান্য লাগিল। ঠাইডোখৰ অলপ এঢলীয়া আছিল, গাড়ীখন চুঁচৰি খাবৈত সোমাল ।

"ইউ, দ্যাম, ফুল, ব্লাডি, নেটিভ, নিগাৰ" - মটৰ ৰখাই দিলে চাহাবে।

কেঁৰাকৃষ্ণৰ আজিও বিশ্বাস, সেইটো মটৰৰ ইঞ্জিনৰহে মাত, চাহাবৰ মাত নহয়। লগে লগে মানুহবোৰ ধুম-ধাক্কা ভাগিল।

কেঁৰাকৃষ্ণই হিন্দুস্থানী ব্যাকৰণ লগাই এই অৱস্থাটোৰ ধুনীয়া বৰ্ণনা দিয়ে, "হিয়া ভাগিল উঁহা ভাগিল, ইধাৰ ভাগিল, সিধাৰ ভাগিল, কোন কঁহা ফৰিং ছিটিকা দিলে মালুম নহ'লৰে কণটিলৌ ! তোকে আৰু হামি কি বুলিব ?"

কণটিলৌক কেঁৰাকৃষ্ণই দিয়া বৰ্ণনাটো তাৰ ভালকৈয়ে মনত আছে। "তাৰ পাছত ? তাৰ পাছত ?" মই আৰু কেঁৰাকৃষ্ণই ধানখেৰ পাৰি বহি চাহ আৰু কোমল চাউলৰ মুড়ি খাই আছিলো। আমাৰ গাড়ী একেবাৰে পাছত। কেঁৰাই হাতেৰে গিলাচটো খামুচি ধৰি আছে যদিও গিলাচৰ মুখেদি চাহপানীবোৰ জঁপিয়াই জঁপিয়াই পৰিছে। মোৰ ভয়তে সি পলাব পৰা নাই যদিও সৰ্বশৰীৰ কঁপিছে। মই চৰণক সুধিলো, "চৰণ ঠিক আছেনে?"

সি দেখুৱালে ঠিক আছে। সি তাতে বহি আছে, অর্থাৎ লাঠিডালত। চাহাবে দেখিলে মানুহ ভাগিল। খঙত ভীম টোকাটোৰ দৰে গাড়ীৰ চিপুৱাবোৰ এডাল এডালকৈ লাঠিয়াই ফুবিবলৈ ধৰিলে। দেখিলে আমি বহি আছোঁ। ৰাস্তাৰ কাষৰ মিটমিটি বনবোৰত ধমহ্‌কৈ এটা শব্দ হোৱাত কেৰাহিকৈ চাই দেখিলো, সেইটো কেঁৰাকৃষ্ণ, বোধহয় মোৰ মূৰৰ ওপৰে দিয়ে জাঁপ মাৰিছিল। চাহৰ গিলাচ উফৰি গৈ চাহাবৰ বুটযোৰ তিয়াই দিলে।

মই তেতিয়াও চাহাবলৈ চোৱা নাই। আৰামেৰে মিক্‌চাৰ এটা পকাইছোঁ। “ইউ ব্লাডি উল্লুক। গাণ্ডী হিয়া কোন ৰাখ্‌নে বলা?” জাঁপ মাৰি চৰণৰ লাঠিডাল দাঙি ল’লো। “আই ডি ভূধৰ শইকীয়া, হুম ডু ইউ টকিং, ইউ ব্লাডি ফুল?” ধমহ্ কৰে যুঁৱলিখনতে দিলো এটা মাৰ।

সি লৰ দিলে মটৰৰ ওচৰলৈ - মই ধৰিলো আগভেটি। লাখুটি তাৰ মূৰৰ ওপৰত। চৰণে ইতিমধ্যে গাড়ীৰ পিচুৱাডাল খুলি মোৰ ওচৰ পালেহি।

“এখন ‘কটি’ তই পেলাই দিছ। ৰূপিয়া দে। নহ’লে তোৰ মটৰ গুণ্ডা কৰিম।”

লগে লগে মটৰৰ চকা এটাতে মাৰিলো এটা মাধ মাৰ ভয় দেখুৱাবলৈ। চাহাবে বেগৰ পৰা মহাৰাণী মাৰ্ক টকা ৫টা দলিয়াই পোঁ পো কৰে মটৰ চলাই দৌৰ।

তেতিয়াহে মিটমিটিয়াৰ তলৰ পৰা শিয়াল পোৱালিবিলাকে এটা-দুটাকৈ নাক উলিয়াইছে।

“সেই টকাৰ এটামান আছে নেকি খুড়ীয়েৰৰ হাতত?”

এইখিনিতে চিৰাচৰিত প্ৰথামতে ভুধৰ শইকীয়াই ঘৈণীয়েকলৈ চাই সদায় শুনা উত্তৰটো বিচাৰে।

“ক’ত আছে? কিমান ক’লো এটা চিন ৰাখিবলৈ ? সেইবেলি অভাৱত পৰি ধান কিনি খোৱা নাই? এটা টকা ভঙাই নৃসিংহ থানত ফুল এপাহ কৰাই দিছিলো মাত্ৰ। সন্ন্যাসীয়ে হাত চাই কোৱাত ক’ৰবাত কেনেবাকৈ কিবা এটা হয় নেকি।”

অৰ্থাৎ ল’ৰা-ছোৱালী। স্পষ্টকৈ নক’লেও সকলোৱে বুজে।

“সেইবাৰৰ পৰাই বেপাৰ এৰিলো। তাৰ পিছত ঠিকা, দোকান, কাঠমিস্ত্ৰী, চিল্কৰ কেনভাচাৰ আৰু কত কি। দে এতিয়া ধঁপাত এচিলিম লগাই আন কণটিলৌ।”

নদাই সাতোলা বাটেদি গৈছিল। মাত দিলে শইকীয়াই, “এহোঁপা, টানি যোৱা ককাই।”

খপ্‌জপাই সোমাই আহিল বুঢ়া সাতোলা।

“মোৰো আকৌ বৰ লৰালৰি। পিছে এটা কথা, মই চিলিমতহে খাম।”

“চিলিমত কিয় ?”

“কিয় নাজানা ? তুমি চিলাইকলৰ কাম কৰিছা। খেলে তোমাৰ লগত হোঁকা পানী নিষেধ কৰিব খুজিছে। তোমাক আজি জনাব।”

“ডেম্ ইওৰ খেল, সাতোলাকাই ।” চিলাই কলৰ কাঠতে আঙুলিৰে টোকৰ মাৰি কৈ উঠিল শইকীয়াই।

"এঃ তুমি ইংৰাজী দুটা জানিলা বুলিয়ে গালি পাৰিবানে? ইংৰাজীয়ে কাল হ'ল। সকলো একাকাৰ 'ম্লেচ্ছ' হ'ল। অসমীয়া মানুহে কোনদিনা দৰ্জী কাম কৰিছিলহে ?"

"বুজিছা সাতোলাকাই, তোমালোক পুখুৰীৰ ভেকুলী। দেশ স্বাধীন কৰিবা কেনেকৈ ? বিদেশীয়ে দেশ খালে আৰু খাব। আৰু চাবা, চাহাবেই দেশ শাসন কৰিব।"

"সেইবিলাক হ'ল দেৱাঙ্গ পুৰুষ। ঈশ্বৰে তেওঁলোকক ৰজা কৰিয়ে সৰজিছে। আমাৰ মানুহ কি ৰজা হ'বহে ?" চিলিমটো দুই হাতৰ মাজত খাপখুৱাই লৈ হুঁপি হুঁপি সাতোলাই কৈ গ'ল।

"তেনেহ'লে তোমালোকে মোক এঘৰীয়া কৰিব খুজিছা ? আমুকা ভূধৰ শইকীয়াহে, ভূধৰ শইকীয়া। ৰামধন শইকীয়াৰ ঘৰৰ ল'ৰা। কাকো পৰোৱাই নকৰে। কাম কৰিছোঁ খাইছোঁ, চুৰ কৰা নাই।"

"কিয় হালকোৰত নালাগা কিয় ?"

"মাটি নাই, গৰু নাই, কি কৰোঁ ? চাকৰিৰ ধনেৰে ঘৰখনহে বগা কৰিলো। মই হালক হঁহা নাই। কৈছোঁ যে খাচ হালোৱা হৈ থাকিলে নহ'ব, দুই-চাৰিটা লেখা-পঢ়া, খবৰৰ কাগজখন পঢ়িব লাগিব। আজিকালি সব কামেই মানুহে জানিব লাগে। দেখিছানে, চাৰিওফালে আমাৰ মানুহৰ ভাত মৰি আহিছে। হালখনৰ বাহিৰে সকলো কামেই আনে ল'লে। মাটিও সিহঁতৰ বন্ধকত।" চিলিমটো হোঁকাত লগাই লৈ কৈ গ'ল শইকীয়াই।

"হওঁতে সঁচা কথাবোৰকে কৈছা। কিন্তু কি কৰিবা, খেলে এৰিলেহে। মই উঠো বাৰু।"

সাতোলা যাবলৈ থিয় হ'ল।

"যোৱা বাৰু, কেতিয়াবা কিবা চিলাব লগীয়া হ'লে আনিবা মাথোন।"

দিন যায়। কিন্তু আংকোল কোম্পানীৰ চিলাই কাৰখানাৰ বেজীটোহে এটা ঘৰো আগবাঢ়ি নাযায়। গাঁৱৰ মানুহৰ চিলাই কাম বৰ কম। কেতিয়াবা মাৰ্কিন কাপোৰৰ মেখেলা এখন চিলাই নিয়ে, তাৰে এবছৰ যায়। দাম যাচে এক অনা। পঞ্জাবী এটা চিলাই কৰে ডেৰ বছৰ পিন্ধে। দাম যাচে আঠ অনা ছ অনা। তাকো শইকীয়াৰ ওচৰত নিচিলায়, পুৰণি অভিজ্ঞ দৰ্জীৰ ওচৰলৈ যায়। গাৰুৰ গিলিপ নলগায়, দুৱাৰত পৰ্দা নিদিয়ে, খিৰিকী নায়েই।

"তই যাৰে হাতত নতুন কাপোৰ দেখ তাকে পাকৰাও কৰিবি। দু অনা কমত দিম। তোক কমিচনো দিম। নহ'লে চিলাই কলৰ ভাৰা মাহে এটকাই নুঠিব দেখোন।"

কণটিলৌৰে এই উপদেশৰ মৰ্ম গ্ৰহণ কৰি তাৰ ক্লাছফ্ৰেণ্ড এটাক চিকাৰ কৰি পেলালে। মাকে ঘৰত বৈ দিয়া ডুৰিয়া কাপোৰ এটা, চাৰ্ট এটা কৰিব লাগে। পুৰণি ফটা চোলা এটাও জোখ হিচাপে লৈ আহিল।

লগে লগে শইকীয়া দৰ্জী হৈ বহি গ'ল। দিনে-ৰাতিয়ে লাগি যিটো চোলা তৈয়াৰ কৰিলে তাক দদাই-খুড়ী-ভতিজাৰ সমবায় প্ৰচেষ্টাৰ ফল বুলি ক'ব পাৰি। দেখাত বস্তুটো বেয়া নহ'ল। কিন্তু হাত দুটাত দুটা অতিৰিক্ত কোঁচ পৰাত বাদুলী ওলোমা দি থকা হ'ল।

তাৰ পিছৰ পৰা অৰ্ডাৰ একদ্‌ম বন্ধ।

কণটিলৌৰ ঘৰত পিন্ধা পেণ্ট্‌টো সৃষ্টিৰ আদিত নীলাৰঙৰ আছিল। পোন্ধৰটা বিভিন্ন ৰঙৰ টাপলিয়ে আক্ৰমণ কৰাৰ ফলত সি সৰ্বস্বান্ত হৈ চাৰ্কাছৰ জ'কাৰ-জাতীয় সাজত পৰিণত হ'ল।

অৰ্ডাৰ বন্ধ হ'লেও দিনে-ৰাতিয়ে 'খৰৰ্ খৰ্ খৰ্ কট্ কট্ ' - মেচিনৰ শব্দ বন্ধ নহ'ল।

কণটিলৌৰে তাৰ পেণ্টটোৰে ৰূপান্তৰ গ্ৰহণ কৰা দৃশ্য চাই চাই কয়,

দৰ্জীৰ দোকানত থকাৰ দৰে দীঘল কোট্ পেণ্ট্ পিন্ধা মানুহৰ ছবি এখন সিহঁতৰ কাৰখানাতো ৰাখিব লাগে।

“ফুঃ, ইয়াত কেইটা চুট্ পিন্ধানেৱালা আছে? পিন্ধিছিলো অমুকায়ে, তাহানি কনট্ৰেক্ট কৰোঁতে। চাহাবৰ লগত ফতৰ ফতৰ ইংলিছ টকিং ওলাইছিল। ইংৰাজীত সেইযোৰক ‘চুট্’ বুলি কয়।”

“কিয়, তই জানো চুট্ চিলাব নাজানিবি দদাই?” নাজানে ? কোন কাম নাজানে ভূধৰ শইকীয়াই ? আই ডি ভূধৰ শইকীয়া! সকলো কামেই চকুৰ দেখা, হাতৰ কাম। নজনাৰ কিটো আছে? “হাফপেন্ট পিন্ধা মানুহৰে ছবি এখন আনিবিচোন। হাফপেন্ট ইয়াত ইচ্কুলীয়া ল’ৰাবোৰে পিন্ধে।”

“আনিব লাগে কিয় ? আঁকিলেই হ’ল।”

“তই ছবিও আঁকিব জান নেকি দদাই?”

“ক’লো নহয়, সকলো চকুৰ দেখা, হাতৰ কাম।” চিলিমটো ফুৰাই ফুৰাই খুড়ীয়েক সোমাই আহে। “দদায়েৰে নজনা কাম কি আছে অ’? তাহানি উঘা লৈ মহুৰা ফুৰাই তাঁতখনতো দুই এমোৰ মাৰি দিছিল। ফুল তুলিবলৈও শিকিছিলহে।”

কণটিলৌৱে ডাঠ কাগজ এখন যোগাৰ কৰিলে। ৰঙীন পেন্সিল্, ৰঙা চিয়াঁহী, কজলা চিয়াঁহী যোগাৰ কৰি দদায়েকৰ ওচৰত সমৰ্পণ কৰিলে।

দদায়েকে ছবি আঁকিব, এটা হাফপেন্ট পিন্ধা ল’ৰা। এদিন দেওবাৰে দুয়ো বহি গ’ল। প্ৰথমে ওপৰত এটা সৰু বৃত্ত বহুৱালে। চকু, নাক, মুখৰ ঠাইত জোখমতে একোটা ফুট দি ল’লে। তাৰ পিছত কণটিলৌকে ক’লে হাফপেন্টটো পিন্ধি থিয় দি থাকিবলৈ। কণাটিলৌৱে এই প্ৰথম এজন শিল্পীৰ মডেল হৈ থিয় দিলে।

শিল্পীৰ কাঠপেন্সিলৰ স্পৰ্শত কণটিলৌৰ দেহাটো খণ্ড খণ্ড হৈ কাগজত ফটোৰ দৰে উঠিবলৈ ধৰিলে। এতিয়া পেণ্টৰ ৰংটো নীলা কৰি আঁচ আঁচ ছাৰ্ট এটা পিন্ধাই দিলেই হৈ গ’ল ছবিখন।

“মুখখন আৰু অলপ ওপৰলৈ উঠিবনে কি? থুঁতৰিটো দেখোন নায়েই।”

চাহৰ কাপ হাতত লৈ আহি খুড়ীয়েকে মন্তব্য প্ৰকাশ কৰে। “ৰবি ৰবি। তহঁতে ফুল বাছোঁতে কেইটা কাঠি উঠিব লাগে কেইটা পৰিব লাগে কওঁনে? মোকো নকবি।”

“কিন্তু কণটিলৌৰ মুখখন জানো এনেকুৱা? আমি দেখোন যিটো চানেকি লওঁ হুবহু তাকেই তোলো।”

“কণটিলৌ হ’ব নালাগে নহয়, তাৰ আৰ্হিটোহে লাগে। তাঁতত ফুলবছা আৰু মানুহ ছবিত তোলা একেটা বস্তু নহয়।”

চন্দ্ৰ আহি ওলালহি। শইকীয়াৰ ভাগিনীয়েক। দেওবৰীয়া বজাৰলৈ যাব। যাওঁতে মোমায়েকৰ তাত সোমাই গৈছে।

চাহ-তামোল খাই যাবলৈ উঠোঁতে, দদাই ভতিজা দুয়োবে শোনচকু পৰিল চন্দ্ৰৰ চোলাৰ তলৰ জেপটোত। সৰু টোপোলা এটা যেন সন্তৰ্পণে লুকুৱাই নিছে। দুয়ো একেলগে চিঞৰি উঠিল, “সেইটো কি পালি অ’ চন্দ্ৰ” “সেয়া কি আনিছ চন্দ্ৰ ককাইদেউ ?”

চন্দ্ৰই সেমেনা-সেমেনি কৰি এনগেনাই ক’লে, “বৌৱে বৈ দিছিল, পাঞ্জাবী এটা চিলাব লাগে ।”

“বৌৱেৰে বৈ দিলে, মই চিলালে হ’বলা জাত যাব ?”

“নহয়, মানে কথা হ’ল কি, মাছৰাইজৰ দীঘ, আইতী সূতাৰ বাণি,” নিৰাশ্ৰয় চন্দ্ৰই আধা আঁকা ছবিটো লৈকে চাই ক’লে, “পোচাকী চোলা চিলাব লাগে, আপুনি পইচা ল’বলৈ বেয়া পাবা....” পইচাৰ কথাটো অৱশ্যে অজুহাত। আচলতে কাপোৰটো নষ্ট কৰাৰ ভয়।

“পইচা নল’ম ? কোনে ক’লে পইচা নল’ম। টিকাত কিলাই ল’ম। মোৰ বেব্‌চাই হ’ল এইটো। ধান দিবি পইচা নালাগে।” সেইটোৱেই তো আৰু দুগুণ ধান আনিব। ক’ব কেতিয়াবা আৰু কিবা এটা চিলাই নিবি।

“লিখ কণটিলৌ, দীঘ ৩০, বুকু ৩৬, ডিঙি ১৬, হা”...

“মোক কলাৰ দিব লাগিব।”

“পাঞ্জাবীত আকৌ কিহৰ কলাৰ ?” বহুত ভদ্ৰলোক দেখিলো, বহুত চাহাব চুহাবকো দেখিলো। পাঞ্জাবীৰ কলাৰ দেখা নাই।”

চন্দ্ৰই অদৃষ্টক দুষিলে। কি কুক্ষণত বজাৰলৈ ওলাইছিল।

ছবিৰ কাম এৰি দিনে-ৰাতিয়ে চন্দ্ৰৰ কাপোৰৰ ওপৰত অস্ত্ৰোপচাৰ আৰম্ভ হ'ল। চাৰি দিনৰ মূৰত পাঞ্জাবী ৰেডি হ'ল। চন্দ্ৰই দেখি ভালেই পালে। ভাগিনক পিন্ধাই লৈ মোমা মামী সকলোৱে নিৰীক্ষণ কৰিবলৈ ধৰিলে। কলাৰ দিছে, একদম টাইকলাৰ। বাওঁ হাতটো দীঘল আৰু ডাঙৰ হ'ল। কাষলতিত ওলমি টোপোলা হৈ থাকে। সোঁহাতটো চুটি আৰু চুঙামৰা হ'ল। দা-কটাৰি আদিৰ কাম কৰিবলৈ ভাল। “দুইটা হাত কোঁচাই পিন্ধিবি, ছাৰ্ট পিন্ধা বুলি ক'ব। খাবা টাইকলাৰ দিছোঁ। এমোন ধান দিবি, কিবাকিবি চিলাই নিবি।”

তাৰ পাছত বহুদিনলৈ কাম নাই। ঘৰতো ফটা কাপোৰ নাই। নাই, নাই। ছবিখন আছে।

এসপ্তাহৰ মূৰত ছবিখন হৈ উঠিল। দদাই, খুড়ী, ভতিজা মিলি ছবিৰ উদ্বোধনী কৰিলে। হাফপেন্ট্ পিন্ধা এটা ল'ৰা। মূৰ, মুখ, গাল সকলো এটা বৃত্তৰ ভিতৰত সোমাই আছে। চিয়াঁহী বোলাই চুলিখিনি জপৰা কৰি দিছে। গোটেই মুখমণ্ডলে কাগজখনৰ আধাখিনি আৱৰাত বাধ্য হৈ গাটো চুটি কৰিব লগা হ'ল। ফলত ভৰি দুটা অসম্পূৰ্ণ হ'ল। পেণ্টটো নীলা, ছাৰ্টটো ৰঙা-নীলা আঁচ মৰা। বেকগ্ৰাউণ্ডত ৰঙা সেউজীয়া ৰং। বাউণ্ডেৰীৰ চাৰিওফালে আখৰ লিখা আছে— ‘আংকোল কোম্পানীৰ চিলাই কাৰখানা। যাৱতীয় কাম সুলভ মূল্যত কৰা হয়। পৰীক্ষা প্ৰাৰ্থনীয়।’

ছবিখন বেৰত আঁৰি লৈ আঁতৰত চকী এখনত বহি হোঁকা হুঁপি হুঁপি একান্ত মনে ছবিখন চাবলৈ ধৰিলে শ্ৰীভূধৰ শইকীয়াই।

চকীৰ হেণ্ডেলত ধৰি থিয় হৈ চাই ৰ'ল মিছেছ্ শইকীয়াই। ছবিৰ একেবাৰে কাষত থিয় হৈ ৰ'ল। কণটিলৌ।

ছবিৰ চোলাটো ঠিক তাৰ বন্ধুলৈ কৰাই নিয়া হাফ্ছাৰ্টটোৰ দৰেই হৈছে।

হাত দুটা সাইলাখ। কোঁচ বেছি হোৱাত দুটা বাদুলিৰ দৰেই ওলমি আছে।

কলাৰটো খাচ ইংৰাজী টাইকলাৰৰ দৰে হৈছে বুলি দদায়েকে কৈছে। চন্দ্ৰ ককাইদেৱেকৰ পাঞ্জাবীৰ কলাৰটোৱেই। পেণ্ট্‌টো কণটিলৌৰটোৱেই। গোটেই ল’ৰাটোৱেই কণটিলৌ - হাত, ভৰি, মুখখনৰ বাহিৰে।

# টোপ

শিঙী পুখুৰীত শ'লমাছ পৰিছে। বহুতে অকল শ'ল টোপায়ে পকা পকা শ'লমাছ আনিছে।

বেণুৱে তাৰ সমনীয়া চেনিক খবৰটো জনাবলৈ লৰ দিলে।

চেনিয়ে তাতকৈও আগতেই জানে খবৰটো।

দুয়ো নিৰুপায়। বৰশী এটাৰো নাই।

ককায়েকহঁতৰ বৰশী চুবলৈ নিদিয়ে।

মই ডোল বটিব জানো। বৰশী ডাঁৰি দুডাল তিনিমাহ মানৰ আগতে কাটি থৈছোঁ।

কৰালি অলপ সেকি পোন পাজৰ কৰি ল'লেই হ'ল। বেণুৱে উপায় উলিয়ালে।

কিন্তু সূতা ক'ত পাব? মুগা সূতা লাগিব। এই একোটা পকা শ'ল - শণ বা মুগা সূতা নহ'লে ছিঙি লৈ যাব।

চেনিয়ে হাতেৰে মাছৰ আকাৰ-প্ৰকাৰ দেখুৱাই দিয়াৰ লগে লগে বেণুৱে মাছটো দেখিলে। পেটৰ ফালে ৰঙা দীঘলীয়া, ক্ৰমাৎ লাহি শ'লমাছ - মাজে মাজে ক'লা দাগ, দীঘলীয়াকৈ আৰম্ভ হোৱা মূৰৰ খোলাটো, পানীৰ তলে তলে ফিছা কোবাই কোবাই সি আহিছে - কাঁড় এপাট অহাদি। তাৰ বৰশীৰ টোপৰ ওচৰত অলপ সময় ডঁৰক দি পৰীক্ষা কৰিছে তাৰ বস্তুটো। খন্তেকতে সি কামোৰ মাৰি ধৰিব, লগে লগে তাৰ বহল মুখখনেদি টামচিং বৰশী গৈ পেট পাবগৈ। শ'লমাছে বস্তুটো লৈ চুপি নাথাকে, একেবাৰে গিলি পেলায়। তাৰ পুঙা গুচি যাব পানীৰ তললৈ, বহুত তললৈ, লগে লগে পুঙাৰ ওচৰত বুৰবুৰণি উঠিব—এই—এই—নাই, ৰব নোৱাৰি। বেণুৱে মুগাৰ সূতা যোগাৰ কৰিব। মাকৰ মুগাৰ সূতা আছে। তাৰে এডাল ৰচি চেনিকো দিব। কথা হ'ল - মুগাৰ সূতাৰ ৰচি বটা সহজ কথা নহয়। পাক দিয়াৰ উনৈছ-বিছ হ'লেই নষ্ট হ'ব। কেনেবাকৈ বেছি পাক দিলে আৰৈমূৰীয়াও হ'ব পাৰে।

দুয়ো গভীৰ চিন্তাত লাগিল।

এটা মাত্ৰ উপায় আছে।

গাঁৱৰ হৰিবল ককাৰ ওচৰলৈ গৈ আঁঠু লোৱা। “সেইপাট সোগোনা বুঢ়াৰ ওচৰলৈ কোন যাব? ইমান গালি পাৰে আৰু লাজ কথা মাতে ।” বেণুৱে নাক কোঁচালে।

“সেইখিনি সহ্য কৰিবই লাগিব। নহ’লে কাৰ্য সিদ্ধি হ’ব কেনেকৈ”

বুঢ়াক গৈ চাহটোপা কৰি দি ভালকৈ ধপাত এচিলিম লগাই দিলেই কাম শেষ।

দুয়ো মুগাৰ সূতাৰ মহুৰা লৈ বুঢ়াৰ ঘৰ পালেগৈ। ‘হৰিবল বুঢ়া’ বুলি জনাজাত, ল’ৰা-ছোৱালীৰ ‘হৰিবল ককা’ গাঁৱৰ এমূৰত অকলে থাকে। দোকমোকালিতে উঠিয়ে ‘হৰিবোল’ বুলি যিটো চিঞৰ মাৰে, গাঁৱৰ মূৰ সৰকি যায়গৈ। সকলোৱে জানে, হৰিবল বুঢ়া উঠিল। ৰাতি পুৱাল। মূৰৰ চুলিবিলাক দীঘল, চাৰিওফালৰ পৰা আঁচুৰি ওপৰলৈ খোপা বান্ধি থোৱা। খোপাৰ ওপৰত ফুল এপাহ। দীঘলীয়া ডাঢ়িকোছাই বুকু চুইছেহি। কপালত ৰঙা বগা ফোঁট। মুখত হৰিনাম পুৱা এবাৰ আৰু সন্ধিয়া এবাৰ শুনা যায়। বাকী কথাৰ প্ৰতি দুটা শব্দৰ অন্তৰত এটাকৈ ‘অভইচ’ কথা থাকে। সকলো সময়তে খিংখিঙীয়া বুঢ়াক গাঁৱৰ ল’ৰাবোৰে আঁতৰৰ পৰা জোকায়—সেই সময়ত বুঢ়াৰ প্ৰতিটো কথাৰ পাছত দুটাকৈ ‘অভইচ’ কথা বাহিৰ হয়। ওচৰত অৱশ্যে ল’ৰাবিলাক সৈমান। গাঁৱৰ জীয়াৰী বোৱাৰীৰ খোজ-কাটল, পিন্ধা-উৰাৰ অলপ হেৰফেৰ বাটে-পথে দেখিলেই বুঢ়াৰ মুখত এনেকুৱা সংস্কৃতৰ আখৈ ফুটে যে সিহঁতে কেতিয়াবা কান্দি কান্দি ঘৰ সোমায়গৈ। তথাপি বুঢ়াক কোনেও বেয়া নাপায়, অৰ্থাৎ বেয়া পালে নচলে কাৰো। ল’ৰাৰ স্কুলীয়া সঁজুলি, বাঁহৰ চুঙা, স্কেল, স্কুলৰ হাতৰ কাম, খৰাহী চালনী বুঢ়াই সাজি দিব বা দেখুৱাই দিব। তিৰোতাৰ তাঁতশালৰ সঁজুলি – ফুলছিৰী, নাচনী, ফুলচেৰেকী, টাকুৰী, শলি, টোলোঠা জৰী আদি মিহি কামবিলাক বুঢ়াই নকৰিলে নহয়। ভাওনা হ’লে ভাৰৰীয়াৰ মুকুট-মণি, ভীম আদিৰ গদা, অৰ্জ্জুন আদি

বীৰসকলৰ ধনু-কাঁড়, তুণ, এই সকলো কাম বুঢ়াৰ ওপৰত। কাৰ'বাৰ ঘৰত সবাহ পাতিলে মাহ-প্ৰসাদ তিওৱা, ধোৱা, কলৰ দোৰোলা সজা কাম বুঢ়াৰ। তাৰ উপৰিও পানী জাৰি দিয়া, তেল জাৰি দিয়া, পৰীক্ষাৰ সময়ত ল'ৰা-ছোৱালীৰ পেন্সিল-কলম জাৰি দিয়া কাম দিনটোত লাগি আছেই। সেই কাৰণে গঞাই বুঢ়াক ধান, চাউল বয়-বস্তু দি সহায় কৰে। বুঢ়াৰ গাইজনী পালত ৰাখি দিয়ে, তাৰ বাবে বুঢ়াৰ পালৰ কোনেও হেঙা নধৰে।

চফল ডেকা অৱস্থাতে বুঢ়া এই গাঁৱলৈ প্ৰথম আহে। দুকুৰি বছৰৰ আগৰ কথা। চল্লিশ বছৰ বয়সৰ পৰা গাঁৱৰ এমহীয়া কেঁচুৱালৈকে, এনে এজন মানুহ নাই যাৰ জন্মৰ সময়ত মাকে বুঢ়াৰ হাতৰ ডোল এডাল বা মজিয়াৰ মাটি গোলা পানী এঢোক খোৱা নাই। ভূইকঁপ হ'লে মজিয়াৰ পৰা দাঁতেৰে কামুৰি মাটি আনিব লাগে, সেই মাটি বুঢ়াই জাৰি দিয়ে। তাৰ পানী খালে সুপ্ৰসৱ হয়। বুঢ়াই বিয়া নকৰালে। গঞাই জোৰ কৰিছিল, ছোৱালীও পাইছিল। এবাৰ বৰকৈ জোৰ কৰাত বুঢ়াই গাঁও এৰি গুচি যাবলৈকো ওলাল। তেওঁ হেনো সন্ন্যাসীৰ দৰে থাকিব। বুঢ়াৰ শত্ৰু নাই। থকা হ'লেও কোনেও বুঢ়াৰ চৰিত্ৰ সম্পৰ্কে একেষাৰো কথা ক'ব নোৱাৰিলেহেঁতেন। নামাতিলে (অৰ্থাৎ দৰ্কাৰ নপৰিলে) বুঢ়া কাৰো ঘৰলৈ নাযায়। কাৰো লগত বেছি হলি-গলি নকৰে। মুখৰ আগত সকলোকে খৰংখচ কথা কয়, ডাঙৰ সৰু বাছ-বিচাৰো নাই। সকলোৱে বুঢ়াক অলপ চনবলীয়া সাব্যস্ত কৰিয়ে থৈছে। মুঠতে, বুঢ়াৰ অতীত কাহিনী আৰু ডেকাৰ পৰা ৬৫ বছৰ হোৱালৈকে মানুহজন, সকলোৰে কাৰণে ৰহস্য হৈয়ে থাকিল। বুঢ়াৰ যদি কিবা অতীত কাহিনী আছিলো, সি অতীততে ৰ'ল, শ'ল টোপোৰাদি টোপাই কোনেও তাক পাৰলৈ আনিব পৰা নাই বা আনিবৰ চেষ্টাও কৰা নাই।

বুঢ়াই ৰাতিপুৱাই উঠি ঘৰ-দুৱাৰ সাৰি মচি, চোতাল চিকুণাই, গৰু খীৰাই, গাইজনী বাটৰ দাঁতিত এৰাল দিয়ে। গৰু মেলাৰ সময়ত মোকোলাই দিব। গোহালি নামৰ চালিখনো ফু মাৰি ভাত খাব পৰা কৰি থয়। তাৰ পাছত গা-পা ধুই বেৰত আঁৰি লোৱা থাপনাত সেৱা কৰি চাহৰ খোলাত বহে। চাহটোপাই বুঢ়াৰ

প্ৰধান আকৰ্ষণ। আনে কৰা চাহ বুঢ়াৰ মুখত নালাগে।

পিতলৰ সৰু ঘটিটোৱেই আজি দুকুৰি বছৰ ধৰি চাহৰ কেট্‌লিৰ কাম কৰি আহিছে। এগিলাচ পানী উতলাই তাত জোখৰ গুৰকণ দি দিয়ে। অলপ পাছত ফেনখিনি কাটি পেলায়। তেজপাত এটা আৰু এচিকটা নিমখ দিয়াৰ পাছত চাহপাতকেইটা দি দিব। সদৌ শেহত, কেৰাহীত উতলাই ডাঠ কৰি থোৱা গাখীৰ দুচামুচ দি বাঁহেৰ ছেকনিৰে পিতলৰ গিলাচত ছাকি পেলালেই হৈ গ'ল বুঢ়াৰ চাহ টোপা। 'এ ৰাম কৃষ্ণ' বুলি চাহত ঢোক দিবলৈ ধৰোঁতেই দুৱাৰমুখত উপস্থিত বেণু আৰু চেনি। 'হৰিবল ককা' - এই সৰু মাতষাৰ শুনি বুঢ়াই মূৰ দাঙি সিহঁতলৈ পেন্দোৱাকৈ চাই ৰ'ল।

"কটাৰ পো কটা যোৱাহঁত, ঠিক খাবৰ পৰে পৰে হাজিৰ হবি। এখন কৰাৰ সময়ত পৰুৱা এটাও পাবলৈ নাই।"

চেনিয়ে লৰালৰিকৈ হাতত অনা জেঙনি খৰিৰ বোজাটো জুহালৰ ওচৰত ৰাখিলে। বেণুৰ হাতত দুচিলিমমান খামিৰা দিয়া ধপাত। কৌটিকলীয়া বাঁহৰ চুঙাটোত ধপাতখিনি থৈ দিলে। বুঢ়াই মুখখন চাহৰ গিলাচতে ৰাখি চকু ঘূৰাই কাণ্ড-কাৰখানাবোৰ চাই গৈছিল মাত্ৰ। খামিৰা দিয়া ধপাতৰ গোন্ধ ইতিমধ্যে নাক পাইছিলগৈ।

"হেৰ' জহৰা পোৱালিহঁত, ধপাত আৰু অলপ সৰহকৈ আনিব নোৱাৰিলি ? খৰি সেই কেইডালহে পালিনে? সেই ঘটিতে অলপ চাহ আছে, দুইটাই ভগাই খা।"

বুঢ়াই এটা হাতেৰে ঘটিটো আগবঢ়াই দিলে। বুঢ়াৰ এই স্বাভাৱিক কথা-বতৰাৰ মাজতো স্বাভাৱিক ভাৱেই অভিধানত নথকা শব্দবিলাক সোমাই থাকিবই।

বেণু আৰু চেনিয়ে চকুৰে চকুৰে চাই ল'লে। তাৰ পিছত ঘটিৰ চাহ বাকি দুয়ো পৰম তৃপ্তিৰে খাই, এটাই ধপাত লগালে, এটাই বাটি গিলাচ ধুই আনিলে।

বুঢ়াৰ চাহৰ আমেৰি ভগাই নাই। দুডালকৈ বৰশী ডোল বাটিব লাগিব, দুটা ডাঁৰি কৰালিব লাগিব, টোপ বিচাৰিব লাগিব, এক মাইল দূৰৰ শিঙীপুখুৰী পাবগৈ লাগিব। ইয়াৰ ভিতৰত ভাত-খোৱা গা-ধোৱাৰ নিচিনা লেতেৰা কাম দুটাও আছে। বুঢ়াৰ আমেৰিত দুয়ো ভিতৰে ভিতৰে জ্বলি উঠিছে আৰু দকচি গালি পাৰিছে।

অৱশেষত ধপাতৰ হোঁকাটো লৈ ভালকৈ টান কেইটামান দিয়াৰ পাছত সিহঁতে নিবেদন কৰিলে মুগাৰ সূতাৰ মহুৰা দুটা আৰু লগত অনা টাকুৰী এটা।

চিলিমৰ আগত ভমক কৰে জুই জুলি গ'ল। "ধদুৱাৰ পোৱালিহঁত, এনেয়ে ভৰিকে দিবলৈ নাহ। আহোঁতেই বুজিছোঁ নহয় কিবা এটা পাঙি আহিছ। মই বৰশীও নাবাওঁ, মাছো হাতেৰে নোচোওঁ। নাজান নেকি ?"

"ককাই আগতে আমাক বৰশী বোৱাৰ কথা কৱ নহয় ? তই ডেকা হৈ থাকোঁতে তহঁতৰ দেশৰ দীঘলী বিলত বৰশীৰে ৰৌমাছ ধৰাৰ কথা, কাছ ধৰাৰ কথা।"

কথাখিনি দুইটাই ভাগ পাতি ল'লে। বোধহয় আওৰাই আহিছিল।

"হেৰৌ বান্দৰৰ পোৱালিহঁত, আজিকালি তহঁতে দুটা চেঙেলী মাৰিবলৈ শিকিছ। মই তহঁতৰ বয়সতে ৰৌমাছ বগৰাইছিলো। মোৰ বৰশীৰ মাছ আনিবলৈ লগত ভাৰী যাব লাগিছিল।" বুঢ়াৰ চিলিমত কমাৰৰ শালৰ দৰে ভমক ভমক জুই জুলিবলৈ ধৰিলে। চেনিয়ে মহুৰা দুটা, টাকুৰীটো আৰু বুঢ়াৰ নালীয়া কটাৰিখন বেৰৰ পৰা আনি বুঢ়াৰ ওচৰতে থ'লে। বুঢ়াই আৰু দুজাউৰিমান গালি উৰাই কটাৰিখন বেণুৰ ফালে ঠেলি দিলে - "যা তিনিটা সৰু খুঁটি কাটি আন।"

তিনিটা খুঁটি পুতিলে বুঢ়া বহা ঠাইৰ পৰা দুৱাৰ মুখেদি পোনে পোনে দহ হাত আঁতৰত চোতালত। প্ৰতিটো খুঁটিত তিনি ডালকৈ মুগাসূতা দি টাকুৰিত গাঁঠি বান্ধি পকাই বেণুক ধৰি থাকিবলৈ দিলে, যাতে পাক সুলকি নাযায়। তিনিওডাল পকাই হোৱাৰ পাছত তিনিওটা মূৰ একেলগে টাকুৰীত হাঁকোটাত বান্ধি পেলালে। এতিয়াহে আচল ডোলডাল বটা হ'ব। হাতৰ তৰ্জনী আৰু মধ্যমা আঙুলি দুটা

তিনিডাল ৰচিৰ ফাঁকত বুঢ়াৰ নির্দেশ মতে চেনিয়ে এনেভাৱে সুমুৱাই ধৰিলে যাতে ডোলকেইডালৰ ইডালৰ গাত সিডাল নালাগে। টাকুৰীৰ পৰা এহাত মান আঁতৰত এইদৰে আঙুলিকেইটা ৰাখি তাৰ এবেগেত মান আঁতৰত টাকুৰীৰ ফালে তিনিওডাল ডোল বাওঁহাতৰ তর্জনী আৰু বুঢ়া আঙুলিৰ নখেৰে এনে ভাৱে টিপা দি ধৰিলে যাতে ৰচিৰ পাক সেই টিপা পাৰ হৈ আগবাঢ়িব নোৱাৰে। বুঢ়াই টাকুৰী পকাই থাকিব। ডোলৰ পাকে গৈ আঙুলিৰ টিপাত প্ৰথমে টান দিব। বুঢ়াই টাকুৰীটো গাৰফালে টানি ইঙ্গিত কৰাৰ লগে লগে চেনিয়ে বাওঁহাতৰ আঙুলি টিপাটো ওপৰলৈ আজোৰ মাৰি অনাদি এৰি দিব। লগে লগে কটং শব্দ কৰি পাকবোৰ সোঁহাতৰ আঙুলি থকা ঠাইখিনি পাবগৈ । পাক ৰোৱা ঠাইত আকৌ বাওঁহাতেৰে টিপা দি সোঁহাতৰ আঙুলিকেইটা এবেগেত আঁতৰত ৰাখিব। গোটেই ৰচিডালত এই ব্যৱস্থা। কেনেবাকৈ যদি টিপা পিছলিল বা সময়ত এৰি নিদিলে, বা এৰি দিওঁতে কটং কৰে শব্দ নুঠিল, তেনেহ'লে ৰচিও বটা হ'ল, শ'লমাছো খালে, সিহঁতৰ চৌধ্য পুৰুষেও একোটা পিণ্ড পালে। কলিজাত ওজন নথকাই বুঢ়াৰ ওচৰত অন্ততঃ বৰশীৰ ডোল বটাবলৈ নযায়।

"মই বটা ডোলে বৰশীৰ আগত এনেয়ে কন্‌কনাই থাকিব লাগিব। ডাঙৰ ৰৌমাছে যেতিয়া ধৰিব, আধামাইল আঁতৰৰ মানুহে ভাবিব ক'ৰবাত টোকাৰী বজাইছে বা বীণ বজাইছে। কন্‌কনাই থাকিব শন সূতাৰ ৰচিয়ে।"

বুঢ়াই টাকুৰী পকোৱাৰ লগে লগে কথাও পকাই যায়, এবাৰ টাকুৰী কৰঙ্গনত লৈ পকাওঁতে নোম কেইডালমানো পাক খাই গ'ল। তাৰ পিছৰ পৰা হাতৰ তলুৱাতে টাকুৰী পকাবলৈ ধৰিলে।

"ককা, তেনেহ'লে ৰৌমাছে ধৰিলে চিপ মাৰিব নালাগে।" চেনিয়ে সুধিলে। চেনিয়ে জানে, তথাপি বুঢ়াক ভালৰি বোলাবলৈ এই ব্যৱস্থা।

'হুঃ', বুলি বুঢ়াই মুখখন গোঁ কৰি টাকুৰী পকাই গ'ল। সিহঁতে জানে বুঢ়াই এতিয়া সকলোখিনি কথাই কৈ যাব। বুঢ়াই অৱশ্যে সিহঁতক উদ্দেশ্য কৰি নকয় - ক'ব অদৃশ্য তৃতীয় পুৰুষ এজনক। "বৰ বৰশীটো ম'হ খুঁটি বিলৰ

মাজলৈ পেলাই দি টাম্‌চিং বৰশীৰে কিনাৰে কিনাৰে বাই থাকা। শ'ল, খৰীয়া, পাভ, তাৰেই এসাঁজৰ হৈ যাব। অলপ পাছত দেখিবা বৰ বৰশীৰ ৰচিত জোঁকাৰ পৰিছে। বছ্—ডাঁৰিটো দাঙি লৈ ৰচিডাল ঢিলাই দি থাকা। মাছে টানি নি থাকিব। মাজে মাজে একোবাৰ পাৰলৈ টানিবা। জোৰ দিলেই আকৌ এৰি দিবা। আকৌ টানিবা। শনৰ সূতাৰ ডোলে কন্‌কননি ল'ব - ছিগি যাওঁ, ভাগি যাওঁ। ওচৰৰ পামত থকা মানুহে শব্দ শুনিয়ে বুজিব মাছ লাগিছে। উপযাচি আহিব সহায় কৰিবলৈ। কেতিয়াবা মানুহে সৈতে টানি নিব নহয় পানীৰ মাজলৈ। কিন্তু হাজাৰ হ'লেও মাছ, সি কিমান তুৰিমুৰি কৰিব? বৰ বৰশীৰ কলত ধৰিছে। এবাৰ ঢেল ওপঙা দিবই ।

"কাছ হ'লে কিন্তু আৰু বিপদ। কেনেবাকৈ তলিত গৈ এবাৰ খোপনি পুতিব পাৰিলে উঠোৱা বৰ টান। ৰচি টান হৈ থাকিবই লাগিব, ঢিলা পালে কামুৰি ছিঙিব।"

বেণু ওচৰতে বহি ককাৰ মুখলৈ চাই কথা শুনি আছিল। বুঢ়াৰ পোনছাটে খং উঠি গ'ল। "হেৰৌ অগিয়ানৰ সঁচ, সোণবৰীয়াল ক'ত?"

বেণু উধাতু খাই লৰ ধৰিলে।

প্ৰথমডাল ৰচি বটা প্ৰায় শেষ। এজোপা সোণবৰীয়াল লৈ বেণু উভতি আহিল। বৰ সোণবৰীয়াল। বুঢ়া আকৌ টিঙিৰি তুলা হৈ পৰিল। "সৰু সোণবৰীয়াল নাপালি, মাইকীয়ে নেচেলেকাৰ সঁচ ? তই যা হেৰৌ ছাগলী পোৱালি।" ছাগলী পোৱালি অৰ্থাৎ চেনিও লৰ মাৰিলে। ডোলডাল বটা শেষ হৈছিল। গতিকে পাছে পাছে বেণুও। অলপ পাছত দুটাই দুজোপা সৰু সোণবৰীয়াল গছ লৈ উভতি আহিল।

ডোলডাল টাকুৰীত বন্ধাই আছিল। বুঢ়াই টানি ধৰিলে। চেনিয়ে পাত কিছুমান লৈ আগৰ পৰা গুৰিলৈ ডোলডালত ঘঁহি যাবলৈ ধৰিলে। বেণুৱে খুঁটি তিনিটাৰ পৰা ডোলৰ মূৰ তিনিটা এৰুৱাই মাজৰ খুঁটিটোত লগাই মহুৰাৰ দৰে মেৰিয়াই আনি ককাকৰ ওচৰ পালেহি।

বুঢ়াৰ গালি মতে বেণুৱে চাহৰ পানী বহালে। ধপাত এচিলিমো লগাই দিলে। দ্বিতীয় ডাল ডোল বটাৰ আয়োজন পূৰ্বৰ দৰে চলিবলৈ ধৰিলে।

চেনিয়ে এই চলতে কাছৰ গাত বৰশী লগাই দিলে, "কাছই যদি তলত গৈ খোপনি পোতে ?"

বুঢ়াই সোলামুখেৰে এখৰাহীমান হাঁহিলে। "আছে আছে, তাৰো উপায় আছে।" হোঁকা চিলিমযোৰ বেণুলৈ আগবঢ়াই দিলে—বেৰত থ'বলৈ। টাকুৰীত সূতা পকাই আৰম্ভ কৰিলে দ্বিতীয়ডাল ডোলৰ কাম।

"মন্ত্ৰ আছে নেকি ককা?" বেণুৱে হোঁকা চিলিমযোৰ থৈ সুধিলে। "মন্ত্ৰও আছে। তহঁত আজিকালিৰ ইংৰাজী পঢ়া ল'ৰাই মন্ত্ৰ বিশ্বাস কৰিবিনে ? তহঁত বিলাতী হ'লি। মাছ খোৱাৰো মন্ত্ৰ আছে।" বুঢ়াই পাকটো ঠিকেই হৈছেনে এবাৰ পৰীক্ষা কৰিলে। তাৰ পাছত তলুৱা দুখনত টাকুৰীটো লৈ পকাবলৈ লাগি গ'ল। "টান—ধৰিবি—এৰিবি—কটং।" সাপৰ দৰে পাকবিলাক উজাই যাবলৈ ধৰিলে।

"তেনেহ'লে কাছ ধৰাৰো মন্ত্ৰ আছে?" বেণুৱে আকৌ দোহাৰিলে। "মাটিকলহৰ ডিঙ্গিটো বা বাঁহৰ এধাৰি এটা লৈ যাব লাগে। চিপ ডালেদি সুমুৱাই দিলে সি গৈ কাছৰ গাত পৰিবগৈ। খোপনি এৰি দিব। সেইটোৱে মন্ত্ৰ। মই যিবাৰ বৰ কাছটো লগাইছিলো, তিনিটা মৰদক ভগৰাই দিলে। দিনৰ আন্দাজ দুইমান বজাৰ পৰা ৰাতি আন্দাজ দহমান বজালৈ ৰণ চলিল। কেহো বলে নুহি ক্ষীণ।"

"সেইটো কাছ তিনিটা মানুহে কেঁকো-জেঁকোকৈ ভাৰ কৰি আনিছিলো। এখন গাঁৱে খালে। বৰশী আৰু গুৰা আনিছনে নাই, এই বান্দৰ পোৱালিহঁত?"

সিহঁতে শেষৰ আষাৰ কথাও কাছ ধৰাৰ লগৰে কথা বুলি ভাবিছিল। অলপ পিছতে চমক খাই পেণ্টৰ জেপৰ পৰা দিয়াচলাই এটা উলিয়াই বেণুৱে বুঢ়াৰ হাতত দিলে।

বৰশী বন্ধা কামটো ৰচি বটাৰ সমানেই টান। কৌশলটো অৱশ্যে সহজ। গাঁঠিটো সাধাৰণ কিন্তু তাৰ পিছত বৰশীটো হাতেৰে ধৰি পাক দিওঁতে সাৱধান নহ'লে বৰশী আঙুলিত লাগি যাব পাৰে। বৰশী বান্ধি সীহৰ গুৰা বন্ধাৰ লগে লগে

বুঢ়াক সুধিলে চেনিয়ে, “ককা, আমাৰ লগত আজি ওলা তয়ো।”

“মই বৰশী এৰা আজি দুকুৰি বছৰ হ’ল—”

ককাৰ সুৰটো অলপ ঢিলা পাই দুয়োটাই চিঞৰি উঠিল, “নহয় ককা, তই মাথোন ওচৰত বহি থাকিবি, আমি তামোল ধপাত লগাই দি থাকিম। তই তাহানিৰ বৰশী বোৱা সাধু কৈ থাকিবি।”

“বৰশী বাওঁতে কথা পাতিলে মাছে খুঁটিবনে? সিহঁতে মানুহৰ মাত সহজে বুজিব পাৰে। চঁকে ।”

আচলতে ককাই বৰশী বাওঁতে মাছে খোটা মন্ত্ৰ জানে বুলি দুয়োৰে গভীৰ বিশ্বাস। তাৰ উপৰিও ককাই ৰচিডাল জাৰি দিলেও মাছে খোঁটে। ককাক লগত নিব পাৰিলে মন্ত্ৰৰ সহায়ত বহুতো শ’ল বগৰাব পাৰিব - এয়ে সিহঁতৰ ধাৰণা।

ককাই নীৰৱে বৰশী বন্ধা আৰু সীহ লগোৱা কাম শেষ কৰিলে। পুঙা দুটা বান্ধিবৰ সময়ত এবাৰ মাত্ৰ সুধিছিল, “ভোগ এহাত নে ডেৰহাত দিব লাগিব। কিমান দ পানীত বাবি ?”

বৰশীৰ পৰা পুঙাটো যিমান আঁতৰত বন্ধা যায়, সিমান তাৰ ভোগ। দ-পানীত ভোগ বেছি।

“তেনেহ’লে যাবি ককা ?”

মই বৰশী এৰা বহুত দিন হ'ল।

ককাৰ মাতটোত কৰুণ সুৰ এটা ধৰা পৰোঁ পৰোঁ। সিহঁতে ককাক এনে ৰূপত দেখা পোৱা নাই। সদায় পোন্দোৱা মুখৰ খিংখিঙীয়া মানুহটো, এই মুহূৰ্তত যেন অলপ বেলেগ। বেয়া কথা মতা নাই। সিহঁতক গালি পৰাও নাই। সিহঁতৰ ভয় লাগিল কথা সুধিবলৈ। কি জানি ককাই পূৰ্বৰ ৰূপত আকৌ দেখা দিয়ে। বেণুৱে ইতিমধ্যে চাহৰ পানী গৰম কৰিছিল। ককাই দেখুওৱা জোখমতে গুৰ-চাহপাত আদি দি চাহ তৈয়াৰ কৰি তিনিও খাবলৈ বহিল। “তহঁতে কি টোপ লৈছ? বৰল?” চাহ খাই খাই ককাই সুধিলে।

“কোকাটোপ অলপো ভাঙি ল'ম। বৰল এবাহ বেণুহঁতৰ গোহালিত আছে। তাকো ভাঙি নিম।”

“চাৰিটামান খলা ভাঙি ল'বি। অলপ দ ঠাইত। কোকাটোপবোৰ ভাঙি দিবি পানীৰ তলত। অলপ বোকাবোৰ ঘোদা কৰি দিলে ডাঙৰ ডাঙৰ মাগুৰ আহিব পাৰে।” চাহ এঢোক দুঢোক পি ককাই কৈ গ'ল।

“শ’ল একা?” দুয়োটাই একেলগে চিঞৰি উঠিল। “শ’ল ভেঁকুলী দি টোপাব পাৰিলে ভাল। সেই কাৰণেই দুটা বৰশী লাগে। কাৰৈ মাগুৰৰ কাৰণে এটা ফুল বৰশী, খলাত পাতি থব লাগে। শাল টোপাবৰ কাৰণে এটা টামচিং ।”

সিহঁতৰতো দুটা বৰশী নাই। মনটো অলপ সেমেকি উঠিল দুয়োৰে। যি নহ’ক, শ'ল একোটা পালেও। ককাই কিন্তু ইমান খোলা দিলেৰে কেতিয়াও কাৰো লগত কথা পতা নাই। দুয়োটাৰ বৰশীডোল দুডাল ককাই মন্ত্ৰেৰে জাৰি তিনিবাৰকৈ ফুঃ মাৰি দিলে। ককাক আকৌ এবাৰ অনুৰোধ কৰিলে।

বুঢ়া এইবাৰ প্ৰায় ভাগি পৰিল। মাতটো বৰ কোমল কৰি ক’লে, “সেই দিনাৰ পৰা মই বৰশী হাতত দিয়া নাই। তাহানি ডেকা কালত ময়ো এদিন এনেকৈ শ’ল টোপাবলৈ বুলি ওলাইছিলো। কোকাটোপ ভাঙিবলৈ পুৰণাবাৰী এখনলৈ গৈছিলো। তাৰ পিছৰ পৰা বৰশী চোৱা নাই।”

“কি হ’ল ককা? তাৰ পাছত কি হ’ল?” দুয়ো উদ্বেগ আৰু আগ্ৰহেৰে চিঞৰি উঠিল। ককাই কিন্তু চাই আছে বহু দূৰলৈ - ইকৰাৰ বেৰৰ জলঙা এটাইদি।

“তাত কি হ’ল ককা? তাত কি দেখিলি ?” বেণুৱে সেহাই সেহাই সুধিলে।

“তাত দেখিলো বহুতো ক’লা পৰুৱা। বৰমূৰীয়া টোকা পৰুৱা যে? সিহঁতে কিবা এটা বস্তু আৱৰি ধৰিছে। ওচৰ চাপি গ’লো। বোধহয় আগদিনা পুৱতি ৰাতি কোনোবাই ওচৰত পুতি থৈছিল। শিয়ালে বোধহয় উলিয়ালে। মই যোৱা কাৰণেই কিজানি শিয়াল পলাল। গাঁৱত কিন্তু দেখাদেখিকৈ কাৰো কেঁচুৱা

হোৱা নাছিল। কোনোবা পাষণ্ড, পাপীৰ কাম।”

ককাৰ কথাৰ সিহঁতে প্ৰথমে একো অৰ্থকে ধৰিব নোৱাৰিলে। তাৰ পিছত লাহে লাহে বুজিবলৈ আৰম্ভ কৰিলে। যেতিয়া বুজিলে - ডাঙৰ এজনে কিবা নক’বলগীয়া গোপন কথা এটা কৈ পেলাইছে, এনে এটা অস্বস্তিৰ ভাবেৰে সিহঁতৰ মন চট্‌ফটাবলৈ ধৰিলে।

“চকু দুটা ওলাই আছে, ঠৰঙা। মই বৰশী এৰিলো - দুদিনমানৰ পাছত গাঁৱো এৰিলো। তহঁত যা বোপাইহঁত, বেলি হ’ব।”

সিহঁতে যেন যাব পাৰিলেই ৰক্ষা পৰে। লৰালৰিকৈ দুয়ো গুচি গ’ল। বাটত কোকাটোপ ভঙাৰ কথা আছিল, কিন্তু কাৰো আগ্ৰহ নাই। বেণুহঁতৰ গোহালিত বৰল ভাঙোতে দুয়োটাৰে দুটা টেমুনা উঠিল। অৱশেষত দুয়ো কুকুৰ লৰেৰে যাত্ৰা আৰম্ভ কৰিলে। পুখুৰী যেতিয়া পাইগৈ, দেখে যে দুজন মানুহে বৰশী বাবই লাগিছে। ওচৰৰ গাঁও দুখনৰ চিনাকি মানুহ। সিহঁতক দেখি দুয়োজনেই গম্ভীৰ হৈ পৰিল। যদিও ৰাজহুৱা পুখুৰী আৰু পানীৰ তলৰ মাছ, তথাপি বৰশী বাওঁতাই নতুন আগন্তুকক প্ৰথমে প্ৰতিদ্বন্দ্বী হিচাপেই লয়। দুয়োজনেই চিনাকি মানুহ; তথাপি সিহঁতে মাতিব খোজা নাই।

অগত্যা সিহঁতৰ এটায়ে মাত লগালে, “কেনে, খাইছেনে ককাইদেউ ?”

দুয়ো গহীন হৈ মুখ দুখন সামান্য বিকৃত কৰি তুলিলে মাত্ৰ যেন সিহঁতৰ মাত শুনা মাত্ৰেই এই মাত্ৰ আহি খোঁট দিব খোজা শ’লমাছ দুটা ভিৰাই ধৰি লৰ মাৰিলে।

বেণুহঁতে নতুনকৈ একো নুসুধি এজনৰ খালৈটো চালে। খালৈৰ গিৰিহঁত গৰ্জি উঠিল। মাছ চালে কিজানি মুখ লাগে। কিন্তু সিহঁতৰ হাতত বৰল টোপ দেখি সুৰ নমাই সুধিলে, “বৰল আনিছ হ’বলা? তেনেহ’লে আশা আছে ?”

লগৰজনে এই চলতে গৰ্জি উঠিল, “বাৰে ঠাইৰ মানুহে বাৰে ধৰণৰ টোপ দি মাছবোৰ বলিয়া কৰিলে। আগৰ এই শিঙীপুখুৰীত কেঁচুটোপ দিয়েই মাগুৰ কাৰৈৰে খালৈ ভৰাইছিলো ।”

প্ৰথমজনে তেওঁৰ কথাত মৌখিক সমৰ্থন নিদি সিহঁতক দুটামান বৰল টোপ খুজিলে। ইহঁতেও আনন্দ মনেৰে বাৰটামান বৰল টোপ দিলে। সিহঁতৰ উদ্দেশ্য নতুনকৈ দুটামান খলাভঙাৰ। এইদৰে হাত কৰি নল'লে খলা ভাঙিবলৈ নিদিব, কাৰণ পানীত ঢৌ উঠিব! গতিকে লগৰজনকো নোখোজাকৈয়ে বাৰটামান বৰল টোপ দিলে। তেওঁলোকৰ হাতত কোকাটোপ আছিল। অলপ অলপ দুয়ো ল'লে। তাৰ পাছৰ পৰা কথা-বাৰ্তাৰ আঁহ-পাহ মুকলি হ'ল। ডিঙি চেপি কথা ক'বলৈ এৰি চাৰিও স্বাভাৱিকভাৱে কথা পাতিবলৈ ধৰিলে।

"আজি মাছ নাখাব হ'বলা। বৰকৈ কমাইছে ।" প্ৰথমজনে মাত লগালে। "তাতে বাৰটো হ'ল শনিবাৰ। শনিবাৰে শিঙীপুখুৰীত মাছে নোখোঁটে, দেখ দেখ কথা। আজি তাৰ প্ৰমাণ পাইছোঁ ।" দ্বিতীয়জনে ক'লে।

"তাতে চুকত ডাৱৰে দেখা দিছে। ডাৱৰৰ গোন্ধ পালেও মাছে নাখায়। আঁউসী পূৰ্ণিমাতো নাখায়। এদিন ভুলতে পূৰ্ণিমাত আহি দিনটো নষ্ট কৰিলো। দৰৱত দিবলৈ যদি চেঙেলি এটাও।"

প্ৰথমজনে বৰশীটো আন এটা খলাত পাতি পানীৰ পৰা বামলৈ উঠি আহিল। সৰু গাঁঠিত সাবটি অহা মস্ত চেলাপেতি জোক এটা থু দি এৰুৱাই পুখুৰীৰ মাজলৈ দলি মাৰি পঠিয়ালে। দলৰ ওপৰত 'জপ'কৈ শব্দ হ'ল। হাতটো ধুই বিড়ি এটা জ্বলালে, এটা লগৰটোকো দিলে। বেণু আৰু চেনিহঁতে তামোলৰ টোপোলা উলিয়ালে। সিহঁতে বিড়ি খাই থাকোতেই বেণু আৰু চেনিয়ে পুখুৰীলৈ নামি গৈ দুটা খলা ভাঙিলে। অৰ্থাৎ এক বৰ্গহাতমান ঠাইৰ দল আঁতৰাই হাতেৰে বোকা ঘোদালি দি, অলপ কোকাটোপ ভাঙি পানীৰ তলত আঙুলিৰে দুবাৰমান টোকৰ মাৰি দিলে। মাছ আহে এনে শব্দ শুনিলে। বৰশী দুটা পাতি, ভৰিৰ চেলাপেতি জোক এৰুৱাই দুয়ো আহি পাৰত বহিলহি। পাছফালে এজোপা আঁহত গছ। তাৰ ছাঁতে দুয়ো বহিল। ডাল এটা পুখুৰীৰ পানীৰ ওপৰলৈ আগবাঢ়ি আহিছে।

পুখুৰীৰ কোনোবা চুকত বেতনিৰ কাষত 'ঘপ' 'ঘপ' শব্দ উঠিছে। শ'ল

মাছ। দলত পৰা ফৰিং আদি ধৰি খাইছে। বেণুহঁতৰ বুকুৰ ভিতৰতহে যেন শ'ল মাছে মাৰি উঠিছে। দেহ ৰোমাঞ্চিত হৈ পৰিল। আহ, আহ, ঘপ কৰে টোপটো গিলি দে। হৰিবল ককাৰ মন্ত্ৰৰ দোহাই। ...ককাৰ মন্ত্ৰই গুণ নিদিবনে চাগৈ ?

লাহে লাহে আৰু তিনি চাৰিজন 'বৰশীৱালা' আহি পুখুৰীৰ আনটো মূৰত বৰশী পাতিছেহি। মাছে খোঁটাৰ আচল সময় আহি পৰিছে। কোনেও কাহ এটা মৰা নাই। বেণু আৰু চেনিৰ চকুকেইটা বৰশীৰ পুঙাত গোঁজ মাৰি থৈ দিছে। কপালত থোপা। সিৰকেইডাল উঠি পৰিছে। চকুত পচাৰ নাই।

অ'ত-ত'ত চিপ মৰাৰ শব্দ। দুই-এটা কাৱৈ মাছ উঠিছে। সিহঁতৰ বৰশীত কেতিয়াবা দুই এখোট পৰিলেও টোপটো ওলমি যায়। আচলতে টামচিং বৰশীত শ'ল টোপোৱাৰ বাহিৰে পুখুৰীত আন মাছ ধৰিব নোৱাৰি। বৰশীটো ডাঙৰ হোৱাত আন মাছে গিলিব নোৱাৰে। কিনাৰত টানি টানি শুং অকণ উলিয়াই টোপ এৰুৱাই লৈ লৰ মাৰে।

ওচৰৰ মানুহজনে চিপ মৰাৰ লগে লগে ডোলডাল শূন্যতে চাৰি পাকমান চক্ৰাকাৰে ঘূৰাই আনে। সেইটোকে বোলে 'কলচিপ'। মাছৰ কলত লাগি ধৰিব বোলে। যি চিপেই নহওক, সৰু-সুৰা মাছৰ কল ছিগি বহুত দূৰত পৰিবগৈ।

আনজন মানুহৰ চিপ মৰাৰ কায়দাই বেলেগ। কঁকালটো ভাঁজ কৰি এনেভাৱে চেল্‌চেলি খুৱাই চিপ মাৰিব, যেন ভয়ঙ্কৰ মাছ এটাহে উঠালে। হয়তো কাৱৈটিলা এটা, নাইবা শুদা বৰশীটো। চেনিৰ কিন্তু সম্পূৰ্ণ বেলেগ নিয়ম। তাৰ পুঙাটো তিনিবাৰমান লৰিলেই হ'ল। ডাঁৰিটো এনেভাৱে কিবা এটা পাকত লৰাই দিব, সিলসিলীয়া আগটো কেবাবাৰো জোঁকাৰ খাই উঠিব। লগে লগে পানীৰ তলৰ বৰশীটো এনেভাৱে লৰিবলৈ ধৰে যে মাছ সাৰি যাব নোৱাৰে। এবাৰ পেটেদি চিলাই মাছ এটা আনিছিল বুলি সি সদায় গৌৰৱ কৰে। সি চিপ মাৰিব নালাগে, বৰশীটো দাঙি আনিলেই হ'ল। ইয়াৰ ভিতৰতে দুটামান কাৱৈ মাছ সি ধৰিলেই। বেণু কিন্তু টিপ মাৰি মাৰি হায়ৰাণ হ'ল। পানীত নামিব লগা হোৱাত কেবাটাও জোকে তাক খালে। খং উঠি বৰশীত দুটামান বাঁহটোপ সী খলাত পাতি থৈ

পাৰলৈ আহি ঘাঁহৰ ওপৰত পেটপেলাই পৰি থাকিলহি। লগে লগে তামোলৰ টোপোলাটোও মেলি ল'লে। তামোলৰ লোভত এজন এজনকৈ চাৰিওজনেই চাপি আহিল। তামোল খোৱাৰ পিছত বাকী দুজনে বিড়ি জ্বলালে। সকলোৰে মুখত বিৰক্তি আৰু হতাশা। সোনকালেই যে যাব লাগিব তাৰ আলোচনা চলিল।

এনেতে বেণুৰ হঠাৎ চকুত পৰিল তাৰ ৰচিডাল যেন লৰিছে, পুঙাটো যেন নাই। কেউজনৰ চকু তালৈ গ'ল। 'মাৰ মাৰ, চিপ-মাৰ', তিনিও একেলগে চিঞৰি উঠিল।

বেণুৱে শোৱা ভাঁজেৰেই এছোৱা চুঁচৰি ঘৰামুটি খাই গৈ পোনেই চিপ মাৰি দিলে। ডাৰিৰ আগ ভিৰ খাই গ'ল, নতুন মুগা সূতাৰ ডোলে কন্‌কনাবলৈ ধৰিলে। পকাশ'ল এটাৰ ৰঙচুৱা পখৰা বুকুখন চাৎ কৰে সকলোৰে আগেদি পাৰ হৈ গ'ল। কিন্তু মাছ যে নামি নাহিল।

দহহতীয়া ডাঁৰিৰ আগৰ দহহতীয়া ডোল গৈ আঁহতৰ ডালত পাক খাই ধৰিলেগৈ। ডালত ওলমি ধৰফৰাই আছে শ'ল মাছটো।

এনে এটা দুৰ্যোগৰ কাৰণে আনকি শ'ল মাছটোও প্ৰস্তুত নাছিল। সকলোৱে ডাঙৰকৈ হাঁহিবলৈ ধৰিলে। এজন এজনকৈ প্ৰত্যেকেই চেষ্টা কৰিলে। 'গছত উঠি ডালৰ আগলৈ বগাবলৈ কাৰো সাধ্য নাই। গতিকে একমাত্ৰ উপায় হ'ল ৰচিডাল ছিঙি শুদা ডাঁৰিটো লৈ ঘৰলৈ যোৱা, মাছটোলৈ মনত পেলাই ভাত এসাঁজ খালেই হ'ল।' সিটো মূৰৰ পৰা এটাই ৰিঙিয়ালে। সময় বেছি নাই, সকলোৱে নিজ নিজ বৰশী লৈ গ'ল। বেণুৱে ফৰ্মুটি কেইডালমান যোগাৰ কৰি আনিলে। মাছটোলৈ লক্ষ্য কৰি ফৰ্মুটিয়াবলৈ ধৰিলে। এবাৰ ফৰ্মুটিৰ এটা পূৰ্ণহতীয়া কোবত মাছটো ডালটোত আওপাকে ঘূৰি গ'ল। তাৰ ফলত ডোলডাল এপাক মুকলি হ'ল। লগে লগে মাছটোৱেও ধৰ্‌ফৰাবলৈ এৰি দিলে। ডোলডাল ডালটোত এপাক লাগি থকাৰ কাৰণে মাছটোৰ ভৰত ৰচিডাল তললৈ নামি অহাৰ লক্ষণ দেখা গ'ল। এতিয়া ডাঁৰিডালৰ পৰা ডোলডাল এৰুৱাই দিব পাৰিলে, বা ছিঙি দিব পাৰিলে মাছটো নামি আহিব।

চেনিক মাতি আনি বুদ্ধিটো ব্যাখ্যা কৰিলে। চেনিয়ে নিজৰ ডাঁৰিটোৰ গুৰিডালেৰে বেণুৰ ডাঁৰিৰ ঠিক আগত ডোলডালত কোবাবলৈ ধৰিলে। ডোলে কন্‌কনাই উঠিল। এবাৰ কটং কৰে শব্দ কৰি ডোল ছিগি গ'ল। কোঁ কোঁ কৰে মাছ নামি আহি ধপ্ কৰে মাটিত পৰিলহি। মাছ মৰি আছে। ফৰ্মুটি মূৰত পৰিছিল। মুখ ফালি পেটৰ পৰা বৰশী এৰুৱাই আনিব লগা হ'ল। কিন্তু পকা শ'ল; খাবলৈ মাংস যেন লাগিব - সকলোৱে মন্তব্য কৰিলে। ইতিমধ্যে কেউজনে বৰশী সামৰি যাবলৈ সাজু হৈছিল।

হঠাৎ বেণুৰ সকলো উছাহ জয় পৰি গৈছে। ডোলডাল আকৌ বৰশীত লগাই হাত,ভৰি ধুই আহি যাবলৈ ধৰি কৈ উঠিল, "মাছটো লাগে যদি তয়ে ল চেনি, মোক নালাগে ।"

কি আচৰিত ? সকলোৱে তালৈ ঘূৰি চালে। "ধেৎ! বলিয়া হৈছ নেকি?"

"নিনিয় যদি, আন কাৰোবক দি দে।"

নিৰুপায় হৈ চেনিয়ে মাছটো লানি এডালত চিলাই ল'লে। গোটেই বাটছোৱা দুয়ো নিমাতে আগবাঢ়িল। ককাৰ পদূলিত সন্ধ্যা লাগিছে। ককা বাটতে ওলাই আছিল। মাছ দেখুৱাই গোটেই বৃত্তান্ত বৰ্ণনা কৰিলে চেনিয়ে। বেণু মাত্ৰ থিয় হৈ ৰ'ল। যেতিয়া চেনিক মাছটো দিছে বুলি ক'লে ককাই একেথৰে বেণুলৈ চাই ৰ'ল।

"এনেয়ে মোৰ ভাল লগা নাই।" ককাৰ চকুৰ ভাষাৰ উত্তৰ বেণুৱে মুখেৰে দিলে।

"হেৰ' কিয় ?" ককাই আৰু এখোজ ওচৰ চাপি বেণুৰ চকুত চকু ৰাখি সুধিলে। বেণুৱে চকু দুটা আঁতৰাই আনিলে। গাটো ভাঁজ এটা কৰি উত্তৰ দিলে - "মোৰ ভাল লগা নাই। চকু দুটা... কেনেকুৱা ঠৰঙা...।"

সন্ধিয়াৰ আন্ধাৰত ককা যেন মায়া হৈ গ'ল। মাত্ৰ চকু দুটা বৰালী মাছৰ দৰে বগা হৈ একেথৰে জিলিকি উঠিল। সেই চকুত দৃষ্টি নাই। বেণুৱে সেই চকুহাললৈ চাব নোৱাৰে।

দুয়ো ঘৰলৈ উভতিল। দুয়ো কথা পাতিব খোজে, কিন্তু কথাবিলাক বুকুৰ ওচৰত ঢপ্‌ঢপাই নাইকিয়া হৈ যায়। চেনিয়ে মাছটো লৈ বাঁহতললৈ দলি মাৰি দিলে।

দুয়োৰো সীমাবদ্ধ অভিজ্ঞতাৰ মাজত কেইবাটাও প্ৰশ্নই বৰলৰ দৰে বেঢ়ি বেঢ়ি বিন্ধিবলৈ ধৰিলে... “সেই চকু দুটা কাৰ? ককাৰ লগত তাৰ কি সম্পৰ্ক?”

*১৯৫৮*

# ফাদাৰ এণ্ড ছন এণ্ড কোম্পানী

কাগজখনৰ আখৰকিটাৰ কিনাৰে কিনাৰে ৰঙা চিয়াঁহীৰ বৰ্ডাৰ দি বেলৰ এঠা চাৰিওকাষে লগাই পিছব'ৰ্ড এখনত ভালকৈ এঠাই দিলে। মাজতে ফুটা এটা কৰি মোটা টোৱাইন সূতাৰে ঘৰটোৰ সমুখলৈ সকলোৰে চকুত পৰাকৈ ওলোমাই দিলে। ওচৰতে আন এখন পিছব'ৰ্ডত ছবি এটা ওলমি আছিল। চিয়াঁহীৰ ৰেখাৰে অঁকা এটা মানুহৰ ছবি, প্ৰকাণ্ড মূৰটোত এটা 'চাহাবী' টুপী, গাটোও সেই অনুপাতে, কিন্তু ভৰিহাল পঁয়া লগা। মানুহটোৱে এনে এটা পাকত মুখখন সম্পূৰ্ণ পিঠিফাল কৰি দোকানৰ ফালে হাতটো আগবঢ়াই দিছে যে, সঁচাসঁচি মানুহ এটাই সেইদৰে পাক দিবলৈ গ'লে তাৰ গোটেই গাটো কুঁহিয়াৰ চেপ খোৱাদি চেপ খাই যাব, ডিঙিটো মোহাৰি দিয়া পাৰৰ ডিঙি যেন হৈ পৰিব। সেই মানুহটোৱে হাত মেলি আচলতে বিড়ি এমুঠি খুজিছে (দোকানীক) কাৰণ জপাই থোৱা মুখখনৰ পৰা প্ৰথমে কেইটামান চিয়াঁহীৰ সৰু সৰু বিন্দু, তাৰ পিছত এইকেইটা কথা ওলাই আহিছে -

"বিড়ি এমুঠি দিয়কচোন।"

অলপ আঁতৰৰ পৰা, মাজ বাটত থিয় হৈ গোপালে তাৰ নিজৰ শিল্প-সৃষ্টি দুটা, ছাইনব'ৰ্ড আৰু মানুহৰ ছবিটো, নিৰীক্ষণ কৰিবলৈ ধৰিলে।

'এঃ এঃ এঃ।' কাৰ'বাৰ ক্ষোভ আৰু হতাশাজনক ভাৱবোধক অব্যয় শব্দকিটাৰ উচ্চাৰণ শুনি সি চঁক খাই উঠিল। পিতাকে তাৰ ওচৰতে থিয় হৈ ছবিখনলৈ চাই আছে। সিও সেইদৰেই চাই ৰ'ল বাপেকৰ মুখলৈ। সি জানে, বাপেকে নিজেই কৈ দিব। কিন্তু প্ৰশ্ন সুধিলে কাৰণ জনাত বহুত পলম হৈ পৰে।

-"ইয়াকে আজি তিনি বছৰে ইংৰাজী স্কুলত শিকিলি ? আমাৰ দিনত কিংছ প্ৰাইমাৰৰ এ-বি-চি-ডিখনহে পঢ়িছিলো। তাকো ঘৰতে।"

বাপেকে গোপালৰ যিকোনো দোষ আঙুলিয়াবলৈ যাওঁতে এইখিনি পাতনি দিয়েই। গতিকে আচল দোষটোৰ বিষয়ে জানিবলৈ আৱশ্যকীয় ধৈৰ্য ধৰাৰ অভ্যাস

গোপালৰ হৈ গৈছে।

-"ফাদাৰ এণ্ড ছন্স্ গেলামালৰ দোকান বুলি ক'ৰবাত ছাইন-ব'ৰ্ড থাকে নেকি ?"

"দোষটো তেন্তে ছাইন-ব'ৰ্ডত।"

-"কিয় আমাৰ ট্ৰেন্‌শ্লেশ্যনখনৰ বেটুপাততে আছে দেখোন 'ভট্টাচাৰ্য এণ্ড ছন্স্' বুলি। কিয় টাউনত সি বেচা নেদেখিলি ?"

"হাঃ। হেৰ, 'ছন্স' মানে দেখোন বহুত পুতেক বুজায়। 'ছান' মানেহে এটা।"

পুতেকৰ ফাইভত পঢ়া বিদ্যাক প্ৰাইমাৰীৰ ইংৰাজীয়ে যে এতিয়া বলে পাৰে, সেই আনন্দৰ পুলকত বাপেকৰ মাতটো পিছল আৰু ডাঙৰ হৈ পৰিছিল।

গোপালে ভুলটো বুজিলে। কিন্তু সিদিনা মাথোন 'গ্ৰামাৰ'ৰ নাম্বাৰৰ পাল গৈছে। ঘৰত আজিলৈকে চোলা সোলোকাব পৰা নাই। এনেস্থলত আজি নাম্বাৰ পাহৰিলে কেনেকৈ চলিব ? গতিকে ছন্স্ দিয়াৰ সুবিধাটো সি দেউতাকক ব্যাখ্যা কৰি দিলে।

—"শেহত 'ছি' এটা নিদিলে 'এণ্ড কোং' বুলি দিব লাগিব, নহ'লে খঁৰা খঁৰা লাগিল ।"

-"'ছি' থাকিলেই বা নাথাকিলেই, গোবৰৰ পাছত পিতলৰ বাও কেলৈ ? গেলামালৰ দোকানত ছন্স্ ফন্স্ লিখেনে কোনোবাই ?"

গাঁৱৰ নিমন্ত্ৰিত দুজন মানুহ সেইখিনি পোৱাত, তেওঁলোকক লৈ দেউতাক দোকানৰ ভিতৰলৈ সোমাই গ'ল।

গোপালৰ লগৰ দুটা স্কুলীয়া বন্ধুও আনফালৰ পৰা আহি পালে। সিহঁতলৈকে বাট চাই আছিল সি। আগদিনাই সিহঁতক দোকান মুকলি কৰা উপলক্ষে নিমন্ত্ৰণ দিছিল।

"আ—গোপাল, ছবিও আঁকি দিলি?" দুইটা হাত কঁকালত দি মূৰটো ইফালে সিফালে জোঁকাৰি তাৰিফ কৰিবলৈ ধৰিলে গোপালৰ বন্ধুৱে।

আনটো বন্ধু কিন্তু অলপ সন্দিগ্ধ হৈ পৰিছিল। কিন্তু... "থিং ইজ দিছ, মানুহটোৱে জানো তেনেকৈ হাত মেলিব পাৰিব ? চাচোন বাৰু তই নিজকে নিজে, ডিঙিটো মোচৰ খাই নেযাবনে ?"

সি ভাবুকৰ দৰে থুতৰিটো সোঁহাতৰ মুঠিৰ ওপৰত থৈ কথা-আষাৰ কৈছিল। মিটিং এখনত এজন মানুহে তেনেকৈ ভাবুক হৈ কথা কোৱা সি দেখিছিল।

প্ৰশংসাকাৰীটোৱে তাৰ বাহুত ধৰি জোঁকাৰি দিলে। গোপালৰ মন বেয়া লাগিলে আজি বুট-চেনি হেৰাবই, ভৱিষ্যতলৈও সুবিধা হেৰাব। গতিকে গোপালৰ সমৰ্থনত সি চিঞৰি ক'লে, - "একশবাৰ পাৰিব। ছবিতহে। ছবিত বহুত কথাই পাৰে। কিয় পঞ্জিকাত দেখা নাই?"

কথাষাৰৰ শেষত গোপালৰ মুখলৈ চালে। গোপালে এইবাৰ বিজ্ঞৰ দৰে মুখৰ ভিতৰতে হাঁহিলে। পঞ্জিকাত দেখা অদ্ভুত ছবি এখনলৈ তাৰ মনত পৰি গ'ল। তাৰ সমৰ্থক বন্ধুটোৰ সৈতে একলগে দেখিছিল। গোপালে সিহঁতকো দোকানৰ ভিতৰলৈ লৈ গ'ল। বহুৱাই লুজন দিলে আৰু সকলোকে চাহ কৰি দিলে। গাঁৱৰ মানুহ কিজন চাহ-ধপাত-বিড়ি খাই ঘৰা-ঘৰি গ'ল। বন্ধু দুজনে তাক ডাঙৰ কাগজ এখনত দোকানত পোৱা মালৰ তালিকা এখন লিখি দিবলৈ উপদেশ দি বিদায় ল'লে। এই দৰেই গাঁৱৰ এমূৰত 'ফাদাৰ এণ্ড ছন্স্' গেলামালৰ দোকানৰ উদ্বোধন হ'ল। স্কুলৰ সময়খিনিৰ বাহিৰে দোকানখনেই গোপালৰ একমাত্ৰ চিন্তা।

এমাইলৰ ভিতৰতে বলভদ্ৰ গোসাঁইৰ ডাঙৰ দোকান। গোপালহঁতৰ দোকানৰো মহাজন। এবস্তা নিমখ, এমোন চেনি, এটিন কেৰাচিন, এটিন মিঠাতেল, লালি, গুৰ, মচলা, লজেন্স, বিড়ি, দিয়াচলাই, ইটো-সিটো বস্তুৰে গৰু-গাড়ীত সেইদিনা এগাড়ী মাল ভৰাই ল'লে। বলভদ্ৰ মহাজনে গাদীত গাৰু পাৰি বহি ধনৰ হিচাপ কৰিছে, গোপালৰ দেউতাকে ওচৰত বহি লৈছে, গোপালে গোমস্তাৰ ওচৰে ওচৰে ঘূৰি কি কি বস্তু লাগে কৈ ফুৰিছে।

মহাজনে এবাৰ মাতিলে - "কি ঐ গোপাল, তই দোকান পাতিলি?"

মহাজনলৈ তাৰ ভয় লাগে। সেই অঞ্চলত মহাজনলৈ ভয় নকৰে কোনে ? কিমান যে তেওঁৰ দোকানত ধৰুৱা। সি আহি সেমেনা-সেমেনিকৈ ওচৰত থিয় দিলে।

—"কেতিয়াও ধাৰলৈ নিদিবি বুজিছ? তই মাজে মাজে ইয়ালৈ আহিবি, দোকানৰ বহুত কথা শিকাই দিম, বুজিলি?"

মহাজনে পাইকাৰী দোকানীবোৰক ব্যৱহাৰ কৌশল শিকাই দিবলৈ সদায় আগবাঢ়ি থাকে। কাৰণ অলপ দূৰত মাৰোৱাৰীৰ বৰগোলা। গতিকেই পাইকাৰবোৰক হাতত ৰাখিবলৈ বেছি যত্নপৰ। পাইকাৰসকলে বহুমূলীয়া উপদেশ পায়, কিন্তু তেওঁৰ সমদৃষ্টিত পাইকাৰী আৰু খুচুৰাৰ পাৰ্থক্য বেছি নাথাকে। সেইটোৱেই তেওঁলোকৰ প্ৰধান অসুবিধা। যি কি নহঁক, গোপালৰ বুকু আজি ওফন্দি উঠিছে। ইমান দিনে সি সাধাৰণ গ্ৰাহক আছিল, এপোৱা মিঠা তেল, আধাসেৰ নিমখ এই দোকানৰ পৰাই নিছিল, এতিয়া কিন্তু সিহঁতো এঘৰ দোকানী। সিহঁতৰ ঘৰত চালপীৰা এখন আছিল। তাকে দোকানত হেঁচিঠেলি সুমুৱাই গাদী কৰি ল'লে - গোপালৰ আগ্ৰহতে অৱশ্যে। তাহানি 'মেলা'ত কিনা পেটুৱা গণেশৰ পুতলা এটা আছিল। কাঠৰ বাকচ এটা বেৰত ওলোমাই তাতে মূৰ্তিটো পাতি ল'লে। এটা ডাঙৰ গাৰু লাগে, আৰু লাগে মহাজনৰ দোকানৰ গাদীত থকাৰ দৰে চন্দুক এটা - "বুজিছ, পিতাই, আমাৰো তেনেকুৱা চন্দুক এটা আনিব লাগিব।"

-"হাঃ"

—"কিয়?"

—"এই মহাজনটোৰ এতিয়াই পইচা থ'বলৈ চন্দুক লগা হ'ল। হেৰ', হাতীৰ গোবৰ দেখি শহা মৰিবলৈ যাব কিয় ?"

এনেতে এহাতে চাউলৰ টোপোলা আৰু আনহাতে বটল দুটা জোঁকাৰি জোঁকাৰি গাঁৱৰে বুঢ়া এজন দোকানলৈ সোমাই আহিল। বটলৰ ঠেকা-ঠেকি শব্দ আঁতৰৰ পৰাই শুনা গৈছিল। কিন্তু মানুহবিলাক সিহঁতৰ দোকানৰ আগে দিয়েই মহাজনৰ দোকানলৈহে যায়। বুঢ়া সোমাই অহাত গোপালৰ মনটো টিপচি চৰাইৰ

দৰে নাচিবলৈ ধৰিলে। আজি সি নিজে মাল জুখি দিব। আগেয়ে পুৰা ভাগত গ্ৰাহক নাহে, পিছৰ সময়খিনিত সি ঘৰত নাথাকেই।

- "আহ আহ ককাই।"

- "আহক আহক বুঢ়া-দেউতা।"

বাপেক-পুতেক দুয়ো বেলেগ সম্বোধনেৰে চিঞৰি উঠিল, কাৰণ বুঢ়া আগেয়ে সিহঁতৰ দোকানলৈ অহা নাছিল।

"খাই তেল কেনেকৈ দিছা?" দুৱাৰমুখৰ পৰাই বুঢ়াই সুধিলে।

—"আঠ অনা পোৱা...।" বাপেকে উত্তৰ দিলে।

—"চাৰে সাত অনা পোৱা...।" প্ৰায় একেলগে উত্তৰ দিলে পুতেকেও।

বাপেক-পুতেক দুয়ো দুয়োৰে চকুলৈ চালে।

বুঢ়া গম্ভীৰ হ'ল। —"চাউল কেনেকৈ লৈছা ?"

—"আঠ অনা সেৰ।" বাপেকে উত্তৰ দিলে।

—"চাৰে সাত অনা সেৰ।।" গোপালে মিঠা তেলত হোৱা লোকচানটো পূৰাই ক'লে।

—"হাঃ" - বাপেকে পুতেকৰ চকুলৈ চালে।

—"একেইহে হ'ল কথাটো।" পুতেকে টপৰাই উত্তৰ দিলে। বুঢ়া কিন্তু যাবলৈ ওলাল। লোৱাটো কম, দিয়াতো বেছি।

—"কিয়, তাতনো কেনেকৈ?" বাপেকে সুধিলে।

—"খাই তেল সাত অনা, চাউল চাৰে আঠ অনা।"

—"ক'তা আমাৰ পৰা পাইকাৰীহে তেনেকৈ লৈছে। বেচাত এই দামতে বেচিছে বুলি কৈছে।" গোপালৰ দেউতাকে উত্তৰ দিলে।

গোপালে মধ্যম পন্থা এটা দি ক'লে — "বাৰু ৰাতিপুৱাৰ গ্ৰাহক, দুটা দুটা পইচা দুই পিনে এৰাএৰি হওক।" পিতাকৰ কপালত থোপা হৈ পৰা গাঁঠিটোলৈ সি নাচালে। "এৰা, আজি গৰু পাল-ও। সোনকালে গৰু লৈ যাব লাগিব। দে আৰু আজিলৈ মূল হানি কৰিয়েই নিওঁ।" বুঢ়াই গাদীত বহি চাউলৰ

টোপোলাটো আগবঢ়াই দিলে। গোপালে লৰালৰিকৈ বিড়ি এটা উলিয়াই দিলে। গ্ৰাহকক দিব লাগে।

—"ধপাতকে খোৱা।" দেউতাকে চিলিমটো লৈ লগাবলৈ গ'ল। দোকানৰ পাছফালেই ঘৰ।

-"এৰা, ধপাতকে আনা, এইডাল হুঁপিবলৈ বৰ টান পাওঁ।" বাপেক নথকাৰ সুযোগতে বিড়িটো আকৌ বুঢ়াক দি দিলে গোপালে।

—"থৈ দিয়ক, গৰু ৰাখোঁতে খাব।" বুঢ়াই কাণত গুজি থ'লে।

মিঠা তেলৰ বটলটো চাই বুঢ়াই ক'লে, "ক'তা দেখোন বটলৰ ডিঙিৰ চিনটোলৈ দু আঙুল থাকিল। তাৰপৰা সদায় সিমানখিনি আনি আছোঁ। দে হেৰ' দে, সেইখিনি লগাই দে, ইমান অইনাই কৰিব নেপায় নহয়।"

বাপেক অহাৰ আগে আগে ভালেখিনি তেল 'লগাই' দিলে। খৰপচকৈ লোণ আধাসেৰ জুখিলে, চেনি এপোৱা জুখিলে, পাল্লাখনৰ ৰচিডাল অলপ সময় দাঙি ধৰি খপ কৰে ডাণ্ডিডালত ধৰি চেনিখিনি কাগজ এখনত বাকি দিলে। অলপ লোণ মাটিত পৰি থাকিল। আকৌ নতুনকৈ বস্তাৰ পৰা লোণ দি পূৰাই দিলে।

বাপেকে চিলিমটো লৈ সোমাই আহিল।

"এজন গ্ৰাহকক মাল দিওঁতেই ইমানখিনি খট্‌লং মট্‌লং কিহৰ? নিমখখিনি পেলালি কেনেকৈ ?"

চিলিমটো বুঢ়ালৈ আগবঢ়াই দিলে।

বুঢ়াই চিলিমটো লৈ সোলা মুখত এমুখকৈ হাঁহিলে।

—"এৰাহে, ময়ো তাকে চাইছো। ওহোঁ, ল'ৰাৰ হাত পকা নাই।"

ডাঙৰ দোকানৰ গোমস্তাৰ দৰে খৰপচ কৰিবলৈ গৈ এয়াহে চাৰ্টিফিকেট পালে। বৰ লাজ লাগিল তাৰ। নাকৰ আগটো লাজে সুৰসুৰাই দিলে।

যাবৰ সময়ত বুঢ়াৰ চকুত পৰিল গণেশৰ মূৰ্তিটো—"হেৰা, এইটো কিন্তু নকৰিবাহে। অইনাই আৰু অধৰম, এই দুটাই কলিৰ পাপ। মাল কমাই দিয়াতো অইনাই, গণেশ পূজা কৰাটো অধৰম।"

—"ই! তাত যে আছে, আনত আছে।" গোপালে টপৰাই উত্তৰ দিলে।

বুঢ়াৰ খং উঠি গ'ল। "হেৰ' তোক জানো কৈছো ? ইংৰাজী শিকিয়ে দেশখন নষ্ট পালে। একাদশত এনেয়ে লিখিছে নে, ঘৰে ঘৰে দোকান হ'ব। আগত সৌ বৰগোলাখনহে আছিল। এতিয়া ঘৰে ঘৰে হ'ল। দোকানে দোকানে গণেশ, ধৰ্ম্ম বেভিচাৰ, ঠগ আৰু কত কি ?"

বুঢ়াই বকি বকি বস্তু কিপদ লৈ ওলাই গ'ল।

এতিয়া বাপেক-পুতেকৰ হিচাপ-নিকাচৰ পাল। তেল এপোৱা বটলৰ ডিঙিলৈকে ভৰালে লোকচান, নিমখৰ দাণ্ডিডাল ইমান দোঁ খাই আছিল যে অন্ততঃ এছটাক বেছি গ'ল। এনেকৈ হ'লে "লালবাতি" জলিব দোকানত।

—"হ'ক দে তেহে গ্ৰাহক আহিব। নতুন দোকানত প্ৰথমে 'লচ' পৰক, ক্ষতি নাই।"

—"লচ দি দি টানোতে টানোতে এদিন গ্ৰাহকে আহি ৰঙা চাকি এটাহে দেখা পাব।"

কিন্তু গ্ৰাহক নাহে। মহাজনৰ দোকানত বছৰেকীয়া বন্দবস্তত সৰহ মানুহেই মাল খায়। বছৰেকৰ মূৰত মৰাপাট, সৰিয়হ, ধান দিয়ে। নগদ খোৱাবিলাকে বহুত কেৰ্‌জেৰ্‌ কৰে। কেতিয়াবা ঘৰৰপৰা নিমখ আধাসেৰ ওভোতাই লৈ আহে - তুলাচনীৰ জোখত এছটাক কম ওলাইছে। এনেকৈ কমাই দিলে কোনে মাল খাব? মানুহবোৰৰ অস্বস্তি, অসন্তোষ সিহঁতৰ দোকান পালেই বেছি হয়। মচুৰ দালি নিসিজে, চেনি লেতেৰা, মিঠাতেল গোন্ধায়। দুঅনাৰ মাল নিবলৈ আহিলেও বিড়ি এটা খাবলৈ লাগে। গোপালেও বাপেক নাথাকিলে যিমান পাৰে গ্ৰাহকক মন যোগায়। কিন্তু এই গ্ৰাহকেই যেতিয়া মহাজনৰ দোকানলৈ যায়, জোখৰ হেৰফেৰ বা কম-বেছি লৈ মাত এষাৰকে নিদিয়ে। একে দালি, চেনি, তেল, মহাজনৰ দোকানৰ পৰাই অনা, কিন্তু তাত সকলো ভাল, ইয়াত সকলো বেয়া হৈ পৰে।

তিনিমাহ মানৰ পিছত বাপেক-পুতেক দুয়ো হিচাপত বহিল। একুৰি

ধাৰত সোমাই গ'ল। মহাজনৰ দোকানত একুৰি ধাৰ। দোকানত মাল নায়েই। হাতত থকা নগদ টকাৰে হিচাপ কৰিলে মূলৰ একুৰিমান ঘাটি।

—"এইখন বৰ মূল-নাঠী কাৰবাৰ হ'ল"—বিৰক্তিত বাপেকৰ কপালৰ গাঁঠি থোপা খালে। মাল কমাই কমাই আনিব লগা হ'ল। নিমখ এবস্তাৰ ঠাইত এমোন, মিঠাতেল এটিঙৰ ঠাইত দহ সেৰ, চেনি দহ সেৰৰ ঠাইত পাঁচ সেৰ।

তাৰ পিছত নিমখ আধামোন, মিঠাতেল আঢ়ৈ সেৰ, চেনি আঢ়ৈ সেৰ, কিন্তু কেৰাচিন এটিং আনিবই লাগিব। পইচাই নোজোৰে যে। মহাজনে বাকী নিদিয়ে, আগতে কৈ থৈছে। আগৰ একুৰি বাকীৰ কাৰণেই আনকি গোপালৰো মহাজনৰ তালৈ যাবলৈ লাজ লগা হ'ল। কিন্তু সিহঁতৰ দোকানত যিবিলাক মানুহৰ বাকী আছে, বটল নচুৱাই নচুৱাই, দোকানৰ আগে দিয়ে আন দোকানলৈ যায়। ধাৰ নামাৰেই, মালো নাখায়। কিবা ক'লেই মুখতে ধৰে, "কেইশ টকাৰ ধৰুৱাহে ? নিদিওঁ, যোৱা কেছ কৰাগৈ।" দুই-এটাৰ লগত দেউতাকৰ কাজিয়াই হ'ল। গোপালে উপায় নেপাই তহবিলৰ পৰাই পইচা চুৰ কৰি আকৌ তহবিলত সিহঁতৰ নামে জমা দেখুৱাই থৈ দিয়ে। দোকান এৰি দিলেও ধাৰ নুঠিব, মাল আনিবলৈও ধনে নাটে। পাঁচ সেৰ, আঢ়ৈ সেৰ মাল পাইকাৰীকৈ আনিবলৈ যাবলৈ তাৰ লাজ লাগে। দেউতাকে পঠিয়াই দিয়ে। এদিন আঢ়ৈ সেৰ চেনি আনিবলৈ গৈয়ে সি যি বিপদত পৰিছিল।

মহাজনৰ গাদীত সেইদিনা কেবাজনো মানুহ। দুজনমান হালধীয়া পাগুৰি মৰা মাৰোৱাৰী, চাৰি-পাঁচজন মান ভদ্ৰলোক, লগতে তাৰ শিক্ষক এজনো আছিল।

গোমোস্তাৰ পৰা মাল লৈ কোনোমতে পলাব পাৰিলেই ৰক্ষা! কিন্তু শনাহী মহাজনৰ চকু পৰিল। —"চাওঁ, চাওঁ, সেইটো ছন্স এণ্ড কোম্পানী নে?" নতুন ধৰণৰ শব্দ এটা শুনি, তাৰ উপৰি মহাজনে আগ্ৰহ দেখুৱাৰ কাৰণেও, সকলোৰে চকু তাৰ ওপৰত পৰিল। ভৰিৰ পৰা মূৰলৈ তাৰ গোটেই গাটো কোঁচ খাই 'ভগ্নাংশৰ চাৰি ভাগৰ এক'টোৰ দৰে থিয় হৈ ৰ'ল।

—"বেব্‌চা কেনে চলিছে ঐ ?"

এদিন সি বেব্‌চা বুলি কৈছিল।

—“যথেষ্ট ভাল বুলিয়েই ক’ব লাগিব”—ভদ্রলোকে কোৱাৰ দৰে যিমান পাৰে গহীন হৈ কথাষাৰ সি ক’লে। তাৰ বয়সৰ ল’ৰা এটাৰ মুখত ইমান গহীন কথা এষাৰ শুনি সকলোৰে আগ্ৰহ দুগুণ হৈ পৰিল।

—“যথেষ্ট ভালনে ? বিক্ৰী বাট্টা কেনেকুৱা ?”

—“হাটবাৰে ছয় সাত টকালৈকে হয়।”

এইবাৰ আৰু কোনেও গাম্ভীৰ্য ৰাখিব নোৱাৰিলে। সশব্দে হাঁহি উঠিল। হাঁহিৰ মাজতে মহাজনে সুধিলে, “এতিয়া কি ললি ?”

—“চেনি।”

—“কিমান?”

এইবাৰ উত্তৰ দিবলৈ সি যথেষ্ট লাজ পালে। সৰহ বুলি ক’লে পইছা বেছিকৈ ল’ব। ফাঁকিটোও ধৰা পৰিব।

-“আঢ়ৈ সেৰ।”

আকৌ হাঁহিৰ ৰগৰ। বলভদ্ৰ মহাজনে পেটত গাৰুটো লৈ হাঁহি হাঁহি ক’লে — “হেৰৌ ভনীটিয়েৰহঁতৰে সৈতে বহি লৈ খাই পেলাবিগৈ বুজিছ? আজিকালি দেখোন তই নহা হলি ? মাল ক’ৰ পৰা নিয়?”

এই বাকীৰ কথা ওলাব এতিয়া। মাল নিবলৈ পইচাই নাই, ক’ৰ পৰা নিব ? কিন্তু মহাজনৰ বজ্ৰ-বাক্য ওলাই আহিল।

—“বাকী হ’ল যেতিয়া বাটেই এৰিলি নহয়? বাকীখিনি দি দিবলৈ কবি বুজিছ?”

ভগৱান! কিন্তু সৌৱা দোকানত মাল লৈছে তাহাঁতৰ দোকানত বাকী থকা গ্ৰাহকে। ক’তা, সিহঁতৰতো তাৰ দৰে লাজ লগা নাই। ভৰিৰ সকলোবিলাক তেজ গৈ যেন তাৰ মূৰত খুন্দা মাৰিলেগৈ।

কোনোমতে দোকানৰ পৰা সি বাহিৰ ওলাল। পাছফালৰ পৰা যেন তাক সকলোৱে লক্ষ্য কৰিছে, হাঁহিছে। লাজ-অপমান সকলোবিলাক গাত বগাই ফুৰিছে,

গাত পৰুৱা এটা বগাই ফুৰাৰ দৰে, বিশেষকৈ তাৰ পিঠিৰ ফালে।

তাৰ পিছত আৰু যোৱা নাই। গ্ৰাহক নহা দোকানৰ গাদীত বহি বহি দোকানৰ ভৱিষ্যৎ কল্পনা কৰাত লাগি গ'ল। খেৰৰ চালিখন হঠাৎ বাঢ়ি গৈ পকীঘৰ এটা হৈ পৰিল।

অহা আহিছে, যোৱা গৈছে, গ্ৰাহক আৰু পাইকাৰী দোকানীৰ লেখ নাই। সি যিমান পাৰে গহীন হৈ গাদীত বহি গাৰুটো কোলাত লৈ ধন লৈছে। কোনোবাই দু-আষাৰ কথা সুধিলেহে সি এষাৰ উত্তৰ দিয়ে। (কথা সুধিবলৈ বা সাহ কৰে কেইটাই?)

বাহিৰত থকা প্ৰকাণ্ড পালাত গোমস্তাই মৰাপাট, সৰিয়হ জুখি চিঞৰি চিঞৰি জোখটো জনাই আছে। 'এক মোন সাত সেৰ'—'এক মোন পোন্ধৰ সেৰ'। সি ওচৰতে মহৰীটোক বহুৱাই লৈ কাগজত লিখাই গৈছে। আঁতৰৰ পৰা জিলিকি আছে প্ৰকাণ্ড টিঙৰ ৰংবেৰঙৰ ছাইন-ব'ৰ্ডখন—"ফাদাৰ এণ্ড ছন্স জেনেৰেল মাৰ্চেণ্ট।" সিহঁত তেতিয়া সদাগৰেই। মহাজনৰ দোকান সৰু হৈ চালি এখনত পৰিণত হ'ল। মহাজনে নিজে আহি পাইকাৰী মাল নিয়ে, পাঁচ সেৰ চেনি, দহ সেৰ নিমখ।

—"দুই পইচাৰ লুজেন দিয়া। কেইটা দিবা? পাঁচটা দিব লাগিব।"

'ক' মানত পঢ়া সৰু সৰু এজাক ল'ৰা-ছোৱালী। স্কুল ছুটী হ'ল। প্ৰত্যেককে একোটাকৈ লুজন বিলাই দিলে। "দে চোন, তহঁতেই আশীৰ্বাদ কৰ।"

কিন্তু এইবাৰ কেৰাচিনৰ টিন নাহে। চেনি আঢ়ৈ সেৰ আহিলেও, মিঠাতেল নাহে। বাপেকে ক'ৰবাত বাকী তুলিব পাৰে নে, বা ধাৰে বস্তু পাইনে, বিচাৰি ফুৰিবলৈ ধৰিলে। স্কুল বন্ধ, গোপালে দোকানৰ গাদীত বহি আকাশ-পাতাল দেখিছে। খেৰৰ চালিয়েদি আকাশেও ভূমুকি মাৰিব পৰা হ'ল।

হঠাৎ তাৰ বন্ধু দুটা ওলালহি।

—"কিঔ গোপাল, ফাদাৰ এণ্ড ছন্স এণ্ড কোম্পানী দেখোন দেউলীয়া মাৰ্কা হৈ গ'ল। কাঠ-পেন্সিল আছেনে নাই?"

—“নাই অ', বেব্‌চা মন্দা।”

সিহঁতক বহিবলৈ দি বিড়ি দুটা আগবঢ়াই দিলে। সিহঁতে নতুনকৈ বিড়িত ধৰিছে। গোপালে নিজে খোৱা নাই, কিন্তু সিহঁতক ধাৰে যোগান ধৰে। —“দেউতাৰ যদি আহি যায়?” বিড়ি হাতত লৈ ফুচ্‌ফুচাই সুধিলে।

—“নাই, বোপাইৰ মূৰত কেৰাচিন আৰু মিঠাতেল একেলগে জ্বলিছে। টকা শ্ব'ৰ্ট। চৰেই টকা বাকী খালে।”—দিয়াচলাই কাঠি এটা জ্বলাই সিহঁতৰ মুখৰ বিড়িকিটাত লগাই দিলে গোপালে।

গাঁৱৰ সেই বুঢ়াটো মহাজনৰ দোকানৰ পৰা মাল লৈ আহিছে। হাতত কেৰাচিন আৰু মিঠাতেলৰ বটল। বিড়ি লৰালৰিকৈ নুমুৱালে।

-“হেৰ দিয়াচলাই এটা দেচোন। আনিবলৈ পাহৰি আহিলো।”

—“নগদ নে বাকী?”

—“কাইলৈ দিম।”

—“আগৰো বাকী আছে, মালো নাখায়।”

—“কেইশ টকাৰ ধৰুৱা অ' তাকে যে সণ্ঢালনি কৰি ফুৰিছ?”

—“এটকাই হওক বা এপইচাই হওক, বেব্‌চা ইজ বেব্‌চা, কি কৰ ভোগ?” সমৰ্থনত বন্ধুৰ মুখলৈ চালে।

—“কালিলৈ চাউল দি দিম, দে।”

দিয়াচলাইটো দিবলৈ গৈ সি অবাক হৈ ৰৈ গ'ল। মিঠাতেলৰ বটলত চকু পৰিল।

—“ক'তা, দেখোন, বটলৰ খাঁজলৈ দু আঙুল থাকিল?” বুঢ়াৰ মাত থৰক-বৰক হৈ গ'ল।-“এদিন কমাই দিছে, আন এদিন কোনোবা পোনে বঢ়াই দিব। চাওঁ বিড়ি এটা দে।”

নিৰ্লজ্জভাৱে বিড়ি এটা জ্বলাই বুঢ়া আঁতৰিল।—“বুজিছ ভোগ, যদু”—এইবাৰ সিও বিড়ি এটা জ্বলাই সিহঁতৰ মাজতে বহিল। “দেশখনত বহুত ‘ছিন’ আৰু ‘ক্ৰাইম’ হ'ল অ' । বুঢ়া মানুহেও ফাঁকি দিয়া হ'ল যেতিয়া সঁচাকৈয়ে

কলিকাল।”

যদুৱে আঙঠিৰ দৰে পাক খুৱাই খুৱাই ধোঁৱাবোৰ কায়দা কৰি এৰি দিয়ে।

—“ময়ো তোক দুটামান টকা দিব লাগিব নহয়? বিড়িৰ দাম, ৰবৰ এডাল, কাঠপেন্সিল এডালৰো দাম আছে নহয়? এই মাহৰ ফিজৰ পৰাই দিব লাগিব।” ভোগই বিড়িটো দাঁতেৰে কামুৰি ধৰি কৈ গ’ল।

—“তেনেহ’লে অহা সপ্তাহতে দিবি। দীপাৱলীৰ দিনা লাগিব।”

—“দীপান্বিতা কৰিবি নেকি?” দুইটাই চিঞৰি উঠিল।

—“ওঁ, কল-পুলি পুতিম। দোকানৰ বুট-চেনি সকলো বিলাই দিম। গেটৰ মুখত দুটা পিছব’ৰ্ডৰ বাকচৰ ভিতৰত দুটা ডাঙৰ মিঠাতেলৰ চাকি জ্বলাম। বাকচৰ চাৰিওফালে ৰঙা কাগজ মৰা থাকিব।”

সিহঁত হাঁহিবলৈ গৈ ৰৈ গ’ল। বেৰৰ ভিতৰত ফাদাৰ এণ্ড ছন্স কোম্পানীৰ ছাইনব’ৰ্ডখন আৰু তাৰ ওচৰতে সেই বিখ্যাত মানুহটোৰ ছবিখন। চিয়াঁহী আৰু ৰংবিলাক এৰাই গৈছে, কাগজখন অ’ত-ত’ত ফাটিছে, তথাপি প্ৰকাণ্ড টুপীটোৰে মূৰটো আৰু চিয়াঁ মৰা ভৰি হাল ধৰিব পাৰি। পিঠিফালে সম্পূৰ্ণ মুখখন ঘূৰাই সোঁহাতখন মেলি আছে।

“বিড়ি এমুঠি দিয়কচোন।”

১৯৫৬

# এচেৰেঙা স্মৃতিৰ জোনাক

“তেনেহ’লে দেওবাৰলৈ— । চাব আকৌ পাহৰি নাযাব।”

“নিশ্চয় নাপাহৰোঁ। তিনি মাইল দূৰ বুলিলে? জোনাক ৰাতি, দেৰিকৈও উভতিব পাৰিম।”

মোৰ আশ্বাসত মানুহজন সন্তুষ্ট হৈছে। গোটেই মুখখনত সন্তুষ্টিৰ হাঁহি এটা ওফন্দি উঠিল। মই বান্ধি দিয়া শাক-পাচলিৰ গুটিখিনি টোপোলা কৰি লৈ চাইকেলত উঠিল।

মই দুৱাৰমুখত ৰৈ চাই থাকিলো। ডেকা মানুহজনৰ ফুটষ্টেপত ভৰি দি দুপিয়াই দুপিয়াই উঠাৰ ধৰণটো, গাৰ ক’লা ৰঙৰ সস্তীয়া কোটটো আৰু আটিল পেশীবহুল দেহৰ গঠনটো।

এইজনেই লিলিৰ গিৰিয়েক। মেট্ৰিক পাছ কৰি এগ্ৰিকালচাৰেল ডেমনষ্ট্ৰেটৰৰ কাম এটা পাই গ’লো। গাঁৱৰ মাজত গুটি মহৰী বুলিয়ে জনাজাত। আলু, মাহ, বৰোধান, কুঁহিয়াৰ, তিল, কবি আদিৰ কঠিয়াৰ কাৰণে বতৰত দুই এজন খেতিয়ক আহে। অনা-খেতিয়কৰ সংখ্যাই বেছি। কঠিয়ালৈ বুলি নিলে বজাৰতকৈ সস্তাত পায়, সেইখিনিয়ে লাভ। মোৰ এই ঠাইখনলৈ অহা বেছি দিন হোৱা নাই। আজি হঠাৎ এই ডেকাজন—হলধৰ বৰা বুলি ক’লে নামটো—তিনি মাইল দূৰৰ ঘোকোট গাঁও এখনৰ পৰা আত্মীয়তাৰ পৰিচয় লৈ হাজিৰ। “খেতিয়ক মানুহ যদিও কঠিয়া নিবলৈ হ’লে অহা নাই দেই, চিনাকি হ’বলৈহে আহিছোঁ। আমাৰ তেওঁ সিদিনা ভতিজা ল’ৰাটোৰ মুখেদি আপোনাৰ নামটো শুনি তেওঁলোকৰ মোমায়েক হয় বুলি কৈ মোক পঠিয়াইছে।”

দুদিনমান স্কুলীয়া ল’ৰাৰ লগত ভলী খেলিছিলো; সেই ল’ৰাজনৰ লগত (ভতিজাক) অৱশ্যে চিনাকি হৈছিল।

“লিলি ? অ’ আপুনিয়ে ?”

লিলিৰ স্বামীজনে বৰকৈ হাঁহি মূৰটো দুপিয়ালে। অৱশ্যে নিমাত হাঁহি।

“কিয়, লিলিক কেলৈ চিনি নাপাম ? মোমায়েকেই হওঁ, অৱশ্যে গাঁও সম্পৰ্কত..।”

পিছৰ আষাৰ কথা মুখৰ ভিতৰতে ক’লো। তেওঁ ইতিমধ্যে ঢেক্-ঢেকাই হাঁহি সমৰ্থন জনাইছিল। গতিকে পিছৰ আষাৰ কথা আপোনা-আপুনি তল পৰি গ’ল।

মানুহজনেও হাইস্কুলৰ কেই শ্ৰেণীমান পঢ়িছিল। তাৰ পিছত যুদ্ধত যোগ দিলে, যুদ্ধ ভগাত খেতিত লাগিছে, বিয়া-বাৰু কৰাই লৈ ।

লিলি ! গাঁৱলীয়া ছোৱালীৰ এইটোতকৈ আৰু কি ধুনীয়া নাম হ’ব ? গাঁৱৰ এম. ভি. স্কুললৈ সঁচাকৈয়ে ধুনীয়া ছোৱালী হৈ আহিছিল, লিলি।... লিলি... লি.... লি। ব্ৰহ্মপুত্ৰৰ বালিচন্দা ভৰা বৰফুটীয়া বালি এদোণ যেন মোৰ সুদা পিঠিখনৰ ওপৰত কোনোবাই ফুৰফুৰকৈ ঢালি দিলে। লিলিয়ে তেনেহ’লে এতিয়াও পাহৰা নাই! আচৰিত! ছোৱালীবোৰে ইমান মনত ৰাখিব পাৰে। কিন্তু ক’তা ময়োতো পাহৰা নাই? বালিৰ বুকুত কাছকণী ঢাক খাই থকাদি মোৰো বুকুত ঢাক খাই আছে সেই দিনবিলাকৰ সোঁৱৰণী।

দিনটোৰ কামৰ অন্তত তাচ-পাশাৰ আড্ডালৈ নোযোৱাৰ কাৰণে ৰান্ধনি ল’ৰাটো আচৰিত হৈছে বুলি ধৰিব পাৰিছোঁ। আজি আৰু আড্ডাই পাগ নল’ব। বহুত দিনৰ মূৰত এটা দিন পাইছোঁ, বহুত মুহূৰ্তৰ মাজত এটা মুহূৰ্ত। আজি মোৰ মনৰ মাজত বহুত মানুহৰ চাহ খোলা বহি গৈছে। বিদ্যা, দেবেন, নৰেন, মণি, ভাবিহঁত— পথাৰে পথাৰে স্কুললৈ ল’ৰা দিনবোৰ ... আৰু সেই ৰাস পূৰ্ণিমাৰ ভাওনাৰ ৰাতিটো।

ধেৎ—হাঁহি উঠি যায়। কিন্তু মোৰ যে তেতিয়া বয়স ষোল্ল নে ওঠৰহে, পঢ়োঁ নাইনত, আৰু মোৰ যৌৱনৰ ফেঁহুজালিত সেইটোৱেই যে ৰাস পূৰ্ণিমা। সেইটো মোৰ বয়স, যি বয়সত ল’ৰাই চুলি আউল-বাউলকৈ ৰাখিবলৈ শিকে—ভুলতে চাৰ্টৰ তলৰ বুটামটো ওপৰত মাৰি থয়, ভৰি হালে পথাৰৰ পকা চপৰাত উজুটি মাৰিলেও চূণ গুৰিৰ দ’মত গোৰ মৰা যেন লাগে। সেই বয়সত

ৰাস পূৰ্ণিমাৰ ভাওনা ঘৰত, লিলিক প্ৰথম দেখা।

ভাওনা ঘৰত বিদ্যাহঁতক লগ পালো। “কি অ’—চুলিত তেল নাই, মূৰ আঁচোৰা নাই, গোটেইটো কবি হৈ আহিছ?” কবি মানে কি বিদ্যাই জানে। ছিক্সত পঢ়োঁতে কোন এটা অসমীয়া কবিতা কোন কবিৰ ৰচনা, মাষ্টৰে এফালৰপৰা সুধি ল’ৰাহঁতক মাৰি আনিছিল। আৰু দুটামান ল’ৰাৰ পাছতে মোৰ পাল পৰেহি এতিয়া। মুখখন তেতিয়া ফুলস্কেপ্ কাগজ কৰি থোৱাৰ বাহিৰে অন্য উপায় নাছিল। মোৰ পাছতে বিদ্যা। হঠাতে দেখিলো তাৰ মুখখন ৰঙা-ক’লা চিয়াঁহী টোকা ব্লটিং কাকতখনৰ দৰে হৈ পৰিছে। বুজিলো উত্তৰ দি ভাল ল’ৰা হোৱাৰ গৌৰৱৰ প্ৰতীক্ষাত সি অধীৰ! বাৰু, বাছা, কানযুগেশ্যনৰ পালত ক’লৈ সাৰিবি? মইতো তেতিয়া নকওঁ। সি তেতিয়াই ফুচুফুচাই ক’লে—“কিয়, ক-শ্ৰেণীত পঢ়া নাছিলি’, ‘সৌখন কাৰ ছবি-কালিদাস মহাকবি।” মই জধামুৰ্খ নহওঁ, গতিকে তৎক্ষণাৎ বুজিলো কবি কালিদাসৰ ৰচনা। ইতিমধ্যে মাষ্টৰে আমাৰ ষড়যন্ত্ৰৰ উমান পাই তৎক্ষণাৎ মোকে প্ৰশ্ন কৰিলে। ময়ো ফচ্ কৰে উত্তৰ দি দিলো।

সেইদিনাৰ পৰাই বিদ্যাৰ ওপৰত মোৰ শ্ৰদ্ধা। ই আন জানক, নাজানক, কালিদাসক জানে। সেইদিনা মোক বেত দিয়ক ছাৰি মাষ্টৰ হাঁহি, হাঁহি বহি পৰিল, সেইদিনাৰ পৰাই মোৰ নাম হ’ল কবি কালিদাস। যি নহওক, আজি বিদ্যাই মোক কৈছে যেতিয়া নিশ্চয় কবি কবি হৈ আহিছোঁ। তৎক্ষণাৎ তাহানিৰ ‘আৱাহন’ত পঢ়া গল্প এটালৈ মনত পৰিল— এনেকৈয়ে বোলে মানুহ প্ৰেমত পৰে, কবি হয়।

চাৰি চকুৰ মিলন হ’ব লাগে বোলে। ভাওনা ঘৰত আৰু দুটা চকু বিচাৰি যেতিয়া হায়ৰাণ, এনেতে মোৰ পোনে পোনে তিৰোতাৰ সমাজত— খুঁটাটোৰ পৰা চাৰিজনী মানুহৰ আঁতৰত, সেই দুটা দেখোন চকু। তাৰ পিছত চকুৱে চকুৱে পৰা, ৰঙা-চিঙা পৰা (গল্পত পঢ়াৰ দৰেই ৰঙা পৰিছিল বুলি মই ধৰি লৈছিলো) ইত্যাদি ভাওনা চলিবলৈ ধৰিলে। অৱশ্যে বিদ্যাহঁতে হোলাৰ ভাই মোলা—এইবিলাকৰ একো সম্ভেদ নাপালে।

সেই দিনাৰ পৰা কি প্ৰেম। বুজিলো ইয়াকেই বোলে প্ৰেমত পৰা। মই

ধৰি ল'লো লিলি মোৰ প্ৰেমত পৰিলেই। অকলশৰে এটা মানুহে হোহোৱাই হাঁহি উঠা দেখিলে ৰান্ধনি ল'ৰাতো অবাক হ'বই, বেৰত আঁউজাই থোৱা কেটেঙা হাৰকিউলিচখনো অবাক হৈ গ'ল। ৰান্ধনি ল'ৰাটোৱে সন্ধিয়া মই ঘৰতে থকা দেখি চাহ একাপ লৈ আহিছিল। মই অপ্ৰস্তুত হৈ দুটামান কাহ মাৰি তাকেহে উলটি ধমক দিলো, যেন, চাহকাপৰ ৰং ধৰা নাই। গতিকে সি বেছিকৈ 'ইকনমি মিজাৰ' লৈছে আৰু এই সময়ত আধা কাপ চাহ অৰ্থাৎ এক চিংগল চাহেই হ'লহেঁতেন, গতিকে সি মোক দেৱলীয়া কৰিব খুজিছে, ইত্যাদি। চাহ কাপ লৈ তাক নিজ কামলৈ পঠিয়াই দিলো। অৱশ্যে অকলে অকলে হঁহাত মোৰ দোষ নাছিল। গুটি মহৰী নালাগে গিটি মহৰীৰো হাঁহি উঠিব, আপইতা প্ৰেমিকৰ অৱস্থাৰ কথা ভাবিলে।

খবৰ লৈ জানিব পাৰিলো সেই ছোৱালীজনী নতুনকৈ আমাৰ গাঁৱলৈ আহিছে। ওচৰৰ এম. ভি. স্কুলৰ ষষ্ঠ মান শ্ৰেণীত নাম লগাইছে। এম. ভি. স্কুলৰে হেড্‌পণ্ডিত, আমাৰ গাঁৱৰ লোকনাথ মাষ্টৰৰ ঘৰত আছেহি, মহায়েক হয়। মৌখিক সুধি য'তে-ত'তে অপ্ৰস্তুত কৰা লোকনাথ হেড্‌পণ্ডিতক ল'ৰাই পাঁচশ গজৰ আঁতৰৰ পৰাই চিনে আৰু সুবিধা মতে অন্য বাট ধৰে। মোৰ সাতচাপৰ বাজ লোকনাথ হেড্‌পণ্ডিতৰ ঘৰত মই অঙ্ক বুজিবলৈ নিতৌ সন্ধিয়া হাজিৰ। আমাৰ হাইস্কুলৰ লাইব্ৰেৰীৰ মই নিয়মিত পাঠক হৈ পৰিলো। লাইব্ৰেৰীৰ চাৰ্জত থকা চক্ৰৱতী মাষ্টৰে মোৰ আশাতীত উন্নতিত যথেষ্ট অবাক হৈ পঢ়িবলৈ কিতাপ বাছি দিয়া হ'ল। এবাৰ বেজবৰুৱাৰ 'নোমল' খন ঘূৰাই দিয়াৰ লগে লগে মাষ্টৰে বৰ আগ্ৰহেৰে সুধিলে, পঢ়ি কেনে লাগিল। এনেকুৱা উপন্যাস আমাৰ অসমীয়া সাহিত্যত নাই বুলি মই পুলকিত হৈ উত্তৰ দিলো। চক্ৰৱৰ্তী চাৰো দুগুণ পুলকিত হৈ কাণ দুখন যেতিয়া পাৰ্চমেণ্ট কাগজ কৰি এৰি দিলে, তেতিয়া কাণত একাষাৰ কথাই মাত্ৰ সোমাইছিল : "সাতকাণ্ড ৰামায়ণ পহ্‌ৰি বোলে সীতা ৰামৰ বাপ।"

চক্ৰৱৰ্তী মাষ্টৰ, যাৰ নামত সংস্কৃত, এলজেব্ৰা আৰু ইংৰাজীয়ে একে ঘাটতে পানী খায়, ভগৱান আজি ভাল ৰং চালা। বাটত বিদ্যা আৰু দেবেনে

সান্ত্বনা দিছিল : “কৈ নিদিলি কিয়, দিস্তাই দিস্তাই এলজেব্ৰা কৰিবলৈ দিলে ঘৰত নোমল পঢ়িবলৈ সময় নাথাকে। নাইবা ফাঁকিও দিব নোৱাৰিলিনে ?”

“ফাঁকি নিদিবলৈ মোক নো কি ধৰ্মৰাজটো পাইছ? ধৰা পৰিলো যে।” - এই অকণমান কথাটোৰ পৰাই জানো মোৰ হাঁহি উঠিল। আচল কথা মই যে সঁচা-সঁচিকৈয়ে কবি হৈ গৈছিলো। এলজেব্ৰাৰ ৰাফ্ খাতাত ‘এ প্লাচ বি হ’ল স্কোয়াৰ’ৰ পিছত ইকুৱেল টু মস্ত একোটা প্ৰেমৰ কবিতা। কোনোবাই সন্দেহ কৰে বুলি ইংৰাজী আখৰ দি এফালৰ পৰা লেখি গ’লে ‘তোমালৈ’ বা ‘প্ৰিয়’লৈ ধৰণৰ কবিতা - যাৰ সাৰাংশবিলাক আজিও মনত পৰে। কলং বা কপিলী বা ব্ৰহ্মপুত্ৰত বান আহক পৃথিৱী তল যাওক। তাৰ মাজত এখন নাৱত দুজন মানুহ। ‘তুমি’ আৰু মই অৱশ্যে। সচাঁ, এয়ে আছিল মোৰ প্ৰাৰ্থনাও। কাৰণ মোৰ যে তেতিয়া বয়স আছিল ষোল্ল কি ওঠৰহে আৰু যৌৱনৰ ফেহুঁজালিত সেইটোৱে আছিল যে ৰাসপূৰ্ণিমা।... তাৰ পিছত এদিন একান্ত মনে পদ্যত এলজেব্ৰা কৰি থাকোঁতে কলেজৰ পৰা বন্ধত ঘৰলৈ অহা ককাইদেৱে পাছফালে চকীত ধৰি থিয় হৈ ভাতৃৰ এই অভূতপূৰ্ব কৃতিত্ব ৰ লাগি নিৰীক্ষণ কৰিলে।

প্ৰেমৰ নামত পানী এচলু দি তিনিবাৰ মান ট্ৰায়েলৰ পিছত মেট্ৰিক পাছ কৰি বাগানে বাগানে এপ্ৰেণ্টিচৰ কাৰণে ঘূৰি অৱশেষত গুটি মহৰী। বহুত বহুত বছৰ পাল হ’ল। কোন ক’লৈ গ'ল। বিদ্যা চাহ বাগানত সংসাৰী। হৰিহঁত পঢ়াত আগবাঢ়ি গ’ল বি.এ.; এম.এলৈকে। তাহানিৰ ৰোমান্স আৰু নাই। বাস্তৱতাৰ ভগা হাৰকিউলিচ চাইকেলত এৰেপ এৰেপকৈ জীৱন আগবাঢ়িছে। এতিয়া প্ৰেমত পৰা বা তাৰ লক্ষণ দেখা দিলেই ‘ল’ব লগা সাৱধান’খিনি নোলোৱাবিলাকলৈ পুতৌ হয়, -হাঁহি উঠে। কোন কাহানিৰে অপঁইতা বয়সৰ দুদিনৰ প্ৰেমৰ কাহিনী, আনজনে হয়তো তাৰ ভূ-ভটং একোৱেই গম নাপালে, যাৰ মুখৰ আগত এযাৰ কথাও ভালকৈ ক’বলৈকো সাহ নহ’ল, তথাপি আজি, সেই লিলিৰ নামত মোৰ মনত একেলগে ইমানবোৰ চিজন ফ্লাৱাৰ তথাপি আজি জকমকাই উঠিল। আজি লিলি চাগৈ ৩/৪ টা ল’ৰা-ছোৱালীৰ মাক, গাঁৱৰ বোৱাৰী, কম বয়সতেই বুঢ়ী হৈ গৈছে

নিশ্চয়।

ৰাতি খাই-বৈ, দেওবাৰটোলৈকে মাজত থকা অনাৱশ্যকীয় দিনকেইটাৰ কথা ভাবি টোপনিত পৰিলো। সপোনলৈ আহিল সেই দিনবোৰ। বিদ্যা ভাবিহঁতৰ লগত উজুটিত উফৰি ফুৰা সেই স্কুলীয়া দিনবোৰ। লৰি ফুৰিছিলো, অথচ কাকো যেন তেজ-মঙহেৰে দেখা পোৱা নাই। কাণত পৰিছে। সিহঁতৰ হাঁহিৰ ৰিংবোৰ। সিহঁতৰ অশৰীৰী মূৰ্তিবোৰে মোক কিন্তু মনৰ সুখ দানত অকণো বাধা দিব পৰা নাই। পানী, চাৰিওফালে পানীৰ সাগৰ, মাজে মাজে নল-খাগৰিৰ জোপা। তথাপি তাৰ ওপৰতেই কেনেকৈ যে দৌৰি ফুৰিব পাৰিলো। নল-খাগৰিৰ জোপোহাৰ আঁৰে আঁৰে কিবা এটা যেন বিচাৰি ফুৰিছোঁ। হঠাৎ মিচিকিয়া মুখ এখনি জোপোহাৰ আঁৰত ওলাই পৰিল। লিলি। এখন সৰু নাৱৰ গুৰিত বহি হাতত ব’ঠা লৈ লিলিয়ে যেন মোলৈকে বাট চাই আছে। আঁতৰে আঁতৰে মোক চাৰিওফালে বেঢ়ি বেঢ়ি ধৰিছে বহুতো কৌতুহলী দৃষ্টিয়ে। আশৰীৰী দৃষ্টি...।

এনেকুৱা সপোন কত গণ্ডাই নেদেখিছিলো। কাৰণ তেতিয়া যে মোৰ বয়স...। কিন্তু এতিয়াতো মই আদহীয়া। মোৰ ল’ৰা-ছোৱালী আছে। তিৰোতা আছে। লিলিও এতিয়া আদবুঢ়ী হৈ গ’ল।

দেওবাৰে আবেলি। লগত ল'লো। ওচৰৰ মাষ্টৰ এজনক। চাইকেল লৈ দুয়ো গাঁৱৰ বাটেৰে আগবাঢ়িলো। শৰৎকাল। বাট-পথবোৰ এতিয়াও ধূলিয়ৰি হোৱা নাই। এবাৰ হঠাৎ মাষ্টৰে কৈ উঠিল, “শইকীয়া, ৰাস চাবলৈ ওলাব আজি ৰাতি। পূৰ্ণিমাৰ জোনাক - চাইকেল লৈয়ে যাম । এঠাইত ভাল ৰাস হয়।” মাষ্টৰে আৰু কিবা ক’লেহেঁতেন, মোৰ চাইকেলে গৈ প্ৰায় খুন্দিয়াবলৈ ধৰা চাইকেলখন লিক এটাইদি বাকৰিলৈ নমাই লৈ গ’ল। মই ব্ৰেক টানি জাঁপ মাৰি নামিলো। তেওঁৰ বিপদলৈ সহানুভূতি দেখুৱাবলৈ আহৰি ক’ত, সমুখত বাঘ দেখাৰ দৰে চমক খাই সুধিলো, “আজি বাস পূৰ্ণিমা ?”

ঘটনাৰ এনে আকস্মিকতাৰ মোৰ জীৱনত কি তাৎপৰ্য থাকিব পাৰে বাৰু ? এক অজান ব্যথাই মন ভাৰাক্ৰান্ত কৰি তুলিলে। বাট আৰু বেছি দূৰ নাছিল।

দুয়ো খোজ কাঢ়ি আগবাঢ়িলো।

নঙলা মুখত ভৰি দিয়াৰ লগে লগেই পিছফালৰ ভৰুণ পাণ-তামোলৰ বাৰীখনৰ কোলাত নিকা পৰিপাটী ঘৰ-দুৱাৰবোৰে মনত এটা গভীৰ ছাপ বহুৱাই দিলে। নঙলা মুখত এজোপা শেৱালি। ধুনীয়াকৈ সৰা-মোচা পিৰালিয়ে ৰ’দত উজ্জ্বল গেৰুৱা ৰং লৈছে। বহল, কেঞ্ঞাবন এদালিও নথকা চিকোণ চোতালৰ বুকুখন বগলী পাখীৰ দৰে ভক্‌ভকাই আছে। বাওঁ হাতে ভঁৰাল ঘৰটো, তাৰ আগত গোহালিটো। সকলোবোৰেই সাজিকাচি যেন ভাওনা চাবলৈ ৰৈ আছে। আনকি পিৰালি কাষত পাতি থোৱা, দা-কটাৰী ধৰাওঁতে অ’ত-ত’ত ক্ষয় যোৱা শিলছটাও যেন কাৰ’বাৰ লখিমী হাতৰ পৰশত বিস্ময়কৰভাৱে সজীৱ হৈ উঠিছে। শিলছটাই আমালৈ কেৰাহিকৈ চাই মিচিককৈ হাঁহি দিয়া মই নিজে দেখিলো। আমি চাইকেল দুখন চোতালৰ আগৰ তামোল জোপাতে আঁউজাই থৈ - কোন আছে বুলি মাত দিলো। কিন্তু বুঢ়ী এগৰাকীৰ কেৰকেৰীয়া মাতে আমাৰ মাত তল পেলালে।

“হঁয়েৰা, আপৰত যে কেঁচুৱাক খুৱাবলৈ লাগিলি ঠাইখন আধা সৰাকৈ এৰিলি কালৈ ? কোনজনী বেটিয়ে কৰিব ?”

মাজতে অলপ সময় দাৰি পৰা যেন দেখি আমি দুয়ো একেলগে মুখ মেলিলো। পিছে দাৰি নহয় চেমিকলনহে। এইবাৰ মাতটো দুগুণ জোৰেৰে আৰম্ভ হোৱাত ঠায়ে ঠায়ে ফাটি এচহীয়া হৈ যোৱাৰ দৰে হ'ল।

“হাঁয়েৰা, ওপৰ চকুৱাণী, বাৰীলৈ যোৱা বাটটোৰ ওপৰতে পৰি থকা গোবৰ চুবাৰ ওপৰেদি কেইবাৰ অহা-যোৱা কৰিলি, ঠাইতে পাণ জোপাৰ গুৰিলৈ দলি মাৰি দিব নোৱাৰিলি ?”

এইবাৰ কথাৰ লগে লগে বুঢ়ীয়ে হাতত তামোলৰ বাকলি কেইটামান লৈ চ’ৰা ঘৰলৈকে ওলাই আহোঁতে আমাৰ মুখামুখি হৈ অপ্ৰস্তুত হৈ গ’ল। ওৰণিখন টান মাৰি মূৰটো এফলীয়া কৰি সুধিলে, “ইবিলাক বা ক’ৰ পৰা আহিছে? চিনি দেখোন পোৱা নাই। অথনিৰে পৰাই ৰৈ আছেহি নেকি ? সোমাই বহকহিচোন চকীতে। দোষ নধৰিব দেউতাসকল।” লৰালৰিকৈ তামোলৰ বাকলিকেইটা

দলিমাৰি পেলাই চোতালৰ আন এটা বাটেদি বুঢ়ী ভিতৰ সোমাল। বোৱাৰীয়েকক কোৱা কথাবিলাক শুনাত কেৰ্কেৰীয়া হ'লে কি হ'ব, খোৱা-জীয়াৰ লক্ষণ থকা কথা। অলপ পিছতে থৰক-বৰককৈ বুঢ়া এজন ওলাই আহিল, মাষ্টৰে পৰিচয় দিয়াত বুঢ়াই আদৰ-সাদৰকৈ ভিতৰলৈ লৈ গ'ল। ভিতৰতে এখন চোতাল। চাৰিওফালে সৰু সৰু ঘৰ। বাৰাণ্ডাতে চকপীৰা পালি বুঢ়াই কাঠি তুলাই আছিল। তাৰ পৰা উঠি গৈছে।

“আমাৰ ডেকাই যে কৈছিলে মাতি অহাৰ কথা— আপোনালোকৰ কথাই নহয়। জানো?” বুঢ়াই কি সুধিব ভাবি নাপাই তাকেই সুধিলে। ইতিমধ্যে বুঢ়ীয়ে কোলাত নাতি আৰু এহাতে ডুখৰি পীৰা এখন লৈ আমাৰ ওচৰ পাইছিলহি। বুঢ়াৰ কথাষাৰৰ উত্তৰ দিলে, “কিয় আমাৰ বোৱাৰীৰ মোমায়েক নহয়? মোক বোৱাৰীয়ে কওঁতেহে বুজটো পাইছোঁ। হেৰিয়াৰ' চৰকাৰী কাম কৰে।”

বুঢ়াই বুঢ়ীৰ প্ৰতিটো শব্দৰ লগে লগে মোৰ মুখলৈ চাই মূৰ দুপিয়াই গ'ল। শোঁটোৰা মুখখনত এক পবিত্ৰ হাঁহিৰ আভা জিলিকি উঠিল। কাঠিবিলাক সামৰি সুতৰি কৈ গ'ল, “আমাৰ ডেকা চাপৰিলৈ গ'ল পুৱাতে। চাইকেল লৈ গৈছে। সাউৎ কৰে ওলাইহিহে লাগে। জৰুৰী কাম গুণেহে গ'ল।”

এটা ঘৰৰ পৰা আন এটা ঘৰলৈ লিলিক সাউৎ কৰে পাৰ হৈ যোৱা চকামকাকৈ দেখিলো। ওৰণিৰে এফাল ঢাকি গৈছে।

“হেৰ' বাপাহঁতলৈ তামোলৰ বটাটোকে দিব পৰা নাইনে এতিয়ালৈকে ? তয়েনো লৈ নাহ কিয় ?”

বুঢ়ীয়ে বোৱাৰীয়েকলৈ চাই চিঞৰি উঠিল, তাৰ পিছত আমালৈ চাই ক'লে, “ল'ৰা- ছোৱালীকেইটা ভাওনা ঘৰত। আজি ৰাস ভাওনা পাতিছে। সিহঁত দিনটো তাতে।”

এই চলতে মই ল'ৰা-ছোৱালীৰ কথা সুধিলো। ল'ৰা-ছোৱালী পাঁচটা। তিনিটা ল'ৰা, দুজনী ছোৱালী। কেঁচুৱাটো ল'ৰা। এবছৰ হৈছে। স্কুলত পঢ়া ল'ৰাজনৰ খবৰ লোৱাত বংশৰ বুলি ক'লে। ৰাতিলৈ গোপীৰ ভাও আছে।

ৰিহা-মেখেলা বিচাৰি ফুৰিছে।

ত্ৰস্তভাৱে ওৰণিখন টানি এটা হাতে এঘটি পানী আৰু এহাতে বটা লৈ 'বোৱাৰী' আমাৰ ওচৰলৈ আহিল। বটাত কটা তামোলৰ উপৰি দুখন পাণত দুজনৰ খুন্দা তামোল। সকলোৱে যেন কিবা একো আষাৰ ক'ব খুজিছে। আমি চকীতে গা লৰালো মাত্ৰ। মই হাত মেলি বটাটো বুঢ়ালৈ আগবঢ়াই দিলো। মাষ্টৰক, বুঢ়ীয়ে দিয়াৰ পাছত নিজে তামোল এখন লৈ বটাটো মাটিত থৈ, 'ভালনে তোমাৰ ?' বুলি কথাষাৰ সুধিবলৈহে পালো, লিলিয়েও ইমান সময় উচ্‌পিচাই থাকি একেলগেই কিবা এষাৰ সুধি পেলালে। কোনেও কাৰো কথা নুশুনিলো। এনে অস্বস্তিকৰ অৱস্থাটো সহজ কৰিবলৈকে যেন লিলিয়ে অজানিতেই শাহুৱেকৰ কোলাৰ পৰা কেঁচুৱাটো নিজৰ কোলালৈ লৈ গ'ল। বুজিলো, মাকৰ কোলা অকল কেঁচুৱাৰ কাৰণেই যে নিৰাপদ এনে নহয়, কেঁচুৱা কোলাত লৈ মাকো বহুখিনি নিৰাপদ।

"বোপাহঁতক অভ্যৰ্থনাহে কৰিব লাগে", তামোল চোবাই চোবাই বুঢ়াই মাত লগালে। "তাই আকৌ কেঁচুৱা ল'বলৈহে আহিল।" বুঢ়ীৰ কেৰ্কেৰীয়া মাত আৰু পেন্দোৱা চাৱনি।

কেঁচুৱাটো বুঢ়ীক দিবলৈ যাওঁতেই মই হাত মেলিলোঁ। আগ্ৰহেৰে কেঁচুৱাটো কোলালৈ আগবঢ়াই দি এইবাৰ সহজভাবেই লিলিয়ে কথা পাতিব পাৰিলে। "মামাৰ কোলাত মূতি দিবি দেই, চিন দি পঠিয়া।" লগে লগে ভিতৰলৈ গ'ল, অভ্যৰ্থনাৰ আয়োজন কৰিবলৈ । এনেতে গিৰিয়েক সোমাই আহিল।

কিমান সময়ত আহিলে, চাহ-জলপান খোৱা হৈছেনে নাই, ইত্যাদি আপোন ভাবৰ প্ৰশ্ন আন্তৰিকতাৰে সুধি মূঢ়া এটা লৈ ওচৰতে বহিল। চাহ-জলপান, খোৱা-বোৱা তামোল-বিড়ি, কথা-বাৰ্তাৰ মাজেদি কেনেকৈ যে সময়খিনি পাল হৈ গ'ল গমকে নাপালো।

সন্ধিয়া যেন নালাগিলেই, দিনৰ পোহৰখিনিৰ ওপৰত জাঁপ মাৰি আহি ৰাস পূৰ্ণিমাৰ জোনাকখিনি পৰিলহি। মাত্ৰ ন-বোৱাৰী এজনীয়ে যেন ঘৰুৱা

সাজযোৰ সলাই বনকৰা সাজযোৰ পিন্ধি পেলালে ৰাস ভাওনালৈ যাবলৈ।

গিৰিয়েকে ৰাতি থাকি ভাওনা চাই যাবলৈ বৰকৈ অনুৰোধ কৰিলে। আমি আন ঠাইত ভাওনা চোৱাৰ কথা ক'লো। লিলিয়েও ৰাতি থকাত আপত্তি কৰিলে, পূৰ্ণিমাত বুঢ়া-বুঢ়ীয়ে পানী এটোপাও নাখায় গতিকে গোটেই ঘৰৰে লঘোন। আৰু মাছ-মাংসও নাই, ইত্যাদি আপত্তি। নতুন চালানৰ কবি গুটি আহিলে আনিবলৈ বুঢ়াই পুতেকক সোঁৱাৰাই দিলে। পুতেকৰ মুখখন গোঙোৰা হৈ উঠা যেন দেখা গ'ল। ইমান বৈষয়িক মানুহজনেও বুঢ়াৰ ইমানখিনি বৈষয়িকতা যেন সেই মুহূৰ্তত সহ্য কৰিব পৰা নাই। সঁচাকৈয়ে লিলিৰ গিৰিয়েক এজন ভদ্ৰলোক। লিলি সুখী হ'ব পাৰিছে।

যাবলৈ থিয় দিলো। ঘৰৰ সকলোৱে উলহ-মালহেৰে বিদায় দিবলৈ ওলাল। লিলি আৰু গিৰিয়েক আগচোতাল পালেহি, লিলিৰ কোলাত কেঁচুৱা। বুঢ়ী চোতালৰ মাজত থিয় হ'ল। বুঢ়াই পিৰালিৰ পৰাই খুঁটা এটাত ধৰি চাই ৰ'ল। পূৰ্ণিমাৰ ফৰিংফুটা জোনাক। মজিয়াত হঠাৎ বাগবি পৰা এটোপ গাখীৰৰ দৰে, খাল-নৰ্দমা সকলোতে জোনাকবোৰে ডোঙা-ডুঙি বান্ধি উঠিছে।

ল'ৰাটোক মৰম কৰি দুহাতে দুটা টকা দিলো, লিলি আৰু গিৰিয়েকে আপত্তি কৰা সত্ত্বেও। গিৰিয়েকে চাইকেলৰ বেগত কিবা টোপোলা এটা সুমুৱাই দিলে। সোধাত ঘৰত গৈ চাব বুলি ক'লে। শেষবাৰৰ বিদায় লৈ চাইকেলত উঠিব খুজিছোঁ, মাষ্টৰ আগবাঢ়ি গ'লেই, এনেতে লিলিয়ে কেঁচুৱাটো দাঙি ধৰি কৈ উঠিল, “সৌৱা—মামা যায় নহয়, আকৌ আহিব বুলি ক'চোন।” পেদেলৰ পৰা ভৰি নমাই ঘূৰি চালো—লিলি।

ইমান সময় তেনেহ'লে লিলিক মই দেখা নাছিলো। দুই তিনি ঘণ্টাৰ ইমানবিলাক আয়োজন, ইমান কথা-বাৰ্তা, ঘনিষ্ঠতা, সকলোবোৰ মিছা, অসাৰ্থক। সাৰ্থক মাথোন শেহৰ এই মুহূৰ্তটো যাৰ বুকুত ক্ষন্তেকলৈ মোৰ বৰ্তমানটো ভস্ম হৈ গৈ অতীতটো জীৱন্ত হৈ উঠিল। বহুত বহুত বছৰৰ আগৰ কোনো এক পূৰ্ণিমা ৰাতিৰ এটি মুহূৰ্তত এটি ষোল্ল-সোতৰ বছৰীয়া তৰুণে দুটা সৰল চকুৰ দৃষ্টিত

কিবা এটা মাদকতা পাই কিস্তুৰী মৃগৰ দৰে উদ্ভ্রান্ত হৈ পৰিছিল। আজি সেই তেনে এটা মুহূৰ্তত, সেই দুটা চকুত নতুন কি দেখিলে ? নতুন সি একো পোৱা নাই, খন্তেকলৈ ঘূৰাই পালে পুৰণিটোকে, - সেই মূহূৰ্তটো, পেৰাৰ পৰা উলিওৱা সামৰণ সাজ যোৰৰ দৰে সি পুৰণি হৈয়ো নতুন, যাৰ গাত এতিয়াও সেই মাদকতাৰ ফুৰ্‌ফুৰীয়া গোন্ধ। গৃহস্থী জীৱনৰ চৌহদটো পুৰাৰ জাপ তগৰ পাহৰ দৰেই শুভ্ৰ, শুচি, পবিত্ৰ হৈয়ে আছে, ক'তো এটা তামোলৰ বাকলিও নাই। সেয়া কাষতে শাহু, এয়া এইজন স্বামী, সৌজন শহুৰ, সকলো নিজ নিজ ঠাইতে থিয় হৈ আছে; আৰু বোৱাৰীয়ে জীৱনৰ সকলোখিনি মহিমা লৈ থিয় হৈ আছে। সৌৱা, সৌ-জনী লিলি, কোলাত কেঁচুৱা আৰু এয়া মই, মোৰ ঠাইত।

...তেনেহ'লে লিলিক মই ভাল পাইছিলো ?

....আৰু লিলিয়েওনে ? ...ওঁ ...ওঁ ...কিজানি...

দুঠাইত জ্বালাই কৰা কেটেঙা হাড়ৰ হাৰকিউলিচখনতে উঠি মই ওখোৰা-মোখোৰা বাটেদি উভতি অহা নাই।

মোৰ হাতত তেতিয়া চিক্‌চিকীয়া নতুন ৰেলি চাইকেল এখন, আৰু সমুখত 'পিচ'ঢলা ৰাজবাট ।

*১৯৫৩ – ৫৫*

# চক্ৰৱৎ

মেৰামতি কৰিবলৈ লোৱা বাইচাইকেলখন মাজ চোতালতে পেলাই থৈ চাৰিওফালে বাপেক-পুতেক বেঢ়ি বহি লৈছে। বাপেকে অৱশ্যে আগচকাটোৰ পৰা টিউবটো উলিয়াই লৈ পাম্প দি এচৰিয়া পানীত তিয়াই তিয়াই 'লিক' বিচাৰিছে। পুতেকহঁতে চাৰিওফালে বেঢ়ি লৈ তাকে নিবিষ্টমনে চাইছে। পুতেকহঁত মানে মণি আৰু তাৰ ভায়েক দুটা। টিউবত লিক ওলালেই বতাহে পানীত বুৰণি তুলি দিয়ে। এই বুৰ্বুৰণিয়ে সিহঁতৰ কৌতুহল। ইয়াৰ ভিতৰতে দুটা পেষ্টিং হৈ গ'ল, তৃতীয়টোৰ কাৰণে বাপেকে পুৰণা টিউবৰ পৰা ৰবৰ এডোখৰ লৈ কেঁচিৰে ঘূৰণীয়াকৈ কাটি কেঁচিৰ ধাৰেদি চুঁচি গাটো নিমজ কৰিছে। চল্যুচনৰ টিউবটো ওচৰতে পৰি আছিল। নতুন টিউবটোৰ ইতিমধ্যেই পেটটো খালি হৈ গৈছে। মণিয়ে লাহে লাহে হাতখন আগবঢ়াই টিউবটোত এবাৰ হাত ফুৰালে। নাই, বাপেকে একো কোৱা নাই। এবাৰ লাহেকৈ দাঙি আকৌ আগৰ ঠাইতে থ'লে। এইবাৰো বাপেকে একো নক'লে। কিজানি বাপেকে দেখাই নাই। যি কি নহওক, তৃতীয়বাৰ চল্যুচনটো হাতলৈ উঠি আহিল। কেপটো খুলি গোন্ধটো নাকেৰে উজালে। এই গোন্ধটো বৰ ভাল লাগে তাৰ। চল্যুচন সম্পৰ্কত তাৰ আৰু এটা অদ্ভুত দুৰ্বলতা আছে। একেবাৰে নতুন চল্যুচন এটা কাঠ এডালৰ ওপৰত থৈ যেন মাৰি মাৰি দিব বা ভুকু মাৰি দিব। কেউপিনে এঠাবোৰ ছিটিকি পৰিব। এই ইচ্ছাটো হেঁচি ৰখাৰ বাহিৰে উপায় নাই। ডাঙৰ হ'লে যেতিয়া সি ধন ঘটিব, প্ৰথম প্ৰথম এই কামটোকে কৰিব।

সি চল্যুচনটো লোৱা দেখি ইতিমধ্যেই ভায়েক দুটাই সতৃষ্ণ নয়নে চাইছিল। এবাৰ সিহঁতেও হাতত ল'ব খোজে। দ্বিতীয়টো ভায়েকে অভিভাৱকৰ সুৰত কৈ উঠিল — "নুচুবি, নুচুবি, বেয়া হ'ব। কওঁনে দেউতাক ?"

মণিয়ে লৰালৰিকৈ চল্যুচনটো তাৰ হাতত দিলে – সৰুটোৱে সাহ পাই থাপ মাৰি তাৰ হাতলৈ নিবলৈ চালে।

"অ' কৰিলে।" দ্বিতীয়টোৱে চিঞৰি উঠিল। পিটিকা খাই চল্যুচনৰ পৰা অলপ এঠা ওলাই গ'ল। বাপেকৰ ৰবৰডোখৰ ইতিমধ্যে চাফ কৰা হৈছিল। চল্যুচনটো হাতেৰে খেপিয়াই ফুৰোঁতেই এই অৱস্থা দেখা পালে। গোঁজৰণি মাৰি উঠিল, মুখেদি শব্দৰ চল্যুচন ওলাবলৈ ধৰিলে।

"তহঁতৰ ইয়াত কি কাম, এই মেকুৰী, নিগনি, শিয়াল, কুকুৰৰ পোৱালিহঁত ? ভঁজবিলাক চা।" ওলাই পৰা এঠাবিলাক ৰবৰ ডোখৰত লগাই ল'লে আৰু বাকী থকাখিনি টিউবটোৰ টাপলি মাৰিব লগীয়া ঠাইডোখৰত লগালে। সৰু দুটা ইতিমধ্যে ফিৰিঙতি ভগা দিছিল। মণি সেমেনা-সেমেনিকৈ ওচৰত থাকিল। বাপেকে গোঙোৰাকৈ তালৈ চাই ক'লে—"ধপাত ক'ত ? এই বৰ মানুহৰ পোৱালী। সেই পৰৰ পৰা ধপাত এচিলিমৰ কথা কওঁতে কওঁতে মুখ বিষাল। খোৱাৰ নাগলিহঁত! পৰাই পৰা কাম এখনো কৰি নাখাৱহঁক ! ওপৰতে সকলোবোৰ খাবলৈ লাগে ? দিনটোত কেইবাৰ খালি ?"

কথাত বাধা পৰিল। ঘৈণীয়েকে এহাতে ধপাতৰ হোঁকাটো আৰু এহাতে চাহৰ গিলাচটো লৈ ওচৰত থিয় দিলেহি। পুতেকক এৰি ঘৈণীয়েকলৈ কথাৰ সোঁতে ঢাল ল'লে।

"এতিয়াহে আজৰি ওলালনে বৰ মানুহৰ জীয়েকৰ ! সেই পৰৰ পৰা বাইচিকোল ভাল কৰি মই মানুহটো হায়ৰাণ !"

"ময়ো কিবা বহি আছোঁনে? চাউলৰ মলখু ঢেঁকীত, তাঁতখনে কিমান আমনি কৰিছে ।"

মাকেও সমান ভলিউমতে উত্তৰ দিলে। লগে লগে চাহৰ গিলাচটো আগবঢ়াই দিলে। দুঢোকমান গিলি গিলাচটো ওচৰতে থৈ পেষ্টটো সম্পূৰ্ণ কৰাত লাগি গ'ল; কাৰণ এঠাখিনি শুকাই যাবলৈ ধৰিছে। খঙেৰে উত্তৰ দি ঘৈণীয়কৰ অলপ অনুতাপ আহিল। খঙৰ মূল কাৰণ এই চাইকেলখনেই, গতিকে খংটো শেষ কৰিলে তাৰ গাত।

"এই বাইচকল নে তেইচকলখন কিমাননো আৰু বেয়া হয়। এইপাতক

কুঠাৰ মাৰি শেষ কৰি পেলালেই হ'ল। হোকো-নোহোকো দিনটোত এশবাৰ তাতে লাগি থকা দেখিবা। এহেলৈ আমনি লাগিছে আৰু ।" গিৰিয়েকে পেন্দোৱাকৈ মুখলৈ চালে। ঘৈণীয়েকে লৰালৰিকৈ আনফালে চাই কথাষাৰ শেষ কৰিলে—"এৰা।"

"হুঃ, এই গৰু নাই, মাটি নাই, চাকৰি নাই, এই বাইচিকলখনেই খুৱাই আছে। এই বাইচিকলকে অনাদৰ" – গিৰিয়েকে ভোৰ-ভোৰাই উঠিল। চাহৰ গিলাচটো শেষ হোৱাত গিলাচতো তুলি লৈ ধপাতৰ হোঁকাটো দি ঘৈণীয়েক গুচি গ'ল।

বাপেকে কয় বাইচিকোল বুলি, ঘৈণীয়েকে কয় তেইচকল, মণিয়ে কেতিয়াবা চাইকল, কেতিয়াবা চাৰ্কেল। মূলতে কোনোবা এটা ভাল কোম্পানীৰ আছিল। বাপেক হৰিনাথে প্ৰথমে চাহবাগানত সোমাইছিল চোক্ৰা-চুক্ৰিৰ মহৰী হৈ। চাহাব এজনৰ পৰা তেতিয়াই লৈছিল। সেই অঞ্চলত সেই সময়ত সেইখনক লৈ মাত্ৰ দুখন 'বাইচিকোল' আছিল। এই লৈ হৰিনাথৰ গৌৰৱৰ অন্ত নাই।
বহুত বছৰ পাৰ হ'ল। চাইকেলৰ হাড়ডাল অৰ্থাৎ ফ্ৰেমটো মাত্ৰ হৰিনাথৰ অততীৰ গৌৰৱময় জীৱনৰ সাক্ষী হৈ ৰ'ল। বাকীবিলাক নানা নতুন কোম্পানীৰ পাৰ্টচৰ সমন্বয়ত বৰ্তমানৰ চাইকেলখন এক বৰ্ণসঙ্কৰ সৃষ্টি। হৰিনাথৰ চাকৰি যোৱা দহ বছৰ হ'ল। নতুন শিক্ষিত ওলাল – সেইবিলাকে চাহ বাগানৰ চাকৰি ল'লে। হৰিনাথক কতো নাৰাখে। তথাপি ক'ৰবাত চাকৰিৰ খবৰ ওলালেই এই বাইচিকোলখনকে লৈ হৰিনাথ দৌৰে। চাকৰি নাপায়। কিন্তু চাহ বাগানৰ কোনো পুৰণি চিনাকি কৰ্মচাৰীক পায়। কোনোৱে দুই এটকা দি সহায় কৰে। কাৰবাৰ তাৰ পৰা সামান্য বেয়া হৈ পৰি থকা টায়াৰ, টিউব, ফ্ৰিহুইল আদি পায়। ঘৰলৈ আহি এসপ্তাহমান ৰেঞ্চ্, হাতুৰি লৈ মিস্ত্ৰখানা আৰম্ভ কৰি দিয়ে। অৰ্থাৎ 'বাইচিকোল'ৰ মেৰামতি হয়। তাৰ পিছত হাট-বজাৰ কৰে - হয়তো ৫০/৬০ মাইল দূৰৰ বাগান এখনত, আকৌ বাইচিকোলৰ যাত্ৰা আৰম্ভ হয়।

আজি ১৫/২০ বছৰ এই দুচকীয়া যন্ত্ৰটোৱেই হৰিনাথৰ জীৱনৰ সুখ-দুখৰ সঙ্গী। তাৰ ওপৰতে পাঁচটা প্ৰাণীৰ সংসাৰখন। কাৰণ খেতি-বাতি নাই। ঘৈণীয়েকে কাপোৰ বয়, সেই কাপোৰ বজাৰত বা বাগানত বেচে হৰিনাথে। আকৌ সূতা আনে, আকৌ কাপোৰ বয়। এই চাইকেলখনক কোনোবাই নিন্দা কৰে। অৰ্জুনেও গাণ্ডীৱৰ নিন্দা হয়তো সহ্য কৰিব পাৰে।

ইতিমধ্যে চাইকেলৰ মেৰামতি সম্পূৰ্ণ হৈছিল। টিউবটো টায়াৰত ভৰাই টায়াৰটো ৰিমত ফিট কৰি দিলে। সেইখিনিতে মণিৰ সাহায্য অপৰিহাৰ্য। কাৰণ টায়াৰৰ শেষ ডোখৰ ৰিম লগাওঁতে অমানুষিক প্ৰচেষ্টাৰ আৱশ্যক হয়। পুৰণা টায়াৰ, অলপ জোৰ পৰিলেই কিনাৰৰ তাঁৰডালৰ ট্ৰেদবোৰ এৰাই যাব পাৰে। উপযুক্ত ৰেঙ্স্ নথকাত যিকোনো এডোখৰ চেপেটা লোহাৰে টায়াৰৰ এটা মূৰ ৰিমত সুমুৱাই হেঁচি ধৰি থাকিব লাগে। মণিয়ে সেই কামটো কৰে। বাপেকে আন এডাল ৰেঙ্গেৰে বাকী অংশ ৰিমত ভৰায়। মণিয়ে ইষ্টদেৱতাক জপ কৰি ৰেঙ্স্ডাল হেঁচি ধৰি থাকে — যাতে হাতৰ পৰা পিছলি নাযায়। লগে লগে বাপেকৰ মুখলৈ নিৱিষ্ট মনে চাই থাকে মুখৰ সামান্য পৰিৱৰ্তনকে লক্ষ্য কৰি। চকুৰ গুৰিৰ ছালবোৰ বাপেকৰ ভাঁজ লাগি উঠে - দৰ্জিয়ে কাপোৰত দিয়া কোঁচৰ দৰে। মণিৰো আপোনা-আপুনি কোঁচ খাই উঠে। এইবাৰ বাপেকৰ কপালৰ সিৰ ফুলি যায়। পুতেকৰো। ইয়াৰ পিছত বাপেকৰ মুখেদি প্ৰাক্-বৈদিক যুগৰ শ্লোকবিলাক সৰসৰীয়াকৈ ওলাই আহিব। মণিয়ে বুকুৰ ঢপ্ঢপনি হেঁচি তাৰ কাৰণে প্ৰস্তুত হয়, সিও মুখৰ ভিতৰতে সেইবিলাক আবৃত্তি কৰি যাব।

চাইকল 'ফিট' হ'ল। এইবাৰ থিয় কৰি মণিয়ে ধৰি থাকিব; বাপেকে পাম্প দিব। মণিয়ে ভৰি থলত অসহ্য পিৰপিৰণি এটা অনুভৱ কৰিলে। কাৰণ সি চাইকেল তলত চলাবলৈ শিকিছে। বেছি দিন হোৱা নাই।

টিলিং টিলিলিং.......

প্ৰতাপ আহিছে। মণিৰ লগৰীয়া। তিনি চাৰিদিন হৈছে সি চেদেলত উঠিব পৰা হৈছে। পেদেল ঢুকি নাপায়। তেনেকৈয়ে চলাই আহিছে। তাৰ ককায়েকৰ নতুন ৰেলী চাইকেলখন। তাৰ ককায়েকে ওচৰৰ চাহ বাগানখনত কাম কৰে। শনিবাৰে ঘৰলৈ আহে। আজি আহিছে নিশ্চয়।

মণিয়ে হাত দুটাৰে চাইকেলখন ধৰি থাকি মূৰটো ঘূৰাই প্ৰতাপলৈ চালে। তাৰ ওচৰতে প্ৰতাপ আহি নামিলহি।

"আ, প্ৰতাপ, তই ওপৰত উঠিব পৰা হলি?" প্ৰতাপে বিনয়েৰে হাঁহিলে।

"কিবা বেয়া হ'ল নেকি ?"

অৰ্থাৎ মণিহঁতৰ চাইকেলখনৰ কথা শুধিলে। মণিয়ে নীৰৱে মূৰ জোঁকাৰি চকু হালেৰে আগ চকাটো দেখুৱালে।

পাম্প দিয়া হৈ গৈছিল। হৰিনাথে চালে প্ৰতাপলৈ।

"ককায়েৰ আহিছে নেকি অ' ?"

"হয়।"

"হুঃ। চাইকেল ঘেলাই দেখুৱাইছ? জান এই অঞ্চলত অমুকাই প্ৰথম চাইকেল ঘেলাই দেখুৱাইছিলো।" তাৰ পিছত মুখৰ ভিতৰতে ভোৰভোৰাই গ'ল হৰিনাথে - "আজিকালি সকলোৱে নতুন চাইকেল ঘেলোৱা হ'ল। কিন্তু যিমানেই নতুন নহঁক বাহিৰৰ চিকচিকনিটোহে মাত্ৰ। হৰিনাথৰখনৰ দৰে খাঁটি লোহা, আচল হাৰ্দিৰ চাইকেল দ্বিতীয় এখন নাই। স্বয়ং চাহাবৰ বাইচিকোল।"

প্ৰতাপে অৱশ্যে ইমানবিলাক খবৰ নাজানে। জানিবৰ বয়সো তাৰ হোৱা নাই। গতিকে হৰিনাথৰ কথাৰ অৰ্থও নুবুজিলে। সি যে চেদেলত উঠিব পৰা হৈছে তাকে দেখুৱাবলৈ মণিৰ ওচৰলৈ আহিছিল। তাৰ কাম হ'ল, আকৌ চেদেলত উঠি গুচি গ'ল।

হৰিনাথে চাইকেলৰ ৰেন্স্‌, পুৰণা নট, লোহা-লক্কৰবোৰ গোটাই এটা সৰু মামৰে ধৰা লিলি বিস্কুটৰ টিনত ভৰালে। চাইকেলখন জীয়াই ৰাখিছে এই 'হোমিওপাথিক' বাকচটোৱে। চাইকেলৰ হ'ব পৰা সকলো বেমাৰৰ ঔষধ ইয়াত আছে। বাকচটো লৈ ভিতৰলৈ গ'ল হৰিনাথ। এহাতে হোঁকা-চিলিমযোৰ। মণিয়ে চাইকেলত উঠিব খুজিও ৰৈ গ'ল। চাইকেলখন জেওৰাৰ খুঁটা এটাত আঁউজাই থৈ সি ফটাকানি অলপ গোটাই আনিলে। লগতে ভিতৰৰ পৰা কেৰাচিনৰ চাকিটোও। অলপ কেৰাচিনত তিয়াই লৈ চাইকেলখন এফালৰ পৰা ঘঁহি যাবলৈ আৰম্ভ কৰিলে।

ফ্ৰিহুইলৰ ওচৰত বহুত মলি জমা হৈছে; বাৰী এডালৰে খৰকিয়াই যিমান পাৰে চাফা কৰিলে।

ফটাকানি অলপ চেপৰ মাজত সুমুৱাই দুই মুৰে ধৰি ঘঁহি দিলে। স্পকবিলাকত কেৰাচিন ঘঁহি ভালকৈ মচি দিলে। ৰিম, এক্সল, ক্ৰেঙ্ক, পেদেল, আনকি ফ্ৰেমটোও গাৰ জোৰেৰে ঘাঁহি ঘাঁহি এফালৰ পৰা পৰিষ্কাৰ কৰি গ'ল। ঠিক, তেল দিয়া নাই। ঘঁহাৰ লগৰ নাৰিকল তেল অলপ পোৱা হ'লে। যোৱা সপ্তাহৰ পৰাই নাৰিকল তেল নাই, মাকে কৈ আছে। মিঠা তেল আৰু কেৰাচিন মিহলাই দিলেও হ'ব। সি অয়ল-কেনটো বিচাৰি আনি মিঠাতেল আৰু কেৰাচিন মিহলাই তেল দি গ'ল। পাছ চকাত, ফ্ৰিহুইলত, ক্ৰেঙ্কহুইলত, পেদেলত, ফৰ্কডালতো। এতিয়া সি এবাৰ পাক দি আহিবও পাৰে।

অয়ল-কেনটো থৈ আহি চাইকেলখন আঁউজাই থোৱাৰ পৰা হেণ্ডেলত ধৰি পোন কৰিলে। সাতটামান মাত দি বিষ-বেমাৰীয়ে কেঁকোৱাৰ দৰে কেঁকাই উঠিল চাইকেলখনে। গাঁঠিয়ে গাঁঠিয়ে তাৰ বিষ। গাঁঠিয়ে গাঁঠিয়ে তাৰ কেঁকনি। কিমান তেল দিও এই কেঁকনি মাৰিব পৰা নাই। মণিৰ মনটো মৰি গ'ল। তেল-কুৰ ঘঁহি চাফ কৰাৰ পিছত চাইকেলখনে ৰূপ লৈছে, পাউডাৰ চেলেকা-চুবুৰা হৈ লাগি থকা তেল সনা মুখ এখনৰ দৰে প্ৰতাপৰ চাইকেলখনৰ নতুন ফ্ৰিহুইলটোৱে কেনেকৈ টিক্ টিক্ মাতলৈ যায়। 'চেইন' ডাল ঘূৰাই দিলেই কেনেকৈ কৰকৰাই উঠে। মুড়ি এগাল চোবোৱাৰ দৰে লাগে। কিন্তু সিহঁতৰ চাইকেলে য'ত মাতিব লাগে সেই ফ্ৰি হুইল, বে'ল মস্ত বোবাৰাম, তাৰ বাহিৰে পেদেলৰ পৰা চেদেললৈ, মাদগাৰ্ডৰ পৰা হেণ্ডেলবাৰ, ফৰ্ক, ক্লাঙ্ক হুইললৈ সকলোৱে একেলগে চিঞৰি উঠে। যি কি নহ'ক, তলতে এপাক চলাই অহা যাওক।

কড় কড় কড়ৎ ।

চেইনডাল মাজে মাজে ঘাট এৰি যায়। অলপ গৈয়ে ঘূৰি আহিল। উঠি থকাৰ পৰাই ঘূৰাব নোৱাৰে। কেবাবাৰো তেনে চেষ্টা কৰি আলি খাবৈত সুমুৱাই থৈছে। কিন্তু আগচকাটোৱে কচ্ কচ্ শব্দ কৰে কিয় ? আগচকাটোৰ বহুত মাতেই সি শুনিছে। ফেঁচাৰ দৰে দিনটোত ওঠৰবাৰ। কিন্তু এনেকুৱা মাতত তো শুনা নাই।

বাপেকে ভিতৰৰ পৰাই সেই মাত শুনিলে। ওলাই আহিল, - হাতত হোঁকা আৰু মুখত হিন্দী।

"কুচ্ কামকা আদমি নাহি হায় তোম। ৰেস্‌ৰ বাকচটো আন - এই নিগনি পোৱালী।"

বাপেকে এনেকুৱা হিন্দী কয়। বৰকৈ খং উঠিলে আৰু মনত ৰং লাগিলেও।

কন্স্ ঢিলা হোৱাত আগচকাটো 'শ্লেক' হৈ ৰিমটো ফৰ্কৰ বাৰত লাগি গৈছে। চকাটোৱে সেই কথাকে জনাইছিল মণিক।

কন্স্ টান কৰা হ'ল।

এঘণ্টামানৰ পাছত চাইকেলে বজাৰৰ বাট ধৰিলে। কেৰিয়াৰত এক বস্তা তামোলপাণ, হেণ্ডেলবাৰৰ দুইফালে ওলোমাই শাক-পাচলি, কলডিল, টেঙা আদি বিবিধ পণ্য দ্ৰব্য। দুখনমান বস্তা, দুখনমান ফটাকানি কাপোৰ, কেৰাচিন, মিঠাতেল আৰু নাৰিকল তেল আনিবলৈ নিয়া তেলৰ বটল আৰু বিখ্যাত হোমিওপাথিক বাকচটো হেণ্ডেলৰ মাজত ওলোমাই লৈছে। দুযোৰা নাৰিকল চাৰি আঙুলমান বহলকৈ প্ৰত্যেকটোৰে বাকলি এৰুৱাই যোৰা-যোৰে বান্ধি হেণ্ডেলবাৰৰ ওপৰত পেলাই দিছে। বাকলিৰ তল অংশই নাৰিকলবিলাক ওলোমাই ৰাখিছে। বজাৰলৈ দুমাইলমান হ'ব। বাপেকে হেণ্ডেলত ধৰি চাইকেল টানি নিছে। মণিয়ে কেৰিয়াৰৰ বস্তাটোত এটা হাত দি গৈছে। গড়া আদিত সি পিছফালৰ পৰা ঠেলি দিব। পোৱামাইল মান আঁতৰত চিনাকি মানুহেও বুজিব পাৰে, মণিহঁতৰ চাইকেলখন আহিব লাগিছে বা গৈছে। সেইদিনা মণিৰ হাতৰ তেল পাই কেঁকনিৰ কোব আৰু চৰিল, গোটেই বাট তালফাল লগাই গৈছে।

বজাৰত বিক্ৰী ভাল। লাভ হৈছে। গাঁৱত বেচিব পৰা বস্তু কিনি নিব পাৰে নেকি চালে। ডাঙৰ ডাঙৰ পাঁচমুখীয়া কচু, মোৱা আলু, নগাঢৰি আদি বস্তুৰ দাম সেইদিনা সস্তা। গাঁৱত ভাল লাভ হ'ব। ভায়েকহঁতৰ কাৰণে এক পইচাৰ চেনিবুটো ল'লে - যুদ্ধৰ আগৰ দিন গতিকে এক পইচাৰ বেপাৰ চলে।

প্ৰায় আগৰ সমানে বোজা লৈ চাইকেল ঘৰমুৱা হ'ল। ঘৰ পালেহি, মাত্ৰ পোৱা মাইলমান আছে। ভায়েকহঁতে আৰু মাকে কাণ উনাইছে যদি চাইকেলৰ মাত শুনিছে নিশ্চয়। কিন্তু সেই আটকীয়া মাতবোৰো যে একেলগে বন্ধ হৈ গ'ল।

ঠেল ঠেল -

মণিৰ হাত পেণ্টৰ চেনিবুটৰ ওপৰতে আহিল। এটা এটাকৈ খালেও ভায়েকহঁতলৈ পৰালি পৰিব। জেপৰ ভিতৰতে নখেৰে চিকুটি চিকুটি জিভাখন শুকান ৰখাৰ প্ৰচেষ্টা চলাই আহিছে ওৰে বাট। লৰালৰিকৈ ঠেলিবলৈ হাত উলিয়াওঁতেই বহুতো বুট পৰি গ'ল। তাতে কাষত চিলাই ফাটি জেপটোও খৰালিৰ খাল যেন বাম। হাত এৰিলেই বিপদ।

কিন্তু চাইকেলৰ চকা নুঘূৰাৰ তুলনাত, ই কি পদাৰ্থ। চকা অৱশ্যে নুঘূৰিল। পাছ চকাত কন্স গৈ জাম হৈ গ'ল। বাপেকৰ মুখত প্ৰথমে হিন্দীত চাৰ, পিছত প্ৰাক্‌বৈদিক সংস্কৃত ওলাল। ওহোঁ। আজি চাইকেলে জুলু ভাষাৰ গালি শুনিবলৈও ৰাজী। বোজা অলপ নমাই লৈ ভালকৈ দুটামান থেকেচনি দিলে। মিছা। মণিয়ে পেদেলডাল ঘূৰাবলৈ চালে। অ'! ফ্ৰিহুইলটো দেখোন দুই পিনে ঘূৰা হ'ল। সোঁফালে ঘূৰালে চাইকেল চলিব, বাওপিনে ঘূৰালেহে অকল ফ্ৰিহুইলটো ঘূৰে। এতিয়া সি দুই পিনে ফ্ৰি। - গ'ল জহান্নামে ! ফ্ৰিহুইলৰ স্ক্ৰিপ্ৰং ছিগিছে নিশ্চয়। বিৰক্তিত হৰিনাথে পাছচকাটোত আৰু দুটামান থেকেচনি দিলে। আগেয়েও মাজে মাজে ফ্ৰিহুইলটোৱে নধৰা হয়। স্প্ৰিংডালে এৰি দিয়ে। থেকেচিলেই ধৰে। বৰ্তমান চকাটো ঘূৰিলেও হ'ল।

চাইকেলখন জোৰেৰে পাছলৈ ঠেলিলে হৰিনাথে। কন্সটো অলপ ঢিলা হৈ গ'ল। অলপ সময় পাছলৈ ঠেলি নি চকাটো ভালদৰে ঘূৰা হোৱাত আকৌ আগলৈ লৈ আহিল। আগৰ ঠাই পাৰ হৈ দুই-তিনি নলমানহে গ'ল আকৌ চকা ৰৈ গ'ল।

আগৰ ব্যৱস্থাকে দোহাৰিলে। আকৌ আগবাঢ়িল। আকৌ পূৰ্বৱৎ। চাৰি পাঁচবাৰ আগলৈ পিছলৈ গৈ ঘৰৰ ওচৰ পালেহি। আকৌ 'জাম'। ঘৰত গৈ হোমিওপাথি কৰিবই লাগিব, কিন্তু বৰ্তমান আসুৰিক চিকিৎসাৰ প্ৰয়োজন। খঙত গাৰ বল দি চাইকেলখন টান দিলে, পুতেকেও বুটৰ আশা বিসৰ্জন দি দুইহাতে দিলে ঠেলা। কড়ৎ - কড়। বল বোধহয় গুৰি হৈ গেছে। কিন্তু চাইকেল চলিল। লগে লগে ৰিমত খটাং খটাং কিবা পৰাৰ শব্দ হ'ল। ওহোঁ, মণিৰ জেপৰ বুট তাত কিয় পৰিব ! পাছচকাৰ বলবিলাক নাচি নাচি ওলাই আহিছে ভিতৰৰ পৰা। নিশ্চয় কন্‌স্ ভাগিছে বা হব্‌চৰ ঘাট ছিগিছে, মণিয়ে ফটা কাগজ এখন লৈ বলবিলাক গোটালে। কেইবাটাও বিচাৰি নাপালে। যথা লাভ। পদুলি পালেহি; কিন্তু এইকণ বাটকে কেনেকৈ নিয়া যায়? পুতেকক হেণ্ডেলত ধৰিবলৈ দি হৰিনাথে পাছচকাটো বোজাৰে সৈতে দাঙি ধৰিলে। আগা চকাটোৱে কান্দি কান্দি আৰু পাছ চকাটোৱে মুচমুচাই হাঁহি হাঁহি ভিতৰ সোমাল। সাত দিন সাত ৰাতি হোমিওপাথিক, আসুৰিক নানা চিকিৎসা চলিল। হুৎ-হাৎ ঘুট-ঘাট শব্দত ৰাতি দুপৰলৈকে সেই কেইদিন চুবুৰীয়া দুঘৰমানো শুব নোৱাৰিলে। প্ৰথম দুৰাতিমান মণিৰ মাকে টোপনি যাবলৈ প্ৰচণ্ড চেষ্টা কৰিছিল। বিফল হৈ 'তেইচ্‌কল'ৰ ছয়ত্ৰিশ পুৰুষ উঘালি একোটা চাকিৰ পোহৰতে টাকুৰীত এড়ি কাটিবলৈ লাগিল। মণিৰাতো টোপনি আহিবই নোৱাৰে। চাইকেল তাক লাগেই আৰু ভাল লাগে টুকটাক মেৰামতিৰ কামবোৰ চাই। বাপেকৰ বুদ্ধিৰ ওপৰত তাৰ গভীৰ আস্থা। বাপেকে চাইকেলৰ যেনেকৈ টাপলি মাৰিব জানে, তাৰ বিবেচনাৰে বাপেকে ইচ্ছা কৰিলে, ফ্ৰিহুইল, চেইন আদি দুটামান বস্তুৰ বাদে ঘৰতে এখন 'বাইচিকোল' সাজিব পাৰে। বাওঁফালৰ পেদেলডাল এৰাই গ'ল। কাঠ এচটা খুলি লগাই দিলে, হৈ গ'ল পেদেল। চেইনডাল ছিগিছিল। গজাল এটা মাৰি দিলে ৰিপিটকৈ। ফ্ৰিহুইলৰ স্প্ৰিং মিহি, সেই তাঁৰডাল, - অভাৱত টিউব এডোখৰ কাটি মিহিকৈ লগাই দিলে, চলি গ'ল ফ্ৰিহুইল। এবাৰ বোলে ক'ৰবাত ভলটিউব ছিগি যোৱাত জোক এটাৰে ভলটিউবৰ

কাম চলাই আনিছিল বাপেকে। বাওঁফালৰ ক্ৰেঙ্কটো ভালকৈ টান নহয়। এক্সেল ক্ষয় যোৱাৰ কাৰণে। টিং এডোখৰ কাটি এক্সেলত এপাক মেৰিয়াই দিয়াত কপকপীয়া হৈ গ'ল। কাটাৰ পিনটো ঢিলা হৈ গৈছিল। সেই একেটা উপায় - টিং কাটি টাপলি দিলেই হ'ল।

সিদিনা চাইকেলখন ওপৰলৈ চকা দুটা কৰি পৰি থকাৰ পাছত বেৰত আঁউজি থিয় হ'ল ।

দুপৰীয়া ভাত খাই উঠাৰ পিছত হৰিনাথে দীঘল দি সাদিনৰ জঠৰতা দূৰ কৰাৰ চেষ্টা কৰিলে; মণি একাষত বহিল। টাকুৰীটো লৈ মাকো একাষত বহিলহি। ভায়েক দুটাই ভগা বি, বি কাপ দুটা লৈ ঘিলা খেলিছে। তিনিওৰে মুখত এটা স্বস্তিৰ ভাব। চাইকেলখন যে ভাল হ'ল তেওঁ। ভাগ্যে আগৰবাৰৰ বজাৰত অলপ লাভ পাই চাউল অলপ সৰহকৈ কিনি আনিছিল। দুয়ো সাঁজ খোৱা হ'লে পৰালি পৰিলহেঁতেন। অৱশ্যে যোৱা ৪/৫ বছৰমান এসাঁজেই খাই আহিছে। গতিকে এইটোৱেই স্বাভাৱিক নিয়ম যেন হৈ গ'ল ঘৰৰ সকলোৰে। বুজিব পৰা হোৱা মণিৰ তলৰ ভায়েকটোৱে মানুহে এসাঁজ খায় বুলিয়ে জানে।

মণিয়ে অৱশ্যে ইমান বহলাই ভবা নাই। তাৰ দৃষ্টি আঁউজাই থোৱা চাইকেলখনৰ ওপৰত, কিমান যত্ন লৈও তাক চিক্‌চিকীয়া কৰিব নোৱাৰিলে। হেণ্ডেলবাৰডাল কেনেকুৱা কুষ্ঠ বেমাৰীৰ নিচিনা হৈ গৈছে। চকা কিটা সামান্যভাৱে দাৱ খাই আছে। টায়াৰৰ তিনিঠাইমানত টাপলি। দুঠাইত ভিতৰি একোডোখৰ টায়াৰ দি ডবল টায়াৰ কৰা হৈছে। সেই ঠাই দুডোখৰ দেখাতে অলপ গেৰেলা হৈ উঠে। 'ফুল পাম্প' দি চকা কিটা টন্‌টনাই ৰাখিব পৰা হ'লেহে 'ফো-ফোঁৱাই চলিলহেঁতেন নহয়। বেছি পাম্প দিলেই টায়াৰ এৰাই লৰ মাৰিব পাৰে—''বাষ্ট' কৰিব। প্ৰতাপৰ চাইকেল যেনি যায়, টায়াৰৰ মাজৰ ফুলটোৰ মহি সাঁচ এটা

ধুনীয়াকৈ বৈ যায়। প্ৰতাপৰ চাইকেলৰ স্প’ক্‌বিলাকে চলাই যোৱাৰ লগে লগে কেনেকৈ চিক্ চিক্ কৰি উঠে। সিদিনা প্ৰতাপে তাক অলপ উঠিবলৈ দিছিল। পেদেল মাৰিছে নে চাইকেলখন নিজেই গৈ আছে ধৰিব নোৱাৰি। তাৰ চাইকেলত সাতবাৰ পেদেল মাৰিলে চকাটো অতি বেছি চাৰিপাক ঘূৰে। ...চাওঁতে চাওঁতে চাইকেলখন ব্ৰেডনিউ ৰেলি এখন হৈ পৰিছিল।

“মই কালিলৈ ৰাতিপুৱাতে বাগান এখনলৈ যাম। তাত বোলে গোটেই ষ্টাফ ডিচ্‌মিচ্ কৰিছে। নতুন ল’ব।” বহু সময় নীৰৱতাৰ পিছত বাপেকে প্ৰথম কথা কৈ উঠিল। “মোক অথনি ৰামনাথে কৈ গ’ল। তেৱোঁ যাব।”

মাকে নতুনত্ব একো নাপালে। এনে চাকৰি কতবাৰ খালি হৈছে। পাই পাই নাপায়। কত চাহাবে কিমানবাৰ ‘এড্‌ৰেচ্’ খুজি ৰাখিছে। মণিৰ কিন্তু চকুহাল অসম্ভৱ উজ্জ্বল হৈ উঠিল। বহুত চাকৰি ? নিশ্চয় এটা পাব। এইবাৰ পাবই।

“এইবাৰ পাবই।” হঠাৎ তাৰ মুখেদি ওলাই গ’ল। বাৰু, দেও-ল’ৰাৰ মুখৰ পৰাও ওলাইছে যেতিয়া। “চাওঁ বাৰু মণি, ধৰচোন আঙুলি এটাত। গোলাপ আৰু পদুম।” হৰিনাথে তেনেকৈ মঙ্গল চায় সোঁহাতৰ তৰ্জনী আৰু মধ্যম দুটা নাকৰ ওচৰত ধৰি মণিৰ ফালে ‘মেলি দিয়ে’ গোপাল আৰু পদুম, বা তেনে দুটা নাম। এটাত ধৰিলে পাব, আনটোত বিফল।

মণিয়ে ভগৱানৰ বহুত নামৰ ভিতৰত কেইবাটাও নাম একেলগে মনত পেলাই খপ্ কৰে আঙুলি এটাত ধৰিলে।

“গোলাপ। পাম। পোৱাৰ আশা।”

মণিয়ে যেন জাঁপ মাৰি গৈ লাফ্ মাৰি চাইকেলখনত উঠিব।

“পালে কিন্তু প্ৰথম দৰ্মহাৰে নতুন চাইকেল এখন ।” ভায়েক দুটায়ো হঠাৎ বুজিলে যে কিবা এটা পোৱাৰ আলোচনা চলিছে।

“ইহ, মোৰ চোলা ।”

“মোৰ জোতা, দেউতা।” একেবাৰে সৰুটোৱেও উচ্চাৰণ কৰিব পাৰিলে।

মাকে দেখিলে কথাত গুৰুত্ব দিব পৰা হৈছে। ঠিক নাই, পাই যাবও পাৰে। তথাপি আগৰে পৰা আব্দাৰ আৰম্ভ কৰাত সিহঁতৰ ওপৰত খং উঠি গ’ল। ইহঁতেই কুলক্ষণীয়া, নহ’লেনো পাব লগীয়া চাকৰি নাপায়নে। লোকৰ এটা এটা ল’ৰা-ছোৱালী হয় - ধনে ধানে উভৈনদী হয়। তেওঁলোকৰ তিনিটা আৰু এটা অহাৰ আশাও দেখা গৈছে, ক’তা চুণৰ চৰু।

“এই কুলক্ষণীয়া গজমূৰাহঁত। আৰু অলপমান আশা কৰ। ইয়াৰ যে কোব চাৰ। পেটত ভাত নাই, গাত কাপোৰ নাই, ৰজাৰ তিনিবছৰীয়া খাজনাত ভেটিটো যায়হে, পঢ়িবলৈ মাচুল নাই, কিতাপ নাই, তাৰ চাইকেলখনহে আগ।”

বাপেকে উপভোগ কৰিছিল। আজিকালি দুখ আৰু নলগা হ’ল। গতিকে উপভোগ কৰে। এনেবিলাক কথা, কিন্তু চাইকেলৰ কথাই গহীন কৰি পেলালে ভাব। চাহাবৰ চাইকেল। আচল ষ্টীল। গোটেই হাৰ্দি। এনে লোহা ক’ত পাবি? পাৰ্টচবিলাক বদলাব পাৰিলেই হ’ল। ৰং দিলেই সেয়ে নতুন। চলি থাকে মানে চলাই থাকে। “ই এইখনে চিকচিক্ নকৰে, টিক্‌টিক্ নকৰে, ব্ৰেক নাই, বেল নাই - টান।”

“টানতো লাগে। ঢিলা কেলেই? নতুন ফ্ৰিহুইল এটা লগালেই টিক্ টিক্ কৰিব। ৰং দিলেই চিকচিক্ কৰিব। আৰু ব্ৰেক। লাহে লাহে চলালেই হ’ল।

ক'তা, আমি চলালে দেখোন ব্ৰেক্-ফ্ৰেক্ একো নালাগে। তই উঠিব নাজান, চলালেই বেয়া হয়।" মণিৰ কাণত একো সোমোৱা নাই। সি নতুন বাইশ ইঞ্চিয়া চাইকেলত উঠি 'ফোনেনোৱাই' ফুৰিছে, তাকো চেদেলত। পেদেলো ঢুকি পায়। প্ৰতাপৰ দৰে ওখ চাইকেল নহয়।

ৰামনাথ আৰু হৰিনাথৰ চাকৰিৰ উদ্দেশ্যে চাইকেল যাত্ৰা আৰম্ভ হ'ল। দুয়ো সমান বয়সীয়া। প্ৰায় একে সময়তে দুয়োৰো চাকৰি যায়। সাধাৰণতে চাকৰি যোৱা মানুহবিলাক হালৰো নহয়, ফালৰো নহয়। নোৱাৰে ঘৰত খেতি-বাতি কৰিব, নোৱাৰে বেহা-বেপাৰ কৰিব, নাপায় চাকৰি। ৰামনাথৰ অলপ মাটি-বাৰী আছিল। ঘৈণীয়েকৰ অলপ অলঙ্কাৰো আছিল। আৰু আছিল ডেকা কালতে শিকা মদ খোৱা অভ্যাসটো। মাটি-বাৰী, অলঙ্কাৰ আৰু মদ খোৱা অভ্যাস তিনিওটা বস্তু একেলগে থাকিব নোৱাৰে। গতিকে আগৰ দুটা সোনকালেই ঘৰ এৰি পলাল। ৰামনাথৰ উদ্যম স্ফূৰ্তি কিন্তু কাবু হোৱা নাই - বাবু হৈয়ে আছে।

ৰামনাথৰ কিন্তু চাইকেলখনো আছে। এই অঞ্চলত দুজন মানুহে প্ৰথমে চাইকেল ঘেলায়; ৰামনাথ আৰু হৰিনাথ। নিজে মেৰামতি নাজানে। গতিকে হৰিনাথৰখনতকৈও তাৰ দুৰৱস্থা বেছি। বে'ল আৰু ব্ৰেক নামৰ দুটা বস্তু যে সৃষ্টিকৰ্তাই চাইকেলৰ কাৰণে কেতিয়াবা সৃষ্টি কৰিছিল, ৰামনাথৰ চাইকেল বা বাইকখন দেখিলে বিশ্বাস কৰিবলৈ টান হয়। (ৰামনাথে 'বাইক' বুলি কয়।) পাছ চকাত মাদগাৰ্ড নাই, আগ চকাত এফুটমান মাদগাৰ্ড ধৰণৰ জৰাজীৰ্ণ পদাৰ্থই আত্মৰক্ষণ কৰি আছে। সি বে'ল আৰু ব্ৰেকৰ কাম কৰে। তাত ভৰি তুলি হেঁচা মাৰি দিলেই চকা ৰৈ যায়। বাকী সকলো সময়তে খড়ক খড়ক শব্দ এটাৰ সৃষ্টি কৰাই তাৰ কাম। চকাৰ টায়াৰকেইটা সাপৰ গাৰ দৰে পিছল আৰু কাগজৰ দৰে পাতল হৈ পৰিছে। পাছচকাত কেবা ঠাইতো স্প'ক নাই, তাৰ ফলত ৰিমটোত বিৰাট এটা 'টাল'। চলি যাওঁতে পিছ ফালৰ পৰা সূত্ৰধাৰী এজনে নাচি নাচি যোৱা

যেন লাগে। চেদেলৰ ওপৰত নানাবিধ কাপোৰ মেৰিয়াই মজবুত অথচ কোমল কৰা হৈছে। এনে অৱস্থাত পৃথিৱীৰ সকলো বস্তুৱেই আচল হয়, কিন্তু ৰামনাথৰ চাইকেলৰ চলি থকাটোৱেই ধৰ্ম। এৰা, ৰামনাথেও এটা চাকৰি পাব লাগে। মণিয়ে ভাবে। খুৰা বুলি মাতে সিহঁতে। ৰামনাথ খুৰাৰ ল'ৰা জীৱন তাৰ সমনীয়া। বেচেৰা জীৱনৰো চাইকেল নাই। দুয়ো দুখন নতুন চাইকেল ল'ব। এসপ্তাহমান একো কাম নাই, দুয়ো চাইকেলৰ ওপৰতে ঘূৰি থাকিব, ঘূৰি থাকিব...। সি স্পষ্টকৈ দেখিবলৈ পালে দেউতাক আৰু খুৰায়েকৰ চাইকেল দুখনে কুৰি মাইল বাট অতিক্ৰম কৰিছে। চাহ বাগানৰ গেটৰ মুখতে চাহাব ৰৈ আছিল। দুয়ো ঘপ কৰে নামিল; চেলাম দিলে। চাহাবে 'হেণ্ডচেক্' কৰিলে। তৎক্ষণাৎ অফিচলৈ মাতি নিলে। দেউতাকৰ চাইকেলখন দেখি চাহাবে কেবাবাৰো চালে। চাহাবৰ চাইকেল হাজাৰ হওক। বাপেকে তৎক্ষণাৎ নিজৰ ইংৰাজী আৰু হিন্দীত চাহাবক বুজাই দিলে। মিঃ ফক্স্ চাহাবৰ চাইকেল আছিল। তেতিয়াৰ দিনৰে ১৫ টকা লৈছিল চাহাবে তাৰ দাম। "এ ভেৰি গুদ বাইচিকোল চাহাব; খাটি ষ্টীল। বাট মাই চন মণি" ...ধেৎ তাৰ কথা আৰু কিয় ক'ব। তাৰ কথা নক'লেও চাহাবৰ চাইকেলখনৰ মৰ্যাদা ৰক্ষা পৰিব। তাৰ পিছত 'এপইন্টেড'।

এই শব্দবিলাকৰ অৰ্থ আৰু ব্যৱহাৰ মাক আৰু ভায়েকহঁতেও জনা হ'ল।

কিন্তু সেই যাত্ৰাত এই প্ৰথমবাৰৰ কাৰণে ৰামনাথৰ চাইকেল অচল হ'ল। আগ চকাৰ টিউবটোৱে বাৰ্ষ্ট কৰিলে। হৰিনাথৰ ক্ৰেঙ্ক হুইলটোও অভদ্ৰ হৈ উঠিল। বুঢ়া সোলাৰ দাঁত বুলিবলৈ নাই, চেইন নধৰা হ'ল। বাটৰ কাষৰ গছ এজোপাৰ ছাঁত দুয়ো বহিল। বিড়ি এটা টনাৰ লগে লগে হৰিনাথৰ বুদ্ধিৰ ভঁৰালটোৰ দুৱাৰখন মেল খাই গ'ল। বাকচটো উলিয়াই, ৰেঙ্স্, প্লাচ, হাতুৰি উলিয়াই ল'লে। এঘণ্টাৰ ভিতৰত ৰামনাথৰ চাইকেলৰ টিউবৰ মেৰামতি হ'ল। ক্ৰেঙ্ক হুইল অৱশ্যে ভাল কৰিব নোৱাৰি। ৰামনাথে চাইকেল চলাব। হৰিনাথে

নিজৰ চাইকেলত উঠি এটা হাতে ৰামনাথৰ গাত ধৰি থাকিব। মাত্ৰ ৫ মাইলমান বাট আছে। গতিকে ৰামনাথে টানি নিব পাৰিব।

মণিয়ে আঙুলি দুটা নাকৰ ওচৰত অলপ সময় ধৰি থাকি চকু মুদি জপ কৰিলে। এটা বকুল, এটা তগৰ। বকুলত ধৰিলে পাব, তগৰত ধৰিলে নিষ্ফল। ভায়েকক মৰমেৰে ওচৰলৈ মাতি আঙুলি দুটা মেলি দিলে।

"ধৰ ভোলা ধৰ, ভালকৈ ধৰিলে চেনিবুট (নকুলদানা) পাবি। সেইদিনা যে খাইছিলি?" চেনিবুটৰ আশাত দুয়োটাকে সাবটি ধৰিলে।

"গেৰেলা ! বোন্দা মেকুৰী ! এটাত ধৰিবি।"

দ্বিতীয়বাৰ আকৌ মন্ত্ৰ মাতি মেলি দিলে। এইবাৰ তগৰত ধৰিলে পাব, বকুলত ধৰিলে নাপায়। ভোলাই গালি খাই ভয়ে ভয়ে বকুলত ধৰি পেলালে। তিনিবাৰেহে নিবাৰ হয়। গতিকে শেষবাৰ বহু সময় মন্ত্ৰ কৰি আঙুলি দুটা মেলি দিলে পদুম আৰু জবা। পদুমত পাব, জবাত নিষ্ফল। পদুম হোৱা আঙুলিটো বুদ্ধি কৰি আগবঢ়াই দিলে অলপ বেছিকৈ। পদুম—পাই গ'ল, পাবই।

মাকে তাঁতশালৰ পৰা শুনিছিল। দেও-ল'ৰাৰ কথা-কপাল ভাল হ'বলৈ কেতেপৰ ! সিহঁতৰ ওচৰত আহি থিয় দিলেহি।

মণিয়ে আনন্দত চিঞৰি উঠিল।

"সিদিনা ভজা ঘিলা পিঠা আছেনে ঐ? এটা ভোলাক দে। সি ধৰি দিছে।" "চাৰি অ'ৰামান ঘিলাপিঠাই পোৱালি পাৰি থাকিবনে? টপাটপ্ খাই নিলি, নিষ্পত্তি পালে। চাওঁ বাৰু ধানকেইটামান আনগৈচোন, মই এখন চাওঁ।" কেউটা ল'ৰা-ছোৱালী ওচৰ চাপি আহিল। মণিয়ে একেলৰত এমুঠি ধান আনিলেগৈ।

কেইটামান ধান হাতত লৈ মাকে মনতে মন্ত্ৰ মাতিলে অৰ্থাৎ ভগৱানৰ নাম কেবাটাও আওৰালে। তাৰ পিছত মাটিত ধানকেইটা পেলাই দিলে। এযোৰ, দূযোৰ, তিনি যোৰ...সকলো যোৰ যোৰ হৈ গ'ল। প্ৰথমখন মঙ্গলে নাপাব বুলিয়ে ল'লে। দ্বিতীয়খন চোৱা যাওক, এটা বিযুৰীয়া হৈ ৰ'ল। সকলোৰে উৎসাহ বাঢ়ি গ'ল।

এইবাৰ মাটিত আঁক মাৰি চালে। বহুত আঁক যোৰে যোৰে মিলি এটা আঁক বেছি হ'ল। পাবই। দেউতাক আজি অহাৰ কথা। চাকৰি পাব লাগে ভগৱানে যদি মুখ তুলি চায়। মণিৰ চকুদুটা নতুন চাইকেলৰ স্প'কৰ দৰে চক্‌চকাই উঠিল।

আৱাজ এটা যেন বহুত দূৰৰ পৰা ভাহি আহিছে। সিহঁতৰ চাইকেল ঠিক। মাক-পুতেকে কাণ উনালে। এই আৱাজ সিহঁতৰ চাইকেলৰে হ'ব। মণি লৰ মাৰিলে বাটলৈ। হয়, দেউতাক আহিছে চাইকেল ঠেলি ঠেলি। চাইকেলৰ বহুত পুৰণা পাৰ্টছ - ক্ৰেঙ্ক হুইল, পেদেল, টায়াৰ টিউব আদি চাইকেলৰ চাৰিওফালে ওলোমাই লৈ আহিছে। চাইকেলৰ গাত খুন্দা খাই খাই সেই লোহাবিলাকে অদ্ভুত এক ঐকতান সৃষ্টি কৰিছে। ৰামনাথ খুৰাকেও চাইকেল ঠেলি আনিছে। তেওঁৰ আগচকাৰ ফৰ্কডালৰ দুইফালে বাঁহৰ দুটা কামি আঁটি আঁটি বন্ধা। ফৰ্ক ছিগিল....নিশ্চয়। টলং পলংকৈ আহিছে।

মণি আগবাঢ়ি গৈ চাইকেলত ধৰিলেগৈ। ৰামনাথে বাহিৰে বাহিৰে ঘৰলৈ গ'ল। চাইকেলৰ বহুত পাৰ্টচ আহিছে। বাগানৰ কোনো কৰ্মচাৰী বন্ধুৰ পেলাই থোৱা পাৰ্টচ। ঘৰখন এসপ্তাহলৈ কাৰখানা হৈ পৰিব, সন্দেহ নাই।

মাকে লৰালৰিকৈ চাহ একাপৰ যোগাৰ কৰিলে। আগধৰি ধঁপাত এচিলিম লগাই আনিলে। মণিয়ে বস্তু কঢ়িওৱাত লাগিল। চাউল চেনিৰ সৰু সৰু

টোপোলা দুটাও বেগৰ ভিতৰত আহিছে। বোধহয় কিনি আনিছে। অলপ চাহপাতো। বাগানৰ কৰ্মচাৰীৰ পৰা খুজি আনিছে। তেনেকৈ প্ৰায়ে আনে।

কিন্তু, এয়া কি। ফ্ৰেমৰ 'জইন' দেখোন এৰাল। ক্ৰেঙ্কৰ ওচৰৰ 'জইন'টো এৰাই গৈছে।

আঙুলিৰে ঠাই-ডোখৰ পৰীক্ষা কৰিলে সি। বাপেকে, ধমকি দি উঠিল।

"থৈ দে, থৈ দে, তোৰ কাম কৰ। আঙুলিৰে চুলে 'জইন' ভাল হোৱাৰ মন্ত্ৰ নাই। মিস্ত্ৰীৰ তাত জ্বালাই কৰি আনিলেই হ'ল। ফ্ৰেমটো ঠিকেই আছে, আচল হাৰ্দ্দি।"

চকা, চেদেল, ক্ৰেঙ্ক, সকলো সোলোকাই শুদা ফ্ৰেমটো বেৰত আঁউজাই থৈ খাই বৈ যেতিয়া সকলো আজৰি হ'ল - বেলি তেতিয়া ভাটী দিলে। মিস্ত্ৰীৰ তালৈ আজি ফ্ৰেম নিয়া নহ'ব। গাটো বৰ অৱশ হৈ পৰিছে হৰিনাথৰ। বিছনাত অলপ দীঘল নিদিলে কাতৰ হৈ গৈছে।

আগৰ দৰেই সকলো চাপিকুছি গোট খালে। চাকৰিৰ খবৰটো সকলোৱে জানিবলৈ ব্যগ্ৰ, কিন্তু সুধিবলৈ সাহ হোৱা নাই। পোৱাটো নায়েই, তথাপি কি হ'ল জানিব লাগে। চাহাবে 'এড্ৰেছ' ৰাখিবও পাৰে, 'চাত্ফিকট' চাবও পাৰে।

চাকৰি খালি হৈছিল এটা আউট্ড'ৰত। গোটেই ষ্টাফ্ ডিছমিছ হোৱা মিছা। সত্তৰজন মান গৈ দেখা কৰিছিল। বুঢ়ামানুহ নাৰাখে, ডেকা এজনক ৰাখিলে। মেট্ৰিক পাছ।

ঘৰৰ ঠিকা ওলাব পাৰে। চাহাবে 'এড্ৰেছ্' ৰাখিছে। বস্তিৰ ঘৰ। বাঁহ ইকৰাৰ ঠিকাও ওলাব। কিন্তু চিলেটীয়া মানুহ ইতিমধ্যেই ভৰি পৰিছে। ঠিকাবিলাক সিহঁতেই লৈ পেলাইছে। বাগানৰ।

এইবিলাক একো নাথাকিব। চাহাব-চুহাব চব যাব। যোৱা দুবছৰে চাহাবৰ দেশত যিখন যুদ্ধ হৈ আছিল সি এতিয়া ভাৰত সোমাইছে। চাহাবে দেশ এৰি গুচি যাব লাগিব। তেতিয়া বহুত চাকৰি, বহুত ঠিকা ওলাব।

বাপেকে হোঁকা হুঁপ হুঁপি নিৰ্বিকাৰভাৱে কৈ গ'ল কথাবোৰ। বহুত চাকৰি, বহুত ঠিক ওলাব। বহুত টকা হ'ব। মণিয়ে ভাবিলে, সিও ডাঙৰ হ'ব। টকা ঘটিব। চাইকেল এখন - এখন নতুন চিক্‌চিকীয়া চাইকেল।

কিন্তু...কিন্তু কোঠাটোত পৰ্বত যেন হৈ পৰি থকা এই যন্ত্ৰপাতিবোৰ! এইবোৰ 'ফিট' কৰি কেতিয়া শেষ হ'ব ? চাইকেলখন আকৌ আগৰদৰে থিয় হ'ব পাৰিবনে?

হৰিনাথেও প্ৰথম প্ৰথম দুৰ্বলতা অনুভৱ কৰিছে। ভগা বাত, জোৰা দে, ঢাপলি মাৰ, কিমান কাম। শৰীৰৰ সকলোবোৰ সিৰা যেন কোঁচ খাই উঠিল। চাইকেলখনৰ খণ্ড বিখণ্ড 'পাৰ্টচ'বোৰৰ দৰে নিঃসাৰ হৈ পৰিছে শৰীৰৰ যন্ত্ৰবিলাকো।

কিন্তু চাইকেল ভাল কৰিবই লাগিব। বজাৰ হাট কৰিবই লাগিব। ঘৈণীয়েকলৈ চালে। পাটৰ মেখেলা পিন্ধি আছে। জোৰোণত দিয়া পাটৰ মেখেলা। অসমীয়া মানুহে অতি সুখী আৰু অতি দুখী অৱস্থাতহে ঘৰত পাটৰ মেখেলা পিন্ধে। যোৱা দুবছৰে সাধাৰণ মেখেলা এখনো দিব পৰা নাই।

মণিয়ে কিন্তু সেইবিলাক ভাবিব পৰা নাই। চাইকেলৰ 'পাৰ্টচ্'বিলাক নতুন ৰূপত চিক্‌মিকাই উঠিছে তাৰ চকুৰ আগত। ফ্ৰেমটো নতুন ৰং আৰু কিনাৰত ৰঙা আঁচ লৈ তিৰবিৰাই উঠিল। ক্ৰেঙ্ক্, ৰিম, সকলোৰে ৰূপ গ'ল বদলি। চাই থাকোঁতেই সকলো বিলাক মিলি এখন 'ব্ৰেণ্ড নিউ' ৰেলি হৈ প্ৰাণৰ আনন্দত গোঁ-গোঁৱাবলৈ ধৰিলে। লাফ্ মাৰি মণি উঠাৰ লগে লগে আপোনা-আপুনি চলিবলৈ

আৰম্ভ কৰিলে চাইকেলখন। টিক্ টিক্ টিক্....ফৰৰ ফৰৰ....টিলিলিং টিলিং লিং...। টিলিলিংংং..... বাহিৰত চাইকেলৰ বেল। নিশ্চয় প্ৰতাপ আহিছে।

কিন্তু আচৰিত কথা, আজি হৰিনাথৰ মন প্ৰতাপৰ চাইকেল দেখি ঈৰ্ষাৰে ভৰি বুঠিল। নতুন নতুন মানুহ ওলাইছে। নতুন নতুন ডেকা। বুঢ়াক আঁতৰাই দিছে চাকৰিৰ পৰা, কৰ্মক্ষেত্ৰৰ পৰা। নতুন নতুন চাইকেল ওলাইছে। চাহাবৰ চাইকেল, 'নেটিভ'ৰ চাইকেল একে কথা ! ক'তা খাটি ষ্টীল হৈও নিজৰখন চাইকেলৰ 'জইন' সুলকি গ'ল কিয় ?

*১৯৫৬-৫৭*

# কেঞা আঙুলি

ন-ছোৱালী চাবলৈ মানুহ তেলৰ ধাৰেহে বয়। চাবলৈ গ'লে বিয়াতকৈ বিয়াৰ পিছৰ এই দিনকিটাতহে হেঁচা বেছি পৰে। আঁতৰৰ গাঁৱৰ পৰাও ছোৱালী, বুঢ়ী, ডেকেৰী, বোৱাৰী ভাতপানী খোৱাকৈ আহে - ন-ছোৱালী চোৱাৰ হেঁপাহত। ন-কন্যা হ'ল সোমেশ্বৰৰ নৱপৰিণীতা পত্নী যোগেশ্বৰী। ন-কইনাৰ স্বাভাৱিক লাজতকৈও আন এটা কথাইহে, জীয়ৰী-বোৱাৰীৰ ৰং-ৰহইচ, হাঁহি-খিকিন্দালিৰ মাজতো সময়বিলাক যোগেশ্বৰীৰ কাৰণে নাযায় নুপুৱায় কৰি তুলিছিল। কেতিয়া এই মানুহবিলাকৰ হেঁচা পাতলে, কেতিয়া পুৰণি হৈ লয়, এইটোৱেই একমাত্ৰ চিন্তা। ঘৰখন গচকি লোৱাৰ পিছত লাগে সকলোৱে জানক কথাটো, - কিন্তু প্ৰথম ধুমটোতে সকলোৱে জানিব পৰাটো কম লাজৰ কথা হ'বনে ? কিন্তু য'তে বাঘৰ ভয়, ত'তে ৰাতি হয়। ইমান চেষ্টা যত্নও বিফল হ'ল-কইনা চাবলৈ অহা তিৰোতাৰ শেন চকুৱে কথাটো ধৰা পেলাবলৈ সৰহ পৰ নালাগিল।

কোনোবা এজনী সৰু ছোৱালীয়ে কথাটো কৈয়ে পেলালে আগতে — "ইয়ে! নবৌৰ দেখোন, আঙুলিটো কেনেকুৱা।" চাৎ কৰে বাজিল যোগেশ্বৰীৰ বুকুত - আঙুলিটো যিমান পাৰে কেঁচাই পেলালে, কিন্তু ধৰা যেতিয়া পৰিলেই এতিয়া লুকুৱাই কি হ'ব। উপস্থিত কোনোৱে ওঁঠ চেপি হাঁহিলে, কোনোৱে চকুৱে চকুৱে কথা পাতিলে, আদহীয়া এজনীয়ে চকুৰ ঠাৰেৰে মনে মনে থাকিবলৈ কোৱাতহে যেনিবা ৰ'ল।

সোমেশ্বৰৰ লগত বিয়াৰ কথা-বাৰ্তা চলাৰ দিন ধৰি কইনাৰ ঘৰৰপৰা ল'ব লগা সকলো ব্যৱস্থাই ল'লে, যাতে 'কথাটো' দৰাঘৰীয়া কাৰো কাণত নপৰে। ছোৱালী চাবলৈ অহাৰ দিনা সাৱধান হ'ল যাতে আগৰবাৰৰ দৰে ভুল হ'বলৈ নাপায়। আগতে কেবাযোৰা গ্ৰাহকে ভাগিছে। অকল এই কাৰণতেই। ছোৱালী চাই

খাই-বৈ বিদায় লয়। পিছত উত্তৰ পঠিয়াই দিয়ে - ছোৱালী বেয়া নাছিল, লৈ লৰ মৰাও নহয়, দলিয়াই পেলোৱাও নহয় কিন্তু... ।

গতিকে যোগেশ্বৰীৰ মাক-বাপেক মহা চিন্তাতে পৰিছিল। গাঁৱৰ লগৰ ছোৱালীবিলাকক এজনী এজনীকৈ উলিয়াই দিলে কিন্তু যোগেশ্বৰীহে থুপৰি লাগি থাকিব লগা হ'ল - অকল এটা বেয়া গুণৰ কাৰণে। নহ'লে যোগেশ্বৰীও দেখনিয়াৰ ছোৱালীয়ে আছিল — কামে কাজে বেছ ঘৰ ধৰিব পৰা, কিন্তু কি হ'ব, কপাল। সোমেশ্বৰ অকলশৰীয়া ল'ৰা। নিজৰ অৱস্থাটো টনকিয়াল কৰি লৈ মনৰ হেঁপাহেৰে বিয়াৰ আয়োজন কৰিছিল। বহু ঠাইৰ পৰাই ছোৱালী যাচিছিল। শেহত থিৰ হ'লগৈ এই যোগেশ্বৰীত। সম্বন্ধ কৰিবলৈ দুয়ো ফালৰ পৰাই বংশ, গোসাঁই, ৰাহি-জোৰা, সকলো মিলিল ভালদৰে, বিয়াও হৈ গ'ল সুকলমে। বিয়াৰ পিছদিনাৰ পৰা সম্পূৰ্ণ দায়িত্ব হ'ল যোগেশ্বৰীৰ গাত - এতিয়া সদ্‌নাম-বদ্‌নাম তায়ে অকলে মূৰ পাতি ল'ব লাগিব। কিমান নিঃসহায় তাই ভাবে। তাইৰ ভৰিৰ কেঞা আঙুলিটোৱেই তাইৰ কাল হ'ল; গাখীৰত গোবৰৰ ছিটিকনিৰ দৰে তাইৰ সকলো গুণ মাটি কৰি দিলে।

যাবৰ সময়ত কদমীৰ মাক বুঢ়ীয়ে সোমেশ্বৰকে কৈ গ'ল—"কি চাই বিয়া কৰাইছিলি ? চকুত নপৰিলে নে কাৰো ?"

সোমেশ্বৰৰ মুখ কেঁহাৰাজ বটা যেন হ'ল। হ'বৰ কথাই - বহুত আশা-ভৰসা কৰি বিয়াখন পাতিলে - এতিয়া দহে-চাৰিয়ে বেয়া বোলাটোৱে যদি হ'ল, তাৰ সকলো অথলে গ'ল।

তথাপি সেপ ঢুকি সুধিলে—"কিনো হ'ল ?"

"ভৰিৰ কেঞা আঙুলি দুটা চাবিচোন - ফোঁট লগৈ, হেৰ' ফোঁট লগৈ। ছোৱালী চাবলৈ মানুহ পঠিয়ালি কাক ? আমাৰ নিচিনা বোৰলৈতো মনত নপৰে

কিবা আগ ভাগ লওঁগৈ বুলি।” সৰু মাতেৰে কথাখিনি কৈ কদমীৰ মাক উচাৎ মাৰি যোৱা দি গ’ল। সোমেশ্বৰৰ মনটোৱে হাহাকাৰ কৰিবলৈ ধৰিলে।

তাৰ পিছত কথাৰ অন্ত নাই। ন-কইনাৰ ভৰিৰ কেঞা আঙুলি দুটা দীঘল - কুলক্ষণ। কোনোৱে হাঁহিলে - কোনোৱে তাল দিলে।

ফুচ্-ফুচ্ ফাচ্-ফাচ্কৈ মুহূৰ্ততে সকলোৰে মাজত কথাটো জনাজাত হ’বলৈ সৰহ পৰ নালাগিল। যিবিলাকে কথাটো লক্ষ্য নকৰাকৈ গৈছিল - কৌতুহলী হৈ সকলো আকৌ ওচৰ চাপিবলৈ ধৰিলে।

বেচেৰী - ন-কইনা - এবাৰ শেঁতা পৰে এবাৰ ৰঙা হয় - যিবা ওৰণিখন ছোৱালীহঁতে মিলিজুলি টানি-আঁজুৰি অলপ চুটি কৰিছিল, এইবাৰ আকৌ ওৰণি আহি কঁকাল পালেহি। নিশ্চয় গিৰিয়েকৰ কাণত কথাটো ইমান সময়ে পৰিছেগৈ। গিৰিয়েকে বা কি ভাবিছে। মানুহজন বা কেনেকুৱা স্বভাৱৰ। ছি—ছি—আগতে কথাটো কাণ চোৱাই থ’ব লাগিছিল দৰা পক্ষত। যদি এই কথাটোৱে মন তিতা লগায় - সিহঁতৰ ঘৰৰ লগত চিৰকাল মাত-বোল আহ-যাহ বন্ধ হয়। যদি মাক-বাপেকক বা ঘৰৰ আন মানুহক অপমান কৰে - জেঠাল দেওৰহঁতে বা গিৰিয়েকেই। কি কুক্ষণত ঈশ্বৰে তাইক জন্ম দিছিল - বেচেৰীয়ে কপালকে দূষিবলৈ লাগিল ওৰণিৰ তলতে। ক’ব নোৱৰাকৈয়ে তাই আঙুলি দুটা হেঁচা মাৰি টানি ধৰে - ঠিক কাছৰ ডিঙিৰ দৰে। সেইপিনেই যদি আঙুলিটো ঈশ্বৰে নাইকিয়া কৰি দিলেহেঁতেন বা জোখৰ কৰি দিলেহেঁতেন।

ভিতৰত তিৰোতা মানুহৰ হেঁচা বাঢ়িবলৈ ধৰিলে। বাহিৰতো গাঁৱৰ মানুহ চ’ৰা-ঘৰ ভৰি আছে। বিয়াঘৰীয়া মানুহ - বিয়াৰ নিচিনা ডাঙৰ উছৱ এটা হৈ গৈছে। তাৰ উপৰি কইনা আনি থৈছে। লগতে তামোলখন, ধঁপাত চিলিম, চাহটোপা খাবলৈকো বুলি মানুহ আহেই। সোমেশ্বৰৰ মনত একোকে ভাল লগা

নাই। মানুহৰ মাজৰ পৰা ওলাব পাৰিলেই যেন ৰক্ষা পায়। ক'ৰবাত যেন অকলে বহিবগৈ।

কদমীৰ মাকে কৈ যোৱা কথাষাৰেই যেন কাণৰ ওচৰত ভুন-ভুনাই আছে - বাকী সকলো কথা-বাৰ্তা একো শুনা নাই।

সি তেনেহ'লে ঠগ খালে। এই বছৰটোত গাঁৱৰ আৰু ওচৰ চুবুৰীয়া গাঁও কিখনৰো যি কিখন বিয়া হৈ গ'ল - সকলোতকৈ সি জিকিছিল। ধুম-ধাম, আয়োজন, খুউৱা-বুউৱা, একোৰে ক্ষতি-খুন হোৱা নাছিল। ছোৱালী চায়ো সকলোৱে তাকেহে প্ৰশংসা কৰিলে। 'দেখাই-শুনাই এই খণ্ডৰ ভিতৰত সোমেশ্বৰৰ ছোৱালীয়েই ভাল' - দুই এজন আদহীয়াই তেনে মন্তব্য কৰা সোমেশ্বৰৰ কাণত পৰিছিল। বাকী কিজনৰ অলপ নহয় অলপ ঘুণ আছেই - কোনোৰ চুলিবিলাক গুৱলা, কোনোৰ গা-গাৰি বৰ শকত, কোনোৰ খৰম-যুৰীয়া ভৰি, কোনোৰ চকু দুটা কেঁৰা, কোনোৰ আকৌ গাৰ বৰণটো বৰ ক'লা, ইত্যাদি। এনে অৱস্থাত সোমেশ্বৰৰ মনৰ অৱস্থা কেনে হৈছে, সি নিজেহে বুজিছিল। ঘৰখনৰ সকলো ৰং-ধেমালি, হাঁহি-খিকিন্দালি যেন মোলান পৰি গ'ল। সকলোৱে অন্তৰত বুজিছে কি হৈছে কথাটো; কিন্তু বাহিৰত প্ৰকাশ কৰিব পৰা নাই।

কইনাৰ ঘৰৰ পৰা যিসকল আহিছিল তেওঁলোকে প্ৰতি মুহূৰ্ততে এনে এটা অৱস্থাৰ কাৰণে সাজু হৈয়ে আহিছিল। কিন্তু প্ৰথমছোৱা ভাল ভাবেই যোৱা দেখি মনবিলাক মুকলি সাকলি কৰি দু-আষাৰ দৰা-ঘৰীয়া মানুহৰ লগত কথা-বতৰা পাতিব পাৰিছিল। কিন্তু অকস্মাৎ দৰাঘৰীয়া মানুহবিলাকৰ ভাব-গতিৰ পৰিৱৰ্তন দেখি সকলোৰে মন গোন্ধালে। ল'ৰালৰিকৈ বিদায় লৈ যাব পাৰিলেই যেন ৰক্ষা পৰে - দুই এজন জনা-বুজাৰ মনে উচ্‌পিচাবলৈ ধৰিলে।

অভ্যৰ্থনাৰ কোনো ত্ৰুটি হোৱা নাই। চাহ-জলপান, ধঁপাত-তামোল আদি মাজে-সময়ে যোগান ধৰি আছে। এজন এজনকৈ গাঁৱৰ মুনিহবিলাক উঠি যাবলৈ ধৰিলে। সোমেশ্বৰে মনৰ অৱস্থা ঢাকি সহজ ভাবেই কথা-বাৰ্তা পাতিবলৈ ইমান চেষ্টা কৰিলে - কিন্তু ওহোঁ, কোনোপধ্যেই মনক সহজ কৰিব নোৱাৰে।

ভিতৰত কইনাৰ চাৰিপাশে বহি তিৰোতাবিলাকেও তামোল-চহৰ, শ্ৰাদ্ধ কৰিছে। কথাটো পোনে পোনে আলোচনা কৰা নাই হওঁতে, কিন্তু ইমান ডাঙৰ কথা এটা সাধাৰণ ভদ্ৰতাৰ খাতিৰতে আলোচনা কৰিবলৈ এৰি দিবনে? গাঁৱৰে ভোগৰ মাকেই তামোল কটাৰ লগে লগে আৰম্ভ কৰিলে - "কিয়, হৰিৰ নবৌয়েকৰ ভৰি হাল খৰম-যুৰীয়া, ক'তা, দেখোন সিজনী সোমোৱাৰ দিন ধৰি ঘৰখন দোপতদোপে বাঢ়িবলৈ ধৰিলে।"

কেজনীমানে হয় দিলে। "ওঁ হয় দিয়া। ঠিকেই কৈছা তুমি, সকলো ঈশ্বৰৰ সৃষ্টি। দেখোঁতে লেতেৰী গেন্ধেলীবিলাকেইহে ঘৰ ধৰি একঠা খাইছেগৈ।"

আন এজনী আদহীয়া তিৰোতাই তামোল এখন মুখত ভৰাই মুখত খোৱা ধঁপাত অকণ ছিঙি লৈ ক'লে - "কয়ে নহয় বোলে, 'সুতিৰী ফেদেলী, সুফল কদলী'।" পাল নামৰ ঘোষা ধৰাৰ দৰে কেইবাজনীয়েও ফকৰাটো ওপৰতে ধৰি নেফানেফ্ কৰি পেলালে। লগে লগে 'থৈ দিয়া, সকলো মিছা, ভাগ্যখনহে সঁচা', 'লই খুনীয়া কুলই খুনীয়া সকলোবিলাক নিজে সজা কথা' আদি মন্তব্যৰ জাউৰি উঠিবলৈ ধৰিলে। আৰু ঘৰখনৰ আগৰ গোমা ভাৱটোও যেন পাতলি যাবলৈ ধৰিলে। এনে সময়তে মৌজাদাৰণী সোমাই আহিল।

গাঁৱৰ মাজত মৌজাদাৰণী বুলিলে বুলিবৰ নাই। যাৰে তাৰে ঘৰলৈ মৌজাদাৰণী নাযায়ো । সোমেশ্বৰৰ ঘৰলৈ কিন্তু বিয়াই খাৰুমণিয়ে সমানে আহিছে মৌজাদাৰণী। বাহিৰৰ পৰা সোমেশ্বৰে ওচৰত ল'ৰা-ছোৱালী কাকো নাপাই নিজেই

অলপ বেৰখনৰ ওচৰলৈ আহি আস্ত-ব্যস্তকৈ দলটোলৈ লক্ষ্য কৰি ক'লে - "অ' হেৰা, আমাৰ মৌজাদাৰণী আই আহিছে, বহিবলৈ দিয়া।" বহুতো তিৰোতা মানুহ আছিল। সোমেশ্বৰৰ আগত যিবিলাকে ওৰণি লয়, মাতটো শুনিয়ে সেই সকলোৱে ওৰণিবিলাক টানিবলৈ ধৰিলে। কিন্তু সোমেশ্বৰ সোমাই নহা দেখি আধা সামৰিয়ে বহুতে থৈ দিবলৈ বাধ্য হ'ল। কথাত যেনেকৈ বুৰ গৈ আছে হঠাতে ওৰণি বিচাৰি উলিওৱাটো জানো সহজ। কইনাজনীয়ে আকৌ মিছাতে ওৰণিলৈ হাতখন নিলে। মৌজাদাৰণীৰ কাৰণে বেলেগ দলিছা পাৰি দিয়া হ'ল। দলটোৰ সকলোৱে সম্ভ্ৰমেৰে চালে। তামোলেৰে সেলেঙি লগোৱা মুখখনেৰে মিচিকিয়াই হাঁহি মৌজাদাৰণীয়ে সুধিলে, "ক'তা, কইনাই দেখোন এহতীয়া ওৰণি টানি বহি আছে? আমি ওৰণি চাবলৈ অহা নাই একা?"

লগে লগে হাঁহিৰ গুণ্‌গুণনি উঠিল। এজনীয়ে কৈ উঠিল— "দে আই দে, মৌজাদাৰণী আই আহিছে, ওৰণিখননো গুচাই নিদিয় কিয় ?"

লাই পাই এজনী সৰু ছোৱালীয়ে গৈ ঠাইতে ওৰণিখন খহাই দিলে।

ইতিমধ্যে ভোগৰ মাকে গৈ তামোল এখন দিয়াৰ চলতে মৌজাদাৰণীৰ কাণে কাণে ক'লে কথাটো। কাণে কাণে কি ক'লে সকলোৱে বুজিলে - আৰু প্ৰতিক্ৰিয়াটোনো কেনে হয় উদ্বিগ্ন হৈ সকলোৱে বাট চাই ৰ'ল - কিন্তু সকলো আচৰিত হ'ল। মৌজাদাৰণীয়ে কথাটো সহজ ভাবেই ল'লে - কোনো উদ্বিগ্নতা প্ৰকাশ নকৰিলে।

মৌজাদাৰণীয়ে যেন সৰুকৈ ক'লে, "কিনো হ'ল তাকে?" ভোগৰ মাকে লগে লগে ফুচ্‌ফুচনি এৰি ডাঙৰ গলাৰে মাত ধৰিলে - "এৰাহে আই, তাকেহে কৈছোঁ, কিনো নোহোৱা কথাটো হ'ল !" মৌজাদাৰণীয়ে যেতিয়া আচৰিত নোহোৱাকৈ ৰ'ল, - তেনেহ'লে কথাটোত ইমান গুৰুত্ব দিবলগীয়া নহ'ল।

লগে লগে কাৰোবাৰ মনত যিকণ খুকুৰিও আছিল সকলো পৰিষ্কাৰ হ'ল। ঘৰখন আকৌ আগৰ বিয়াঘৰীয়া হৈ পৰিল। মৌজাদাৰণীয়ে ঘনে ঘনে ফুচুৰি কৰি স্বাভাৱিক গভীৰ্য ৰাখিও সকলোকে হঁহুৱাবলৈ ধৰিলে; কিন্তু সেই প্ৰসঙ্গৰ অৱতাৰণা হ'লে নকৰিলে।

বেচেৰী কইনাৰ বুকুৰ পৰা যেন শিল এটা কোনোবাই নমাই নিলে। মৌজাদাৰণীৰ ভৰিত পৰি যেন কান্দি পেলাব - দেৱী তুল্যা মানুহ দেহি ! পৰৰ সুখ বুজে।

বাহিৰত সোমেশ্বৰ উদ্বিগ্ন হৈ আছিল - মৌজাদাৰণীয়ে কি কয়! মৌজাদাৰণীৰ একাষাৰ কথাৰ মূল্য সকলোতকৈ বেছি। গতিকে লগে লগে সোমেশ্বৰৰ মন আকৌ ফৰকাল হৈ পৰিল।

চাহ-তামোল খাই মৌজাদাৰণীয়ে সকলোকে মাত-বোল লগাই যাবলৈ ওলাল। সোমেশ্বৰে বাটৰ মুখত ৰৈ আছিল মৌজাদাৰণীক লগ ধৰিবৰ কাৰণে।

"যায়গৈ নে আই ?"

"এৰা যাওঁ, ছোৱালী চালো।"

"পানী-দুনি এটোপা ধৰা হ'লনে নাই ?"

"হৈছে হৈছে সকলো হৈছে।"

"আৰু", সোমেশ্বৰৰ মুখত যেন নোলায় - জিভা যেন শুকাই গৈছে। মৌজাদাৰণীৰ লগে লগে সিও আগবাঢ়ি গ'ল। কি বুলিনো সোধে !

সৰুকৈ কাঁহ এটা মাৰিলে। "গম পালেই নহয় ? আমাৰ কপাল। কথাতে কয় - যাৰ যত সহংকাৰ, কপালকে লৈছোঁ।"

“অ’ সেই আঙুলিটোৰ কথা ? কোনো কথা নহয় - বেছ ‘লক্ষ্মী’ ছোৱালী পাইছ। সেইটো কোনো কথা নহয়।”

পুলকত সোমেশ্বৰৰ গা সিৰ-সিৰাই উঠিল। “কাৰো কথাত কাণ নিদিবি - বঢ়িয়া ছোৱালী পাইছ?” কথাৰ লগতে ক’ব নোৱৰাকৈয়ে মৌজাদাৰণীৰ ভৰি গৰু খোজৰ পানী এডোঙত পৰিল - মেখেলাখনত ছিটিকনি পৰিল। সোমেশ্বৰে ইচ্-আচ্ কৰিলে - মৌজাদাৰণীৰ ভৰি হাললৈ চকু দিলে। বাহিৰত বোকা-পানীৰ কাৰণে মৌজাদাৰণীয়ে সাধাৰণতে পিন্ধাৰ দৰে চেণ্ডেল জোতা আদি পিন্ধা নাই। কিন্তু থৰ হৈ ৰ’ল সোমেশ্বৰ। মেখেলাৰে টানি ঢাকিব খোজা মৌজাদাৰণীৰ খালি ভৰি হাললৈ সি অবাক বিস্ময়ৰে চাই ৰ’ল। মৌজাদাৰণীৰো যে ভৰিৰ কেঞা-আঙুলিটো দীঘল।

১৯৫২

# নিঃসন্দেহ

সম্পূৰ্ণ অপ্ৰত্যাশিত এই বসন্তৰ চিঠিখন। স্বাতীয়ে বোলে মোলৈ লিখিবলৈ বহুদিনৰ পৰা অনুৰোধ কৰি আছে। আজি কিছুদিনৰ পৰা স্বাতীৰ কিছুমান ‘ষ্ট্ৰেঞ্জ বিহেবিয়াৰ’ (অদ্ভুত আচৰণ) দেখা গৈছে। যিকোনো কথাত আঁকোৰ-গোজ হৈ পৰে, স্বাস্থ্যৰ অৱনতি হৈছে। সেই কাৰণে অন্ততঃ এসপ্তাহমান মই সিহঁতৰ তাত থকাটো স্বাতী আৰু বসন্ত দুইটাৰেই বাঞ্ছা। তাৰ উপৰি দিনবিলাক বসন্তৰ কাৰণেও বোলে কিবা কিবা আমনি লগা হৈছে। পিক্‌নিক্ এটাৰো যা-যোগাৰ কৰিছে, মই গৈ পালেই হ’ল। কেতিয়া যাম আগতে জনালেই জীপ পঠিয়াব।

স্বাতীৰ যোগেদিয়েই স্বাতীৰ স্বামী বসন্তৰ লগত প্ৰথম চিনাকি। অৱশ্যে তেওঁ হেনো মোক আগতে দেখিছিল আৰু ক’ৰবাত মোৰ বক্তৃতাও শুনিছিল। পাৰ্টিৰ কামত, বিশেষকৈ ইলেক্‌শ্যনৰ সময়ত কেবাখনো সভাত বক্তৃতা দিব লগা হৈছিল, গতিকে শুনিব পাৰে বুলি মই উত্তৰ দিছিলো। এয়া হ’ল স্বাতীৰ বিয়াৰ এমাহমানৰ পিছৰ কথা। স্বাতী আৰু বসন্ত দুয়ো আহিছিল স্বাতীহঁতৰ ঘৰলৈ।

বসন্ত ফুকন নাম কৰা গোলকী, ক্ৰিকেট খেলুৱৈ আৰু হাত পোন চিকাৰী। মুঠতে মানুহজনৰ গাত স্পৰ্টছ্‌মেন স্পিৰিট এটা থকাৰ কাৰণেই আন বহুত কথা সহজভাৱে লোৱাৰ দৰেই স্বাতীৰ লগত বিয়াখনো সহজভাৱে ল’ব পাৰিলে। প্ৰথমবাৰ স্বাতীয়ে তেওঁৰ লগত হ’ব লগা বিয়াখনো ভাঙি দিছিল। স্বাতীৰ বিষয়ে বহুত কথা ৰটনা হোৱাও নিশ্চয় তেওঁৰ কাণত পৰিছে। মোৰ লগত ৰাজনৈতিক সভা-সমিতিত যোগ দিয়া, মোৰ লগত বেছিকৈ হলি-গলি কৰা, সেইটোকে উপলক্ষ্য কৰিয়ে অৱশ্যে এই ঘটনাবিলাক আৰম্ভ হৈছিল যদিও, স্বাতীৰ সম্পৰ্কে শতকৰা নিৰান্নবৈ জনৰে আগৰে পৰাই বেয়া ধাৰণা।

অন্যান্য ছোৱালীতকৈ স্বাতীৰ গাত কিছুমান বিশেষত্ব আছিল, যিখিনি ‘অসাধাৰণ’ - সহজেই আমাৰ সমাজৰ চকুত পৰে। যি কি নহওক, গুজবত বিশ্বাস নকৰিয়ে, এবাৰ বিয়াখন ভগাৰ পিছতো, দ্বিতীয়বাৰ যেতিয়া তেওঁ সেইখন বিয়াকে কৰাবলৈ আগবাঢ়িলে, তাৰ বাবে বসন্ত ফুকনক মই প্ৰশংসা কৰিছিলো সৎসাহসৰ। মোৰ লগত প্ৰথমবাৰ ইমান আন্তৰিকতা আৰু মুকলি মনেৰে ব্যৱহাৰ আৰম্ভ কৰি দিলে যে তুলনাত মোৰ সঙ্কোচটোৱেই সন্দেহজনকভাৱে গঢ়ি উঠিছিল। বসন্তৰ চকুলৈ চালো, পৰিষ্কাৰ। থুতৰিটো লক্ষ্য কৰিলো, পৌৰুষব্যঞ্জক দৃঢ়তা। এইবিলাক স্বাস্থ্যৱান মানুহ, দহজনে কি গুজব বাটিলে বা কোনে বেনামী চিঠি লিখিলে, সেইবিলাক কথাই ছাল সহজে ‘নিবিন্ধেগৈ’ ! যি নহওক, স্বাতীৰ ভৱিষ্যৎ সুখী জীৱন এটাৰ কল্পনা কৰি সেইদিনা স্বস্তিৰ নিশ্বাস পেলাইছিলো।

“বুজিছে, বিজনদাৰ লগত মোৰ বহুত কুৎসা ৰটনা হৈছিল নহয়? গছত কাগজো মাৰিছিল, ছপা লিফ্‌লেটো ওলাইছিল... কিছুমান বিচাৰিলে এতিয়াও মোৰ ‘ড্ৰয়াৰত’ ওলাব।” মোক যথাসম্ভৱ অপ্ৰস্তুত কৰি স্বাতী সেইদিনা গিৰিয়েকৰ আগত অসম্ভৱ ৰূপে প্ৰগলভ হৈ পৰিছিল। “কিন্তু বিজনদা দেৱতাৰ দৰে লোক, মানুহে হাজাৰ উলিয়াওক।”

স্বাতীৰ এই এটা দোষ, সদায়ে সীমা চেৰাই যায়। সেই কাৰণেই স্বাতীৰ ব্যৱহাৰবিলাক আনৰ চকুত সহজে পৰে। যি কাৰণতেই নহওক, স্বাতীৰ সেইদিনাৰ প্ৰগলভতাত আমাৰ পৰিবেশটোও বিজতৰীয়া হৈ পৰিছিল। মই স্বাতীক বিৰত কৰিবৰ কাৰণে লৰালৰিকৈ কৈ উঠিলো, “সেইবিলাক কথাৰ এতিয়া আৱশ্যক কি স্বাতী, যোৱাটো যাবলৈ দিয়া।” বসন্তই কেনেভাৱে লৈছিল কথাষাৰ, সেই অৱস্থাত বুজি উঠাটো সহজ নাছিল, মাত্ৰ মোৰ কথাষাৰৰ সমৰ্থনত গলটো পৰিষ্কাৰ কৰিছিল। আটিল দেহৰ মানুহটোৰ গাত আঙুলিৰ মূৰৰ পৰা চুলিৰ

আগলৈকে যেন অফুৰন্ত শক্তি আৰু দৃঢ়তাৰ চিন ফুটি উঠিছে। স্বাতী এমাহমান আছিল। বসন্তৰ ছুটী শেষ হোৱাত কামত যোগ দিবলৈ গ'ল।

এয়া প্ৰায় আঢ়ৈ বছৰৰ আগৰ কথা। তাৰ পিছত দুবাৰমান স্বাতীৰ চিঠি পাইছিলো, এবাৰ লগতে একলম বসন্তয়ো লিখিছিল। কিয় জানো, স্বাতীয়ে এইদৰে মোলৈ চিঠি লিখি থকাটো অন্তৰেৰে বৰ ভালপোৱা নাছিলো। মানুহৰ মন স্বাভাৱিকতে সন্দেহবাদী, বিশেষকৈ বিবাহিত পুৰুষৰ মন। বসন্ত ফুকনো মানুহৰ দুৰ্বলতাৰ হাত সাৰিব পাৰিব জানো, সকলো সময়তে - বিশেষকৈ আমাৰ নামত আগতে গুজব ৰটনা হোৱাৰ পিছত। গতিকে, ভালে আছে, চিঠি পাইছোঁ - ধৰণৰ দুআষাৰ কথাৰে ভদ্ৰতা ৰাখি পোষ্টকাৰ্ড এখন দিলো। যথা সময়ত স্বাতীৰ কন্যা ৰত্ন এটি লাভ হৈছে বুলি জানিব পাৰিছিলো। কেইমাহমানৰ পিছত ছোৱালীটি মৰিল বুলিও বতৰা পালো। আজি প্ৰায় ছমাহমানৰ আগৰ কথা। এইবিলাক মৰা-জীয়াৰ বতৰাত নতুনত্ব একো নাছিল, গতিকে সকলো তল পৰিল। পাৰ্টিৰ কামত সোমাই পৰিলো।

আজি আকৌ আঢ়ৈ বছৰৰ মূৰত এই চিঠি, মোৰো গা-মন জুৰি অৱসাদৰ লক্ষণ। অলপতে 'বাই ইলেকশ্যন' এটাত আমাৰ প্ৰাৰ্থী তুলি হাড়ক মাটি কৰি খাটিও হাৰিলো। তেতিয়াহে আচল ভাগৰবিলাকে হেঁচা মাৰি ধৰিলে। সাতে পাঁচে এই নিমন্ত্ৰণটো ৰক্ষা কৰিবলৈকে স্থিৰ কৰিলো। বসন্ত নগাঁৱৰ কোনোবা এখন চাহবাগানৰ এচিষ্টেণ্ট্ মেনেজাৰ। চৰকাৰী বাছত গৈ তিনি চাৰি মাইলমান সোমাই যাব লাগে বোলে বাগানখনলৈ। বতৰা নপঠিয়ালো। খোজ কঢ়াৰ মোৰ অভ্যাস আছে। পাৰ্টিৰ কামত দিনে দহ-পোন্ধৰ মাইললৈকে খোজ কাঢ়িছোঁ। সন্ধিয়া লাগি ভগাৰ পিছত বসন্তৰ 'বাংলো' পালোগৈ। এচিষ্টেণ্ট্ মেনেজাৰৰ 'বাংলো' নহয় যেন ডি-চিৰহে 'বাংলো'। আঁতৰত মেনেজাৰৰ বাংলোটো সৰু সুৰা ৰাজকাৰেং। চকীদাৰৰ যোগেদি মেম চাহাবলৈ শ্লিপ এডোখৰ দি বাৰাণ্ডাতে থিয় দি

বাহিৰৰ সন্ধিয়াটোলৈ চাই ৰ'লো, বৰকৈ লৰচৰ কৰিবলৈও সাহ হোৱা নাই। প্ৰকাণ্ড এলচেচিয়ানটো শিকলিবন্দী হৈ থাকিলেও তাক যেন মনে বিশ্বাস নকৰিব। বতাহত পোৰা কয়লাৰ গোন্ধ, দূৰত কলঘৰ, পাতঘৰৰ ৰঙা টিংবোৰৰ ওপৰত সন্ধিয়াৰ কামছায়া। বনুৱা বস্তিত ঢোল, মাদলৰ বাজনা আৰম্ভ হৈছে। আঁতৰৰ পৰা লাইন চকীদাৰৰ 'কামজাৰি'ৰ দীঘলীয়া উকি আহিছে - চাৰ নম্বৰ কামে কাম।

বাৰাণ্ডাৰ চুইচ্‌টো দি মেমচাহাব সোমাই আহিল। বহুত দিনৰ মূৰত মোক দেখা পোৱাৰ আনন্দখিনি যেন দেহৰ চাৰিসীমা জঁপিয়াই ওলাই আহিব খুজিছে, নৈৰ বুকুলৈ নামি অহা প্ৰথম ধলৰ আগটোৰ দৰেই। পিছ মুহূৰ্ততে নিজক সংযত কৰি আগবাঢ়ি আহি নমাই থোৱা সৰু কেন্‌ভাছৰ বেগটো নিজেই তুলি লৈ মোক পোনে পোনে ভিতৰলৈ লৈ গ'ল। মই হেনো এইবাৰ আহিমেই বুলি মনে গোন্ধাইছিল। চাহাবৰ খবৰ কৰিলো, ক্লাবলৈ গৈছে। , দিনটো মটৰৰ ধূলি, ফুৰাৰ ভাগৰ আৰু ভোক দুয়োটাই আছিল। গা-পা ধুই তেতিয়া স্প্ৰিংযুক্ত চোফাখনত অৱশ দেহাটো বৰ আৰামেৰে সমৰ্পণ কৰি দিয়াৰ লগে লগে ৰেডিঅ'ত লতা মুঙ্গেছ্‌কাৰৰ কণ্ঠ ভাহি আহিল। নানা প্ৰকাৰৰ খাদ্যৰ ট্ৰেখন টিপয়ৰ ওপৰত থ'বলৈ খানচামাক নিৰ্দেশ দি স্বাতীয়ে নিজে 'অভালটিন' প্ৰস্তুত কৰাত লাগিল।

"মই চাহ খাওঁ নহয়—"

"আজি যেনিবা একাপ অভালটিনেই খালে স্বাস্থ্যৰ কিনো বিশেষ ক্ষতি হ'ব।" স্বাতীৰ তাহানিৰ দৰেই শ্লেষযুক্ত কথা।

"আপোনাক আকৌ ওচৰত বহি এজনে 'খুৱাই' থাকিব নহয়।" অভালটিন্ কাপ আগবঢ়াই দি চকী এখন টান মাৰি ওচৰত বহি স্বাতীয়ে ক'লে।

"ক'তা বিজনদা, স্বাস্থ্য কি কৰিছেগৈ !"

দুদিন নুখুৰোৱাৰ কাৰণে যি কেইডাল ডাঢ়ি-গোঁফ হৈছিল তাৰ মাজেদিয়ে মিচিকিয়াই হাঁহিলো।

"অতি পুৰণি কথা। তুমি তাহানিয়ে কৈছিলা।"

"তাহানি এটা উত্তৰ আছিল ।"

"আজিও আছে, সেই একেটা উত্তৰেই – যত্ন লওঁতাৰ অভাৱ" আৰু এটা কাপত নতুনকৈ গুলি অভালটিন একপ্ৰকাৰ জোৰ কৰি মোৰ কাপত বাকি দি ক'লে, "কিয় যশোধৰাই যত্ন ল'ব নোৱাৰিলেহেঁতেননে ? কিয় নহ'ল বিয়াখন ?"

"হাতৰ আখৰ ভাল নাছিল।"

হঠাৎ ডাঙৰকৈ হাঁহি দিলে স্বাতীয়ে।

ইমান সময়ৰ কথা-বাৰ্তাত স্বাভাৱিক কৃত্ৰিমতা এটা দুয়োফালৰ পৰাই স্বীকাৰ কৰি লৈছিলো।

গতিকে হাঁহিটো শিংচৰা বিধৰ হ'ল। কিন্তু উপায় নাই, আমি তেতিয়া তিনি-চাৰি বছৰৰ আগৰ সন্ধিয়া এটাত স্বাতীহঁত চ'ৰাঘৰত দুয়ো দুফালে বহি আছিলো। ওচৰতে থিয় হৈ আছিল স্বাতীৰ মাক। স্বাতীৰ হাতত মোৰ কাকত-পত্ৰৰ ফাইলটো। ফাইলটোত আছিল পাৰ্টিৰ কাগজৰ কাৰণে লিখা দুই-এটা ৰাজনৈতিক প্ৰৱন্ধৰ পাণ্ডুলিপি, এটা গল্প-প্ৰয়াস ।

"এইবিলাক ছপা কৰিছেনে? ক'তো দিয়া নাই?"

মই মূৰ জোঁকাৰিলো। নাই।

“বাঃ গল্পটো ইমান ভাল লাগিছে। বাকীখিনি সম্পূৰ্ণ কৰি নেপেলায় কিয় ?”

“কপি কৰি দিয়াৰ এলাহ ।”

“তেনেহ’লে আপুনি ভাল হাতৰ আখৰ চাই এজনী নবৌ বিয়া কৰাব। সদ্যহতে ময়ে বেয়া আখৰেৰে কপি কৰি দিওঁ ?”

“মোৰ গল্পটো কোনো চকুৰ দোষ থকা সম্পাদকৰ কাকতত উঠিলেও মাত্ৰ এজন পাঠকেহে পঢ়িব। তেওঁৰ কাৰণেই ইমান আয়োজন নকৰি পাণ্ডুলিপিটোকে পঢ়িবলৈ দিয়াই ভাল। “অৰিজিনেলটো দেখাৰ গৌৰৱো থাকিল, অসম্পূৰ্ণতাৰ কাৰণে কল্পনাৰ থলো থাকিল।”

খোৱাৰ পৰ্ব ইতিমধ্যে শেষ কৰিছিলো। স্বাতীৰ মুখলৈ এতিয়াহে ভালকৈ চাবলৈ সুযোগ পাইছোঁ। ক’তা, চিঠিত লিখাৰ দৰে ‘অদ্ভুত’ বিশেষ একো দেখা নাই। শাৰীৰিক অৱনতি অৱশ্যে শঙ্কাজনকভাৱেই হৈছে। মানসিক অৱস্থাৰ বিষয়ে একো অনুমান কৰিব নোৱাৰি তাৰপৰা। এদিন আছিল, স্বাতীৰ লগত দিনৰ দিনটো তৰ্ক কৰিছিলো ৰাজনৈতিক মত সম্পৰ্কে। আমাৰ পাৰ্টিলৈ ‘কনভাৰ্ট’ কৰিছিলো, তৰ্কত হৰুৱাই। তাৰ পিছত পাৰ্টিৰ কামত গা-ঢালিও দিছিল, লিফ্‌লেট্ বিলাইছিল, প্ৰেছলৈ কপি কৰি দিছিল, মোৰ লগত দুই-এখন মিটিঙতো যোগ দিছিল। এদিন মহিলাৰ সভা এখনত বক্তৃতাও দিছিল। ৰাতি কেতিয়াবা ১০/১১ বজালৈকে স্বাতীহঁতৰ ঘৰত স্বাতীৰ লগত আলোচনা কৰিছোঁ, তৰ্ক কৰিছোঁ, নানান বিষয়ৰ: জাতিভেদ, ইণ্টাৰকষ্ট মেৰেইজৰ পৰা, স্ত্ৰী-স্বাধীনতা, শীতল যুদ্ধ, কোৰিয়াৰ সমস্যালৈকে।

পিছলৈ আমাৰ কথা-বতৰাত অযথা সংকোচবিলাক আঁতৰ হৈছিল আৰু শিক্ষিতা ছোৱালী স্বাতীক মোৰ লগত এনেকৈ হলি-গলি কৰাত অভিভাৱকৰ ফালৰ

পৰাও কোনো ৰকম আপত্তিৰ চিন প্ৰকাশ হোৱা নাছিল। স্বাতীৰ চোকা মুখ আৰু দুৰ্দান্ত সাহসৰ বিষয়ে কলেজৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ঘৰৰ অভিভাৱক আৰু নগৰৰ আন মানুহ, কোনেও নজনাকৈ নাছিল। ক'ৰবাত দুই-এজনৰহে, যি স্বাতীৰ ওচৰ চাপিবৰ সুযোগ হৈছিল, স্বতীৰ বিষয়ে ভাল ধাৰণা; কিন্তু সৰহ ভাগেই স্বাতীৰ নামটোতে নাক কেঁচাইছিল, অৱশ্যে লুকুৱাই। স্বাতীয়ে অকলেই মটৰ আদিৰে ভ্ৰমণ কৰা, কেতিয়াবা অকলেই চিনেমা চাই ৰিক্সাত উঠি ঘৰলৈ অহা আদি কামবোৰ সকলোৱে সহ্য কৰিব নোৱৰাটো স্বাভাৱিক অৱশ্যে।

পিছলৈ স্বাতীৰ মাক-বাপেকে গুৰি ব'ঠা এৰি দিলেগৈ; কিন্তু ওখ ধাৰণালৈ নে নাক কেঁচাই, বাহিৰৰ ব্যৱহাৰৰ পৰা ধৰিবলৈ টান। কেতিয়াবা কেতিয়াবা স্বাতীৰ কথা-বাৰ্তা বা কাৰ্য-কলাপে সীমা পাৰ হৈ যোৱা যেন লাগে। মোৰ নিজৰেই মনে মনে কেতিয়াবা অতিষ্ঠ লাগি পৰিছিল, স্বাতীৰ সংস্পৰ্শত। কি এটা অস্বস্তিকৰ অনুভূতি, ঠিক যেন নপুংসক এটাৰ সান্নিধ্যত থকা। এবাৰ মোৰ এনে ধৰণৰ ভাব এটাৰেই সৃষ্টি হৈছিল; পিছলৈ সিয়ে অন্তৰত কিবা এটা প্ৰকাশ কৰিব নোৱৰা খং আৰু ঘৃণাৰ সৃষ্টি কৰি মোক মোৰ অজ্ঞাতসাৰেই স্বাতী-বিদ্বেষী কৰি তুলিলে। মই অৱশ্যে অতি সাৱধানে মোৰ মনৰ ভাব গোপন কৰি ৰাখিছিলো; কিন্তু স্বাতীৰ সহজ প্ৰাণে যেন কিবা এটা বুজি উঠিব পাৰিছিল। পিছলৈ এই বুজি উঠাটোৱেই মোৰ পক্ষে হৈ পৰিল আৰু মাৰাত্মক। ৰাজনীতিৰ মানুহৰ মনৰ এনে স্পৰ্শকাতৰতাত মই নিজেই আচৰিত হওঁ। কিন্তু উপায় নাই। ইয়াৰ কাৰণেই হয়তো মোৰ ফালৰ পৰা স্বাতীলৈ 'ভালপোৱা' ভাবৰ সৃষ্টি নহ'ল। স্বাতীৰ লগত কেনেবাকৈ বিয়া হোৱাৰ কথা ভাবিলেই লগে লগে বিদ্বেষৰ ভাব এটাই ভুমুকি মাৰি উঠে। স্বাতীয়ে বুজিলে আৰু শুধৰাবৰ কাৰণে মাজে মাজে কৃত্ৰিমতাৰ আশ্ৰয় ল'লে, যেন মোকহে ভালৰি বোলোৱাৰ, মন যোগোৱাৰ চেষ্টা এটা কৰিছে। মোৰ এই অৱস্থাটো আৰু অসহ্য। যি কি নহওক, স্বাতীয়ে মোৰ প্ৰতি 'দুৰ্বলতা'

ৰাখিছিল যদিও মোৰ ফালৰ পৰা অকণো উৎসাহ নাপালে। মই নজনাৰ ভাও ধৰি চলিছিলো।

স্বাতীয়ে উঠি গৈ ৰেডিঅ'ৰ ভলিউমটো বঢ়াই দিলে। “সিমানতে থাওক, সিমানতে থাওক স্বাতী, তুমি জানাই নহয় মাত্ৰাধিক্যটো মই সহ্য কৰিব নোৱাৰোঁ।”

ভলিউমটো কমাই দি ৰেডিঅ'ৰ ওচৰত থিয় হৈ মোৰ ফালে অলপ ঘূৰি স্বাতীয়ে বৰ ম্লানভাৱে হাঁহিলে। যেন মোৰ প্ৰত্যেকটো শব্দৰে এটা সুকীয়া অৰ্থ আছে আৰু স্বাতীৰ ওচৰত সেই অৰ্থ পৰিষ্কাৰ।

স্বাতীৰ দেহৰ গঠনটো মনে মনে সদায় প্ৰশংসা কৰি আহিছোঁ। আজিও কৰিলো।

“তেনেহ'লে হাতৰ আখৰ কাৰো ভাল নাপাবই নেকি, এই অসম দেশত ?” ৰেডিঅ'ৰ মিটাৰ সলাই সলাই স্বাতীয়ে সুধিলে।

“যিবিলাক আগবাঢ়ি আহিল তাত কোনোদিনেই ‘চাৰ্ম’ নাপালো, যিবিলাক সদায়ে আঁতৰ হৈ গ'ল, তাৰ কাৰণেই মনে হাবাথুৰি খাই ফুৰিলে।” হাঁহিয়ে উত্তৰ দিলো।

“যেনে - ৰীতা বিনতাহঁত। আৰু ওচৰৰ হ'ল যশোধৰা, আৰু ? আৰু বা কোন।” স্বাতীৰ চকুৰ কোণত তাহানিৰ সেই হাঁহিটো, ঈৰ্ষা, বিদ্ৰুপ, শ্লেষ মিহলি। “ত্ৰিশ বত্ৰিশ বছৰ বয়সলৈকে এনে ৰোমান্টিক মন ৰোগৰ লক্ষণ, চিকিৎসা কৰাওক। এনে বেমাৰী মনেৰে ৰাজনীতি নহয়।” কথাৰ লগে লগে ৰেডিঅ'ত ‘ফুল ভলিউম’ দি দিলে।

স্বাতীৰ কথাত চোক আছিল। মনটো আহত হৈ পৰিল। স্বাতী আৰু মোৰ মাজত 'জাত' সম্পৰ্কীয় সামান্য বাধা এটা আছিল - আজিৰ যুগত যিটো তেনেই নগণ্য। অন্ততঃ মোৰ কাৰণে। কিন্তু সেই ছোৱালীজনী নিশ্চয় স্বাতী হ'ব নালাগিব; সেই কথাও মই স্পষ্টকৈ স্বাতীক কৈ দিব লাগিছিলনে ? গতিকে 'ইণ্টাৰকাষ্ট মেৰেইজ' সম্পৰ্কে মোৰ পৰা পোৱা বেঁকাবেঁকি উত্তৰত স্বাতী অসন্তুষ্ট হৈ পৰিছিল। মোৰ দৰে ৰক্ষণশীল মনোবৃত্তিৰ লোক নেতা হ'বলৈ যোৱাটো ধৃষ্টতা হৈছে, মোৰ পৰা এনেকুৱা উত্তৰ আশা কৰা নাছিল ইত্যাদি আছিল স্বাতীৰ অভিমান।

"ধৰক দুজনৰ ভিতৰত ভালপোৱা হৈছে, মিলনত সামান্য হ'লেও সামাজিক বাধাও এটা আছে। এই ক্ষেত্ৰত আপোনাৰ অভিমত কি হ'ব ?"

"বিয়া হ'ব। অৱশ্যে দুয়োফালৰ পৰা যদি সমানে ভালপোৱা হয়।" কিবা এটা ক'বলৈ গৈয়ো স্বাতী মনে মনে ৰ'ল। ওঁঠ দুটা কঁপি উঠিছিল। মই অৱশ্যে অৱস্থাটো উপভোগ কৰিছিলো।

গুৱাহাটী কেন্দ্ৰৰ পৰা অনুৰোধৰ গান আহিছে 'স্মৃতিৰ বুকুত থৈ যাম মোৰ....' সেই গানটোত হেনো স্বাতীৰো অনুৰোধ আছিল। একান্ত মনে দুয়ো গানটো শুনিবলৈ ধৰিলো। মাজতে এবাৰ 'চৰক'কৈ শব্দ হোৱাত ভলিউমটো কমাই দিলে। বাহিৰলৈ চাই পঠিয়ালো - ডাৱৰ। ঘড়ীলৈ চাওঁ, চাৰে আঠ । ক'তা, ইমান সময়লৈ বসন্ত নাহিল !

"চাহাবলৈ বাট চাব নালাগে, ব'লক ডাইনিং টেবুললৈ যাওঁ।" ৰেডিঅ'ৰ চুইচটো বন্ধ কৰি স্বাতীয়ে মাত লগালে।

"দেৰি কৰেনেকি ক্লাবৰ পৰা আহোঁতে ?"

“ক্লাবৰ পৰা ঠিক সময়তেই আহে, ঘৰ পোৱাতহে পলম হয়।” স্বাতীৰ মাত ক্ষোভ, অভিমান আৰু শ্লেষ মিহলি। মোৰ ভাৰাক্ৰান্ত মনটো কিবা এটা অস্বস্তিয়ে আৰু গধুৰ কৰি তুলিলে। হাজাৰ হওক, মই আজি স্বাতীহঁতৰ অতিথি; গতিকে কোনো প্ৰকাৰে মোৰ মনত আঘাত দিয়াটো গৃহস্থৰ ধৰ্ম নহয় - আনবিলাক বিবেচনাৰ কথা এৰিলেও, স্বাতীৰ চোকা চোকা কথাই মোক ক’ৰবাত বিন্ধিছিল। অথচ পৰিস্থিতিটো এনে আলসুৱা হৈ পৰিছে যে মই স্পষ্টকৈ বেয়া পাইছোঁ বুলি কোৱা দূৰৰ কথা, সামান্য ইঙ্গিতো প্ৰকাশ কৰিব নোৱাৰোঁ। আনহাতে জোৰ কৰি মোৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰোৱা, মোৰ স্বভাৱৰ বাহিৰৰ কথা। ...দুয়ো ডাইনিং হললৈ আগবাঢ়িলো।

মাছ, মাংস, দৈ, ক্ৰীম আদি লোভনীয় খাদ্য-সম্ভাৰ দেখি মই ‘বাগানত ৰাজভোগ কৰিছোঁ’ বুলি প্ৰথম মন্তব্য কৰিলো।

“দেহৰ ভোগ সকলোখিনিকেই পোৱা যায়—বাগানত।” পানী এঢোক খাই অতি সহজভাৱে উত্তৰ দিলে স্বাতীয়ে।

বুজিলো, ডাৱৰ ইতিমধ্যে গোট খাই আছে। স্বাতীৰ প্ৰত্যেক কথাতে বিযোদগাৰ। স্বাতীহঁত সুখী হ’ব পৰা নাই। কিন্তু গুৰিটো ক’ত ?

স্বাতীয়ে মাত্ৰ হাতে ভাতে চুলেহে। কিয় ইমান কম আহাৰ আৰু স্বাস্থ্যৰ বিষয়ে কিবা এটা সোধাৰ আগতেই স্বাতীয়ে কৈ উঠিল, “মই এটা Suspected case, জানেনে বিজনদা ?”

মই থত্‌মত্‌ খাই কিবা এষাৰ উত্তৰ নৌ দিওঁতেই মিচিকিয়াই হাঁহি, স্বাতীয়ে চিয়ঁৰি উঠিল, “মুখলৈ চাই কি বেমাৰ ধৰিব ? ভয় নাই, সংক্ৰামক একো নহয়, এতিয়াও হোৱা নাই।”

ডিঙিৰ গুৰিৰ হাড়কিডাল স্পষ্ট হৈ উঠিছে। চকুৰ গুৰি নীৰস, স্বাতীৰ স্বাস্থ্যৰ ভালেখিনি অবনতি হৈছে। মুখখনলৈ চালে ধৰিব পাৰি, চিৰ অসুখী এটা প্ৰাণ সজাৰ চাৰিবেৰৰ মাজত ধৰ্‌ফৰাই ফুৰিছে।

"কি হৈছে স্বাতী তোমাৰ ?" আগবঢ়াই দিয়া প্লেটৰ পৰা মচলা অলপ লৈ মই গভীৰভাৱে সুধিলো - "স্বাস্থ্যৰ যত্ন লোৱা নাই কিয় ?"

'সন্দেহজনক কেছ' ইলাচি এটা দাঁতেৰে ফালি ফালি স্বাতীয়ে উত্তৰ দিলে। "মোক বিয়া কৰাইছিল পৰীক্ষাৰ কাৰণে, বিজনদা। বিজ্ঞানৰ নিৰ্জীৱ বস্তু এটা মোতকৈ বেছি বিশ্বাসযোগ্য - সেইটোৱে পৰীক্ষাৰ ফল।... বৰ জঘন্য দেশ, আমাৰ দেশ, বিজনদা, নিজে সজা জালত বন্দী আমি মকৰা। আমাৰ বহুত বাধা নিষেধ..."

হঠাৎ কিবা এটা অদ্ভুতভাৱে মোৰ মনত বিজুলীৰ দৰে চমকনি তুলি গ'ল। মোৰ গাটো শিয়ৰি উঠিল। স্বাতীৰ মূৰৰ বিকাৰ হোৱা নাইতো ? বসন্তই যে লিখিছিল 'অদ্ভুত আচৰণ'ৰ কথা মানে ?

স্বাতীয়ে কিন্তু কৈয়ে থাকিল, ভাষা বেছি আৱেগপূৰ্ণ আৰু নাটকীয় হৈ পৰিল। "আটাইতকৈ বেছি জীয়াতু কাৰ ভাগ্যত ঘটিছে জানেনে, বিজনদা ? আমাৰ ভাগ্যত আ-মি। সীমাৰ পৰা এচুলিও ইফাল-সিফাল আমাৰ কোনেও সহ্য নকৰে-কোনেও-কো-নে-ও—আনকি তথাকথিত প্ৰগতিবাদী বুলি গৰ্ব কৰা সকলেও।"

পালেঙৰ খুঁটা এটাত অলপ আঁউজাৰ দৰে থিয় হৈ আছিল স্বাতী। উত্তেজনাত কপালৰ আগত ঘামৰ টোপাল বিৰিঙিছে। স্বাতীৰ প্ৰতি মোৰ ক্ৰমে বাঢ়ি অহা বিদ্বেষ ভাব দূৰ হ'ল, তাৰ ঠাইত, গভীৰ পুতৌ আৰু কৰুণা উপচি উঠিল অন্তৰত। নিজক অপৰাধীৰ দৰে লাগি গ'ল। স্বাতীৰ প্ৰতি যেন ইমানদিন

ঘোৰ অন্যায় কৰি আহিছোঁ - বুজিবলৈ চেষ্টা নকৰি। স্বাতীৰ লগত পৰিচয়ৰ দিনৰে পৰা আজিলৈকে দিনবিলাকৰ ছবি অস্পষ্টভাৱে চকুৰ আগেদি চাঁৎকৰে একেলগে পাৰ হৈ গ'ল। ...কিন্তু বিবাহিত জীৱনটোত স্বাতীৰ দুখ ক'ত, মোৰ দৰে সংসাৰৰ আও-ভাও নোপোৱা ডঙুৱা এটাই কেনেকে বুজিব পাৰিম? ...ছোৱালীজনীৰ মৃত্যুয়েই কিবা মানসিক আঘাত দিলেনেকি?

অলপ ওচৰ চাপি গৈ মৰমেৰে অনুৰোধৰ সুৰত ক'লো, "স্বাতী, তুমি বেছি কথা নক'বা, তুমি শুই থাকা। ময়ে বসন্ত অহালৈ বাট চাম ।"

আশঙ্কা কৰাৰ দৰে স্বাতীৰ ফালৰ পৰা একো আপত্তি নুঠিল। যেন মোৰ আদেশ বা অনুৰোধ ৰক্ষা কৰিবলৈ পালেই তেওঁ কৃতাৰ্থ হয়। মই গৈ বাহিৰৰ ৰুমত মোৰ বিছনাত বহি ৰ'লো।

এঘাৰমান বজাত বসন্ত ওলালহি। কুকুৰটোৱে আনন্দসূচক ধ্বনি কৰিলে। তাৰ পিঠিত দুবাৰমান থপৰিয়াই মোক দেখি এক প্ৰকাৰ সাবটি ধৰিলে। মই অহাত যে আনন্দ পাইছে, তাক সৰলভাৱেই প্ৰকাশ কৰিছে, সন্দেহ নাই। ক্লাবৰ পৰা বাহিৰে বাহিৰে বৰ কেৰাণীজনৰ ঘৰলৈ গৈছিল বোলে। ঘৈণীয়েকৰ অসুখ পুৱাৰে পৰা। তাতে দেৰি হ'ল। এতিয়া 'খালাচ' হৈছে, তেৱোঁ উভতিছে। লগে লগে সৰু-সুৰা এটা বক্তৃতা। তেওঁলোকে বাগানৰ তলতীয়া কৰ্মচাৰীৰ ঘৰলৈ যায়, বিপদে-আপদে বা-বতৰা লয়, একে লগে বিহু-ফাকুৱা পূজা-উছৱ কৰে। 'বগা চামৰা' বিলাকে যে ভাল নাপায় কথাটো, ইত্যাদি ইত্যাদি। কথাৰ লগে লগে এটা মানুহে গাৰ কোট আদি খহাই নিছে। লগে লগে খোৱা-বোৱাৰ খা-খবৰ কৰি শুই থকা স্বাতীৰ খোপাত আঙুলি দুটাৰে থপৰিয়াই শুধিলে - "অ'ল্ড গাৰ্ল, শ্লিপিং ? শোৱা, শোৱা। আজিৰ এই বেলা কেনে পাইছা গা?" উত্তৰ অৱশ্যে বিচৰা নাছিল। স্বাতীৰো টোপনি যোৱা নাই। বসন্তৰ লগে লগে কথা পাতি ময়ো উঠি গৈছিলো।

বসন্তই আঁঠুৱাখন টানি দি চোফাখনত বহিল। এটা মানুহে আহি জোতা সোলোকোৱাত লাগিল।

মই থিয় হৈ থকা দেখি ক'লে, "ইউ বেটাৰ শ্লিপ - শোৱকগৈ আজিলৈ। ভাগৰত আহিছে চাগৈ। মোলৈ কাৰ্ড এটা ড্ৰপ কৰা হ'লে এইছোৱা খোজকাঢ়িব নালাগিলহেঁতেন।" ব্ৰাছত অলপ টুথপেষ্ট ল'বৰ উপক্ৰম কৰি ক'লে - "কাইলৈ 'এনাফ্ টাইম' কথা পাতিম, পিক্‌নিকলৈ যাম। আপুনি কিন্তু এসপ্তাহমান থাকিব লাগিব। স্বাতীয়ে কেদিনমান আপোনাৰ কথা বৰকৈ কৈ আছে। তেওঁ চিঠি লিখিলে বোলে আপুনি নাহিবও পাৰে, সেই কাৰণে মোক লিখিবলৈ ডেইলি ৰিকুৱেষ্ট। অ' কিতাপ পঢ়িব খোজে নেকি? ৱাণ্ট বুক্‌চ ? সেই চেলফ্‌তে চাওক। জানেই নহয় বাগানৰ মাজত সোমাই আছোঁ - 'ফাৰ ফ্ৰম দি চিভিলাইজড্ ৱাৰ্ল্ড'।"

মই তেওঁৰ কথাৰ ফাকে ফাঁকে যেতিয়া সুবিধা পাইছে। 'ওঁ' 'আঁ' 'নাই নাই' আদি বিভিন্ন ভাবসূচক দুই-এটা শব্দ কৈ গৈছোঁ। অৱশেষত 'চেল্‌ফ'ৰ পৰা 'মাডাম বৱাৰি' উপন্যাসখন লৈ শুবলৈ গ'লো।

বহুত ৰাতিলৈ টোপনি নাহিল। স্বাতী আৰু বসন্তক কেন্দ্ৰ কৰিয়ে নানান অসংলগ্ন চিন্তাই মনটো জুমুৰি দি ধৰিলে। শেহ ৰাতিলৈ টোপনি গ'ল। চুলিৰ মাজেদি কোনোবাই মিহি আঙুলিকেইটা যেন বুলাই দিলে। মনটো প্ৰসন্ন হৈ পৰিল। লাহে লাহে চকুহাল মেল খালে। ৰুমত লাইটৰ পোহৰ। ঘৰখনত কোনোবাই খোজকাঢ়ি ফুৰাৰ শব্দ আৰু সন্মুখত থিয় হৈ স্বাতী। - "সুপ্ৰভাত।"

"সুপ্ৰভাত ! কিন্তু ইমান সোনকালে ৰাতি পুৱালনে ?"

"উঠক উঠক, প্ৰায় ২৫ মাইল দূৰ।"

মই অবাক। স্বাতীয়ে সৰু ছোৱালীজনীৰ দৰেই হাঁহিলে। “আজি যে দেওবাৰ, পিক্‌নিক্‌লৈ যোৱাৰ কথা নাছিল জানো ?”

মই উঠি বহি চকু মোহাৰি মোহাৰি ক’লো, “কি আপদ !”

“একো আপদ হোৱা নাই, ৰাতিপুৱাৰ বৰ্ণনা সদায় কিতাপৰ পৰাহে লৈ আহিছে, আজি যেনিবা নিজ চকুৰেই চালে। মুখ-হাত ধোৱক, চাহ আহিব এতিয়া। উঠক আকৌ।”

আগৰাতিৰ দুশ্চিন্তাবোৰ দূৰ হৈছে। স্বাতীৰ অৱস্থা বহুখিনি উন্নত দেখিছোঁ। পূবত ধলফাঁট দিছে। ৰাতিৰ ডাৱৰৰ চিন আকাশৰ গাত আৰু দেখা নাযায়। আধাঘণ্টাৰ ভিতৰতে আমি জীপত উঠিলো, -মই, বসন্ত, স্বাতী আৰু এটা কামকৰা মানুহ।

মটৰেৰে যোৱাৰ উপৰি অলপ দূৰ হাবিতলীয়া বাট খোজকাঢ়ি যাব লাগিব। বাবা বানেশ্বৰৰ থান আছে। গতিকে ঠাইখনৰ নামো। ফৰেষ্টাৰৰ জিম্মাত জীপখন ৰাখি আমি খোজ ল’লো। হাবিতলীয়া লুংলুঙীয়া বাট চাপৰি এখন পাৰ হৈয়ে আৰম্ভ হৈছে। অ’ত-ত’ত চাপৰিয়ালৰ পঁজাবোৰৰ বাহিৰে মানুহৰ স্থায়ী বসতি নাই। অৱশ্যে ম’হৰ খুঁটি সংলগ্ন গুৱালৰ ঘৰবোৰ দুই এঠাইত আছিল। আটাইবিলাকেই খেৰৰ দুচলীয়া পঁজা।

মাজে মাজে আগৰাতি পাৰ হৈ যোৱা হাতীৰ ‘তেজা’ লাদ আৰু এঠাইত শৰ পহুৰ লাদ দেখি সম্পূৰ্ণ যেন দণ্ডকাৰণ্যতহে সোমালোহি। এই ঠাই বোলে হাতী, বাঘ, পহু, ভালুক, আনকি গঁড় আদিৰো বাসস্থান। বন্দুক লৈ অহা নিষেধ, তথাপি চিকাৰীয়ে লুকাই চুৰকৈ চিকাৰ কৰে। বসন্ত নিজে চিকাৰী, গতিকে ঘোৰ অৰণ্যৰ অভিজ্ঞতা তেওঁৰ আছে। মোৰ কিন্তু এনে হাবিত সোমোৱাৰ অভিজ্ঞতা এই প্ৰথম। স্বাতীৰো তদ্ৰুপ যদিও এবাৰ পিক্‌নিক্‌লৈ আহিছিল বোলে। অলপ দূৰ

হাবিয়ে হাবিয়ে গৈ এখন নৈ পাৰ হ'ব লগা হ'ল। পৰ্বতীয়া নৈ পানী নাই বুলিলেই হয়। তথাপি জোতা সোলোকাব লগা হ'ল। নৈ পাৰ হোৱাৰ লগে লগেই - এইখন এখন বেলগ দেশ। যাদুৰ দেশ। বন-কুঁৱৰী থাকিব লগা হ'লে ইয়াতেহে থাকিব লাগিব। মাজে মাজে একোখন ফলং ঠাই, চাৰিওফালে নানা প্ৰকাৰ গছ-গছনিৰে আগুৰা। আই-কুঁৱৰীৰ গা যেন লহ্পহীয়া কেঞাবন, দূবৰি, আৰু এবিধ ৰঙচুৱা পাতৰ বন। 'আই ঐ দেহি' বুলি স্বাতীয়ে এবাৰ বাগৰ দিয়াৰ লোভ সামৰিব নোৱাৰিলে।

ভাৰীটো পিছ পৰিছিল। গতিকে তিনিও বহিলো। বসন্তই মিক্চাৰ এটা জ্বলালে। স্বাতীয়ে ঘাঁহ কেইডালমান কামুৰি কামুৰি উঠি বহাৰ লগে লগে ক'লে, “বিজনদা, আজিৰ দিনলৈ চাই আপুনি কবি নহ'ল কিয় ?”

বসন্ত গহীন হৈ গ'ল। গলা পৰিষ্কাৰ কৰি নিজকে কোৱাদি ক'লে, “জোকে খোৱাত লগাবলৈ একো অনা নহ'ল নেকি ?”

স্বাতীয়ে জাঁপ মাৰি থিয় হৈ আতঙ্কগ্ৰস্ত চকুৰে নিজৰ কাপোৰ-কানি চাবলৈ ধৰিলে।

আমি আগবাঢ়িলো। চাৰিওফালে নাতি-উচ্চ কিছুমান গছক কেনিও পোহৰ সোমাব নোৱাৰাকৈ আগুৰি ধৰিছে বিবিধ বনৰীয়া লতাই। কুঁহিপাতত বিবিধ ৰঙৰ থোপালৈ ফুলা বনৰীয়া ফুলত ফাগুনৰ জুই শিখা যেন জ্বলি উঠিল। আমাৰ প্ৰায় সন্মুখৰ পৰাই আৰম্ভ হৈছে পৰ্বত এটাৰ।

কোনোবা ন শিকাৰুৰ ছবিত যেন থোপা-থোপে সেউজীয়া ৰংবোৰ লাগি গ'ল। মাজে মাজে ছিটিকনি পৰিছে, ৰঙা, কজলা, কলপতীয়া ৰঙৰ। উদ্ভিন্ন যৌৱনা প্ৰকৃতি। ভৰ যৌৱনৰ উগ্ৰ বোল এতিয়াও আহি পোৱা নাই। তাৰ ঠাইত জিলিকি উঠিছে স্নিগ্ধ, শীতল, কলপতীয়া ৰঙৰ উজ্জ্বল আভা এটি। ঠিক যেন

কলপাতত পৰি থকা নৱজাত শিশুৰ কোমল মুখ এখনিৰ সৰল স্বৰ্গীয় জেউতি। হাবিৰ মাজৰ পৰা নানান বনৰীয়া চৰাইৰ গহীন মাতবোৰ পৰ্বতৰ বুকুত প্ৰতিধ্বনিত হৈ উঠিছে।

স্বাতীলৈ চালো। আচৰিত। স্বাতীৰ চকুৰ পতা, মূৰৰ চুলি, গাৰ প্ৰতি অঙ্গ-প্ৰত্যঙ্গই যেন আকুলভাৱে চাৰিওফালৰ পৰা সৰ্বস্ব শুহি ল'ব খুজিছে - মৌৱে ফুলৰ মৌ শুহি লোৱাৰ দৰে। চকুৰ দৃষ্টি স্বপ্নাতুৰ, মুখমণ্ডলত প্ৰকৃতিৰ সেউজীয়া স্নিগ্ধতাৰ প্ৰতিবিম্ব, যেন এখনি সৰল মুখ - নৱজাত শিশুৰ। এতিয়াহে লক্ষ্য কৰিলো স্বাতীৰ সাজযোৰলৈ। পাতল ক্ৰীম ৰঙৰ জৰ্জেটৰ মেখেলা-চাদৰ। তেজীৰঙা বোলৰ মিহি পাইপিং। চাদৰৰ আগত লগাই লৈছে সেই তেজীৰঙা 'পালু' ছটা। মেখেলাৰ পাতলিটো সেই ৰঙৰ পাইপিং। ডাৰ্ক চকলেট চাটিনৰ আটিল ব্লাউজটো। ভৰিৰ জোতাযোৰো ৰঙা। বসন্তৰ ৰং ল'বলৈ স্বাতী হৈ পৰিছে স্বয়ং প্ৰকৃতিজনী।

আৰু অলপ দূৰ গৈয়ে দেখো মানুহ—বহুত মানুহ।

দূৰৰ ওচৰৰ বহুত গাঁৱৰ পৰা বনভোজ খাবলৈ মানুহ আহে, এইকিটা দিনতে। ল'ৰা, তিৰোতা, ডেকা, গাভৰু, আদহীয়া, বুঢ়ালোকৰ এখন গাঁও উঠি আহে। যোৱা ৰাতি ইয়াত এইবিলাক মানুহ আছিল। এতিয়া উভতিছে।

কি সাহত ইয়াত ৰাতি মানুহ থাকিব পাৰে, হাতী বাঘৰ মাজত! ডিঙিত খোল এটা ওলোমাই মাজে মাজে চপৰিয়াই দলৰ আগত উভতি অহা ডেকা এজনক সুধিবলৈ বাধ্য হ'লো।

'বাবা বানেশ্বৰ আছে' - উত্তৰ পালো। কাষৰ বুঢ়া এজনে সন্দেহজনকভাৱে মোলৈ চালে। তেনেকৈ নাম ল'ব নাপায় বোলে। হাতী বাপু, বনৰাজ - এনেকৈহে ক'ব লাগে।

পৰ্বতটোৰ ঘাই টিলাটোৰ নামনিতে শিলেৰে আবৰা কুৰুং এটা। তললৈ নামি যাবলৈ শিলৰ খলপ আছে। ভিতৰলৈ বেছি বহল, জিৰ্-জিৰ্কৈ পানীৰ ধাৰা এটাও তলেদি বৈ গৈছে। তলৰ কুৰুঙত আছে গুপ্ত শিৱ। ইয়াতে ফুল, বেলপাত পইচা দিয়ে যাত্ৰীয়ে।

লগৰ মানুহটোৱে ভাৰৰ বস্তু উলিয়াই চাহৰ আয়োজনত লাগিল। বসন্তই আগবাঢ়ি টিলাটো বগাবলৈ উঠি গ'ল। স্বাতী বহি পৰিল এচটা শিলত - ক্লান্ত, অলস স্বপ্নাতুৰ দৃষ্টিৰে কুৰুংটোলৈ চাই চাই। মই থিয় হৈ চাৰিওফালৰ প্ৰত্যেকটো বস্তুকে পাত পাতকৈ চাবলৈ ধৰিলো - চকু হালেৰে। যেন ক'ৰবাৰ পৰা কিবা এটা ৰহস্য ওলাই পৰিব - যাৰ সমাধান মোৰ অন্তৰে বিচাৰিছে, মোৰ অজ্ঞাতসাৰেই।

- স্বাতী। এয়া স্বাতী মোৰ সন্মুখতে বহি, আজি অৱশ্যে স্বাতী ফুকন। কিন্তু স্বাতী খাওণ্ডো হ'ব পাৰিলেহেঁতেন। “যি আপোনাক বিচাৰি গ'ল তাৰ প্ৰতি কোনো আকৰ্ষণ নাই, নহয়? আৰু যি আঁতৰি গ'ল তাৰ কাৰণেই হাবাথুৰি খাই ফুৰিছে? যেনে, বিনতাহঁত। ৰীতাহঁত।” যেন মোৰ চাৰিওফালটোৱেহে কথা কৈ উঠিল। কুৰুংটোলৈ চাই চায়ে স্বাতীয়ে কথাখিনি কৈ গ'ল, ‘আকৰ্ষণ নাই, মানে ঘিণ কৰিলে ?’ ‘স্বাতী’ - মই এইবাৰ বেছি সজাগ হৈ ক'লো, “স্বাতী, তুমি মোৰ কথাৰ ইমান অৰ্থ কৰিছা ?”

এইবাৰো মোৰ কথালৈ স্বাতীয়ে কৰ্ণপাত নকৰিলে। একে অৱস্থাতে একে সুৰতে কৈ গ'ল, “জানেনে, ৰীতা, বিনতাহঁতৰ কেঞা আঙুলি এটাৰো যোগ্য নহয় আপুনি?” “স্বাতী।” উত্তেজনাত সেহাই-সেহাইহে মাতটো বাহিৰ হ'ল। আহত অভিমানটোৰ প্ৰকাশৰ বাট নাই। গুজৰি-গুমৰি উঠিল অন্তৰে অন্তৰে। এই মুহূৰ্তত মোৰ চাৰিওফালৰ সকলো বস্তুৱে অৰ্থহীন হৈ পৰিল মোৰ কাৰণে। ফাগুনৰ প্ৰকৃতি নিস্তেজ, শেঁতা, প্ৰাণৰ স্পন্দনহীন। কি ক'ম একো ঠিক কৰিব নোৱাৰি ক'লো,

“তোমাৰ মন এতিয়াও পবিত্ৰ হোৱা নাই।” “অৰ্থাৎ আপোনাৰ বিচাৰত মই এতিয়াও ‘সতী’ নহয়, আপুনি চাৰ্টিফিকেট দিছে, বিজনদা?” এইবাৰ স্বাতীয়ে মূৰ দাঙি চালে। চকুৰ কোণত তীব্ৰ হাঁহি এটা, ঈৰ্ষা, ঘৃণা, শ্লেষ মিহলি ।

স্বাতীৰ প্ৰতি পূৰ্বৰ ঘৃণা বিদ্বেষ আকৌ উভতি আহিল। “তুমি মোক অপমান কৰিবলৈ মাতি আনিছিলা ? মই তোমাক ক্ষমা কৰিব নোৱাৰোঁ।” অলপ অধৈৰ্য হৈ মই কৈ পেলালো।

“ক্ষমা !” অদ্ভুত এটা মুখভঙ্গীৰে স্বাতীয়ে শব্দটো উচ্চাৰণ কৰিলে।

সুৰ সলাই স্বাতীৰ আৰু অলপ ওচৰ চাপি, অনুনয়ৰ সুৰত ক’লে, “স্বাতী, সেই বিলাক কথাৰ আজি আৰু প্ৰয়োজন ক’ত ? অতীতক যাবলৈ দিয়া।”

স্বাতী ইতিমধ্যে থিয় হৈছিল। চাহ প্ৰস্তুত। বসন্তও সিপিনৰ পৰা নামি আহিছে। চাহৰ ওচৰলৈ আগবাঢ়ি যাওঁতে স্বাতীয়ে আচলখন গাত ছাটি মাৰি লৈ কৈ গ’ল, “কিন্তু অতীতে জানো এৰিব ? আপোনাক হেৰুৱাই মই তিলমানো অসুখী নহয়। কিন্তু অতীতক হেৰুৱাব নোৱাৰিহে তিল্-তিলকৈ ভুগিছোঁ।”

প্ৰাকৃতিক শোভাৰ বিষয়ে দুই চাৰি আষাৰ কথাৰ মাজেদিয়ে চাহ পৰ্ব শেষ হ’ল। তাৰ পিছত ভাতৰ আয়োজন। বসন্তই পকেট ফল্ডিং কেমেৰাৰে দুটামান ‘স্নেপ’ ল’লে। শুকান খৰি আৰু ‘বিউটি স্পট’ দুইটাৰে সন্ধানত মানুহটো লৈ হাবিৰ মাজলে সোমাই গ’ল বসন্ত। ইতিমধ্যে আমাৰ দৰেই নতুন যাত্ৰীৰ সৰু সৰু দল আহি বেলেগ বেলেগ ঠাইত চাহ-ভাতৰ আয়োজনত লাগিছে। স্বাতী উঠি গৈ আকৌ আগৰ শিল চটাতে বহিলগৈ।

আন আন তিৰোতা মানুহে সেৱা কৰিবলৈ কুৰুংটোত সোমাইছে। অলপ ধেমালিৰ সুৰতে স্বাতীক সুধিলো, “বাণেশ্বৰ বাবাক সেৱা নকৰা জানো ? বেলপাত তামৰ পইচা আনিছানে নাই ?”

মোক আচৰিত কৰিয়ে স্বাতীয়ে ৰুমালখনৰ পৰা পইচা, বেলপাত উলিয়ালে। যেন মনত পেলাইহে দিলো। পানীত তিয়াই পাত এখনেৰে বান্ধি আন তিৰোতাৰ লগতে কুৰুংটোলৈ নামি গ’ল।

স্বাতী যে এইদৰে গৃহলক্ষ্মী হ’বগৈ পাৰিছে, মোৰ ধাৰণাই নহৈছিল।

অলপ পিছত কাষৰ হাবিত ভৰিৰ খোজৰ শব্দ শুনি কেবাজনেও সেই পিনে চাই ৰ’লো। বসন্ত আৰু আগে আগে এবোজা খৰি লৈ লগৰ মানুহটো, মুখতো তাৰ হাঁহিৰ বোজা। পিছে পিছে বসন্ত, কোলাত - বিস্ময়ত মই চিঞৰি উঠিলো - এটি কুমলীয়া পহু পোৱালি। স্বাতীও সৰু ছোৱালীজনীৰ দৰেই জঁপিয়াই উঠিল। মুনিহ, তিৰোতা, আনবোৰেও বেঢ়ি ধৰিলেহি। স্বাতীয়ে বসন্তৰ কোলাৰপৰা পোৱালিটো আলফুলকৈ নিজৰ কোলালৈ লৈ পেলালে। ক’ত পালে, কেনেকৈ পালে, মাক ক’লৈ গ’ল, ইত্যাদি নানান প্ৰশ্নই বেঢ়ি ধৰিলে বসন্তক। এডোখৰ ফলং ঠাইত বগৰী এজোপাৰ ছাঁত শুই থকা অৱস্থাত পাইছে। লগত মাকজনী নাছিল। তাৰ পিছত আকৌ সকলোৰে মাজত জল্পনা-কল্পনা চলিল। পহুটো বৰ দুৰ্বল, গতিকে বোধহয় দুদিনমান মাকৰ গাখীৰ পোৱা নাই। শেহত সিদ্ধান্ত এইটোৱে হ’ল, যে, হয় মাকক কোনো চিকাৰীয়ে চুৰকৈ মাৰিলে, নহয় বাঘ আদিয়ে খালে, নাইবা কালি হঠাৎ ইয়ালৈ মানুহ অহাত ভয় খাই মাকে - পোৱালী এৰি পলাল।

স্বাতীয়ে ইতিমধ্যে কনডেন্স মিল্ক্ অলপ গুলি লৈ পোৱালিটোৰ মুখত চেপি দিবলৈ ধৰিলে। জীয়াৰ আশা ক্ষীণ, কিন্তু স্বাতী যেন বদ্ধপৰিকৰ। নিজৰ

তেজ দি হ’লেও তাক জীয়াব। পহুটো ইমান অৰশ যে যেনিয়ে মূৰটো পেলোৱা হয় সেই পিনেই থাকে। ৰং-ধেমালীৰ মাজেদিয়ে অৱশ্যে আহাৰ পৰ্ব শেষ হ’ল। স্বাতীয়ে কিন্তু খাবৰ সময়তো পোৱালিটো কোলাৰ পৰা ননমালে। বসন্তই আৰু দুটা ‘স্নেপ’ ল’লে পহুটোৰ সৈতে স্বাতীৰ।

ওভোতাৰ সময়ত বিপদ হ’ল পহুটো লৈ। তাৰ আয়ুস অতি বেছি আধাঘণ্টা। সেই আধাঘণ্টা সময় ইয়াত কটাবও নোৱাৰি পহুটো মৰালৈ বাট চাই, কিয়নো আকাশৰ চুকত আকৌ ডাৱৰে দেখা দিছে। আনহাতে স্বাতীয়েও কোনোমতে এৰিব নোখোজে। আনকি আমাৰ কাকো ল’বলৈও নিদিয়ে ! অগত্যা সেই দৰেই হাবিৰ বাটছোৱা আগবঢ়া হ’ল। ফৰেষ্টাৰৰ ঘৰৰ ওচৰ পাওঁতেই সি মৰিল। স্বাতী তথাপি আঁকোৰ-গোজ, মটৰত লৈ যাব। বহুত বুজোৱা বঢ়োৱাৰ পিছত বসন্তই একপ্ৰকাৰ জোৰ কৰিয়ে পহুটো লৈ গ’ল আৰু মানুহটোৰ হতুৱাই আঁতৰত পেলাই দিয়ালে। ফৰেষ্টাৰৰ ঘৰৰ মুনিহ-তিৰোতা আৰু ল’ৰা- ছোৱালী দুই এটা গোট খাইছিল। সেই কাৰণেই স্বাতীয়ে নিজৰ গাম্ভীৰ্য ৰাখিব লগীয়া হ’ল। কিন্তু তাৰ মাজতো মুখখনত যি এটা অভিব্যক্তি প্ৰকাশ পালে অন্ততঃ মোৰ চকুৰ পৰা সাৰি নগ’ল। বোধহয় মই পাহৰিবও নোৱাৰোঁ। বসন্তৰ মুখলৈ চালো, অস্বাভাৱিক গম্ভীৰ ৰূপে চিগাৰেট এটা জ্বলাই লৈ মটৰত ষ্টাৰ্ট দিছে। সাধাৰণতে বসন্তৰ নিচিনা মানুহবিলাকৰ মুখলৈ চাই মনৰ অৱস্থাৰ বিষয়ে জানিব নোৱাৰি।

বাগান যেতিয়া পালোগৈ ঘড়ীত ছয় বাজিছে। বতৰৰ অৱস্থাও বেয়া হৈ পৰিছে। বাটছোৱা প্ৰত্যেকে নিজ নিজ ভাৱত মগ্ন, অতি প্ৰয়োজনত দুই-একেষাৰ ‘ওঁ’ ‘অ’ কৰাৰ বাহিৰে। পহুটোৰ ঘটনাটোৱে প্ৰত্যেকৰে মনক চুইছিল – আমাৰ লগৰ ‘কালু’কো।

ঘৰ পাই স্বাতী অসুস্থ হৈ পৰিল। দুবাৰমান বমি কৰিলে। মূৰ ঘূৰাইছে বোলে। মাজে মাজে এনেকুৱা হয় বোলে। আৱশ্যকীয় ব্যৱস্থা লোৱাই শুৱাই থোৱা হ'ল।

মোৰ বিছনাৰ কাষৰ চকী এখনত বহি বহি বসন্তই ইটোৰ পাছত সিটো চিগাৰেট পুৰি শেষ কৰিলে। ঘড়ীত এঘাৰ বাজি গ'ল, উঠিবৰ নাম নাই। মোৰ টোপনি অহা নাই সঁচা কিন্তু কথা পাতিবলৈ, বা যিকোনোভাৱে নিজকে ব্যস্ত ৰাখিবলৈ অলপো ইচ্ছা যোৱা নাই। কিন্তু ভদ্ৰতাৰ খাতিৰত সেই কথা ক'ব নোৱাৰি।

হঠাৎ চকীৰ পৰা থিয় হ'ল বসন্ত। মুখখনত সেই গাম্ভীৰ্য, ঘৰলৈ উভতিবৰ সময়ত যিটো গাম্ভীৰ্য লক্ষ্য কৰিছিলো। ৰুমটোত দুবাৰমান অহা-যোৱা কৰিলে। খিৰিকীখনৰ ওচৰলৈ গৈ বল্টুটো এবাৰ জোঁকাৰি দিলে। দ্বিতীয়বাৰ মেলি দিয়াৰ লগে লগেই হো-হোৱাই বতাহ সোমাই আহি ভিতৰত হুলস্থূল কৰি দি গ'ল। লৰালৰিকৈ খিৰিকীখন জপাই দিলে। দুয়ো যেন একেলগে কৈ উঠিলো, 'ধুমুহা'-

বসন্তই এইবাৰ আহি মোৰ ওচৰতে বহিল। হাত দুখনেৰে মূৰটো সাবটি ধৰি অলপ সময় বন্ধ খিৰিকীখনেদি বাহিৰখন চাবৰ যেন বৰ চেষ্টা কৰিছে – গল্‌গলীয়া মাতেৰে কৈ উঠিল :

"বুজিছে খাওণ্ড, সেই ৰাতিও এনেদৰে ধুমুহা বৰষুণ হৈছিল।" মোৰ গাটো চেবাই উঠিল। আঁঠুৱাখন আঁতৰ কৰি দিলো। বসন্তই অতি মাত্ৰাই সুৰাপান কৰিছে নেকি ? ক'তা, তেনে কোনো লক্ষণ নাই! মানসিক অস্থিৰতা ?

লাহেকৈ কান্ধত হাতখন থৈ মাতিলো, ‘ফুকন’। বসন্তৰ দৰে মানুহবিলাকে কেতিয়াও চকুপানী উলিয়াই কান্দিব নোৱাৰে আৰু তেনেকৈ কান্দিবও নালাগে।

“ফুকন, আপোনালোকৰ ব্যক্তিগত কথাত হস্তক্ষেপ কৰিবৰ অধিকাৰ নাই, কিন্তু বোধ হয়, আপোনাৰ কিবা ক’ব লগা আছে।”

বসন্ত যেন হঠাৎ নিজৰ বিষয়ে সজাগ হৈ পৰিল। এক দুৰ্বল মুহূৰ্তত যেন ধৰা দিবলৈ গৈছিল। লৰালৰিকৈ থিয় হৈ ক’লে, “অ’, আই এম চ’ৰি, আপোনাক ট্ৰাবল দিছোঁ, গুড্ নাইট।”

ঘপ্ ঘপ্ কৰে দুখোজমান অ’ত-ত’ত ধৰি যোৱাৰ পিছত ধমহ্ কৰে চকীখনত বহি পৰিল।

বাহিৰত তেতিয়া ধুমুহাৰ হো-হোৱনি ক্ৰমাৎ বেছি হৈ পৰিছে। একো একোটা হেঁচাত যেন প্ৰকাণ্ড বাংলোটো ফুটবল মৰাদি ওপৰলৈ মাৰি পঠিয়াব। গছবিলাকৰ ডাল-পাতেদি চাইৰেণৰ দৰে বিকট, কৰুণ, মৰ্মভেদী, দীঘলীয়া চিঞৰ একোটা উঠি দূৰত মাৰ গৈছেগৈ। যেন আউলী-বাউলি তিৰোতা এজনীয়ে দীঘল, কৰুণ হিয়াভগা ৰাউচি টানি, হাবিয়ে-বননিয়ে, পথাৰে-বাকৰিয়ে, নৈৰ পাৰে পাৰে ঢাপলি ধৰিছে - মৰা সন্তানৰ মৰিশালিখনলৈ।

মই বিছনাৰ পৰা থিয় হ’লো। বসন্তৰ কপালখন উত্তেজনাত সেমেকি উঠিছে। মুখখন গোমা ৰঙা হৈ পৰিছে। ওচৰলৈ গৈ চুলিবিলাকৰ ওপৰত হাতখন বুলাই বুলাই থিয় হৈ থকাৰ বাহিৰে ক’বলৈ একো কথা নাপালো।

“মই ভবাই নাছিলো খাওও ! বীণুৰ অসুখ। অতি সামান্য। এনেকুৱা ৰাতি। ধুমুহা। বতাহ, বৰষুণ। ভাবিছিলো পুৱালৈ ডাক্তৰক, ডাক্তৰক পুৱালৈ খবৰ

দিলেও হ’ব।”... বসন্তৰ কণ্ঠ বাষ্পৰুদ্ধ হৈ গ’ল। গলটো পৰিষ্কাৰ কৰি লৈ গাটো লৰাই চিগাৰেট এটা জ্বলাই ল’লে।

মই গছৰ মুঢ়াৰ দৰে থিয় হৈ ৰ’লো। চিগাৰেট জ্বলি শেষ হৈ গৈছে বসন্তৰ হাতত।

উশাহবিলাক ঘন হৈ পৰিছে। অলপ সময় নিজক সংযত কৰি লৈ আকৌ কৈ গ’ল - ‘ভাবিলে...মই... ‘নেগলেক্ট’ কৰিলো....মই জানো দোষী ?’

ক’ৰবাত ডাঙৰ গছ ভগাৰ শব্দই মাটি-ঘৰ কঁপাই তুলিলে। হড়-হড় মড়-মড় ভাঙি ভুহৰি নিয়াৰ শব্দৰ শেষ নাই। ইলেকট্ৰিক লাইটৰ কাৰেণ্ট ইতিমধ্যে বন্ধ হৈছে। - আগন্তুক ধুমুহালৈ চাই হাৰিকেন লেম একোটা জ্বলাই থোৱা হৈছিল। তাৰ সামান্য পোহৰতে দুৱাৰ ঘৰ বন্ধ, ভিতৰৰ ৰুমটোতে আমি দুটা মানুহ সাৰে আছোঁ।

আকৌ অলপ সময় সন্দেহ, আশঙ্কা, কি হ’ব কি নহ’ব - ভাবৰ উত্তেজনাত কাটি গ’ল নীৰৱ এক মুহূৰ্ত।

দুৱাৰত ‘খট্’ কৰি হোৱা অস্বাভাৱিক শব্দ এটাই মোৰ দৃষ্টি আকৰ্ষণ কৰিলে। বসন্তহঁতৰ শোৱনী কোঠাৰ দুৱাৰখন কাণিদুৱৰী হৈ আছিল। মোৰ ভাব হ’ল, যেন পৰ্দাখন কোনোবাই ভিতৰৰ পৰা লৰাই দিছে। কিন্তু নহয়, পৰ্দাখন আঁতৰ কৰি অতি ধীৰভাৱে খোজ পেলাই ওলাই আহিছে, এ, কোন ? মই বিস্ময়ত চকু মোহাৰিলো। মোৰ দেখাৰ ভুল হোৱা নাই। স্বাতী !

“স্বাতী” - চেপা মাতেৰে মই চিঞৰি উঠিলো। বাওঁহাতেৰে খেপিয়াই খেপিয়াই বসন্তৰ চুলিত ধৰি ডাঙৰকৈ টান এটা দিলো। বসন্ত ইতিমধ্যে

ধৰ্-মৰ্কৈ থিয় হৈ মোৰ মুখত লাহেকৈ আঙুলিকিটা দি নামাতিবলৈ ইঙ্গিত কৰিলে।

মোৰ চকু তেতিয়া ভয় আৰু বিস্ময়ত থৰ হৈ গৈছে। অদ্ভুত স্বাতীৰ অহাৰ ভঙ্গী। বাওঁহাতখন আলফুলকৈ বুকুৰ ওপৰত পথালিকৈ লৈছে। যেন কিবা এটা বস্তু মৰমেৰে লৈ আহিছে।

সোঁহাতখনৰ আঙুলিকিটাই কপালৰ আগটো চুই আছে। চকুহাল ডাঙৰকৈ মেলি থোৱা, কিন্তু জ্যোতিহীন নিস্প্ৰভ।

ইতিমধ্যে বসন্তই শ্লিপাৰ যোৰ সোলোকাই শুদা ভৰিৰে আঙুলি টিপি আগবাঢ়িছে। স্বাতীও ঠিক আমাৰ ফাললৈকে আগবাঢ়ি আহি আছে। আলফুলকৈ বসন্তই দুই হাতেৰে স্বাতীক সাবটি ধৰিলে। থুঁতৰিটো আউল-বাউল চুলিখিনিৰ ওপৰত ৰাখি সোঁহাতখন গাল, মুখ আৰু হাতৰ ওপৰেদি লাহে লাহে বুলাই দিলে।

তাৰ পিছত, অতি কোমল মৰমসনা মাতেৰে মাতিলে, "স্বাতী, স্বাতী, এয়া চোৱা, এয়া মই, তোমাৰ স্বামী, আৰু এয়া চোৱা খাওগু, আমাৰ বন্ধু, তোমাৰ বিজনদা।"

মই এহাতেদি লেমটো দাঙি আন হাতেৰে স্বাতীৰ আঙুলিকিটা পিহি দিবলৈ ধৰিলো। মোৰ স্পৰ্শত স্বাতীৰ গোটেই গাটো যেন জিকাৰি উঠিল। চকুহাল প্ৰথমবাৰৰ কাৰণে পচাৰি উঠিল। তাৰ পিছত আকৌ চকু মুদি বসন্তৰ কান্ধত মূৰটো অলসভাৱে পেলাই দিলে। বসন্তই এখোজ দুখোজকৈ স্বাতীক ভিতৰলৈ লৈ গ'ল। মই প্ৰায় কাষে কাষে লেমটো লৈ আগবাঢ়িলো। বিছনাত শুৱাই দিয়াৰ লগে লগে স্বাতীয়ে চকু মেলি কৰুণভাৱে বসন্তলৈ চাই ৰ'ল। চকু ফাটি যেন পানীৰ দুধাৰ সোঁত বৈ আহিছে। বসন্তই মূৰটো হলাই হাত দুখনেৰে স্বাতীৰ মূৰৰ দুই কাষ সাবটি ধৰি স্বাতীলৈ চাই থাকিল। আচৰিত - বসন্তৰ চকুতো এই প্ৰথমবাৰৰ

বাবে চকুৰ পানী। এই দৃশ্য অসহ্য হৈ পৰিল। ওচৰৰ মাচিয়াখনতে হতাশভাৱে বহি পৰিলো।

“স্বাতী, সোণটি” বসন্তৰ মাত গল্‌গলীয়া হৈ পৰিছে, “বীণুৰ কাৰণে মোৰো অন্তৰে কান্দি থকা নাই? তুমি মোক মিছায়ে সন্দেহ কৰিছা, মই তোমাক কেতিয়াও সন্দেহ কৰা নাই।...তুমি মোক ভুল বুজিছা।”...স্বাতীয়ে যেন উচুপি উঠিল। একো একোটা নিঃশব্দ উচুপনিত অকল দেহাটোৱেই নহয়, গোটেই বিছনাখনেই লৰি উঠিছে। একোটা হুমুনিয়াহত যেন বুকুৰ হাড়বিলাক ভাগি গুৰি হৈ গৈছে।

আধাঘণ্টামান পৰিচৰ্যাৰ পিছত স্বাতী গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ পৰিল। বসন্তই আঁঠুৱাখন টানি ওলাই আহি মোৰ ওচৰত অপৰাধীৰ দৰে থিয় হৈ ক’লে, “আপোনাক ট্ৰাবল দিছো ভাই, ক্ষমা কৰিব।”

কিয় ক’ব নোৱাৰোঁ, মই অলপ উত্তেজিত হৈ পৰিলো। মুহূৰ্তৰ বাবেহে, তাৰ পিছত সুধিলো, “আগতেও হৈছিল?”

“এবাৰ, এনেকুৱা ৰাতিবিলাকলৈ তেতিয়াৰ পৰা মোৰ বৰ ভয়।” মই থিয় হৈ মোৰ ৰুমলৈ খোজ পেলালো। বসন্তই লেমটো দেখুৱাই অলপ আগবাঢ়ি আহিল।

“ভাবিছিল মই....সন্দেহ কৰিছিলো।” - বসন্তৰ মাতত তেতিয়াও অপৰাধীৰ আড়ষ্টতা।

ঘড়ীত তেতিয়া দুই বাজিছে। ধুমুহা ইতিমধ্যে শাম কাটিছে। হো-হোৱনিৰ শব্দ ক্ৰমে নাইকিয়া হ’ল। মাজে মাজে গছৰ পাতবোৰত জৰ-জৰণি তুলি, ধুমুহাই এৰি যোৱা দুই এছাটি বতাহে বাট বিচাৰি ফুৰিছে। জুৰুলা

গছ-গছনিয়ে যেন থাকি থাকি হুমুনিয়াহ কাঢ়ি উঠিছে। মোৰ অজ্ঞাতসাৰেই এটি হুমুনিয়াহ ওলাই আহিল।

ৰাতিপুৱা সাৰ পাইহে বুজিব পাৰিলো দেৰিকৈ হ'লেও টোপনি আহিছিল। তীব্ৰ, উজ্জ্বল, সোণালী ৰঙৰ পুৱাৰ ৰ'দ চেৰেঙাই যেন মোৰ চকুৰ পতাত আলফুলকৈ আঙুলিকিটা বুলাই দি মাতিলে, "উঠক, বিজনদা.... বেলি বহুতো হ'ল।" সঁচাকৈয়ে স্বাতীৰ মাত। খিৰিকীখন মেলি দিয়াৰ লগে লগে স্বাতীয়ে ম্লানভাৱে হাঁহিলে। মোৰ খিৰিকীৰ সন্মুখত ধুমুহাৰ নিষ্ঠুৰতাত জৰ্জৰিত হোৱা পৃথিৱীখন। সন্মুখৰ এপ্ৰিল ফ্লাৱাৰ কিজোপাৰ ডাল-পাত নিকৰুণভাৱে মোহাৰি পেলালে। ক'ৰবাৰ পৰা আমৰ ডাল এটা আহি বাগানৰ মাজত পপি, ক্ৰিচেন্‌থিমাম্‌, কাৰ্ণেচন, চুইটপীৰ বৃত্তাকাৰ পৰিয়াল এটাক নিশ্চিহ্ন কৰি পেলালে। মালি, জাৰুৱাহি, সকলোৱে বাগান পৰিষ্কাৰ কৰাত লাগি গৈছে।

বাহিৰলৈ ওলাই আহিলো। দূৰৰ বনুৱা বস্তিৰ কলগছবিলাকৰ দুৰ্গতি চকুত পৰিল। ছিৰাছিৰ পাতেৰে জুৰুলা মূৰ্তি লৈ থিয় হৈ আছে।

'লিলি অৱ দি ভেলি'ৰ শাৰীটোৰ সন্মুখত থিয় হৈ আছে স্বাতী। ইমান দুৰ্যোগৰ পিছতো এটা পাহ মূৰ তুলি উঠিছে। মই গৈ স্বাতীৰ ওচৰ চাপিলো। স্বাতীৰ কাপোৰত এতিয়াও 'লিলি অৱ দি ভেলি' চেণ্টৰ মৃদু সৌৰভ ! লিলিপাহ আলফুলকৈ ধৰি স্বাতীয়ে হাঁহিলে, কোমল, কৰুণ, ম্লান হাঁহি এটা। আগদিনাৰ ঘটনাটো স্বাতীৰ কিমান মনত আছে বা (মনত আছেনে) নাই একো ধৰিব নোৱাৰিলো। কিবা এষাৰ সোধাৰ আগতে স্বাতীয়ে কৈ উঠিল "দুৰ্যোগৰ ৰাতি এটা পাৰ হ'ল, বিজনদা।"

মই মূৰ দুপিয়ালো। আকৌ এবাৰ চাৰিওফালে চালো। দূৰৰ কলগছবোৰ, বাগানৰ বগেনৱিলিয়া জোপা,‘ই, জি, হিল’ গোলাপ কিজোপা, এপ্রিল ফ্লাৱাৰৰ সিৰিলি পাতবোৰ, সকলোৱে যেন এঙামুৰি দি থিয় হৈ উঠিছে।

বসন্ত সোনকালে উঠি অফিচলৈ গ’ল। অলপ পিছতহে আহিব। বাগানত অলপ ঘূৰাৰ পিছত চাহৰ সময় হোৱাত উভতিলো। মুখ-হাত ধুই চাহৰ টেবুলত দুয়ো বহিলো।

চাহত ঢোক মাৰি প্রথমে স্বাতীয়ে কথা আৰম্ভ কৰিলে। “মানুহতকৈও বিজ্ঞানৰ নির্জীৱ বস্তু এটাত বেছিকৈ বিশ্বাস স্থাপন কৰিছিল, সেইখিনিতে আপোনাৰ বন্ধুৰ ভুল।”

“বীণুৱে তেন্তে তোমালোকৰ মাজত সন্দেহৰ সৃষ্টি কৰিলে।”

“তাইৰ জন্মই...এৰা...আপোনাৰ বন্ধুৰ মনত...।” কেক্ এটা কামুৰি স্বাতীয়ে কৈ গ’ল।

হঠাৎ একে আষাৰতে স্বাতীয়ে কৈ উঠিল, “সেই সন্দেহৰ লক্ষ্য কোন, তাকো প্রকাশ কৰিয়ে ক’ব লাগিবনে বিজনদা ?”

চৰ্চৰণি খাই-নাকে মুখে মোৰ চাহ ওলাল। হাতৰ চাহ কাপটো ঢৌ খেলি খেলি পৰিবলৈ ধৰিলে। স্বাতীয়ে টাৱেলখন মোলৈ আগবঢ়াই দিলে। নতুনকৈ চাহ একাপ বাকি আগবঢ়াই দি ক’লে, “তাইৰ মৃত্যুৱে আমাৰ সন্দেহ গভীৰ কৰি তুলিলে দুয়োফালৰ পৰা ।”

“তুমিও ?” মোৰ প্রশ্নত কিন্তু আগ্রহ একেবাৰে নাছিল।

“বৰ কেৰাণীৰ তাত বহুত ৰাতি কৰে।... ঘনাই যায়।”

স্বাতীয়ে যেন নিৰ্লিপ্তভাৱে কথাকিটা কৈছে। অথচ প্ৰত্যেকটো শব্দকে স্পষ্টকৈ উচ্চাৰণ কৰাত যত্ন লৈছে।

মই চাহত শোহা মাৰিলো।

"এতিয়া কিন্তু আমাৰ আকাশ পৰিষ্কাৰ, বিজনদা।"

"সুখৰ কথা। স্বাতী, মই ইয়াকে বিচাৰিছিলো। কিন্তু বীণুৰ স্মৃতি কেনেকৈ দূৰ কৰিবা ? বসন্তক সেই বিষয়েও পৰিষ্কাৰ কৰাৰ চেষ্টা কৰা।"

"বীণুৰ স্মৃতিয়েই আমাক পৰিষ্কাৰ কৰি দি গ'ল - তাইৰ জন্ম আৰু মৃত্যুৱে যিখন আকাশ ওন্দোলাই তুলিছিল।"

মোৰ চাহ খোৱা শেষ হৈছিল। লৰালৰিকৈ থিয় হৈ ক'লে, "এতিয়া আকৌ নতুনকৈ জীৱন আৰম্ভ কৰা। অতীতক এৰি পেলোৱা।" স্বাতীও লগতে থিয় হৈছিল। লগে লগে কৈ উঠিল, "আশীৰ্বাদ কৰক বিজনদা, কিন্তু আপুনি উঠিল যে ?"

"মই সোনকালে গ'লেহে মটৰ পাম।"

"আপুনি আজিয়ে যায়?" স্বাতীৰ প্ৰশ্নত কোনো অনুৰোধ নাছিল। বুজিলো, স্বাতীয়ে অতীতটোক এৰিব পাৰিলে।

"আজিয়ে মানে এতিয়াই।"

"কেতিয়াও নহয়। এসপ্তাহ থাকিম বুলি 'ৰ্ৱৰ্ড' দিছিল, মিঃ খাওগু" চিগাৰেট এটা হুঁপ হুঁপি, মোৰ কান্ধত মৃদু জোঁকাৰ এটা দি বহিবলৈ ইঙ্গিত কৰি কথাষাৰ শেষ কৰিলে বসন্তই।

স্বাতীয়ে চাইছিল বসন্তলৈ, চকু আনন্দ আৰু পুলকত উজ্জ্বল। বসন্তই চাই ৰ'ল স্বাতীলৈ, পৰিষ্কাৰ চকুত সৰল হাঁহি এটা। আৰু মই চাই ৰ'লো দুয়োটালৈ।

১৯৫৩

# তৃতীয় শ্ৰেণীৰ যাত্ৰী

ৰেল তেতিয়াও আহি পোৱা নাই। চিগনেল পৰিছে। নিত্যই ষ্টেছনটোৰ ইমূৰৰ পৰা সিমূৰলৈ লাহে লাহে খোজ পেলাই অহা-যোৱা কৰি আছে। সম্পূৰ্ণ নতুন লাগিছে ষ্টেছনটো তাৰ। এই দুবছৰৰ ভিতৰত বহুতো পৰিৱৰ্তন হৈ গ'ল। ঈশান কোণলৈ ৰেল-বাটটোৰ সিফালে সেই ঠাইখিনি সৰুসুৰা জাৰণি এখন হৈ পৰিছিল। এতিয়া দীঘল দীঘল মিলিটেৰী বেৰেকৰে ৰংচঙীয়া হৈ আছে। সেইবোৰ বনুৱাৰ কাৰণে নতুনকৈ সজা ঘৰ। তাৰ সিফালে কাৰখানা এটা - নতুনকৈ পতা। মুঠতে যুদ্ধৰ এই দুটি বছৰে ভালেখিনি পৰিৱৰ্তন আনি দি গ'ল।

ষ্টেছনটোতো যিহে যাত্ৰীৰ হেঁচা। টিকট কিনাৰ কাৰণে সৰু-সুৰা যুদ্ধ এখনৰ কলা-কৌশল খটুৱাব লাগে।

কাৰ'বাৰ লগত মুকলিকৈ দু-আষাৰ কথা পাতিবৰ তাৰ মন গ'ল, কিন্তু চিনাকি মুখ এখনো নাই। নতুনকৈ চিনাকি হৈ কথা পাতিবলৈকো মানুহবিলাকক কিবা কিবা যেন পালে। প্ৰত্যেকে যেন নিজক লৈয়ে ব্যস্ত; আহৰি নাই—সময় নাই। প্ৰত্যেকৰ গাত মটীয়া জীনৰ চুট আৰু মুখত চিগাৰেট। ভৰিত দবহা বুট আৰু ডবল মোজা। আৰু মুখবিলাক ইমান গম্ভীৰ - কথা পাতিবলৈকে ভয় লাগে। প্ৰত্যেকে একোবাৰ তাৰ মলিয়ন খদ্দৰৰ সাজটোলৈ চকু ফুৰাই গৈছে। 'বিয়াল্লিছত জেল খটা কংগ্ৰেছ কৰ্মী' - তাৰ বিষয়ে চমুকৈ ইমানকে কল্পনা কৰি প্ৰত্যেকে আকৌ নিজ নিজ কামত ব্যস্ত। কোনেও উপযাচি কথা পতাহি নাই - বা তাক জানিবৰ ঔৎসুক্যও দেখা নগ'ল। নিত্যৰ মনত পৰিল দুবছৰৰ আগৰ সেই উত্তেজনাপূৰ্ণ দিনবিলাকৰ কথা। কি জাগৰণেই দেখা নগৈছিল গাঁৱে-ভূঞে । গাঁও উজাৰ কৰি মানুহ জেললৈ গৈছিল - আন্দোলন কৰিছিল। আৰু আজি দুবছৰৰ

মূৰত কি পৰিৱৰ্তন। মানুহ পাগল টকাৰ কাৰণে। বিয়াল্লিছৰ অগ্নিময় দিনবিলাকো যেন স্মৃতিতহে পৰিণত হৈছেগৈ।

দূৰত ৰেল গাড়ীৰ ক'লা মূৰটো দেখা গ'ল। ষ্টেছনটো চঞ্চল হৈ উঠিল। মুটিয়াবিলাকে বহুত আঁতৰৰে পৰাই হেণ্ডেলত ধৰি ৰেলগাড়ীৰ লগে লগে লৰি আহিছে। নিত্যই এৰিয়া চাদৰখন কান্ধত লৈ আনটো হাতত কাপোৰৰ সৰু টোপোলাটো কাষলতিত চেপা খুৱাই তৃতীয় শ্ৰেণীৰ ডবা এটালৈ আগবাঢ়িল।

বহুতো যাত্ৰী নামিল। সুবিধা বুজি নিত্যই পথলীয়া বেঞ্চ এখন দখল কৰি পোনেই দীঘল দিলে; তাকে নকৰিলে আনে আহি অধিকাৰ কৰিবহি। সিমূৰৰ বেঞ্চ কিখন কিছুমান হিন্দুস্থানী মতা-তিৰোতাই অধিকাৰ কৰি আহিছে। কম্পাৰ্টমেণ্টটো ভজা বাদামৰ খোলা, নাচপতিৰ বাকলিৰে আঁঠুৱনীয়া হৈ আছে। তথাপি তাৰ ভাল লাগিল। শুই শুই খিৰিকীয়েদি চকুৰে যিমান আঁতৰলৈ পাৰিলে চাই ৰ'ল। ৰেলগাড়ী লাহে লাহে চলিবলৈ আৰম্ভ কৰিলে।

সি মনে মনে এবাৰ তাৰ প্ৰগ্ৰামটো আলচিলে। পোনে পোনে ঘৰলৈ নগৈ জয়াহঁতৰ ঘৰলৈ যোৱাটো কিবা দোষৰ কথা হ'বনেকি - সি ভাবে। জেলৰ শেষৰ দুমাহ কি যে অশান্তিত নগ'ল। দুবছৰৰ জেলৰ যন্ত্ৰণা যেন সেই দুমাহতে হেঁচা মাৰি ধৰিলে। যোৱা দুমাহ জয়াৰ চিঠি পোৱা নাই। হয়তো সেই কাৰণেই সি পোনে পোনে চেনেহী ঘৰখনলৈ নগৈ জয়াহঁতৰ তালৈ যাবলৈ ওলাইছে। জয়াৰ মাকেইতো কেম্পত থকা সেই তিনিমাহ তাৰ মাকৰ আসন পূৰাই ৰাখিছিল।

তাৰ হাঁহি উঠে। কেম্পৰ পৰা গৈ জয়াহঁতৰ ঘৰত বহি থকা অৱস্থাত ‘আইতা’কে কোন টলকত আহি কাণ দুখনত ধৰি জোঁকাৰি থাকিব। সি দোষটোনো কি জানিবলৈ বিবুদ্ধি হৈ মুখ মেলি চাই থাকিব। তাৰ পিছত যেতিয়া হাতৰ বিষ ধৰিবগৈ, তেতিয়াহে কি দোষতনো এই শাস্তি হ'ল সি দীঘলীয়া

বক্তৃতাৰ মাজৰ পৰা বাছি বুটলি ল'ব। "কিয় বোলো নায়ক হ'লেই, দেশৰ কাম কৰিলেই হ'বলা মানুহে চুলি আঁচুৰিব নাপায় ? দেহাৰ অৱস্থানো চাবা কি ? দিনে দিনে পেনা বাঢ়িহে গৈছে। এইকিটা কায় লৈ তহঁতে বগা বঙালৰ হাতৰ পৰা দেশখন উদ্ধাৰ কৰিবি ?"

জয়াই হয়তো আঁতৰৰ পৰা মিচিকিয়াই হাঁহি থাকে তাৰ বিলাই দেখি। তাৰ পিছত মাক আঁতৰ হ'লেই আইনা ফণি যোৰ আনি তাক ফিচিঙা ফিচিং কৰি ক'ব - "পৰিলনে এপৰালি কাণৰ ! এতিয়া ভালে ভালে মূৰটি আচোৰক - নহ'লে দিবহি পালিটো।" কিন্তু সি নিজে ফণি নলয়, তায়ে আঁচুৰি দিবলৈ বাধ্য হয়।

জয়া আছিল 'প্ৰাথমিক'ৰ সম্পাদিকা। ঘৰখনৰ ল'ৰাৰ পৰা বুঢ়ালৈ কি যে উৎসাহ – কি ব্যস্ততা।

কেম্পত তাৰ অধীনত ট্ৰেইনিং লোৱা ল'ৰাবিলাকলৈ মনত পৰে। এনে নিৰ্ভীক অথচ ইমান সৰল। দুদিনতে তাক নিজৰ কৰি ল'লে।

...সেই নিশাৰ কথা সি পাহৰিব নোৱাৰে। গোটেই অসম জুৰি ১৪৪ ধাৰাৰ ৰাজত্ব। ভাৰতৰ কেবাঠাইতো গুলি চলাইছে, গেছ ব্যৱহাৰ কৰিছে। ৱাৰেণ্ট আৰু গ্ৰেপ্তাৰৰ উজান উঠিছে। সেইদিনা কেম্পৰ ভাৰ সহকৰ্মী এজনক দি অলপ আঁতৰলৈ ফুৰিবলৈ গৈছিল। লগত দুজন স্বেচ্ছাসেৱক। উভতি আহোঁতে অলপ ৰাতি হ'ল। জয়াহঁতৰ পদূলি মুখ পাওঁতেই গম পালে গোটেই গাঁও মিলিটেৰীয়ে ঘেৰাও কৰিছে। কেম্পৰ ল'ৰা বহুতকে 'এৰেষ্ট' কৰিলে। কেজনমান কোনোমতে সাৰিল। কেম্প্‌টো জুই লগাই দিছে। তাৰ লগৰ ল'ৰাকিটাক যেনিয়ে-তেনিয়ে যাবলৈ কৈ সি জয়াহঁতৰ ঘৰ সোমাল।

কোঠাটোত লেম চাকি নাই। সি 'জয়া' 'জয়া' বুলি মাত দিওঁতে চাকি এটা লৈ জয়া ওলাই আহিল। চাকিটো মেজৰ ওপৰত থৈ বিততভাৱে তাক প্ৰায়

সাবটি ধৰিয়েই ক'লে - "আপুনি কিয় আহিল, আপোনাৰ ৱাৰেণ্ট ওলাইছে - আপোনাক ধৰি নিব।" ...তাই যেন কান্দেই।

সি লাহেকৈ তাইক গাৰ পৰা এৰুৱাই ধমক এটা দি ক'লে - "তুমি সম্পাদিকাজনী হৈ এনেকৈ বিতত হ'লে কেনেকৈ হ'ব ? আমি বিদ্ৰোহ কৰিম - আৰু সিহঁতে জাপানৰ বিৰুদ্ধে জীৱন পণ লৈ কৰা এই ৰণত এনেয়ে বহি থাকিব ? যোৱা তোমাৰ 'প্ৰাথমিক'ৰ যি কাগজপত্ৰ আছে পুৰি পেলোৱা বা আঁতৰ কৰা।"

এনেতে জয়াৰ মাক সোমাই আহিল। হাজাৰ হওক তিৰোতা মানুহ, এই প্ৰথম মিলিটেৰী দেখিছে। আগৰ ৰং-তামাছা সকলো গ'ল। ফুচ্‌ফুচাই কোৱাদি ক'লে - "বাপু, কাগজ এসোপা ধানৰ ডুলিৰ মাজতে থৈছোঁ - এসোপা তাঁতশালৰ খুঁটাৰ মাজতে থৈছোঁ। এতিয়াও কিবা ভয় আছেনে কোৱা।"

"একো ভয় নাই, যাওক সোনকালে ৰন্ধা-বঢ়া কৰকগৈ । অ' শুনিছে— আগতে মোৰ যোৱাৰ এটি ব্যৱস্থা কৰক - চাহ এটোপা অন্ততঃ...।"

"মই চাহৰ পানী জুইত দি আহিছোঁ, তুমি বহা" বুলি গুচি গ'ল। জয়াই মেজখনৰ পৰা চাকিটো উঠাই আকৌ মেজতে থৈ তাৰ ওচৰ চাপি আহি ক'লে - "মই ঈশ্বৰক খাটিছোঁ, হে প্ৰভু দাদা যেন নাহক - বাটতে মিলিটেৰী অহাৰ খবৰ পাই উভতি যাওক। ...শুনিছোঁ হয়নে দাদা - নগাঁও, কলিয়াবৰ, চতিয়াৰ ফালে বোলে অত্যাচাৰ কৰিছে।"

জয়াৰ সেই সময়ৰ অৱস্থাটো মনত পৰিলে তাৰ এতিয়াও হাঁহি উঠে। মিলিটেৰীৰ অত্যাচাৰৰ কথা শুনিছিল... অন্তৰে অন্তৰে ভয় খাইছিল বৰ - কিন্তু বাহিৰত সেই ভাব লুকুৱাই ৰাখিছিল। এতিয়া সঁচাসঁচিকৈয়ে নিজ গাঁৱতে মিলিটেৰী দেখি ধৈৰ্য হেৰুওৱাৰ উপক্ৰম।

“দেউতাৰা ক’লৈ গ’ল ?” সি সোধাৰ লগে লগে ভিতৰ সোমাই গ’ল। “কাগজপত্ৰবোৰ লৈ ভোলাহঁতৰ ঘৰলৈ গৈছে।”

জলপান দুচামোচমান খাই ওচৰত থিয় হৈ থকা জয়াক সুধিলে - “পাছ পিনে পথাৰত ওলাব পৰা যাবতো ?”... “পাৰিব” বুলি জয়াই কিবা এটা ভাবি ভিতৰলৈ গুচি গ’ল।

“এৰা, এৰেষ্ট হৈ জেল খটাইতো লক্ষ্য নহয় - মই যেনে তেনে পলাবই লাগিব।” অলপ পিছতে বাহিৰত দুপ্-দাপ্ শব্দ হ’ল। জলপান আৰু খোৱা নহ’ল। লৰালৰিকৈ চাহখিনি পি সি থিয় হ’ল। জয়াৰ মাকে তাক হাতেৰে ভিতৰলৈ ঠেলি দি চাহৰ কোঠাৰ পৰা বাহিৰ ওলাল। জয়াই ভিতৰৰ পৰা দুপ্-দাপ্কৈ লৰি আহিল – হাতত এযোৰ ৰিহা মেখেলা।...“খহাওক, -পিন্ধক, আহক,” বুলি তাই তাৰ গাত উবুৰি খাই পৰিল। সি কাপোৰ যোৰ পিন্ধিবলৈ ধৰাৰ লগে লগেই তাই হাতত ধৰি ঠেলি দিলে ভিতৰৰ কোঠালৈ।

তাই আঁতৰ নহ’ল। আৰু অলপ ওচৰ চাপি আহি উত্তেজনা আৰু ব্যাকুলতা মিহলোৱা সুৰেৰে ক’লে – “এনেকৈ, খোচনাত গাঁঠি দিয়ক,...নহয়...ইয়াত...চওঁ মই পিন্ধাই দিও” বুলি নিজেই পিন্ধাই দিলে।

আদেশ আহিল তিৰোতা মানুহ বাহিৰ হ’বলৈ, ঘৰ চলাথ কৰিব। সিহঁত দুয়ো পাছ ফালৰ চোতাল ওলাল। তাৰ পিছত লাহে লাহে আহি পথাৰলৈ যোৱা বাটৰ মুখ পালেহি। মাক-দেউতাক আৰু ল’ৰা-ছোৱালীকেইটি আগফালেই ওলাল। জয়াই তাৰ গাত ধৰি জোঁকাৰি ‘যাওক। এই বাটেই’ বুলি উচুপিবলৈ ধৰিলে। সি তাইৰ হাতখন ধৰি কি কৰিব ভাবি নাপালে। বুজনি দিয়াৰ সময় নাই। মূৰটোত হাত ফুৰাই “ধৈৰ্য ধৰা, মোৰ কাৰণে চিন্তা নকৰিবা” বুলি সেই বাটে সেই বেশে গুচি গ’ল।

...তাৰ পাছত...বহুত বুৰঞ্জী... এঠাইত ভাত খাই থাকোঁতে সহকৰ্মীসকলৰ সৈতে তাক এৰেষ্ট কৰিলে।

হঠাৎ সাৰ পোৱাৰ দৰে সি উঠি বহিল। ইমান সময় শুয়ে আছিল নে সাৰে আছিল বা সপোনেই দেখিছিল একো ধৰিব নোৱাৰিলে। ট্ৰেইন আহি ষ্টেছন এটাত ৰ'লহি। সময়ৰ কোনো ঠিকনা নাই। গাৰ্ডৰ ইচ্ছাই কথা। সি চাহ একাপ খাবলৈ বুলি নামি গ'ল। কোনোবা চিনাকি মুখ দেখে বুলি কামৰাবিলাকলৈ চকু ফুৰালে। ফাৰ্ষ্ট ক্লাছৰ কম্পাৰ্টমেন্ট এটাত বহি আছে তাহানিৰ সহপাঠী তপন চৌধুৰী - সম্পূৰ্ণ চাহাবী সাজ। মুখত এটি দামী চিগাৰেট।

“চৌধুৰী চাহাব নে?” চৌধুৰীয়ে অলপ সময় নিৰৰ্থকভাৱে সেই জধলা ডাঢ়িয়ে-গোঁফে অপৰিষ্কাৰ মানুহটোলৈ চাই ৰ'ল। “চিন পাহৰলিয়েই” - বুলি নিত্য তাৰ ওচৰলৈ আগুৱাই আহিল। চৌধুৰীয়ে চিনিব পাৰি চিঞৰি উঠিল - “অ' নিত্য নেকি অ', চাওঁ, চাওঁ, আহচোন ইয়ালৈকে।”

নিত্যই টিকটখন উলিয়াই দি ক'লে, “তৃতীয় শ্ৰেণীৰ যাত্ৰী।”

“ধেৎ, তই এতিয়াও বিয়াল্লিছ চনৰে মানুহ হৈ আছ। পিছত নামি যাবি বাৰু।”

মানুহৰ হেঁচা ঠেলি সি কোনোমতে উঠি গ'ল। কুঁচি-মুচি বহি তাক ঠাই অকণ উলিয়াই দি ক'লে – “আজিকালি আৰু ক্লাছ ডিচ্‌ক্ৰিমিনেচন নাই। দেখা নাইনে ফাৰ্ষ্ট ক্লাছৰ অৱস্থা।” ফ্লাস্কৰ পৰা দুকাপ চাহ বাকি তালৈ আগবঢ়াই দি ক'লে, “কচোন খা-খবৰ বোধহয় জেলৰ পৰা আহিছ ?”

“তোৰোতো বহুত সলনি হ'ল ?”

সি এবাৰ হাঁহি লৈ ক'লে - "তহঁতে কলেজ এৰিলি, মই বি. এ. ফেল কৰি পাঞ্জাবীৰ লগত চাব-কণ্ট্ৰেক্ট কৰিলো। এতিয়া নিজে কণ্ট্ৰেক্টৰ।"

"বেছ বৰ ভাল কথা। এতিয়া যাবি ক'লৈ ?"

"যোৰহাটলৈ। মিলিটেৰী কেম্পত কাম আছে। তই একা ? ঘৰলৈ নগৈ দেখোন ইফালেহে যাব্?"

"ময়ো যোৰহাটলৈকে যাম। অলপ কাম আছে।" চৌধুৰীয়ে মিক্চাৰ দুটি উলিয়াই এটি নিত্যক দিলে। পাঁচবাৰমান মাৰি কাঠিটো জ্বলালে। নিত্যই তাৰ মিক্চাৰটো সেই জুইৰে জ্বলাবলৈ দিছিল। চৌধুৰীয়ে জ্বলি থকা কাঠিটো বাহিৰলৈ পেলাই দিয়াচলাইটো দিলে।

"যিহে বাজে দিয়াচলাই হৈছে আজিকালি।"

ট্ৰেইনৰ হুইচেল্ পৰিল। সি লৰালৰিকৈ যাবলৈ থিয় হ'ল।

"ইয়াতে যাওঁ ব'ল...।"

নিত্যই তালৈ চাই হাঁহিলে মাত্ৰ। হাঁহিটোৱে যেন কৈ উঠিল "তৃতীয় শ্ৰেণী... । পিছত আকৌ লগ ধৰিম" বুলি সি নামি গ'ল।

জয়াহঁতৰ ঘৰলৈ তেতিয়া অলপ দূৰ বাকী; ইতিমধ্যে তাৰ তলত ট্ৰেইনিং লোৱা ৰত্নেশ্বৰ বোলা ল'ৰাজনৰ লগত দেখা হ'ল। সি একপ্ৰকাৰ সাবটি ধৰিয়ে নিত্যক ঘৰলৈ লৈ গ'ল। গা-পা ধুই দুটিমান খাই নিত্য পাটিত পৰিল। ৰত্নই কথাৰ ঢাল জয়াহঁতলৈ পোনাই দিলে। "অ' - সিহঁতৰ কথা ? নক'ব আৰু" - ৰত্নই চকীখনত হেলান দি বাহিৰলৈ চাই ক'লে - "সিহঁত আজিকালি ডাঙৰ

মানুহ।” নিত্যই বাগৰ সলাই তাৰ মুখলৈ চাই অলপ উৎসুক হৈ সুধিলে - “কেনে?”

“আজিকালি ডাঙৰ ডাঙৰ মানুহৰ লগতহে খাতিৰ। মটৰৱালাৰ লগত। সেই কেম্পটোৰ ‘কণ্টেক্ট’ ল’লে।” তাৰ পিছত অলপ ৰৈ ক’লে - “বহুত টকা কৰিলে।” “হুঃ, কিনো বেয়া হৈছে - নহ’লে যে ঘৰ নচলে।” নিত্যই আকৌ বাগৰ সলালে। “সেইবুলি ঘৰতে ‘প্ৰাথমিক’ৰ সভাপতি চেক্ৰেটৰী হৈ”....

“প্ৰাথমিকৰ সভাপতিৰ হ’বলা ভোক নাই” - সি হাঁহি হাঁহি ক’লে। খিৰিকীখনেদি আঁতৰত চুণ দিয়া ঘৰকেইটা তাৰ চকুত পৰিল। তালৈ আঙুলিয়াই ক’লে - “চূণ দিলে ?”

“আৰু বহুত ইটা কাঠ গোটাই পিটাই থৈছে—ডাঙৰ ঘৰ সাজিব।”

পৰিৱৰ্তন হৈছে। সি অলপ সময় থিয় হৈ ধুনীয়াকৈ সজাই থোৱা ছবিবোৰ চালে। সিহঁতৰ কেম্পৰ সমূহীয়া ফটোখন দেখিলে। মাজত বহি সেইটো নিত্য। টেবুলত ধুনীয়া টেবুল ক্লথ। দুটি আমেৰিকান ফুলদানি। কোঠালিটো সজোৱাত এটি যেন বিশেষত্ব আছে। যেন কোনোবা অতিথিৰ অভ্যৰ্থনাৰ কাৰণে। কি জানি সি আহিব বুলি জানেয়েবা ? - সি মনে মনে ভাবিলে। কিন্তু কেনেকৈ। সিতো একো খবৰ দিয়া নাই।

এনেতে পৰ্দাৰ আঁৰেদি জয়াৰ চুচুক্-চামাক্‌কৈ ওলাই অহা মুখখন দেখা গ’ল। কাপোৰখন দাঙি চাই চিনি পাই তাই ওলাই আহিল। হাতত কুৰুচা শলা আৰু শৰাই ঢকা এখন।

বিস্ময় আৰু আনন্দত তাইৰ চকু-মুখ দীপ্ত হৈ উঠিল, কিন্তু পিছ মুহূৰ্ততে নিজকে সংযত কৰি সহজভাৱেই মাত দিলে -

“নিত্য দাদা যে। মই প্ৰথমে চিনেই পাহৰিলো - বহকচোন বহক। মই মাক মাতো। আপোনাৰ ভাল নহয় ?”

কথাৰ লগে লগে তাই ভিতৰলৈ সোমাই গ’ল। জয়াৰ কথাত সি নতুন ঠেও এটি শুনিলে – আধুনিক !

জয়াৰ মাক ওলাই আহি তাক মাত দিলে, “বাপু দেখোন, বাহিৰতে থাকিলা - আহা ভিতৰলৈ।” সি হাঁহি হাঁহি সোমাই গ’ল আৰু মূৰটো হেলনীয়াকৈ সেৱা এটি কৰিলে। কিন্তু আগৰ দৰে কেটেৰা জেঙেৰা নকৰাতহে তাৰ মনটো কেনেবা কেনেবা লাগিল।

অলপ সময়ৰ পিছত মাক সোমাই আহিল, হাতত এখন নানাবিধ জলপানৰ থাল লৈ। জয়া ওচৰতে থিয় হৈ আছিল। তাইলৈ চাই মাকে ক’লে, “যাচোন চ’ৰা ঘৰটোত অলপ চকু দেগৈ। নতুন টেবুল কাপোৰ দুখনমানো উলিয়াই পাৰ।”

জয়া গুচি গ’ল। সি থালখনৰ সজ ব্যৱহাৰ কৰাৰ লগে লগে সুধিলে, “এই বিলাকতো ভাল তৈয়াৰ কৰিছে। কোনে, জয়ায়ে নে ? আজিকালি চেনি ঘিউৰ বোলে বৰ আকাল। ক’ত পাইছে?”

জয়াৰ মাকে মিচিক্কৈ হাঁহিলে। নাকটো মোহাৰি মোহাৰি ক’লে, “ঈশ্বৰৰ কৃপাত আমাৰ সেইবিলাক আকাল হোৱা নাই। তাতে আজি আলহী এজন অহাৰ কথা। তাই যোৱা ৰাতিৰ পৰাই এইবিলাক কৰিছে।”

ঠিক, ঘৰখনত ভৰি দিয়াৰ পৰাই সি সেইটো অনুমান কৰিছিল। কথাটো আকৌ ওলোৱাত সুধিলে, “ক’ৰনো আলহী ?”

"নক'বা আৰু। পিছে পৰেও জানিবা সকলো। আলহীয়েই নহয়, তোমালোকৰ আশীৰ্ব্বাদ হলে আৰু... অলপ" - বুলি আধাকোৱাকৈয়ে অৰ্থপূৰ্ণ হাঁহি এটা মাৰিলে। এনেতে বাহিৰত মটৰৰ আৱাজ শুনা গ'ল। গোটেই ঘৰখনতে এটা ফিচ্‌ফিচনি উঠিল। মাকে উধাতু খাই যোৱাদি অলপ গ'লগৈ। তেনেকৈ যোৱাটো বেয়া হ'ল যেন ভাবিয়েই আকৌ উভতি আহিল। তাৰ কাৰণ গুৰিত ক'লে, "বাপু তুমি খোৱাচোন দেই। সেয়া বটাতে তামোল। বাহিৰত কোনোবা আহিব পায়। মই যাওঁ।"

খোৱা বস্তুবোৰত সি যেন একো সাদ-সোৱাদ নোপোৱা হ'ল। লৰালৰিকৈ পানী গিলাচ খাই উঠি আহিল।

সি তপন চৌধুৰীক আশা কৰা নাছিল বা তপন চৌধুৰীয়েও তাক আশা কৰা নাছিল। কিন্তু দুয়ো নিজৰ নিজৰ ভাব লুকুৱাবলৈ গৈ বৰ আচৰিত হোৱা যেন দেখুৱালে।

"তোক ইমান বিচাৰিলো কালি। লগ নাপালো। ব'ল। মোৰ কেম্পলৈ যাওঁ। কাইলৈ মোৰ মটৰ যাব, সেই মটৰতে ঘৰলৈ গুচি যাব পাৰিবি।" তপনে ক'লে।

"নহয়, মই আজিয়েই যাব লাগিব। দুবছৰৰ মূৰত মুকলি হৈছোঁ - এতিয়ালৈকে ঘৰ দেখা নাই।" এনেতে ওচৰতে থিয় হৈ থকা আইতাকে মাত দিলে, "আজি থাকা বাপু, ভালহে হ'ব। কাইলৈ মটৰত কষ্ট নোপোৱাকৈ গুচি যাবা।" সি মিচিক্‌কৈ হাঁহি তপনৰ ফালে চালে। তপনে ট্ৰেইনত দেখা হাঁহিটোৰ লগত এই হাঁহিটোৰ সাদৃশ্য দেখা পালে। সি বেৰখনত থকা ফটো এখনলৈ চাই ৰ'ল। জয়াই টেবুলত থ'বলৈ অনা বটাটোৰ পৰা চুপাৰি আৰু মচলা অলপ লৈ নিত্যই ক'লে, "যাওঁ এতিয়া।"

"যায় ?"

"ওঁ" বুলি সি বিদায় লৈ আগবাঢ়িল। মাকে দুৱাৰ মুখলৈ আহি সৰু সৰুকৈ ক'লে - "সময়ত খবৰ দিম - নহাকৈ নাথাকিবা দেই...।"

১৯৪৭

# ৰস

পোন প্ৰথমে ৰত্নই দেখিলে। পথাৰ-সমাৰ, হাবি-বন, দিনে-দুপৰে পিত্‌পিতাই ফুৰিব পৰা ডেকা গাঁৱৰ ভিতৰত আৰু দ্বিতীয় কোন আছে ? ৰত্নৰ শেন চকুৰ ফাঁকেদি একো বস্তুৱেই সাৰি যাব নোৱাৰে।

এবাৰ গাঁৱত বাঘ ওলাইছিল। খৰি কাটিবলৈ যাওঁতে ৰত্নই প্ৰথমে এটা নতুন গোন্ধ পালে। অনভিজ্ঞ মানুহে এই গোন্ধটোৰ বিষয়ে একো নাজানিলেহেঁতেন। কিন্তু ৰত্নৰ অভিজ্ঞতা সিহঁতৰৰ চাপৰিৰ বাম-খেতিৰ দৰেই গোটাই শেষ কৰিব নোৱাৰি। সি ৰৈ গ'ল, অলপ দূৰত হাবি লৰা গম পালে। চকামকাকৈ দুটা জোপোহাৰ সুৰুঙাইদি ৰং-বিৰঙৰ নোমভৰা দীঘল লেজু এডাল পাৰ হৈ যোৱা তাৰ চকুত পৰিল। তাৰ লগত খৰিকটীয়া আৰু দুজনমান আছিল। কোনেও কিন্তু নেদেখিলে। ৰত্নৰ প্ৰমাণতে আস্থা স্থাপন কৰি সাতখন গাঁৱৰ ৰাইজে জাল আনি চোং ভেটিলে দুদিনৰ পিছত বাঘ মৰিল।

কোনটো বাহত টোপ আছে, ক'ত এবাহ বৰল আছে, গাঁৱৰ সমনীয়া ল'ৰাই পাত পাতকৈ বিচাৰিও উলিয়াব নোৱাৰে। কিন্তু ৰত্নই আগতেই দেখি গৈছে সকলোবোৰ। বৰশীৰ দাৰি কোন জোপা বাঁহত দুটা আছে, কোনটো ফুল বৰশীৰ আৰু কোনটো টামচিং বৰশীৰ উপযোগী হ'ব, কেতিয়াকৈ কাটিবৰ উপযোগী হ'ব, ৰত্নই সকলো হিচাপ মনৰ খালৈত ভৰাই থৈ দিছে।

আজিও প্ৰথমে আৱিষ্কাৰ কৰিলে ৰত্নই। তাৰ পিছত ভোলা, জীউৰাম, মহেন্দ্ৰ, সৰুক লৈ এখন চুৰ্চুৰীয়া মেল বহিল। আৰু সেই মেলৰ সিদ্ধান্ত মতে সকলো ভটাৰ ঘৰলৈ গ'ল।

সিহঁতৰ মাজত ভটাইহে অকল এই কামৰ কাৰণে যোগ্য ডেকা। সিহঁতৰ মাজতেই নহয়, সেই অঞ্চলৰ পোন্ধৰখন গাঁৱৰ ভিতৰতে, ভটাক মাত্ৰ অলপ তোষামোদ কৰিলে... ৰত্নৰ ভাষাত 'জেক' দি তুলি দিলেই হ'ল।

ভটাগুটি ধৰণৰ নামবিলাক দিবলৈ কোনো জ্যোতিষৰ আলোচনা দৰ্কাৰ

নকৰে। চন্দ্র ক'ত, লগ্ন ক'ত, ৰাশি কি, দশা কৰি, এইবিলাক গণনা নকৰাকৈয়ে যিকোনো ল'ৰাৰ নাম ভটাগুটি হ'ব পাৰে, যদিহে তাৰ গাৰ আগছোৱা শকত হয়, ভৰিফালে হঠাৎ চিয়াঁ মৰা হয়, মুখখন পূৰঠ ধৰণৰ হয়, বৰণটো অলপ 'মাঠ' হয়, চকুকেইটা ক্ষুদ্র ক্ষুদ্র ধৰণৰ হয় আৰু সৰুৰে পৰাই অলপ অঘাইতং বিধৰ হয়। এই ভটাগুটিও হুবহু এই পৰিস্থিতিৰে সৃষ্টি। কালক্রমত এই ভটাগুটিবিলাক বয়সত বাঢ়ে, ডেকা হয়, ঘৰ-গৃহস্থও কৰে, গাঁৱৰ লেখৰ এঘৰ লেখৰ হয়, কিন্তু আকাৰত প্রায় একেদৰেই থাকে।

ভাই-ককাইৰ পৰা বেলেগ হৈ নতুনকৈ ঘৰ-বাৰী সাজিছে ভটাগুটিয়ে। সমনীয়া ল'ৰাবিলাকে ঘৰৰ যাৱতীয় 'হজ' কৰি দিছে। প্রকাণ্ড টুপী ভঙা এটা খেৰৰ বঙলা ঘৰ। সৰু সুৰা ঘৰত নাথাকে ভটা। কাঠৰ কামখিনি মিস্ত্রীৰ হতুৱাই কৰাই লৈছে, এমূৰত সৰু কোঠা এটা ইকৰাৰে বেঢ়ি দুই-তিনিবাৰকৈ লেপ দি আঠালতীয়া মাটিৰে মচি ৰংচঙীয়া কৰি লৈছে। তাৰ সৰু সংসাৰখন সেইটো কোঠাতে সোমাই থাকে। সংসাৰ মানে সি অকল, বিয়া কৰোৱাই নাই নহয়। বাকী গোটেই ঘৰটো মুকলি। এমূৰত বলধ হাল বান্ধে কাষত কাঠ, বাতাম, ইকৰাৰ দ'ম। ঘৰটো কেতিয়াবা সম্পূর্ণ কৰিব সি !

নিজে ৰান্ধি-বাঢ়ি খাই লৈ ধুই পখালি ধঁপাত আৰু চূণ অলপ লৈ খৈণী মোহাৰি মোহাৰি নিজৰ বিছনা নামৰ চাঙখনতে বহি আছে ভটা ।

এনেতে ৰত্ন আৰু দলটো ওলালগৈ।

অলপ মিচ্‌মিচ্ কৰি হাঁহিলে সি। হাঁহিটোৰ একো অর্থ নাই, মাত্র সম্ভাষণ।

- বহহঁক। এই দুপৰীয়াখন যে ? কি উদ্দেশ্য আগত লৈ তহঁতে মোৰ গৃহত সমাগত হৈছহঁক।

কথাষাৰ প্রশ্নসূচক যদিও স্বগতোক্তিৰ দৰেই শেষ কৰাটো তাৰ নিয়ম। গহীন-গম্ভীৰ অৱস্থাত মনত কোনো অশান্তি নাথাকিলে দুই এটা সাহিত্যৰ শব্দ লগাই এইদৰে তাৰ ভাষাৰো পৰিমার্জন কৰে।

কোনো কোনো বহিল। ৰত্নই বহাৰ আয়োজন কৰিও থিয় দিলে, পোনে পোনে তাৰ কাঠৰ ফ্ৰেমৰ দুৱাৰখনত হাত দিলে।

বুজিছ ভটা, এই দুৱাৰখনেই। দীঘে-প্ৰস্থে সম্পূৰ্ণ তদ্ৰুপ। যেনে কৈছোঁ তেনে শুনিবি। ভোজৰন্ধা বৰটৌ এটাৰ এটৌ কম্-চেকম্। এলাপেচা মানুহৰ মূৰত পানী দিব লাগিব। ভীমবাৰীৰ জাৰণিৰ দেওলগা আঁহত গছ জোপাত। তই যদি নোৱাৰ আৰু কোনো বাপৰ বেটাৰ তাগত নাই।

ভটাই মুখখন সামান্যভাৱে মেলি মৃদু হাঁহিটো ইমান সময় তাতে ভৰাই লৈ শুনি গৈছিল। কোনো কথাত অবাক বা তৱধ হোৱা তাৰ স্বভাৱ-বিৰুদ্ধ। কথা শেষ হোৱাৰ লগে লগে উঠি গৈ খিৰিকীয়েদি মুখৰ আগৰ খৈণীখিনি পেলাই নতুন খৈণী অলপ মুখত ভৰালে। বাকী থকাখিনি ৰত্নক দিলে।

বুজিছোঁ ! দুৰৰীয়া মৌ।

অলপ সময় ভাটাই কি যেন চিন্তা কৰিলে। ভটাই চিন্তা কৰা দেখি সকলোৰে মুখবিলাক শুকাই গ'ল। কোনো কামকে চিন্তা কৰি কৰাটো ভটাৰ স্বভাৱ নহয়।

- কিন্তু... ধেৎ, আজি যে পূৰ্ণিমা।

আজি যে পূৰ্ণিমা ! আজি যে পূৰ্ণিমা। সকলোৰে মুখবিলাক ৰস চুহি নিয়া মৌ-বিচনীখনৰ দৰে হৈ পৰিল। পূৰ্ণিমাৰ দিনা মৌৱে ৰস চোহে। গতিকে ৰস পোৱাৰ আশা কম।

- কিন্তু ইমান বাহ মৌ কেনেকৈ ৰস চুহি শেষ কৰিব অ' ? নিশ্চয় অলপ নহয় অলপ পাম। - সহজে হতাশ নোহোৱা ৰত্নই কৈ উঠিল।

- পাৱ নাপাৱ তহঁতৰ কথা। মোৰ কাম, পাৰি দিব লাগে দিম পাৰি। ব'লহঁক; টৌ এটা যোগাৰ কৰ, জুমুধি এটা ল, এদা দুডোখৰমানো খান্দি আন। কিন্তু তাৰ আগতে সকলোৱে চাহ খাই লোৱা যাওক। নহয় জানো ?

চাহৰ পিছত সা-সঁজুলি সকলো ওলাল। ভটাই তাৰ নালীয়া কটাৰিখন আৰু এড়িয়াৰ বৰ কাপোৰখন ল'লে। সকলোৱে খোজ ল'লে গাঁৱৰ এমূৰত থকা

ভীমবাৰীৰ জাৰণিখনলৈ।

গাঁৱৰ ভীমবাৰী জাৰণিখন এসময়ৰ ভূত আৰু দলুৱাৰ থলি আছিল। যোৱা মহাযুদ্ধৰ সময়ত মিলিটেৰীয়ে সেই হাবিৰ তলত কেম্প পাতিছিল। ভূত, দলুৱাবিলাক বোধহয় তাৰ বহু আগতেই পলাল যদিও বহুখিনি ঠাই জুৰি থকা আঁহত এজোপাত কোনোবা এজন বুঢ়া ডাঙৰীয়া থকা বুলি দুই-এজন সাহসী লোকে নিজ চকুৰে দেখিছে। ভটা আৰু ৰত্নৰ বাহিৰে গাঁৱৰ বাটটোৱেদি যাব লগা হ'লে ৰাম নাম লয় আৰু যি দুই-চাৰিজন নাস্তিকৰ ৰাম নামত বিশ্বাস নাই - অথচ অকলশৰীয়াকৈ সেই পিনেদি পাৰ হ'ব লাগে, তেওঁলোকে ভিৰাই ধৰি লৰ মাৰে। সেই প্ৰসিদ্ধ আঁহত জোপাৰে আকাশ ঢুকি পোৱা এটা পোলোঙা ডালৰ মূৰত দুৰৰীয়া মৌ এবাহ আহাৰ মহীয়া ডাৱৰ এচপৰাৰ দৰে ওলমি আছে। আচহুৱা মানুহে হঠাৎ মৌ-বাহটো দেখা পালে জিকাৰ মাৰি চকু-মূৰ এবাৰলৈ ৰৈ যায়। ভটাগুটিয়ে চুৰিয়াখন গাত পেলাই ল'লে। মুখত ল'লে এদা এডোখৰ। এদাৰ গোন্ধত মৌ আঁতৰ হয়, নাকামোৰে। নালীয়া কটাৰীখন কঁকালত খোচ মাৰি লৈ গছডালত হাতখন লগাই সেৱা এটা কৰি ল'লে। যিকোনো গছত উঠাৰ আগতে সি তেনে কৰে। তাৰ পিছত ভটাৰ যাত্ৰা আৰম্ভ হ'ল। ভৰিৰ আঙুলিৰে খোপনি ধৰি, হাতেৰে গছডালৰ কোনো কোনো ফাঁকত টিপনি ধৰি, কেৰ্কেটুৱাৰ দৰে বগাবলৈ আৰম্ভ কৰিছে সি।

ইতিমধ্যে গোটেই গাঁৱত বিজুলি সঞ্চাৰে কথাটো বিয়পি পৰিল। দেওলগা আঁহত গছত দুৰৰীয়া মৌ। দুৰৰীয়া মৌৰ নামো বহুতে শুনা নাই। তাকে পাৰিবলৈ গৈছে বাঘৰ আগতেল খোৱা ভটাই। এইবাৰ বুঢ়া-ডাঙৰীয়াৰ হাতৰ পৰা ভটা জীৱন্তে নামি আহে। ভয়, ঔৎসুক্য, আতঙ্ক মিহলি ভাবেৰে গাঁৱৰ মানুহ ভাগি আহিল ভীমবাৰী জাৰণিলৈ। আনকি অলপ আঁতৰত থকা কুঁৱাৰপৰা পানী নিবলৈ আহি গাঁৱৰ জীয়াৰী-বোৱাৰীবিলাকেও পানীৰ কলহ কুঁৱাৰ পাৰতে থৈ হাবিৰ কাষৰ বাটটোত থিয় দিলেহি। সকলোৱে দেখিলে মৌ গুটিৰে ওলমি থকা ক'লা দীঘলীয়া বস্তু এটা। ওপৰত, বহুত ওপৰত, গছডালৰ মূধচত। তলত পোনে পোনে

আন্দাজ কৰি প্ৰকাণ্ড বৰটৌ এটা পাতি থোৱা হৈছে। গছৰ গুৰিত থিয় হৈ আছে ৰত্ন আদি গাঁৱৰ ডেকাদলটো। ভটা উঠি গৈছে, ওপৰলৈ, ফেৰেঙনিৰ পাছত ফেৰেঙনি, ডালৰ পাছত ডাল পাৰ হৈ, বহুত ওপৰলৈ।

কি সৰ্বনাশ ! অলপ বয়সস্থ চাম মুনিহ-তিৰোতাৰ মাজত গুণ্-গুণনি আৰম্ভ হ'ল। এই বাহ যে দেওলগা মৌ। এইখন যে দেওলগা হাবি। এই জোপা যে বুঢ়া ডাঙৰীয়া থকা গছ।

এজনে ৰত্নলৈ চাই দীঘলীয়া সুৰত সৰু সৰুকৈ কৈয়ে পেলালে, "কথাটো বৰ ভাল নকৰিলি দেই ৰত্ন। দোষৰ পাপৰ ভাগী হ'বি তইঁত আৰু পুলিচ আহি গাঁৱৰ সকলোকে হালে হালে সাঙুৰিব।"

লগে লগে ভয়, আতঙ্ক জড়িত গুণ্-গুণনিয়ে গোটেই হাবিখনকে মৌ এবাহৰ দৰে কৰি তুলিলে।

"সঁচা কথা। সঁচা কথা। বুঢ়া ডাঙৰীয়াই সুখেৰে নেৰিব - গাঁৱৰ কাকো সুখেৰে নেৰিব। পুলিচৰ মাৰ সাধাৰণ কথা। এই গছৰে ডাল এটা কাটি গৈ তাহানি নন্দৰাম বুঢ়াই ঘৰত তেজ বতিয়াই মৰিছিল। বহুত বুঢ়া-মেথালোকে এই কথা জানে। কতদিন পূৰ্ণিমা ৰাতি ভাওনা চোৱা মানুহে ডাঙৰীয়াক এই গছতে বহি থকা দেখা পাইছে। মূৰত পৰ্বত হেন ডাঙৰ এটা পাগ। শুধ বগা। পকা থেকেৰাৰ দৰে মুখ। মূৰৰ পাগটো আঁহতৰ ওপৰত ওলাই কলচীৰ দৰে জিলিকি থাকে। ভৰি দুখন মাটিত লাগি থাকে। গছৰ মাজৰ ফেৰেঙনি এটাত ডাঙৰীয়া বহি থাকে।

ভীমবাৰীৰ জাৰণিৰ মাজত ল'ৰা-ডেকা-বুঢ়া-তিৰোতাৰ এখন সৰু সমাজ বহি গ'ল আৰু এটা সমাজ-বিবেকৰো সৃষ্টি হ'ল।

ৰত্ন আৰু উৎসাহী ডেকাকেইজনৰ বাহিৰে বাকী মানুহবিলাকে এক নিৰাপদ দূৰত্ব ৰাখি থিয় হৈ আছিল। এই বাহ মৌৱে খেদিব লাগিলে পানীত বুৰ মাৰিও ৰক্ষা নহ'ব।

ৰত্নই এতিয়াহে অৱস্থাৰ গুৰুত্বটো উপলব্ধি কৰিবলৈ ধৰিলে। বুঢ়া

ডাঙৰীয়াৰ ভয় নহয় - কিন্তু মৌ-বাহে যদি ওপৰতে ভটাগুটিক বেঢ়ি ধৰে। গোটেই মৌ-বাহ নালাগেই, যদি দুই-তিনিটা মানেও ওপৰা-উপৰিকৈ কামুৰিবলৈ ধৰে আৰু ভয়তে যদি ভটাই হাত এৰি দিয়ে... তাৰ পিছত ? মৌবাহে ইতিমধ্যেই ৰত্নৰ অন্তৰখন বেঢ়ি বেঢ়ি বিন্ধিবলৈ আৰম্ভ কৰিলে।

কি কুক্ষণত সি মৌ-বাহ দেখিছিল ? দেখিলে দেখিলে, খাবলৈ লোভ কৰিলে কিয় ? লগৰ বিলাকক জনালে কিয় ? লোভেই পাপ, পাপেই মৃত্যু, ইয়াকে কয়। আজি যদি তাৰ বাল্যবন্ধু, লগৰ সমনীয়া এজনৰ কিবা হয়, পুলিচ-টুলিচ পিছৰ কথা, সি জীয়াই থাকিব কেনেকৈ ? ইহ জীৱনত তো ভুগিবই, পৰ জনমতো নৰক যন্ত্ৰণা ভোগ কৰিব লাগিব।

ইতিমধ্যে মানুহবিলাকৰ মুখৰ গুণ্-গুণনি আপোনা-আপুনি নাইকিয়া হৈ পৰিল। সকলোৱে মূৰ থিয় কৰি চকুৰ পচাৰ নেপেলোৱাকৈ ওপৰলৈ চাই আছে। ভয়, আতঙ্ক, ত্ৰাস আৰু লগতে, অলপ অলপ মৌ খোৱাৰ লোভ মিহলি হৈ মুখবিলাকে একোটা অদ্ভুত ভাঁজ ধৰিছে। ভটা তেতিয়া গৈ সেই বিৰাট গছডালৰ মাজৰ ফেৰেঙনিটোত বহি অলপ জিৰাইছে। বুঢ়া ডাঙৰীয়াও সেই ফেৰেঙনিটোত বহে।

ৰত্নৰ চকুৰে চকুৰে পৰিল। ভটাই চিৰপৰিচিত হাঁহিটো ৰত্নলৈ মাতি পঠালে। এই হাঁহিয়ে এই মুহূৰ্তত ৰত্নক চোৰাত পাতৰ দৰে চেৰেক্ কৰে দাকি গ'ল। তাৰ অন্তৰখনে হায় হায় কৰি উঠিল। ৰত্নই জানে ভটাক ওভোতাই অনা অসম্ভৱ। গতিকে এতিয়া তাক নামি আহিবলৈ কৈও লাভ নাই। সদায়ে সি আঁকোৰ-গোজ স্বভাৱৰ। তাক এবাৰ উচটাই দি যিকোনো কামত লগাই দিলেই হ'ল। তাৰ সেই দুৰ্বলতাৰ সুযোগ লৈয়ে সকলোৱে বিয়া ভাওনা, সভা-সমিতি সকলোতে আটাইতকৈ কঠোৰ কামবিলাক কৰাই লয়। বিয়া হ'ল গাঁৱত, ভীমকল কাটি এখন বিয়াৰ দোৱোলা আৰু পটুৱাৰ কাম অকলে কোনে কৰিব পাৰিব ? ভটাগুটিয়ে। বিয়াৰ গেটখন ৰাতিৰ ভিতৰতে ধুনীয়াকৈ কোনে সজাব ? ভটাই। লগত দুটামান ল'ৰা সাক্ষীগোপাল কৰি দিলেই হ'ল। নামঘৰৰ হজ কৰিবলগা

হ'ল। গাঁৱৰ ৰাইজ ওলাল চাপৰিত খেৰ কাটিবলৈ। ৩০/৪০ জন মানুহৰ চাহ ভাতৰ দায়িত্ব, দূৰৰ জুৰিৰ পৰা অকলে পানী কঢ়িয়াই কোনে ল'ব ? ভটাই ল'ব। ৰাইজক ভটাগুটিয়ে শুদা ভাত নুখুৱায়। তাৰ লগত দুজন ল'ৰা ওলালেই হ'ল। চাপৰিয়ালৰ দলঙা চুৰকৈ চুৰকৈ চাই বা ক'ৰবাৰ সৰু খাল সিঁচি বা কাৰোবাৰ খাহী ভোবোলাকে চুৰ কৰি আনি হ'লেও ৰাইজক মাছ-মঙহেৰেহে ভাত খুৱাব।

দেখাত গঢ়টো আগঢ়ী, আপচু। গাত কিন্তু অসুৰৰ শক্তি। জেদত লাগিলে সি কৰিব নোৱৰা কাম একো নাই। গালৰ হনু দুডাল অলপ উঠা কাৰণেই মুখখন ভগা যেন দেখি। হাত-ভৰিবিলাক লোহাৰ। কিন্তু সেই মানুহটোক ভয় কৰিবলগীয়া একো নাই। ল'ৰা, তিৰোতা, ডেকা, বুঢ়া সকলোৰে সমাজতে সি সৰবৰহী। ল'ৰাক চিলা সাজি দিয়া; স্কেল, বাঁহৰ চুঙা কাটি দিয়া, পৰীক্ষাত হাতৰ কাম দেখুৱাবলৈ খৰাহীৰ মোৰটো দেখুৱাই দিয়া; জীয়াৰী-বোৱাৰীক ফুল চিৰি, শলি, লেটাই, চেৰেকীৰ পাহ সাজি দিয়া, নাচনি জৰি বটি দিয়া, এই সকলো কাম ভটাগুটিৰ। সকলোৰে ঘৰলৈ তাৰ অবাধ গতি; গাভৰু ছোৱালীও তাৰ ওচৰত নিঃসঙ্কোচ, নিৰ্ভয়। সকলোৱে তাক নিৰীহ পৰোপকাৰী জীৱ হিচাপেই লৈ আহিছে। অলপ উচটাই দিলেই যে তাৰ হতুৱাই কাম আদায় কৰি ল'ব পাৰি, এই কথা সকলোৱে জানে। সকলোৱে তাক দুই-চাৰি আষাৰ তোষামোদ কৰে আৰু দেখুৱাই অলপ সমীহ কৰিও চলে। সি যেন এখন খুৰ, সকলোৱে তাক ব্যৱহাৰ কৰি আহিছে আৰু সি ক'ব নোৱৰাকৈয়ে তাক সেইমতে সাৱধানে ৰাখিছে।

সেই ভটাগুটি আজি সমনীয়াৰ অনুৰোধত দুৰৰীয়া মৌ পাৰিবলৈ দেওলগা আঁহত গছত উঠিছে।

কাৰো মুখত মাতবোল নাই। বহুত আঁতৰৰ বাঁহ এজোপাৰ জিলিৰ 'ঝিয়াওঁ বিয়াওঁ-ঝিঁ-ঝিঁ' ধৰণৰ এসুৰীয়া মাত এটাই গোটেই হাবিখন জিনি পেলাইছে। গছৰ ওপৰৰ পৰা চৰাইৰ শুকাই থকা লাছ বা আমৰলি পৰুৱা এটাও যদি আহি তলৰ শুকান গছপাতত পৰিছেহি তাৰো শব্দ সকলোৱে শুনিবলৈ পাইছে।

ভটা তেতিয়া গছডালৰ মাজৰ ফেৰেঙনিৰ পৰা যিটো ভয়ঙ্কৰ ডাল পোনে পোনে ওপৰলৈ গৈছে, সেই ডালটোত বগাবলৈ আৰম্ভ কৰিছে। সেই ডালটোৰ একেবাৰেই মূৰত আছে মৌৰ বাহটো। ডালটো পোলোঙা আৰু সৰু-সুৰা এজোপা তামোলৰ সমানেই ওখ।

সকলোৰে মনবিলাক এক বুজাব নোৱৰা অস্বস্তিৰে ভৰি পৰিল। লাহে লাহে তিৰোতা মানুহবিলাক দুই-এজনীকৈ গুচি গ'ল। মুনিহ মানুহো বুঢ়া মেথা ধৰণৰ দুজনমান মুখেৰে ভোৰভোৰাই আঁতৰি গ'ল। কাৰণ আচল ডালটোতেই ভটা উঠিছে, বুঢ়া ডাঙৰীয়াৰ হাতৰ পৰা কোনো সাৰিব নোৱাৰিব - আনকি তলত থিয় দি চাই থকা বিলাকে। ৰত্নৰ মাজে মাজে এনেকুৱা ভাব হ'ল যেন প্ৰাণৰ কাতৰে ক'ৰবালৈ লৰ ধৰিব। কোনোবা পৰ্বতে পাষণ্ডে গৈ আত্মগোপন কৰিব। বুঢ়া ডাঙৰীয়াৰ কোপৰ পৰা সাৰিবলৈ নহয়, সেই ভয় ৰত্নৰ নাই। কিন্তু মৌ বাহে যদি জিকাৰ দিয়ে। হওঁতে সি নজনা নহয়, যে পূৰ্ণিমাত মৌৱে আৰু একো ভাবিব নোৱৰা হয়। সি ঠাইতে বহি পৰে আৰু অলপ খৈণী মোহাৰিবলৈ লয়। ৰত্নক বহা দেখি লগৰ দুই এটা খৈণীপ্ৰিয়ও ওচৰলৈ আহি বহি পৰে। সিহঁতৰো মুখবিলাক শুকাই কৰাই খোলা যেন হৈ পৰিছে।

ৰত্নৰ মনত নানা চিন্তা, নানাভাৱে বতাহত লৰচৰ কৰি থকা কলপাত এখনৰ দৰে অগা ডেৱা কৰিবলৈ ধৰিলে। ভটা তাৰ সৰু কালৰ বন্ধু। বয়সত সমনীয়া হ'লেও ভটাই তাৰ কথা আখৰে আখৰে পালন কৰে। ৰত্ন সদায় ধীৰ-স্থিৰ, ভটা সদায় অস্থিৰ। ৰত্নই ভাবি-চিন্তি যিকোনো কামত ধৰে, ভটাই নভবা নিচিন্তাকৈ কামত জঁপিয়াই পৰে। ৰত্নৰ বুদ্ধি আৰু ভটাৰ শ্ৰম-শক্তি, দুয়োটাই মিলি বা লগ লাগি অসম্ভৱকো সম্ভৱ কৰে। ৰত্ন সদায় মুখবলী। প্ৰথমে ৰাজহুৱা কামলৈ ৰত্নই আগবাঢ়ি যায়। কিন্তু সুবিধা বুজি ৰত্নই আগতে মূৰ পোলকা মাৰে। খাটি মৰে ভটাই। সিহঁত দুয়োটাই চাপৰিত কুঁহিয়াৰ, সৰিয়হ কৰে। সিহঁতৰ খেতিৰ কোনেও জোৰ ল'ব নোৱাৰে। কাম অৱশ্যে ভটাই কৰে বেছি।

আজি সেই ভটাই ৰত্নৰ কথাত, এৰা ৰত্নৰ কথাতে মৌ পাৰিবলৈ উঠিছে। এই বিৰাট আৰু দেওলগা আঁহত গছত। ৰত্ন মাটিত; অতি হীন, দীন, নীচ হৈ থিয় হৈ আছে। সি। ভটা ওপৰত, বহুত ওপৰত সি। যেন ভটাগুটিয়ে সোঁ শৰীৰে স্বৰ্গযাত্ৰা কৰিছে - সকলো মানুহে তাক হৰিধ্বনিৰে বিদায় দিবলৈ আহিছে। (তাহানি সাধুকথাত তামোল চোৰ এটাই যে কৰিছিল। হুঃ। ইমান গভীৰ কথা এটাৰ লগত ক'ৰ হাঁহি উঠা সাধুটোৰ কথা যে মনত পৰিছে তাৰ।) তাৰ এটা কথাত, এষাৰ কথাতে ভটাগুটিয়ে নিজৰ জীৱন আগ কৰি মৌ পাৰিবলৈ আহিল। কিন্তু সি ভটাক সেই পৰিমাণে অন্তৰেৰে ভাল পাই আহিছেনে ? ৰত্নই সদাই নিজৰ সুবিধা আদায় কৰিবৰ কাৰণেহে মাত্ৰ তাক তোষামোদ কৰি আহিছে। সি নীচ, সি হীন, সি ভটাৰ কেঞাআঙুলি এটাৰো অযোগ্য। ভটা তাতকৈ ওপৰত, সঁচাকৈয়ে ওপৰত, বহুত ওপৰত। ভটাই তাক নোসোধাকৈ একো কাম নকৰে, মৰাপাট সৰিয়হৰ ভাও নাকটে, সি নগ'লে ভটাই গৰু নিকিনে, আনকি তাৰ অনুমোদন নোহোৱাকৈ ভাও এটাও নলয় - লাগিলে মেইন পাটেই হওক।

সঁচাকৈয়ে আজি এই মুহূৰ্তত ৰত্নৰ অন্তৰত তাৰ অকৃত্ৰিম বন্ধুটোৰ প্ৰতি প্ৰেমৰস গছৰ তলত হা কৰি মুখ মেলি থকা বৰটৌটোৰ এটৌ হৈ টলবলাবলৈ ধৰিলে। সৰু কালৰ পৰাই সেই বন্ধুটি কোনো এদিনো তাৰপৰা ইমান আঁতৰ হৈ যোৱা নাছিল।

ওচৰৰ মানুহবোৰলৈ তাৰ চকু গ'ল। সকলোৱে মুখবিলাক বৰটৌ একোটা কৰি ওপৰলৈ চাই আছে। ঘৃণা আৰু বিৰক্তিয়ে তাৰ চকু, মুখ আৰু কপালত ফণা তুলি নাচিবলৈ ধৰিলে। ইহঁত সকলো ভণ্ডৰ দল। তেজ-পিয়া পিশাচ । ইহঁতৰ স্বাৰ্থই আগ। আজি যদি কাৰ্যসিদ্ধি হয়। ভটাগুটিক অলপ বাহ্‌বা মাত্ৰ দি ঘৰলৈ গুচি যাব। তাৰ বাবে নামঘৰত তাক এদিনলৈ খুঁটা নিদিয়ে, সবাহত তাক আগলতি পাতখন নিদিয়ে। বিয়াঘৰত তাক চকীত বহি ভদ্ৰলোক হৈ বিয়া খাবলৈ নিদিয়ে। পিঠিত হাত বুলাই বিয়াঘৰীয়াই চাহ কৰিবলৈ লগাই দিব।

অলপ আঁতৰৰ পাটীদৈ এজোপাৰ তলৰ পৰা মাটি ভালুকী চৰাই এটা

ভুৰুং কৰে উৰি গৈ ওচৰতে আন এটা জোপোহাত পৰিলগৈ। ৰত্নৰ অন্তৰখনে চক্‌মকাই ধপ্‌ধপাবলৈ আৰম্ভ কৰিলে। অন্তৰখনো যেন মাটি ভালুকী চৰাই এটা হৈ পৰিল। বাকী মানুহবিলাকে চক্ খাই উঠিল। ভটা গৈ ডালটোৰ মূধচ পাইছেগৈ।

ৰত্নৰ গাৰ নোমবোৰ জিকাৰ মাৰি উঠিল। গাটো তামোলে গাত ধৰা মানুহৰ দৰে ৰাই-জাঁই কৰিবলৈ ধৰিলে। আন বহুত মানুহে এই দৃশ্য চাব নোৱাৰি চকুবিলাক নমাই আনিলে। ৰত্নই দেখিলে, ভটা সৰু ফেৰেঙনি এটাত খোপনি পুতি বহি লৈছে। ডালত জোকাৰ খাই দুটা-এটা মৌ উৰিছে। যদিও বাকীবিলাক মৌৱে জিকাৰ মাৰি মাৰি দিছে। ঠিক তাৰ গাৰ নোমবিলাকৰ দৰেই। বাওঁহাতে সৰু ঠেঙুলি এটাত ধৰি লৈ (যদি ঠেঙুলিটো ভাগি পৰে !) আনখন হাতেৰে অতি সাৱধানে কাপোৰখন মূৰে-গাই ঢাকি লৈছে। তাৰ পিছত লাহে লাহে, সন্তৰ্পণে, সি ইতিমধ্যে মুখত কামুৰি লোৱা কটাৰীখন সোঁ-হাতলৈ তুলি লৈছে। সেই অৱস্থাতে অলপ সময় ৰৈ থকিবলগীয়া হৈছে। উদ্দেশ্য – উৰিফুৰা মৌগুটিকেইটা আকৌ বাহত পৰা !

এটা যেন যুগ। ৰত্ন আৰু বহুতেই উশাহ ল’বলৈ পাহৰি পেলালে। কটাৰী হাতত লৈ ভটাই যেন কাৰ’বাক হত্যা কৰিবলৈ উদ্যত হৈছে আৰু সেই ভয়লগা দৃশ্য সকলোৱে বাধ্য হৈ চাই থাকিব লগাত পৰিছে। ৰত্নই আৰু নোৱাৰিলে। তাৰ চকু মুদ খাই গ’ল।

কল্পনাৰ চকুৰেই ৰত্নই ভটাৰ হাতখনৰ প্ৰত্যেকটো গতিবিধি লক্ষ্য কৰি গ’ল। এয়া ভটাৰ কটাৰী মৌ-বাহলৈ আগবাঢ়িছে। মৌবিলাকে গা জিকাৰি বাট উলিয়াই দিবলৈ চেষ্টা কৰিছে। সেই সুৰুঙাইদি ভটাৰ কটাৰী আগবাঢ়িছে ভিতৰৰ মৌ-বিচনীখনলৈ।...

...কিন্তু মৌবাহ যদি খঙত গোঁ-গোঁৱাই উঠে ? একেলগে ভটাক বেঢ়ি ধৰে। ...ধপহ্ কৰে হোৱা এটা শব্দত ৰত্ন উচাপ খাই উঠিল। ভয়ঙ্কৰ মৌ-বিচনী এখনৰ এফাল টৌটোত এফাল মাটিত পৰিলহি। চঞ্চল হৈ উঠিল ওপৰৰ মৌবাহ,

চঞ্চল হৈ উঠিল তলৰ মুনিহবিলাক। এমন, দুমন, তিনিমন, কেবামনো মৌ-বিচনী তলত পৰিবলৈ আৰম্ভ কৰিলে। কিছুমান টৌত; কিছুমান মাটিত।

মানুহবিলাকৰ মাজত লৰা-ঢপৰা লাগিল। সকলো আহি বৰটৌৰ ওচৰ চাপিল। মুখেৰে অৱশ্যে কোনেও মাত মাতিবলৈ সাহ কৰা নাই। মাত শুনিলে কোনে জানে, মৌবোৰ উৰিবও পাৰে।

ভটাই নামিবলৈ আৰম্ভ কৰিলে। প্ৰথমে লাহে লাহে, তাৰ পিছত দুগুণ গতিৰে।

পূৰ্ণিমাৰ মৌ। পুৱাতেই পাৰিব লাগিছিল। ৰস বহুত। ইতিমধ্যে শুহিলেই, দিনৰ বাকী সময়খিনিত সম্পূৰ্ণ শুহিলেহেঁতেন। যি নহক, বিচনীবোৰ টৌত ভৰাই হাবিৰ পৰা মুকলিলৈ লৈ আহিল দুজনমানে। গোটেই দল মানুহে ওচৰত বেঢ়ি ধৰিলে। মুখৰ শব্দবোৰো ক্ৰমাৎ ডাঙৰ হৈ আহিবলৈ ধৰিলে।

ৰত্ন কিন্তু গছৰ তলত তেতিয়াও থিয় হৈ। ভটা নামি আহিল বিজয়ী হাঁহি এটা লৈ। তিনি হাতমান ওপৰৰ পৰা জাঁপ মাৰি দি কাপোৰ-কানি জোকাৰিব ধৰিলে। ৰত্নৰ লগৰ কেইবাজনো আহি ভটাৰ ওচৰত থিয় হ'লহি।

ৰত্নৰ মুখত হাঁহিও নাই, মাতো নাই। সি মাত্ৰ ভটাৰ গাৰ পৰা পৰুৱা, শুকান পাত আদি এৰুৱাবলৈ লাগিল।

- দে ৰত্ন অলপ খৈণী দে। মৌবাহ বহুত শুহিলে।... সি আৰু কিবা ক'ব খুজিছিল; ৰত্নই তাৰ বাহুত থাপ মাৰি ধৰি হাবিৰ পৰা বাহিৰলৈ টানি নিয়াদি লৈ গ'ল।

— তোৰ কাম মৌ পাৰি দিয়াহে। মৌ সিহঁতে খাওক। আৰু শুন, আজিৰ পৰা মোৰ সাক্ষাতত এনে প্ৰাণান্তক কাম কৰিব নোৱাৰ কেতিয়াও ।

যাওঁতে কৈ গ'ল ৰত্নই।

১৯৫৮

# মাছ আৰু মানুহ

তিনি আলিৰ কেঁকুৰিত ৰাইজে হৰিধ্বনি কৰিছে। ভঁৰালৰ গাধৰিৰ ওপৰত হাঁকোটাত ওলোমাই থোৱা পল'টো হাতত আৰু টোণাটো পিঠিত বান্ধি লৈ তিনি বছৰীয়া ল'ৰাটোক সুধিলে : "বাপ, ডাঙৰ মাছ পামনে ?"

"ওঁ, ডাঙল, ইমান ডাঙল মাছ পাবি।" বাপে হাতেৰে মাছটো আঁকোৱালি ধৰি ক'লে। ঘৈণীয়েকে মিচিক্ কৰে হাঁহি জীৱকান্তৰ মুখলৈ চালে। হাঁহিটোৱে কয়, দেওল'ৰাৰ বাইক ফলিয়াবই। ঘৈণীয়েকৰ হাঁহিটোৱে তাৰ গা ৰাই-জাঁই কৰি গ'ল। যেন পল'ৰে ধৰি বুকুৰ টোণাত বন্দী কৰি থ'ব সেই হাঁহিটো। আজি চাৰি বছৰৰ আগৰ বিয়াৰ পিছৰ দিনবিলাকলৈ হঠাৎ মনত পৰি গ'ল তাৰ। কিবা এটা ক'ব খুজিও ক'ব নোৱাৰি। নিঃশব্দে হাঁহি পেলালে জীৱকান্তই। ইতিমধ্যে পোন্ধৰ বছৰীয়া ডম্বৰুৱে হাতত জুলুকি এটা লৈ ল'ৰি আহি ক'লে,

"দদাই খৰ কৰ, ৰাইজ গ'লেই।"

"ব'ল, ব'ল, ল'ৰ দে, আগ হ" বুলি আধা হঁহা হাঁহিটোৰ বাকীখিনি শেষ কৰি কোব ল'লে জীৱকান্তই।

আজিৰ যাত্ৰাটোৱে কৈ দিছে শুদা হাতে উভতি নাহিব সি। মাঘৰ বিহুৰ ভাত সাজ উকা নহ'ব যেন লাগিছে।

গাঁৱৰ প্ৰায় দুকুৰি মানুহ, ল'ৰা ডেকা বুঢ়া মিলি, কেঁকুৰিত গোট খাই শেষবাৰ হৰিধ্বনি কৰিছে। কোন যাৱ আহহঁক ঔ। তাৰ পিছত মহখুঁটি বিললৈ চাৰি মাইল বাট পথাৰে পথাৰে খোজ ল'লে সকলোৱে কোবৰে। প্ৰায় কুকুৰ লৰৰে গৈ বাটত ৰাইজক লগ ধৰিলে জীৱকান্তই।

পথাৰবিলাক তেতিয়া মুকলি। ধান কাটি শেষ হ'ল। বাদামী ৰঙৰ নৰাবিলাকৰ পৰা কুঁৱলীবোৰ খৰখেদাকৈ উঠি ধূমাধূম ওপৰলৈ গৈছে। যেন মাছ মাৰিবলৈহে সকলোৱে হাতত পল' লৈ কুকুৰ লৰ দিছে।

আঁঠুৱনীয়া নৰাফালি, কেতিয়াবা আলিয়েদি, কেতিয়াবা বকিয়াই দি ৰাইজ

আগবাঢ়িছে। প্ৰত্যেকৰে পিঠিত টোণা, হাতত পল’ আৰু মনত এটোণাকৈ মাছ অনাৰ আশা।

জীৱকান্ত সকলোৰে মাজত অকলশৰীয়া। তাৰ মনটো পুৱাৰ ৰ’দ চেৰেঙাৰ দৰেই ৰঙা হৈ পৰিছে আৰু থাকি থাকি কিৰিলিয়াই উঠিছে। তাৰ মনে কৈছে আজিৰ অভিযানত তাৰে জয়। সকলোকে তভক লগাই দিব সি।

ঘৰৰ পৰা ওলাওঁতেই তাৰ মুখখনে যিটো হাঁহিৰ ভাঁজ লৈছিল ক’ব নোৱৰাকৈয়ে তাৰ মুখৰ সেই ভাঁজটো থাকি গ’ল।

জানো ভগৱান, চকু মেলি চাবা প্ৰভু। আজি চাৰিবছৰে সি ঘৈণীয়েকক ভাল মাছ এটা ধৰি দেখুৱাব পৰা নাই। মাত্ৰ নাৰ, বাট, কুঢ়ি, বৰালি কেঞা। ভয়ঙ্কৰ ৰৌ বা বাহু মাছ এটা ধৰিব পাৰিলে ৪/৬ জনে ভাৰ সাঙোৰ কৰি আনি ঘপহ কৰে চোতালৰ আগত পেলাই দিব-গাঁৱৰ মুনিহ-তিৰোতা, ল’ৰা-ছোৱালীয়ে মাছটো বেঢ়ি ধৰিব। ঘৈণীয়েকে তেতিয়া কি কৰিছে? ধঁপাতৰ চিলিমটো ৰাইজক দিবলৈ এবাৰ ভিতৰ সোমাইছে, এবাৰ বাহিৰ ওলাইছে। মুখৰ হাঁহিৰ প্ৰতাপত চিলিমটো ফু দিবলৈ মুখখন জোঙা কৰিব পৰা নাই।

সি গোটেই দৃশ্যটো চকুৰ আগতে ৰৈ থকা দেখিলে।

জানো ভগৱান, তুমিহে জানা।

ডেৰ-ঘণ্টা মানৰ পাছত ৰাইজ গৈ ম’হখুটি বিলৰ পাৰ পালেগৈ। দীঘলে বহলে ভয়ঙ্কৰ - বিল নহয়, এখন সাগৰহে এই ম’হখুটি বিল।

এই বিলৰ এটা চুকহে মাৰিব ৰাইজে। তাতে যি পায়। সকলোৱে অলপ জিৰাই কাপোৰ-কানি সলাই বিড়ি ধঁপাত হুঁপি সাজু হ’ল। কমৰ ভালদৰে কচি ল’লে, মূৰত গামোচা বা চাদৰৰ পাগ মাৰিলে। টোণাবিলাক পিঠিত ভালদৰে বান্ধি ল’লে। তাৰ পিছত সকলো বিলত নামি পৰিল। ওখবিলাক মাজলৈ গ’ল - অলপ চাপৰবিলাক অলপ বামলৈ থাকিল। ল’ৰাবিলাকে জুলুকি লৈছিল। জুলুকি পল’তকৈ সৰু আৰু চাপৰ। তাৰ মেৰটো পল’ৰ সমান বহল নহয়। জুলুকি দ’ পানীত বাব নোৱাৰি - সেইবিলাক একেবাৰে কাষলৈ গ’ল। পানীত নামিব নোখোজা দুই এটাই

হাতত ওভোতা কোল বা পচা লৈ পাৰে পাৰে আগবাঢ়িল। সৰু-সুৰা মাছ খুচিব পাৰিব।

সমানে পল'ৰ শাৰীটো আগবাঢ়িল। মানুহৰ খোজত আৰু পল'ৰ শব্দত মাছবিলাক প্ৰথমে দৌৰি পলাব। পলাই অৱশ্যে পাৰৰ ফালেহে যাব। তাৰ পৰা আকৌ মানুহৰ ফালে উভতি আহিব। তেতিয়াই পল'ত মাছ পৰিব।

মাজে মাজে দুই এজন ৰৈ পল'ত হাত সুমুৱাই দুই এটা সৰু সুৰা আঁৰি, বৰালি ধৰিছে। কোনোৱে বিৰক্তিৰে আকৌ পল' দাঙি লৈছে। ডাঙৰ মাছ আৰু আগৰ দৰে নাই।

পাৰৰ ফালৰ থকা ভতিজাক ডম্বৰুৱে জুলুকিত হেঁচা দি এবাৰ আটাহ পাৰি উঠিল, "দদাই বেঘাই আহ ভয়ঙ্কৰ মাছ।"

"ওঁ 'বেগাই' আহিব লাগেনে?" বুলি কাষৰ লক্ষ্মীয়ে নিজৰ পল' এৰি তাৰ জুলুকিত হাত সুমুৱাই মাছটো ধৰি দিলে – চেঁচু যেন বৰালি কেঞা এটা। "হোঃ এইটো তোৰ ভয়ঙ্কৰ মাছ।" সকলোৱে হাঁহিলে।

ৰাইজৰ কিন্তু ইতিমধ্যে মন চেঁচা হ'বলৈ আৰম্ভ কৰিছে। ডাঙৰ মাছ উঠাৰ এটা লক্ষণ থাকে। সেই লক্ষণ আজি দেখা নাই। সৰু-সুৰা যি পাইছে সিমানেইহে।

আশা আৰু উছাহ অকণো কমা নাই মাত্ৰ জীৱকান্তৰ। সি জানে, তাৰ মনে কৈছে, আজিৰ দিনটো অথলে নাযায়। দেও-ল'ৰাৰ বাক্য, ঘৈণীয়েকৰ হাঁহি অথলে নাযায় ।

বামত থকা কোনোবা এটাই কিবা এটা কোলেৰে খোচ মাৰিলে। তাৰ সমনীয়া এটাই পানীৰ পৰা চিঞৰিলে, "কি গিৰালি ঔ ? ৰৌ নে বাহু ?"

"ধেৎ, মাছ নহয় কুচিয়া" - বামৰটোৱে উত্তৰ দিলে।

"দিয়া বাঢ়নীৰে খুচিয়া," বুলি আন এটাই ৰসিকতা কৰিলে।

"বাৰু, বাৰু, খৰিচাত মৰিচা দেগৈ, তেলেনী ঘাটে পাৰ কৰগৈ, দুপৰীয়াকৈ সুধি পুছি চাম।" - প্ৰথম সোধাটোৱে পুৰণি সাধুটোৰ বাকী অংশ গাই

দিলে।

মুহূৰ্ততে এটা ঘটনা হৈ গ'ল। ঘটনাটো ভাগ্যে দুৰ্ঘটনাত পৰিণত নহ'ল।

জীৱকান্তৰ বাওঁফালৰ চাৰিজন মানুহৰ আঁতৰৰ পৰা শাৰীটোৰ সমান্তৰালভাৱে প্ৰকাণ্ড ৰৌ কি বাহু এটাই জাঁপ মাৰি জীৱকান্তৰ নাকত সামান্যভাৱে পিছা কোবাই সোঁফালৰ চাৰিটামান মানুহৰ আঁতৰত পৰিলগৈ। অকণমান ধেনুভিৰীয়া হৈ অহা হ'লেই দুটামানৰ নাক মুখ গৈ বিহু গোটেইটো পকাই দিলেহেঁতেন। --

"বাব্বাঃ।" দুটামানে চিঞৰি উঠিল। কি প্ৰকাণ্ড মাছ ঔ। কোনোৱে ক'লে ৰৌ, কোনোৱে ক'লে ঢেকেৰা ।

নঘটা বিপদৰ কথা কোনেও চিন্তা নকৰিলে। ৰাইজৰ মাজত নতুন উছাহ দেখা গ'ল। "ধৰহঁক ঔ - আহিছে ডাঙৰ মাছ..." দুজনমানে চিঞৰিলে।

আকৌ ৰাইজ আগবাঢ়িল। এইবাৰ সন্তৰ্পণে, লাহে লাহে পল' চবিয়াই। পানী কাৰো এবুকু, কাৰো এডিঙি। ডাঙৰ মাছ এই পানীতেই পৰিব পাৰে। বুকু সকলোৰে টিপ্‌লিং চিপ্‌লিং - কাৰ প'লত পৰে সেই মাছ। আৰু পৰিলেও সি দুখ দিবলৈহে পৰিব – কাৰণ দ' পানীত সেই ভয়ঙ্কৰ মাছটো ৰাখিবলৈ কাৰো তাগজ নাই, তাৰ মূৰটোৱেই পল'টো আগুৰিব।

জীৱকান্তৰ কিন্তু মানসিক উত্তেজনাই চৰম অৱস্থা পাইছে। তাৰ মুখখনত এক দৃঢ়তাই ফুলি উঠা কপালৰ সিৰ ডালৰ দৰে টন্‌টনাই উঠিছে।

এয়েই সময়। আৰু বেলেগ সময় এটা নাই। তাৰ উদ্দেশ্য সফল হোৱাৰ এয়েই সময়।

ঘপহ্ কৰে হোৱা শব্দ এটাই সকলোকে চমক খুৱাই ৰখাই দিলে। সকলোৰে খুব তুলি দেখে যে প্ৰাণপণে জীৱকান্তই পল'টোৰ ওপৰত হেঁচা দি বহি পৰিছে - আৰু কাষৰ ৰত্নেশ্বৰে জাঁপ মাৰি তাৰ গাত ভেজাদি থিয় হোৱাৰ ভঙ্গিত ৰৈ আছে।

"পৰিল ?"

“পৰিল।” কঁপা মাতেৰে চিঞৰি কেবাজনে সোধা প্ৰশ্নৰ উত্তৰ দিলে ৰত্নই। জীৱকান্তই কিবা উত্তৰ দিব খুজিছিল। কিন্তু মাত নোলাল।

ওচৰৰ বুঢ়া এজনে নিজৰ পল’ এৰি আগবাঢ়ি আহিল। পানীত তিনিবাৰ মান বুৰদি এবাৰ চকুহাল ডাঙৰকৈ মেলি দিলে। সকলোৱে বুজিলে চকুহাল যিমান ডাঙৰকৈ মেলিছে, মাছো সেই অনুপাতে। বুঢ়াই নিজৰ টোঁণাবন্ধা পৰাই অলপমান দাঁতেৰে কামুৰি ছিঙিলে। ৰচি বেলেগে কোনেও অনা নাছিল। কোনেনো জানিব? ৰচিডাল চুটি হ’ল, মৰাপাটৰ, তাতে পুৰণাও।

সাতবাৰ মান বুৰ দিয়াৰ পাছতো যেতিয়া মাছটোৰ গলেদি ৰচি সুমুৱাব নোৱাৰিলে, বুঢ়াই ফোঁপাই জীৱকান্তক ক’লে, “জীৱ, ইয়াৰ আশা এৰি দে। ই এলাপেচা মাছ নহয়, এই বিলৰ কালিকা লগা মাছ। তাহানিৰে পৰাই ইয়াত আছে।”

লগৰ ৰাইজৰ মুখ শুকাই গ’ল। পল’ত মাছ ধৰাত এই বুঢ়ায়ে ওস্তাদ। তেওঁৰ কথায়ে শিলৰ ৰেখা। কালিকা লগা মাছৰ কথা সকলোৱে শুনিছে। তাহানিয়ে বোলে কোনোবা এজনৰ পল’ত পৰিছিল। ৰাখিব নোৱাৰিলে। সেই ৰাতিৰ পৰাই ভয়ঙ্কৰ জ্বৰ হৈ এসপ্তাহত মানুহটো মৰিল। মাছৰ কথাই ভ্ৰম বকিছিল, আৰু মাজে মাজে চক খাই জিকাৰ মাৰি দিছিল। বেজ, মন্ত্ৰ ফঁহতি একোৱেই একো নকৰিলে। তাহানিখনৰ কথা।

সকলোৱে এক বাক্যে চিঞৰি উঠিল, “এৰি দে জীৱ, এৰি দে, দেহা থাকিলে মাছ পাবি।” জীৱ, ৰত্ন আৰু দুজনমান ডেকাই কিন্তু কালিকা ফালিকা নামানে। এই মাছ ধৰিবই লাগিব। জীৱই ৰত্ন আৰু বিজয়ক পল’ত হেঁচা দিবলৈ দি নিজে নামি গ’ল।

ৰাইজে পল’ লৈ আগবাঢ়ি যোৱাটোকে থিৰ কৰিলে। বেলা গৈ আছে।

ডাঙৰ মাছ পল’ত পৰিলে পল’ৰ ভিতৰত হাত সুমুৱাই তাৰ গালৰ ভিতৰেদি আঙুলি সুমুৱাই - পল’ৰে সৈতে দাঙি আনিব লাগে। কিন্তু তাতকৈ ডাঙৰ মাছ হ’লে একমাত্ৰ উপায় তাৰ গালৰ তলেদি ৰচি সুমুৱাই মুখেদি উলিয়াই ৰচিৰ

দুয়োমূৰ পল'ৰ লগত জৰপুৰকৈ বান্ধি দিয়া। কিন্তু সেইটোৱে আটাইতকৈ টান কাম। পল' অলপ ঢিলা পালেই উফাল মাৰি মাছতো যাবই, মানুহকো নিব। আঁচলৰ গাঁঠিত জীৱ বন্ধা কাম।

জীৱকান্তই হাতত ৰচিডাল লৈ নাদুৰিবলৈ ধৰিলে।

ৰাইজ আগবাঢ়ি গৈ থাকিল। পল'ৰ লগত থাকিল ৰত্ন আৰু বিজয়। ডম্বৰু তাৰ জুলুকি লৈ আঁতৰতে জুলুকা লাগি থাকিল। কাৰণ সি সাঁতুৰিব নোৱাৰে। তাৰ কাৰণে সেয়ে আথাউনি পানী।

প্ৰায় আধাঘণ্টামান পাল পাতি বুৰিওৱাৰ পাছত দ্বিতীয় বাৰ জীৱকান্তৰ পালত অধ্যৱসায়ৰ জয় হ'ল। মাছটোত ৰচি ভৰাই পল'ৰ লগত বান্ধি দিলে। ৰচি চুটি কাৰণে পল'টোৰ মাজতে কাঠি এটা বেঁকা কৰি তিনিটামান কাঠি সাঙুৰি গাঁঠিটো দিলে।

আৰু ক'লৈ পলাব? সেই পুহ মাহৰ জাৰতো তিনিওটা ঘামি-জামি অলপ সকাহ ল'লে।

কিন্তু মুহূৰ্ততে আৰু এটা কাণ্ড ঘটি গ'ল। জীৱকান্তই পল'টো ধৰিছে মাথোন, ই দুটাই হাত অলপ ঢিলাই দিছেহে, এনেতে মাছটোৱে উফাল মাৰি পল'টো একে-কোবে বৰশীৰ পুঙা নিয়াদি নি বিলৰ মাজ পালেগৈ। জীৱকান্তৰ এটা হাত পল'ত, আনটো হাতে সাঁতোৰ কাটি আগবাঢ়িছে, পিঠিত দুৰ্জয় টোণাটো।

ৰত্ন আৰু বিজয় প্ৰথমে কি হ'ল একো ঠিক কৰিব নোৱাৰি থৰ হৈ থাকিল। বাকী মানুহবিলাকে হঠাৎ হোৱা শব্দত পল'বোৱাৰ পৰা পিছলৈ ঘূৰি চাই আটাহ পাৰিবলৈ ধৰিলে।

"সেইটো মৰিল আজি, সৰ্বনাশ হ'ল, হেৰ' এৰি দে, হেৰ, এৰি দে।"

ৰাইজ থানবান হৈ গ'ল। বহুতেই বামলৈ উঠি পাৰে পাৰে দৌৰিবলৈ ধৰিলে। ৰত্ন আৰু বিজয়ৰ তেতিয়াহে চেতনা আহিল। দুয়ো পল' এৰি সাঁতুৰিবলৈ লাগিল। কিন্তু ইতিমধ্যে জীৱকান্ত বহুত দূৰ পালেগৈ।

সকলোৱে দেখিলে বিশাল, বহল, সাগৰ যেন ম'হখুঁটি বিলৰ মাজত এটা মানুহ বৰশীৰ পুঙা যেন পাকঘূৰণি খাই ফুৰিছে। কোন মুহূৰ্তত কোন ফালে কোব লৈছে একো ঠিক নাই। এবাৰ যদি পাৰৰ ফালে আহিল। এবাৰ দুগুণ কোবেৰে মাজলৈ, বহুদূৰলৈ গুচি গ'ল।

ৰত্ন আৰু বিজয় সাঁতুৰি সাঁতুৰি কেনি যাব উৱাদিহ হেৰুৱালে। এবাৰ যদি ওচৰ চাপে এবাৰ আঁতৰি যায়।

পাৰৰ পৰা 'ধৰ ধৰ 'এৰি দে, এৰি দে' আদি পৰস্পৰ-বিৰোধী চিঞৰ উঠিল।

জীৱকান্ত কিন্তু এক প্ৰকাৰ বাহ্যজ্ঞানশূন্য। মন্ত্ৰমুগ্ধৰ দৰে সি পল'ৰ লগে লগে নিজক এৰি দি ভাহি ফুৰিছে। এবাৰ কিবা এটা পাকত পিঠিৰ টোণাটো সোলোকই পেলালে। তাৰ পিছত দুয়োটা হাতেৰে পল'ৰ মূৰত টানকৈ ধৰি দেহাটো পানীত ওপঙাই দিলে। কিমান টানে টানকচোন মাছে।

পানীত বল মাছৰ, বামতহে মানুহৰ। বৰশীত লগা ডাঙৰ মাছৰ ক্ষেত্ৰত ডোল ঢিলাই দি যিমান টানে টানিবলৈ দিব লাগে। সেই কথা জীৱকান্তই জানে। পল'ৰ ক্ষেত্ৰত কি কৰিব লাগে নাজানে। গতিকে কিমান যায় যাওকচোন। মাছৰতো ভাগৰ আছে। ...এবাৰ সংজ্ঞা পোৱাৰ দৰে ঘূৰি চাই দেখিলে পাছে পাছে ৰত্ন আৰু বিজয় সাঁতুৰি সাঁতুৰি ভাগৰি এতিয়া পাৰৰ ফালে যাবলৈ ধৰিছে। গাঁৱৰ ভিতৰত জীৱকান্তৰ সমান কোনেও সাঁতুৰিব নোৱাৰে। ৰত্ন আৰু বিজয়েও দুই-এটা সাঁতোৰহে জানে, তাকো বেছি সময় নোৱাৰে। পাৰৰ মানুহৰ মাতৰ মাজত ডম্বৰুৰ মাতটো সি স্পষ্টকৈ শুনিবলৈ পালে। ঘৰৰ পৰা ওলাই অহা মুহূৰ্তটোলৈ হঠাৎ মনত পৰি গ'ল তাৰ। তাৰ ঘৈণীয়েক, তাৰ ল'ৰাটো, ঘৈণীয়েকৰ সেই হাঁহিটো। এই সময় কণতে সকলোবিলাক সঁচা বা মিছা হৈ যাব পাৰে। এই মাছ যদি সি নিব নোৱাৰে তেন্তে তাৰ জীৱনেই বৃথা, 'ভেষ্ট'। কিন্তু নিব যদি নোৱাৰেই, ভগৱানে তাৰ পল'ত মাছটো সুমুৱালে কিয় ? আশা দেখুৱাই এইদৰে বঞ্চিত কৰিবনে প্ৰভুৱে ? এই মাছ সি অকলে নাখায়, ৰাইজক ভোজ দিব—যদিহে

ধৰিব পাৰে, হে ভগৱান, যদি ধৰিব পাৰে--। সি গাঁৱৰ নামঘৰলৈ চাকি এগছি আগ কৰিলে।

আৰু ঘৰখনতো সকলোৰে ডাঙৰ মাছ এসাঁজ খাবৰ মন। পোহাৰীৰ পৰা ধান সলাই কেতিয়াবা কটা বৰালি এভাগ লয় - সেয়ে ডাঙৰ মাছ। বজাৰৰ মাছৰ যিহে, দাম - ধনী মানুহৰ কাৰণেহে। কত দিন দহ বন কাটি কৰি বৰশী, পল'লৈ গৈছে; কতদিন ঘৈণীয়েকৰ হাতৰ পৰা কটাৰীখন ওপৰ মুৱা হৈ পৰিছে; কিন্তু ডাঙৰ মাছ নাহিল। আজি ডাঙৰ মাছ পায়ো শ্ৰীবৎস ৰজাৰ নিচিনাকৈ হাতত পোৱা মাছ যাব খুজিছে।

হওঁতে সংসাৰত যত্ন কৰিলেহে ৰত্ন মিলে। ভগৱানে মাছটো দিছে, এতিয়া মানুহৰ মুনিষাইৰে ধৰি তুলিব লাগিব। ভাবি গ'ল জীৱকান্তই।

এবাৰ হঠাৎ উভতি চাই দেখে যে মানুহবোৰে আন এটা চুকত মাছ মাৰিবলৈ আৰম্ভ কৰি দিছে। পাৰত দুই তিনিজনমান মানুহ তললৈ পেটপেলাই তাৰ ফালে চাই আছে। সম্ভৱ ৰত্নহঁত আৰু ডম্বৰু। বাকী ৰাইজে থাপতে দুই এটা মাছ পাইনে চেষ্টা কৰিবলৈ গৈছে। চিঞৰ-বাখৰবোৰ যে কেতিয়াবাই নাইকিয়া হ'ল সি এতিয়াহে অনুভৱ কৰিলে।

বিলৰ বহল বুকুখন ৰূপৰ কাঁহী এখনৰ দৰে চক্‌মকাই উঠিছে। ফটফটীয়া নীলা পানীৰ ওপৰত বেলিৰ চিকমিকনি পৰি চকু চাৎ মাৰি জলক-তবক লগাই দিছে। বেলিয়ে কেতিয়াবাই লহিয়ালে। সন্ধিয়া হ'বলৈ আৰু কিমান সময় ? সি তেনেহ'লে বহুত সময় পানীৰ ওপৰতে থাকিল।

হঠাৎ এটা অকলশৰীয়া ভয়ে গোটেই মানুহটোক তালুৰ পৰা তলুৱালৈ কঁপনি দি গ'ল। বতাহত বিলৰ বুকুখন কঁপি থকাৰ দৰে তাৰ বুকুৱে কঁপিবলৈ ধৰিলে ভয় এটা। এই যে বহল পানীবিলাক তাৰ চাৰিওফালে, তাৰ ওপৰত সেই যে মুকলি আকাশখন পল' এটাৰ দৰে তাক চাব মাৰিবলৈ ৰৈ আছে, এয়েনে তাৰ মৃত্যু ? মৰণ ইমান বহলনে ? ইমান মুকলিনে ? ইমান অকলশৰীয়ানে ? 'দেও-লগা মাছ' - কথাষাৰৰ অৰ্থটো এতিয়াহে যেন সি বুজি পালে। সঁচাকৈয়ে,

মাছটোৱেই তাৰ কাল হৈ তাক এই সাগৰখনৰ মাজলৈ টানি আনিলেনে ? এই পল’টোৰ ওপৰত ধৰি সি, তলত পল’ত বান্ধ খাই থকা নেদেখা মাছটো, দুয়োৰে মাজত আৰু কোন আছে ? কোনোবা এটা যেন বহি আছে দুয়োৰে মাজত, পল’টোৰ ওপৰত। দুয়োৰে মাজত বহি আছে কাল। সিহঁতৰ যিকোনো এটাক বা দুয়োটাকে কালে লৈ আহিছে নিজৰ বুকুলৈ। লগত আৰু কোনো নাই, দুয়ো অকলশৰীয়া। তাৰ গোটেই গাটো শিলৰ দৰে চেঁচা হৈ গ’ল। স্নায়ুমণ্ডলী অৱশ হৈ পৰিল। সি এতিয়া মাছ, পল’ এৰি দিলেও ইমান পানী সাঁতুৰি যাব নোৱাৰে। তাৰ হাত নচলে, ভৰি নচলে, বুকুত বিষ এটা অনুভৱ কৰিলে। চকুৰ আগত একো নাই - পুৱাৰ কুঁৱলী যেন গোটেইবোৰ বগা। গ্ৰাহ-গজেন্দ্ৰৰ আখ্যানটোলৈ মনত পৰি গ’ল। “গজেন্দ্ৰে শৰণ লৈলা ত্ৰাহি হৰি বুলি”। এয়ে মৰণ। পানীত ভয় আছে বুলি কোনোবা এজন বাবাজীয়ে হাত চাই কোৱা কথাষাৰ মনত পৰি গ’ল। সি যেন চিঞৰি দিব - কাক চিঞৰিব? বাপক ? বাপৰ মাকক ? সিহঁতৰ মুখ দুখন এই সময়ত এবাৰ কোনোবাই আনি দেখুৱাই যোৱা হ’লে। বাপ ডাঙৰ হ’বলৈ বহুত বছৰ। কোনে খুৱাব, কোনে পিন্ধাব ? কোনে চাব ? এই বছৰটো বাৰু চিন্তা নাই - ধান মুঠি চপাই দিলে। তাৰ পিছত ?

হঠাৎ সি চেতনা পোৱাৰ দৰে চক খাই উঠিল। দেখিলে মাছটোৱে তাক আনটো পাৰৰ ফালে টানি লৈ গৈছে। অৰ্থাৎ মানুহ নথকা পাৰৰ ফালে। ভগৱান, তুমি আছা, তুমি আছা। পল’টোত ধৰি থাকিয়ে সি অনুভৱ কৰিলে মাছৰ আগৰ শক্তি নাই, বল তাৰ পৰি আহিছে। এবাৰ সি ভৰিয়ে মাটি ঢুকি পাব পাৰিলেই মাছ ৰখাই দিব। তাৰ গা গৰম হৈ গ’ল। কিযে বেয়াভাববোৰ মনলৈ আহিছিল তাৰ। মাছ ধৰিব লাগে, খাব লাগে। ভগৱানে তাক খাদ্য কৰিয়ে চৰ্জিছে। কাইলৈ বছৰৰ ভোগালী বিহুটো। --হাঃ ভগৱান, ঠিক সি পাৰৰ ফাললৈকে টানি নিছে। আৰু কেইহাতমান, সি তেতিয়া মাটি ঢুকি পাব।

কিন্তু...

হঠাৎ তাৰ বুকুখন পানীৰ পৰা তোলা মাছ এটাৰ দৰেই ধৰ্ফৰাবলৈ

ধৰিলে।– যদি—যদিহে ৰচিডাল ছিগি যায়। পুৰণা ৰচি, ইমান সময় টনা-আঁজোৰা। হে ভগৱান, তাৰ সলনি মাছটো দ’ পানীতে এৰুৱাই নিদিলা কিয় ? ইমান নিষ্ঠুৰ হ’বানে তুমি ?

সি দেখিলে মানুহবিলাকে সিটো মূৰৰ পৰা পল’ টোণা পেলাই সি যাব খোজা পাৰটোলৈ তৰা-নৰা ছিঙি লৰিবলৈ আৰম্ভ কৰিছে, অৱশ্যে তেতিয়াও বহুত দূৰ, বহুত দূৰ।

এবাৰ ভগৱানৰ নাম লৈ সি থিয় দিলে। মাটি, মাটি, মাটি ঢুকি পালে সি। মাছটোও বৰ অৱশ হৈ গৈছে। ধীৰে, বৰ ধীৰেৰে সি পল’ টানিবলৈ ধৰিছে। পানী এডিঙি, পানী এবুকু, পানী ওপৰ পেট, পানী একঁকাল। পল’টাে‌ত সামান্য টান দিয়াৰ লগে লগে মাছ ৰৈ গ’ল। এই মুহূৰ্তত সাৱধান, মাছে জোৰ দিলে বা সি জোৰ দিলে, ৰচি ছিগি যাব পাৰে বা পল’ৰ কাঠি ভাগি যাব পাৰে। ভগৱান তুমি আছা, উৰুকাৰ ৰাতিৰ সাজ ল’ৰা- তিৰোতা-গঞা-অঙহি-বঙহি..

কিন্তু মাছ? মাছটোৱে থৰ হৈ ৰৈ কি কৰিছে, কি ভাবিছে?.. তাৰ জানো উৰুকা আছে?... সিও জানো ভগৱানক প্ৰাৰ্থনা কৰিছে?

ল’ৰা-তিৰোতা-গঞা-অঙহি-তাৰ জানো ল’ৰা-তিৰোতাই তাৰ কাৰণে বাটলৈ চাই আছে বাপহঁতৰ দৰে ?

... খন্তেক আগতে মাত্ৰ, সৌ দ’ পানীত সি নিজৰ জীৱনৰ আশা এৰি দি ভগৱানক ভাবিছিল। তেতিয়া তাৰ ওচৰত কোনো নাছিল – ল’ৰা-তিৰোতা – গঞা – কোনো নাছিল। সেই মহাসাগৰৰ বুকুত দুটি প্ৰাণীয়ে মৃত্যুৰ লগত যুঁজ কৰিছিল, লগত কোনো নাই, মাছৰো – তাৰো। দুয়ো অকলশৰীয়া। তাৰ ডম্বৰুৱে, তাৰ গঞাই, পাৰৰ পৰা অসহায়ৰ দৰে চাইহে থাকিল। মাছৰো, তাৰো। সকলোৱে – “চাই মাত্ৰ থাকে কালে ধৰে তেতিক্ষণ।” কালে যেতিয়া দুয়োটাৰে আগচুলিত ধৰিছিল, সেই মুহূৰ্ততে তাৰ একমাত্ৰ লগ, একমাত্ৰ মিত্ৰ আছিল তাৰ পল’ৰ লগত গাঁথা এই মাছটো আৰু মাছটোৰো একমাত্ৰ মিত্ৰ আছিল, লগ-সঙ্গ আছিল সি - মাছৰ শত্ৰু স্বৰূপ সি - মানুহটো। দুয়োৰে মৃত্যুৰ মুহূৰ্তত, দুয়ো

দুয়োৰে পৰম আত্মীয় হৈ লগে লগে ফুৰিছিল। তেনেহ'লে মাছটোহে তাৰ পৰম আত্মীয়া ! সিহঁত দুয়ো পৰম বন্ধু। নলে-গলে লগা বন্ধু।

এই ভয়ঙ্কৰ শক্তিশালী মাছটো - এতিয়ালৈকে সি দপ্‌দপাই ফুৰিছিল। কিন্তু এতিয়া সি হাতৰ মুঠিলৈ ক্ৰমাৎ সোমাই আহিছে। সিপিনে লৰি অহা মানুহবোৰ ওচৰ পাওঁ পাওঁ। ডম্বৰু লৰিছে সকলোতকৈ আগত। এতিয়া সি সকলোৰে সহায় পাব।...

...কিন্তু, আমি যে পৰম বন্ধু – মাছ - আমি যে পৰম বন্ধু - বিপদৰ বন্ধু। সৌৱা সিহঁত আহিলেই, মানুহ আহিলেই মাছ - ডম্বৰু এই পাই, এই পাই, আৰু যে সময় নাই মাছ, আৰু যে সময় নাই।

ইতিমধ্যে ডম্বৰু আহি পানীত নামিলেই। সময় নাই মাছ, সময় নাই। আঁজোৰ, আঁচোৰ।... ধূমাধূম ৰচিত ধৰি আঁজোৰ ধৰিলে জীৱকান্তই।

কুঁজা হৈ লৈ ডিঙিলৈকে পানীত বুৰাই প্ৰাণপণে আঁজোৰ ধৰিলে জীৱকান্তই - যাতে মাছটোৱে দুখ নাপায়। ডম্বৰু আহি তাৰ পল'ত ধৰে ধৰে, মানুহ আহি তাৰ ওচৰ পাই পাই।

আৰু যে সময় নাই মাছ, আৰু যে সময় নাই মাছ। এয়েতো সময়।

মাছে এবাৰ আঁজোৰ খাই দুখ পাই গ'ল।

'ঘাউপ' কৰে ভয়ঙ্কৰ শব্দ এটা উঠিল। পল'ত হাত দিব খোজা ডম্বৰুৰ বুকু লৰাই গ'ল সেই শব্দই। ৰচিডাল শেষ শক্তিৰে জীৱকান্তই আঁজোৰ দিয়াৰ লগে লগে দুখ পোৱা মাছটোৱে ঠনৰ কৰে ৰচিডাল ছিঙি দিলে। ভয়ঙ্কৰ মাছ এটা তিনিহাত মান জাঁপ মাৰি দ' পানীত পৰিলগৈ।

কি ভয়ঙ্কৰ মাছ ! ডম্বৰুৱে মুখখন হাঁ কৰি পল'টোৰ দৰে মেলি দিলে - চকু দুটা টেলেকা হৈ গ'ল। কি আচৰিত, দদায়েকে যে মাছটো এৰি দিছে !!

'পুৰণা ৰচি, ছিঙি দিলে।' মাছটো পৰা ঠাইৰ পানীখিনিৰ ঢৌবোৰ পল'টোৰ দৰে ঘূৰণীয়া হৈ ক্ৰমাৎ বহল হৈ যোৱালৈ চাই থাকি জীৱকান্তই ক'লে। ঢৌবোৰ আহি আহি তাৰ ভৰিত মৃদু আঘাত দিলেহি। কিছুমান কোমল। বুজিব

নোৱৰা ভাষাই যেন চেলেকণা মাছৰ দৰে তাৰ ভৰিত আঁকোলা-আকুলি লগালেহি।

পল'টো ডম্বৰুৰ হাতত দি পানী ভাঙি পাৰলৈ আগবাঢ়িল জীৱকান্ত।

ৰাইজ আহি পাৰ ভৰি পৰিলহি।*

১৯৬১

**আকাশবাণী গুৱাহাটী কেন্দ্রত অনাতাঁৰ সপ্তাহ (১৯৬১) উপলক্ষে প্রচাৰিত। আকাশবাণীৰ সকলোবোৰ কেন্দ্রৰ যোগেদি বিভিন্ন ভাৰতীয় ভাষাত প্রচাৰিত।*

# সমাপ্ত